# অসমীয়া উচ্চতৰ সাহিত্য সংকলন

(উচ্চতৰ মাধ্যমিকৰ প্ৰথম আৰু দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ পাঠ্যপুথি)

*সম্পাদনা*

**অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ**

**অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ হৈ**
**জ্যোতি প্ৰকাশন ঃ গুৱাহাটী-১ৰ**
**দ্বাৰা প্ৰকাশিত**



**Asomiyã Uchchatar Sãhitya Sankalan :** A textbook on Advance Assamese as per prescribed syllabus by the Assam Higher Secondary Education Council for the two year Higher Secondary courses and published by **Jyoti Prakashan**, Panbazar, Guwahati 781 001, on behalf of the Assam Higher Secondary Education Council, Guwahati 781 021.

***Nineteenth edition :*** *May, 2023* ***Price :*** *Rs. 50.00 only*

**প্ৰকাশক ঃ**
**জ্যোতি প্ৰকাশন**
যশোৱন্ত পথ, পাণবজাৰ, গুৱাহাটী-৭৮১ ০০১

**প্ৰথম প্ৰকাশ** ঃ জুন, ২০০৫
**দ্বিতীয় প্ৰকাশ (পুনৰ্মুদ্ৰণ)** ঃ জুন, ২০০৬
**তৃতীয় প্ৰকাশ (পুনৰ্মুদ্ৰণ)** ঃ জুন, ২০০৭
**নৱম প্ৰকাশ (পুনৰ্মুদ্ৰণ)** ঃ মে’, ২০১৩
**দশম প্ৰকাশ (পুনৰ্মুদ্ৰণ)** ঃ মে’, ২০১৪
**একাদশ প্ৰকাশ (পুনৰ্মুদ্ৰণ)** ঃ জুন, ২০১৫
**দ্বাদশ প্ৰকাশ (পুনৰ্মুদ্ৰণ)** ঃ মে’, ২০১৬
**ত্ৰয়োদশ প্ৰকাশ (পুনৰ্মুদ্ৰণ)** ঃ জুন, ২০১৭
**চতুৰ্দশ প্ৰকাশ (পুনৰ্মুদ্ৰণ)** ঃ মে’, ২০১৮
**পঞ্চদশ প্ৰকাশ (পুনৰ্মুদ্ৰণ)** ঃ এপ্ৰিল, ২০১৯
**ষষ্ঠদশ প্ৰকাশ (পুনৰ্মুদ্ৰণ)** ঃ মে’, ২০২০
**সপ্তদশ প্ৰকাশ (পুনৰ্মুদ্ৰণ)** ঃ আগষ্ট, ২০২১
**অষ্টাদশ প্ৰকাশ (পুনৰ্মুদ্ৰণ)** ঃ জুন, ২০২২
**ঊনবিংশ প্ৰকাশ (পুনৰ্মুদ্ৰণ)** ঃ মে’, ২০২৩

© অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

**মূল্য ঃ ৫০.০০ টকা**

**অক্ষৰ বিন্যাস ঃ**
ময়ূৰ ডে’স্কটপ
পাণবজাৰ, গুৱাহাটী-৭৮১ ০০১

**ছপাশাল ঃ**
ত্ৰিনয়ন গ্ৰাফিক অফ্‌ছেট
উদ্যোগ পাম, বামুণীমৈদাম, গুৱাহাটী-৭৮১ ০২১

# ভূমিকা

'অসমীয়া উচ্চতৰ সাহিত্য সংকলন' নামৰ 'উচ্চ অসমীয়া' বিষয়ৰ পাঠ্যপুথিখনৰ সংশোধিত দ্বাদশ সংস্কৰণটি প্ৰকাশ কৰা হ'ল যাতে ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া সাহিত্যৰ বিষয়ে উচ্চ পৰ্যায়ৰ জ্ঞান লাভ কৰিব পাৰে।

সংশোধিত ৰূপত পাঠ্যপুথিখন সংশ্লিষ্ট অসমীয়া ভাষাৰ বিশেষজ্ঞ সমিতিয়ে প্ৰস্তুত কৰি দিয়াৰ বাবে সম্পাদনা সমিতিৰ সমূহ সদস্যলৈ কৃতজ্ঞতা আৰু আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

বিজ্ঞজনৰ গঠনমূলক দিহা-পৰামৰ্শ আমি কামনা কৰিলোঁ যাতে পৰৱৰ্তী সংস্কৰণসমূহ উন্নত ৰূপত প্ৰকাশ কৰিব পৰা হয়।

বামুণীমৈদাম
গুৱাহাটী-২১

সচিব
অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ



## THE CONSTITUTION OF INDIA

### Article 51A

**Fundamental Duties – It shall be the duty of every citizen of India-**

a. to abide by the constitution and respect its ideals and institutions, the National Flag and the National Anthem;

b. to cherish and follow the noble ideals which inspired our national struggle for freedom;

c. to uphold and protect the sovereignty, unity and integrity of India;

d. to defend the country and render national service when called upon to do so;

e. to promote harmony and the spirit of common brotherhood amongst all the people of India transcending religious, linguistic and regional or sectional diversities; to renounce practices derogatory to the dignity of women;

f. to value and preserve the rich heritage of our composite culture;

g. to protect and improve the natural environment including forests, lakes, rivers, wild life and to have compassion for living creatures;

h. to develop the scientific temper, humanism and the spirit of inquiry and reform;

i. to safeguard public property and to abjure violence;

j. to strive towards excellence in all spheres of individual and collective activity so that the nation constantly rises to higher levels of endeavour and achievement.

**সম্পাদনা সমিতিৰ সদস্যসকল ঃ**
ড° শৈলেন ভৰালী (মুখ্য সম্পাদক)
ড° গোলকেশ্বৰ গোস্বামী
ড° পূৰ্ণ ভট্টাচাৰ্য
ড° প্ৰফুল্ল কুমাৰ নাথ
ড° মুকুল চক্ৰৱৰ্তী
ড° নমিতা ডেকা
ড° মহেশ্বৰ কলিতা

# পাঠ্যসূচী

## ADVANCE ASSAMESE

### SYLLABUS FOR HIGHER SECONDARY FIRST YEAR COURSE

*(To be effective from 2007-2008 Academic Session)*

**Unitwise Distribution of Marks and Periods**

| Unit No. | Topics | Marks | Periods |
|---|---|---|---|
| Unit : 1 | Selected pieces from Poetry Text | 20 | 25 |
| Unit : 2 | Selected pieces from Prose Text | 15 | 30 |
| Unit : 3 | Drama | 20 | 30 |
| Unit : 4 | Short Story | 10 | 10 |
| Unit : 5 | Literary Criticism (Poems & Drama) | 10 | 10 |
| Unit : 6 | Chanda | 10 | 10 |
| Unti : 7 | History of Assamese Literature From 1889-1940 (কবিতা আৰু নাটকৰ পৰিচয়) | 15 | 25 |
| | | 100 | 140 |

**Unitwise Distribution of course contents**

**পাঠ্যপুথি ঃ 'অসমীয়া উচ্চতৰ সাহিত্য সংকলন'— অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা প্ৰকাশিত**

**Unit-1 : Selected Pieces from Poetry (নিৰ্বাচিত কবিতাসমূহ) :**

১. প্ৰহ্লাদ চৰিত্ৰ ঃ হেম সৰস্বতী ২. শিৱৰ কৃষিকৰ্ম ঃ ৰাম সৰস্বতী ৩. প্ৰিয়তমাৰ চিঠি ঃ হেমচন্দ্ৰ গোস্বামী ৪. পানেশৈ ঃ আনন্দ চন্দ্ৰ আগৰৱালা ৫. পছোৱাৰ ডাক ঃ প্ৰসন্নলাল চৌধুৰী ৬. চামুৰাই ঃ মহেন্দ্ৰ বৰা

**Unit-2 : Selected Pieces from Prose (নিৰ্বাচিত গদ্যসমূহ) :**

১. শংকৰদেৱৰ বাল্যকাল ঃ গুৰুচৰিত কথা ২. ছাত্ৰৰ কৰ্তব্য আৰু শিক্ষা ঃ কৃষ্ণকান্ত সন্দিকৈ ৩. অংকীয়া নাটৰ ৰস বিচাৰ ঃ ড° সত্যেন্দ্ৰ নাথ শৰ্মা

**Unit-3 : Drama (নাটক) :**

টিকেন্দ্ৰজিৎ ঃ অতুল চন্দ্ৰ হাজৰিকা

**Unit-4 : Short Story (চুটিগল্প) :**

১. যীশুখ্ৰীষ্টৰ ছবি ঃ চৈয়দ আব্দুল মালিক ২. ভ্ৰষ্টলগ্ন ঃ নিৰুপমা বৰগোহাঞি

**Unit-5 : Literary Criticism (সাহিত্য সমালোচনা) :**

১। কবিতা, ২। নাটক

**Unit-6 : Chanda (ছন্দ) :**

ছন্দৰ সংজ্ঞা; অক্ষৰ; মাত্ৰা; যতি; পৰ্ব; চৰণ; স্তৱক; পদ বা পয়াৰ; ঝুমুৰী; কুসুমমালা; দুলড়ী; ছবি; লেচাৰি ছন্দ

**Unit-7 : History of Assamese Literature : (1889-1940)**

**অসমীয়া সাহিত্যৰ বুৰঞ্জী** (১৮৮৯-১৯৪০) ঃ অসমীয়া কবিতা আৰু নাটকৰ পৰিচয়



# পাঠ্যসূচী

## ADVANCE ASSAMESE

### SYLLABUS FOR HIGHER SECONDARY SECOND YEAR COURSE

*(To be effective from 2008-2009 Academic Session)*

**Unitwise Distribution of Marks and Periods**

| Unit No. | Topics | Marks | Periods |
|---|---|---|---|
| Unit : 1 | Selected pieces from Poetry Text | 20 | 25 |
| Unit : 2 | Selected pieces from Prose Text | 15 | 30 |
| Unit : 3 | Novel | 20 | 30 |
| Unit : 4 | Short Story | 10 | 10 |
| Unit : 5 | Literary Criticism (Short Story & Novel) | 10 | 10 |
| Unit : 6 | Alankar (Rhetorical expression) | 10 | 10 |
| Unit : 7 | History of Assamese Literature From 1889-1940 (চুটিগল্প আৰু উপন্যাসৰ পৰিচয়) | 15 | 25 |
| | | 100 | 140 |

**Unitwise Distribution of course contents**

**পাঠ্যপুথি ঃ 'অসমীয়া উচ্চতৰ সাহিত্য সংকলন'— অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা প্ৰকাশিত**

**Unit-1 : Selected pieces from Poetry Text (নিৰ্বাচিত কবিতাসমূহ) :**

১. বৰ্ষা বৰ্ণন ঃ শংকৰদেৱ ২. মানৱ বন্দনা ঃ চন্দ্ৰকুমাৰ আগৰৱালা ৩. ই যে অগ্নিবীণাৰ তান ঃ অম্বিকাগিৰী ৰায়চৌধুৰী ৪. মোৰ গাঁও ঃ ডিম্বেশ্বৰ নেওগ ৫. কাঞ্চনজঙ্ঘাৰ বুৰঞ্জী ঃ জ্যোতিপ্ৰসাদ আগৰৱালা ৬. অন্বেষণ ঃ সীতানাথ ব্ৰহ্মচৌধুৰী

**Unit-2 : Selected pieces from Prose Text (নিৰ্বাচিত গদ্যসমূহ) :**

১. বুৰঞ্জীৰ দৌৰাত্ম্য ঃ লক্ষ্মীনাথ বেজবৰুৱা ২. মাধৱদেৱ ঃ লক্ষ্মীধৰ শৰ্মা ৩. বহাগ বিহুৰ পৰম্পৰা ঃ ড° প্ৰফুল্ল দত্ত গোস্বামী

**Unit-3 : Novel (উপন্যাস) :**

১. কপিলীপৰীয়া সাধু ঃ নৱকান্ত বৰুৱা

**Unit-4 : Short Story (চুটিগল্প) :**

১. আমাৰ ছাৰ ঃ যোগেশ দাস ২. হাতী ঃ হোমেন বৰগোহাঞি

**Unit-5 : Literary Criticism (সাহিত্য সমালোচনা) :**

১। চুটিগল্প, ২। উপন্যাস

**Unit-6 : অলংকাৰ :**

অলংকাৰৰ সংজ্ঞা আৰু প্ৰকাৰ; শব্দালংকাৰ ঃ অনুপ্ৰাস, যমক, শ্লেষ; অৰ্থালংকাৰ ঃ উপমা, অতিশয়োক্তি, অপ্ৰস্তুত প্ৰশংসা

**Unit-7 : অসমীয়া সাহিত্যৰ বুৰঞ্জী** (১৮৮৯-১৯৪০ ঃ অসমীয়া চুটিগল্প আৰু উপন্যাসৰ পৰিচয়)

# সূচীপত্ৰ

## প্ৰথম বাৰ্ষিকৰ বাবে

### গোট-১ ঃ নিৰ্বাচিত কবিতাসমূহ


| | | |
|---|---|---|
| ১। প্ৰহ্লাদ চৰিত্ৰ | হেম সৰস্বতী | ১ |
| ২। শিৱৰ কৃষিকৰ্ম | ৰাম সৰস্বতী | ৬ |
| ৩। প্ৰিয়তমাৰ চিঠি | হেমচন্দ্ৰ গোস্বামী | ১২ |
| ৪। পানেশৈ | আনন্দচন্দ্ৰ আগৰৱালা | ১৪ |
| ৫। পছোৱাৰ ডাক | প্ৰসন্নলাল চৌধুৰী | ১৭ |
| ৬। চামুৰাই | মহেন্দ্ৰ বৰা | ২২ |


### গোট-২ ঃ নিৰ্বাচিত গদ্যসমূহ


| | | |
|---|---|---|
| ১। শংকৰদেৱৰ বাল্যকাল | গুৰুচৰিত কথা | ২৯ |
| ২। ছাত্ৰৰ কৰ্তব্য আৰু শিক্ষা | কৃষ্ণকান্ত সন্দিকৈ | ৩৪ |
| ৩। অংকীয়া নাটৰ ৰস-বিচাৰ | ড° সত্যেন্দ্ৰনাথ শৰ্মা | ৪৬ |


### গোট-৪ ঃ চুটিগল্প


| | | |
|---|---|---|
| ১। যীশুখ্ৰীষ্টৰ ছবি | চৈয়দ আব্দুল মালিক | ৫৩ |
| ২। ভ্ৰষ্টলগ্ন | নিৰুপমা বৰগোহাঞি | ৬৩ |




# সূচীপত্ৰ

## দ্বিতীয় বাৰ্ষিকৰ বাবে

### গোট-১ ঃ নিৰ্বাচিত কবিতাসমূহ


| | | |
|---|---|---|
| ১। বৰ্ষা বৰ্ণন | শ্ৰীশঙ্কৰদেৱ | ৭৯ |
| ২। মানৱ বন্দনা | চন্দ্ৰকুমাৰ আগৰৱালা | ৮৪ |
| ৩। ই যে অগ্নিবীণাৰ তান | অম্বিকাগিৰী ৰায়চৌধুৰী | ৮৬ |
| ৪। মোৰ গাঁও | ডিম্বেশ্বৰ নেওগ | ৮৮ |
| ৫। কাঞ্চনজঙ্ঘাৰ বুৰঞ্জী | জ্যোতিপ্ৰসাদ আগৰৱালা | ৯২ |
| ৬। অন্বেষণ | সীতানাথ ব্ৰহ্মচৌধুৰী | ৯৭ |


### গোট-২ ঃ নিৰ্বাচিত গদ্যসমূহ


| | | |
|---|---|---|
| ১। বুৰঞ্জীৰ দৌৰাত্ম্য | লক্ষ্মীনাথ বেজবৰুৱা | ১০১ |
| ২। মাধৱদেৱ | লক্ষ্মীধৰ শৰ্মা | ১১০ |
| ৩। বহাগ বিহুৰ পৰম্পৰা | ড° প্ৰফুল্লদত্ত গোস্বামী | ১১৪ |


### গোট-৪ ঃ চুটিগল্প


| | | |
|---|---|---|
| ১। আমাৰ ছাৰ | যোগেশ দাস | ১২৫ |
| ২। হাতী | হোমেন বৰগোহাঞি | ১৩৬ |

প্ৰথম বাৰ্ষিক শ্ৰেণীৰ বাবে

# নিৰ্বাচিত কবিতাসমূহ

# প্ৰহ্লাদ চৰিত্ৰ

## হেম সৰস্বতী

হেন শুনি প্ৰহ্লাদে সুমৰে হৰি হৰি।
মাধৱক গালি মঞি পাৰো কেন কৰি।।
মাধৱেসে পিতা-মাতা মাধৱেসে প্ৰাণ।
মাধৱত পৰে কোন বন্ধু আছে আন।।
যত দেখা বাপ জল থল গিৰি বন।
গজ ভূজ সৱাতো আছন্ত নাৰায়ণ।।
তুমি আমি আদি কৰি তিনিও জগত।
সৱাতে আছন্ত হৰি নুহিকে বেকত।।
হিৰণ্যকশিপু বোলে শুনৰে বৰ্ব্বৰ।
পুনৰপি নিন্দিলোহো তোহোৰ উত্তৰ।।
বোলযে সৱাৰো গাৰে আছে দামোদৰ।
সৱে লোক নোহে কিয় এক সমসৰ।।
কেহো সুখী কেহো দুখী বহুত অন্তৰ।
কেহো কাক বাৰে কেহো হৰয় নফৰ।।
কেহো হস্তী-স্কন্ধে চড়ি হংস তুলি শোৱে।
কেহো কেহো জনে কিয় তৃণকো নপাৰে।।
কেহো জনে ভুঞ্জে ঘোল কেহো ভুঞ্জে খীৰ।
কেহো যে শ্ৰীমন্ত কেহো হোৱে চোৰ।।
একৰে জীৱনে হৌক সৱাৰে জীৱন।
একৰ মৰণে হৌক সৱাৰে মৰণ।।
একৰ ভোজনে হৌক সৱাৰে ভোজন।
তেৱে জানো সৱাতে আছন্ত নাৰায়ণ।।
প্ৰহ্লাদ বদতি বাপ নিন্দো তযু বাণী।
তুমি কিছো নাজানাহা আমি আছো জানি।।



মঞি যে দেখোহো হৰি আছন্ত সৱাতে।
মলচখু নিমিত্তেসে নেদেখা সাক্ষাতে।।
যি বোলা সকলো কিয় নোহে সমসৰ।
পাপ-পুণ্যফলে সুখ-দুখ ভুঞ্জে নৰ।।
আচাৰত ভিন হৰি বিচাৰত এক।
ফটিকৰ তম্ভে তুমি দেখিয়া প্ৰত্যক্ষ।।
হেন শুনি হিৰণ্যই গাৰ চালি উঠি।
ফটিকৰ তম্ভত বসাইলা এক মুঠি।।
মুঠিৰ প্ৰহাৰে তম্ভ ভৈলা চিৰাচিৰ।
বড় চোটে কাম্পে তাৰ সকল শৰীৰ।।
ফাটি বাজ ভৈলা পাছে নৰসিংহ ৰূপে।
এক ডেৱে হিৰণ্যক ধৰিলা আটোপে।।
হিৰণ্যও হৰিক ধৰিলা আঙ্কোৱালি।
তাৰক্ষণে হৰিও ধৰিলা গাৰ চালি।।
হেন দেখি নাৰায়ণে গুণে মনে মনে।
মোক যে এনুৱা চোটে আন সহে কোনে।।
গিৰ গিৰ শবদে লৰিলা ভূমিচাল।
ঘনে ঘনে কাম্পন্ত পৃথিৱী সাত তাল।।
চোবাৱে দশন আতি তেজয় আটাস।
স্বৰ্গ মৰ্ত্ত পাতালত লাগিলা তৰাস।।
থলে যেৱে যুজে থল যাই ৰসাতল।
জলে যেৱে যুজে জল শুখাই সকল।।
গিৰিত যুজয় গিৰি খণ্ড খণ্ড হয়।
দেৱাসুৰ নৰে বোলে মিলিল প্ৰলয়।।
কতো বেলি হিৰণ্যই কিছু ছিদ্ৰ পাইলা।
ঊৰ্দ্ধক লাগিয়া হৰি খেপিয়া পঠাইলা।।
শতেক যোজন মানে ঊৰ্দ্ধ লাগি গৈলা।
পৃথিৱীত পৰি হৰি অচেতন ভৈলা।।
দেখিয়া অসুৰগণে কৰে জয় জয়।
কৈৰ সিংহ পশুগোটে ৰাজাক যুজয়।।

পতঙ্গসে হুয়া কৰে অগনিক সাস।
এহি বুলি দৈত্যগণে তুলিলেক হাস।।
অন্যোঅন্যে বোলে কিনো মন্দ যে অৰিষ্ট।
আমাৰ ৰাজাক আসি যুজয় পাপিষ্ঠ।।
এহি বুলি দৈত্যগণ নিজমে ৰহিলা।
ৰাজাৰ চৰণে পৰি প্ৰণাম কৰিলা।।
আমাৰ বচন প্ৰভু শুনা দৈত্যেশ্বৰ।
তোমাক বধিতে আইলা দেৱ গদাধৰ।।
তাঙ্ক মাৰিবাক লাগি কৰাহা যতন।
তোমাৰ কি মৃত্যু আছে দেৱৰ বচন।।
হেন শুনি দৈত্যেশ্বৰে গৰ্জ্জিবাক লৈলা।
সেহি সময়ত আনো দৈত্য প্ৰৱেশিলা।।
ধৰ ধৰ মাৰ মাৰ কাট কাট কৰি।
ক্ৰোধে খেদি আসে দৈত্য নচলয় ভৰি।।
কতো বেলি চেতন লভিলা নাৰায়ণ।
নসহে হৃদয়ে তান শোক অপমান।।
এক লাম্ফ দিয়া হৰি হিৰণ্যক ধৰি।
মাল-বান্ধে ধৰি পেলাইলন্ত চিত কৰি।।
অসুৰৰ ৰঙ্গ দেখি মাধৱৰ খঙ্গ।
দুয়ো এক সম বীৰ যেহেন মাতঙ্গ।।
দিন গোট গুচি সন্ধ্যা ভৈলেক প্ৰৱেশ।
ছিদ্ৰ-কাল লভিলন্ত দেৱ ঋষীকেশ।।
ঘসাই নিলন্ত পানী-পতনিক লাগি।
ঘসন্তে নিষন্তে তাৰ হাৰ গৈল ভাগি।।
দুই হাতে ধৰি অসুৰক আলগাই।
জল-থল কিছু নোহে উৰুত বৈসাই।।
অস্ত্ৰে-শস্ত্ৰে নাকাটিলা নখে বিদাৰিলা।
ৰাত্ৰি দিনে নামাৰিয়া সন্ধ্যাত মাৰিলা।।
হৃদয় বিদাৰি পেলাইলেক মহীতলে।
নগৰৰ লোকমানে পলাইলা সকলে।।



গিৰিক ভেদিয়া যেন বহি যায় জল।
হিৰণ্যৰ তেজে বসুন্ধৰা যায় তল।।
হেনমতে দৈত্যেশ্বৰ গৈলা যম ঘৰ।
দেখি মনে ৰঙ্গ ভৈলা সকল লোকৰ।।
আকাশৰ পৰা দেৱে পুষ্প বৰিষণ।
অপেচৰা নাচয়ে গন্ধৰ্ব্বে কৰে গান।।
লৱঙ্গ মালতী সুগন্ধিত পুষ্প যত।
হৰিৰ শিৰত বৃষ্টি কৰে অসংখ্যাত।।
হেনমতে নিশাচৰ গৈলা যম-ঘৰ।
সিটো কথা শুনি সৰ্ব্বজন-ৰুচিকৰ।।
আক পদৱন্ধে হেম সৰস্বতী ভণে।
কহন্তা শুনন্তা ৰক্ষা কৰে নাৰায়ণে।।

**হেম সৰস্বতী ঃ** প্ৰাক্ শংকৰী যুগৰ এগৰাকী উল্লেখযোগ্য কবি হ'ল হেম সৰস্বতী। এইজনা কবিয়ে কমতাধিপতি দুৰ্লভ নাৰায়ণৰ ৰাজ্যত আৰু সম্ভৱতঃ তেওঁৰ পৃষ্ঠপোষকতা লাভ কৰি 'প্ৰহ্লাদ চৰিত্ৰ' আৰু 'হৰগৌৰী-সংবাদ' কাব্যগ্ৰন্থ ৰচনা কৰে। হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' অসমীয়া সাহিত্যৰ প্ৰথম লিখিত কাব্য-নিদৰ্শন। 'প্ৰহ্লাদ চৰিত্ৰ' এখনি সৰু বৰ্ণনাত্মক কাব্য। দানৱৰাজ হিৰণ্যকশিপুৱে পুতেক প্ৰহ্লাদক বিষ্ণু ভক্তি আচৰণ কৰা কাৰণে কৰা উৎপীড়ন আৰু শেষত নৰসিংহৰূপী বিষ্ণুৰ হাতত হিৰণ্যকশিপু বধৰ বিৱৰণ ইয়াত পোৱা যায়। তেওঁৰ বৰ্ণনা সৰল আৰু ঘৰুৱা, ভাষাৰ আড়ম্বৰ নাই। হেম সৰস্বতীয়ে 'বামন পুৰাণ' চাই হিৰণ্যকশিপু আৰু ভক্ত প্ৰহ্লাদৰ তৰ্ক-বিতৰ্কৰ পৰা আৰম্ভ কৰি হিৰণ্যকশিপু বধলৈ বৰ্ণনা কৰিছে; কিন্তু বৰ্তমানে প্ৰাপ্ত আৰু প্ৰকাশিত বামন পুৰাণত বিষ্ণুৰ নৰসিংহ অৱতাৰ গ্ৰহণ আৰু শিশু প্ৰহ্লাদৰ বিষ্ণুভক্তিৰ বিৱৰণ পাবলৈ নাই।

## কঠিন শব্দৰ অৰ্থ ঃ

মলচখু— বেয়া বা লেতেৰা দৃষ্টি।
ফটিক— বৰ বগা বহুমূলীয়া পাথৰ।
তৰাস— ভয়।
জোজন— আঠ মাইল দূৰত্ব।
মাতঙ্গ— মতা হাতী।

**প্ৰশ্নাৱলী ঃ**

১। কবিতাংশত হৰিৰ প্ৰতি প্ৰহ্লাদে কেনেদৰে ভক্তি প্ৰকাশ কৰিছে লিখা।
২। হিৰণ্যকশিপু কেনেদৰে নিধন হ'ল লিখা।
৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা।
(ক) মাধৱেসে পিতা মাতা মাধৱেসে প্ৰাণ।
মাধৱত পৰে কোন বন্ধু আছে আন।।
(খ) লৱঙ্গ মালতি সুগন্ধিত পুষ্প যুত।
হৰিৰ শিৰত বৃষ্টি কৰে অসংখ্যাত।।

---



# শিৱৰ কৃষি-কৰ্ম
## (ভীম-চৰিতৰ পৰা)

**— ৰাম সৰস্বতী**

অনন্তৰে আসি বেলা ভৈলা দুই পৰ।
বৃষভ বান্ধিলা নিয়া বীৰ বৃকোদৰ॥
ভাত খাওঁ বুলি ভীমে বৃষভ বান্ধিলা।
কাৰ্ত্তি-গণপতি ভাত খাইবাক লাগিলা॥
ভীমক দিলন্ত ভাত থালক ভৰাই।
এক গ্ৰাসে ভীমে তাক পেলাইলেক খাই॥
আঞ্জা দেওঁ বুলি দেৱী ভিতৰক গৈলা।
শুদা ভাতগাল ভীমে খায়া যে আতাইলা॥
ব্যঞ্জন আনিয়া দেৱী দেখিলন্ত পাছে।
শুদা থাল খান গৰখীয়া আগে আছে॥
দিলো কি নেদিলো ভাত বুলি দেৱী চাই।
পুনু ভাত আনিবাক গৈলেক সোমাই॥
আনিয়া অনেক অন্ন ভীমক দিলেক।
গৰাস চাৰেক ভীমে খায়া আতাইলেক॥
দেখি দেৱী পুনৰ্ব্বাৰ আৰু ভাত দিলা।
দুই গৰাসতে ভীমে তাহাকো গিলিলা॥
চৰুৰ ব্যঞ্জন অন্ন সকলে ধুকাইল।
দেখি পাৰ্ব্বতীৰ মনে বিস্ময় মিলিল॥
ডাক দিয়া ভীমে বোলে শুনিয়োক আই।
আৰু ভাত আনা মোৰ ভোক নপলাই॥
ভাত নাই দেখি দেৱী ওলাই নাসিলা।
অসন্তোষে ভীমে যাই আচান্ত কৰিলা॥
আচন্ত কৰিয়া ভীমে বুলিলা বচন।
কৈত আছে তোমাঠৈৰ ভিক্ষা জুলী খান॥

আছে যদি চাউল খুদ দিয়ো মোক আই।
আধাপেটি ৰৈলো তাকে পেলাওঁ চোবাই॥
হেন শুনি পাৰ্ব্বতীয়ে বুলিলা বচন।
আজি বাপু মোৰ ঘৰে নাই খুদকণ॥
হেন শুনি ভীমে পাছে বুলিলেক বাক।
গৰু চাৰিবাক লাগি পঞ্চা যাকে তাক॥
বুঢ়া গৰু ফুৰে সিটো লড় বড় কৰি।
ভাত নাই তাহাক চাৰিবো কেন কৰি॥
নচাৰোহো গৰু মই যৈকে তৈকে যাওঁ।
তোমাঠৈৰ ঘৰে আই বৰ দুঃখ পাওঁ॥
ৰাত্রি দিনে তোমাসাৰ ভাঙ্গৰস উড়ি।
সকলোৰে খুন্দি মৰা ভাঙ্গৰয়ে গুৰি॥
ধান নাই ভাঙ্গৰ পাতিয়া আছা দুলি।
ভাঙ্গক ধৰিছা তোৰা পঞ্চামৃত বুলি॥
ঘোড়া নাই গৰুৰ ওপৰে ফুৰা উঠি।
ঘৰে ঘৰে চাউল মাগি আনা এক মুঠি॥
কাৰ্ত্তি গণপতি সমে তাকে থাকা খাই।
খাইবে নপাই শিৱে ফুৰে ডম্বৰু বজাই॥
ভীমৰ বচনে পাৰ্ব্বতীয়ে লাজ পাই।
তেতিক্ষণে মহাদেউক ধৰিলেক যাই॥
পাৰ্ব্বতী বদতি প্ৰভু শুনা ত্ৰিলোচন।
একবাৰ কিৰিষি কৰিবে দিয়া মন॥
ভিক্ষাৰ চাউলে জানা পেট নুপূৰয়।
খাইবে নাপাই গৰখীয়া আৰাৰ কৰয়॥
শিৱ নিগদতি শুনা পাৰ্ব্বতী উত্তৰ।
কিমতে কৰিবো কৃষি কৰ্ম্ম গুৰুতৰ॥
দুষ্কৰ কৃষিক মই কৰিবো কিমত।
নাই কড়াকড়ি ধন মোহোৰ ঘৰত॥
পাৰ্ব্বতী বদতি প্ৰভু ভয় এৰা মনে।
মাটি খুজি লোৱা কিছু বাসৱৰ স্থানে॥



কঠিয়া আনাহা খুজি সখি কুবেৰত।
নাঙ্গল আনাহা খুজি বলো যে ভদ্ৰত॥
যমৰ মহিষ গোট আনিয়োক যাই।
তোমাৰ বৃষভ আছে কৰা এক ঠাই॥
ত্ৰিশূলক ফাল কৰি হালক জুৰিয়ো।
এহিমতে কৃষি কাৰ্য্য বিধান কৰিয়ো॥
পাৰ্ব্বতীৰ বাক্যে শিৱে তেতিক্ষণে যায়।
আনিলা সকলো দ্ৰব্য সি সবৰ ঠাই॥
হেনমতে শঙ্কৰেযে কৃষিত ধৰিলা।
যোড়শ হাজাৰ মাটি মুকলি কৰিলা॥
হাল বাই ভূমি খান কৰিলেক চাষ।
ৰৈলা বিধে বিধে ধান সব কৃত্তিবাস॥
দৰাদৰে গজি ধান উঠিলা প্ৰত্যেক।
দেখি মহাদেৱ আনন্দিত অতিৰেক॥
কতো দৰা মেলে ঠোক কতো যে পকিছে।
নিৰন্তৰে মহাদেৱে তাহাক ৰাখিছে॥
দিনেক শঙ্কৰে বোলে শুনিয়ো পাৰ্ব্বতী।
কহিতো নাযাইবা তুমি কৃষিৰ যে ভীতি॥
বাৰু বুলি পাৰ্ব্বতী থাকি আথেবেথে।
মনে ভাবে কিয় হাক দিলে ভোলানাথে॥
পাছে এক দিনা আই মহেশত আৰে।
ক্ষেত্ৰক গৈলন্ত গুপ্তভাবে একেশ্বৰে॥
দেখিলেক কৃষি স্থান খান অতিশয়।
দৰাদৰে ধান সব পকিয়া আছয়॥
শিৱৰ কাৰ্য্যক দেখি আচৰিত মানি।
উশ্ আশ্ এই দুই উচ্চাৰিল বাণী॥
তাত হন্তে খোবা খোবি হুয়া উৎপন্ন।
ধান খান পুৰি সবে কৰিলেক ছন্ন॥
হেন দেখি দেৱী বৰ বিস্ময় মানিলা।
ভালেতো আসিবে প্ৰভু মোক হাক দিলা॥

এহি বুলি ভগৱতী পালটি আসিলা।
দুঃখ লাজে সিতো কথা কাতো নকহিলা॥
একদিনা শিৱে যাই দেখিলেক পাছে।
দেখিলেক ধান খান সবে পুৰি আছে॥
পাৰ্ব্বতীৰ কৰ্ম্ম বুলি ঘৰক আসিলা।
কিসক গৈলাহা বুলি বিস্তৰ টঙ্কিলা॥
পাৰ্ব্বতী বদতি প্ৰভু গৈলোহোঁ হঠাৎ।
পুৰিলেক ধান খান দেখিলোঁ সাক্ষাত॥
চৰণত ধৰো প্ৰভু দোষ মৰষিয়ো।
আৰু একবাৰ প্ৰভু খেতিক কৰিয়ো॥
শুনিয়া শঙ্কৰে আৰ বাৰ ধান কৈলা।
গজি ধান খান গৈয়া তেখনে পকিলা॥
শঙ্কৰে বোলয় দেবী পকিলেক ধান।
গৰখীয়া পাঞ্চিয়া ধানৰ আগ আন॥
হেন শুনি পাৰ্ব্বতী ভীমকে পাঞ্চিলা।
কাচিখান লৈয়া ভীম তেখনে চলিলা॥
নিমিষেকে ভীমে ধান পেলালেক কাটি।
সৰু সৰু হাতেৰে ভৈলেক তিনি মুঠি॥
ধান কাটি ভীমে আসি বুলিলেক বাক।
এহি ধান দাইবে লাগি পাঠাইলা আমাক॥
কি কৰিবে কৃষি আই ভঙ্গুৰা শঙ্কৰ।
কৈত শুনি আছাহাঁ চহকী ভিক্ষুকৰ॥
ভূঁই কৰো বুলি চাউল আনা মাগি যাচি।
অন্ন-ব্যঞ্জন মানে তাঙ্ক দিবা বাচি॥
ভাঙ্গ ধুতুৰা গুৰি জুমথি হাতত।
বাটে হোকা খাই শিৱ ফুৰয় সতত॥
ভূঁই কৰো বুলি ঐৰ পৰা চলি যাই।
গছৰ তলত বসি থাকে ভাঙ্গ খাই॥
লাহে লাহে বায়ু যদি লাগিলা গাৰত।
বাঘছাল পাৰি শোৱে তাহাৰ তলত॥



নিদ্ৰা গৈয়া অচেতন ভাৱে থাকে পৰি।
ঢোন্দাকাকে চাৰি ফালে খুটিবাৰে বেঢ়ি॥
গধূলি সময় ভৈলে লভয় চেতন।
ঘৰক আসয় মাৰি ঘাৰ চাৰিমান॥
হেন শুনি মহেশ্বৰে তুলিলেক হাস।
মিছা কথা কহি দন্দ লগাইবাক চাস॥
পাৰ্ব্বতী বোলয় মই পালো পৰিমাণ।
তোমাৰ খেতিৰ প্ৰভু এহিমান ধান॥
ভোলানাথ তোমাৰ গাৰত নাহি তত।
খেতিৰ চাউল খাইবে নাহি কপালত॥
হেন শুনি মহেশ্বৰ ক্ৰোধ উপজিল।
ধানৰ মুঠিত গৈয়া অগনি লগাল॥
দেখি ভীমে বেগে যাই আচাৰি পেলাইলা।
নুমাইবাক নপাৰিল অগনি বাঢ়িলা॥
এহিমতে সাতদিন ধান পুৰি আছে।
একদিনা শঙ্কৰে যে দেখিলেক পাছে॥
কমণ্ডলু জলে নুমাইলাহা মুণ্ডমালী।
সি কাৰণে কিছু আহু কিছু ভৈলা শালি॥
ৰাম সৰস্বতী ভণে এড়া আন কাম।
পাতেক ছাড়োক ডাকি বোলা ৰাম ৰাম॥

**ৰামসৰস্বতী ঃ** শংকৰী যুগৰ কবি ৰামসৰস্বতী অসমীয়া সাহিত্যত 'অসমীয়া ব্যাস'ৰূপে পৰিচিত। খ্ৰীষ্টিয় যোড়শ শতিকাৰ দ্বিতীয়াৰ্ধত তেওঁ কোচৰজা মহাৰাজ নৰনাৰায়ণৰ নিৰ্দেশত তেওঁৰ সহযোগীসকলেৰে সৈতে বিশাল মহাভাৰতৰ পদ ভাঙনিৰ কাম আৰম্ভ কৰে।

ৰামসৰস্বতী প্ৰধানভাৱে মহাভাৰতৰ কবি। ইয়াৰ উপৰি তেওঁ মহাভাৰতৰ বনপৰ্বৰ ঘটনাৰ আধাৰত একশ্ৰেণীৰ লঘু কাব্য ৰচনা কৰে। এইবোৰক বধকাব্য আখ্যা দিয়া হৈছে। বঘাসুৰ বধ, খটাসুৰ বধ, অশ্বকৰ্ণ বধ, জঙ্ঘাসুৰ বধ, কুলাচল বধ আদি তেওঁৰ কেইখনমান প্ৰসিদ্ধ বধকাব্য। জয়দেৱৰ সংস্কৃত কাব্য 'গীতগোবিন্দ'ৰ কাব্যিক ৰূপান্তৰ ৰামসৰস্বতীৰ পাণ্ডিত্য আৰু কবি প্ৰতিভাৰ অন্যতম স্বাক্ষৰ।

'শিৱৰ কৃষিকৰ্ম' 'ভীম চৰিত' নামৰ লঘু কাব্য এখনৰ পৰা উদ্ধৃত। পাঠটিত শিৱৰ বুঢ়া বলধটো ৰখিবলৈ ভীম গৰখীয়াৰূপে শিৱৰ ঘৰত থকা, ভীমৰ খাদ্যৰ যোগান ধৰি পাৰ্বতী ভাগৰি পৰা, শিৱৰ নিঃকিন অৱস্থাৰ কথা বৰ্ণনা কৰাৰ লগতে শিৱৰ কৃষি-কৰ্মৰ কথা ৰসপূৰ্ণ ভাষাৰে বৰ্ণনা কৰা হৈছে। উক্ত কবিতাংশৰ মাজেৰে দেৱাদিদেৱ মহাদেৱৰ লৌকিক ৰূপটো চিত্ৰিত হৈছে।

### কঠিন শব্দৰ অৰ্থ আৰু টোকা ঃ

| | | |
|---|---|---|
| বৃষভ | — | বলধ। |
| আচান্ত | — | মুখ ধোৱা। |
| আৰাৱ | — | চিঞৰ। |
| দুষ্কৰ | — | অসাধ্য। |
| বদতি | — | ক'লে; কয়। |
| কৃত্তিবাস | — | শিৱৰ আন এটা নাম; (কৃত্তি — বাঘৰ ছাল, বাস — বস্ত্ৰ)। |
| আঁৰে | — | লুকাই, মনে মনে। |
| খোবা-খোবি | — | এহাল ভূত-ভূতুনী। |
| টঙ্কিলা | — | খং কৰা। |
| জুমথি | — | জুই লগাবৰ নিমিত্তে পকাই বন্ধা ধানখেৰৰ আঁটি। |
| মুণ্ডমালী | — | শিৱৰ আন এটা নাম। |

### প্ৰশ্নাৱলী ঃ

১। ভীমক ভাত খুৱাবলৈ গৈ পাৰ্বতীৰ অৱস্থা কি হৈছিল? বৰ্ণনা কৰা।
২। কি পৰিস্থিতিত শিৱই খেতি কৰিবলৈ সন্মত হৈছিল। শিৱৰ কৃষি-কৰ্মৰ এটি বৰ্ণনা দিয়া।
৩। শিৱৰ খেতি কেনেদৰে নষ্ট হৈছিল? ইয়াৰ পৰিণতি কি হ'ল?
৪। পাঠটিৰ মাজেদি শিৱৰ লৌকিক ৰূপটো কিদৰে ফুটি ওলাইছে বৰ্ণনা কৰা।

———

# প্ৰিয়তমাৰ চিঠি

## হেমচন্দ্ৰ গোস্বামী

সৌন্দৰ্য্যৰ বুকুৰ কাঁচলি উদঙ্গাই
প্ৰকৃতিৰ চোঁ ঘৰ চালোঁ পিত্ পিত্;
কুকুৰাঠেঙীয়া এই আখৰকিটিত
যি অমিয়া ঘঁহা আছে, ক'তো আৰু নাই
কবি-নিকুঞ্জত ফুলি কত কবিতাই
মলয়াত উটি উটি ফুৰে পৃথিৱীত,
তোমাৰ চিঠিয়ে কিন্তু জানে যিটি গীত,
কবিতাৰ কাব্যে তাৰ গোন্ধকো নাপায়।
ফুল ফুলে, সৰি যায়, শুকাই বননি,
বসন্তৰ কুঁহিপাত ৰ'দত লেৰেলে;
তোমাৰ চিঠিয়ে প্ৰিয়ে জানে কি মোহিনী,
নিতৌ নোহোৱা বাহী ন ন ফুল মেলে।
যত শুঙো, চুমা খাওঁ, নালাগে আমনি,
হৃদয়ত হেঁপাহৰ ভোটাতৰা জ্বলে।

**হেমচন্দ্ৰ গোস্বামী ঃ** ১৮৭২ খ্ৰীঃত গোলাঘাট মহকুমাৰ অন্তৰ্গত গৌৰাংগ সত্ৰত হেমচন্দ্ৰ গোস্বামীৰ জন্ম হয়। তেওঁ আছিল 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ অন্যতম প্ৰতিষ্ঠাতা। অ.ভা.উ.সা. সভাৰ মুখপত্ৰ 'জোনাকী'ৰ প্ৰকাশত চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীয়ে আগভাগ লৈছিল। উল্লেখযোগ্য যে এই তিনিগৰাকী কবি-সাহিত্যিকক 'জোনাকীৰ ত্ৰিমূৰ্তি' বুলি কোৱা হয়। 'জোনাকী'ত প্ৰকাশিত 'কাকো আৰু হিয়া নিবিলাওঁ' নামৰ প্ৰেমৰ কবিতাৰে হেমচন্দ্ৰ গোস্বামী কবিতা জগতত পৰিচিত হয়। তেওঁৰ দ্বাৰা ৰচিত কেইটিমান কবিতা 'ফুলৰ চাকি' কবিতা পুথিখনিত সন্নিৱিষ্ট হৈছে। হেমচন্দ্ৰ

গোস্বামী অসমীয়া সাহিত্যত প্ৰথম ছনেট ৰচোঁতা। পুৰণি পুথি সম্পাদনাৰ ক্ষেত্ৰতো গোস্বামীৰ নাম স্মৰণ কৰিবলগীয়া। এইবোৰৰ ভিতৰত 'দৰং ৰাজবংশাৱলী', ভট্টদেৱ বিৰচিত 'কথা-গীতা', 'পুৰণি অসম বুৰঞ্জী', 'কামৰূপ তন্ত্ৰ' আদি উল্লেখযোগ্য।

১৯২৮ চনত গুৱাহাটীৰ নিজ ঘৰত হেমচন্দ্ৰ গোস্বামীৰ পৰলোকপ্ৰাপ্তি ঘটে। তেওঁ অসম সাহিত্য সভাৰ (তেজপুৰ অধিৱেশন— ১৯২০) চতুৰ্থগৰাকী সভাপতি আছিল।

**কঠিন শব্দৰ অৰ্থ ঃ**

কাঁচলি — কোমল ৰ'দৰ চেৰেঙা।
চোঁ-ঘৰ — সাজ ঘৰ।
কুকুৰাঠেঙীয়া — কোমল পাতৰ এবিধ বনৰীয়া সৰু গছ (বেয়া সৰু আখৰ বুজাবলৈ)।

**প্ৰশ্নাৱলী ঃ**

১। 'প্ৰিয়তমাৰ চিঠি' কোন শ্ৰেণীৰ কবিতা? তাৰ এটি চমু পৰিচয় দিয়া।
২। 'প্ৰিয়তমাৰ চিঠি' কবিতাটোৰ সাৰাংশ লিখা।
৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা ঃ
(ক) তোমাৰ চিঠিয়ে কিন্তু জানে যিটি গীত,
কবিতাৰ কাব্যে তাৰ গোন্ধকো নাপায়।

————

# পানেশৈ

## আনন্দচন্দ্ৰ আগৰৱালা

ল'ৰা কি ছোৱালী সাগৰপৰীয়া
সকলোৱে দেখি বোলে—
'চোৱাহি জগত নীল সাগৰত
সোণালী প্ৰতিমা খেলে।'
আথেবেথে গই দেখি জীয়েকক
বাপেকে বিনাই ক'লে,—
'ঐ আই পানেশৈ।
মোৰ ঘাটে চপাই দিয়া নাও,
দুহাতে দুমুঠি দি যাওঁ চাৰি মুঠি, গলত দি যাম হাৰ
খাটলি পীৰাতে বহি ভাতে খাবা, বেটীয়ে ধৰিব আল।
ঐ আই পানেশৈ।।'
খাটলি পীৰাতে বহি ভাত নেখাওঁ
বেটীয়ে নধৰক আল,
উলটি যোৱাগৈ নাহিবা কাষলৈ
মোৰ ই দশাই ভাল।
আজলী ছোৱালী পাই ভাল কৰিলা
নেথাকোঁ মানুহৰ মাজে,
আঁতৰে আঁতৰে থাকিম ঐ নিলগে
মাৰিলে পানীতে বুৰ,
টোৰে টোৰে মিলি ধৰাধৰি কৰি
ধৰিলে গানৰ সুৰ।
শ হাত দূৰৈত নীলিমাৰ মাজে
সোণালী পদুম পাহি,

ওলাল আকউ ভুৱন উজলি
পানেশৈ আইটী ভাহি।
আপোন মনেৰে আপোনাৰ ভাবে
আপুনি সদায় ভোল,
গুণ গুণ কৰি কত গান গায়
কোনেনো বুজিব মোলহু
কত দিনা গই সাগৰ মাজত
সাদৰী বাপেক-মাকে,
কতনো বিনায় পানেশৈ নেচায়
খুন্দা মাৰি ধৰে শোকে।
এদিন পুৱাতে সাগৰ পাৰৰ
এজোপা গছৰ মূলে,
দেখিলে মানুহে পানেশৈ আই
অনন্ত কাললৈ শুলে।
দুইতাঁৰ কেশ পৰিছে দুফালে
নিয়ৰেৰে তিতি আছে,
কোমল মুখত জিকিমিকি কৰি
কনককিৰণ নাচে।
নপৰে নিশাহ কপালত চোৱা
মৃত্যুৰ কলীয়া ৰেখ,
নিষ্ঠুৰ মানুহ শেষ হ'ল আজি
জীৱন দিনৰ লেখ।
ৰূপহী আইতী অকালত হায়
বেজাৰত গ'ল মৰি,
সুগন্ধি গোলাপ নিজানত ফুলি
নিজানত গ'ল সৰি।



**আনন্দচন্দ্ৰ আগৰৱালা ঃ** 'ভাঙনি কোঁৱৰ', প্ৰত্নতত্ত্ববিদ আনন্দচন্দ্ৰ আগৰৱালাৰ জন্ম শোণিতপুৰ জিলাৰ কলংপুৰ মৌজাৰ বৰঙাবাৰীত— ১৮৭৪ চনত। তেওঁ আৰক্ষী অধীক্ষক হিচাপে চৰকাৰী চাকৰিৰ পৰা অৱসৰ লয় ১৯২৯ চনত। তেওঁ 'জোনাকী' আৰু 'বিজুলী'ৰ প্ৰধান কবি, লেখক আছিল। আগৰৱালাই ইংৰাজীৰ পৰা ভালেখিনি কবিতা অসমীয়ালৈ অনুবাদ কৰিছে। তেওঁৰ কবিতা পুথি— 'জিলিকনি'। ১৯৩৯ চনত তেজপুৰত তেওঁৰ মৃত্যু হয়। আগৰৱালাই ১৯৩৪ চনত মঙ্গলদৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ পঞ্চদশ অধিৱেশনত সভাপতিত্ব কৰে।

## কঠিন শব্দৰ অৰ্থ ঃ

খাটলি পীৰা — এবিধ চাৰিচুকীয়া পীৰা।
নীলিমা — নীলা বৰণ (নীল বৰণীয়া পানী)।
ভুৱন — পৃথিৱী।

## প্ৰশ্নাৱলী ঃ

১। পানেশৈক বাপেকে কি বুলি কৈছিল? তাৰ উত্তৰত পানেশৈয়ে কি ক'লে?
২। 'পানেশৈ' কোন শ্ৰেণীৰ কবিতা? কবিতাটোত বৰ্ণিত কাহিনীটি বৰ্ণনা কৰা।
৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা।
(ক) নপৰে নিশাহ কপালত চোৱা
মৃত্যুৰ কলীয়া ৰেখ,
নিষ্ঠুৰ মানুহ শেষ হ'ল আজি
জীৱন দিনৰ লেখ।

———————

# পছোৱাৰ ডাক

## প্ৰসন্নলাল চৌধুৰী

পছোৱাৰ আগে দিছে ডাক
ৰক্তপত্ৰ দল উৰুৱাই,
প্ৰমত্ত দুৰ্বাৰ।
জাগ জাগ যৌৱনৰ উগ্ৰ ৰক্তৰাগ,
জগত জীপাল কৰা সাৰ।
নৱ যুগ সৃষ্টি কৰা জাগিছে নতুন জ্যুপিটাৰ,
তই সঙ্গী বজ্ৰনখী হিংস্ৰ ঈগলৰ দল,
তমোৰাশি কৰা বহিষ্কাৰ,
তীব্ৰ দৃষ্টি মুক্ত পক্ষ
ফালি ফুৰা
ব্যোম পাৰাপাৰ।
তোৰ বাবে জগতৰ দ্ৰাক্ষা কুঞ্জ
ৰসে ৰসময়,
তয়ে তীক্ষ্ণ কালকূটে কণ্ঠ পূৰ্ণ কৰি
হোৱা মৃত্যুঞ্জয়।
পশ্চিমৰ ৰণমত্ত জাতি
কৰে বিষ বাষ্প বৰিষণ
আত্মৰক্ষা শত্ৰুনাশ হেতু,
পৃথিৱীৰ আতংকৰ হয় অৱতাৰ
সাজি ধূমকেতু;
আছে তাৰ প্ৰতিকাৰ, প্ৰতি-আক্ৰমণ,
আছে তাৰো বাণী সাৱধান
মুহূৰ্ততে মিলেহি মৰণহু
তোৰ বাবে ৰৈ আছে তাতোকে ভীষণ,
কাৰাগাৰ আখ্যা মই শৃংখলা শাসন,
অন্ধকাৰ কক্ষভৰা ৰুদ্ধ বাষ্প ঘন
তিলে তিলে বিলাব মৰণ,
জীৱনতে নৰকৰ যমৰ যাতন,
মনোবল প্ৰাণশক্তি কৰিব হৰণ;
হে নিৰ্ভীকহু হ'ব তাতে
আত্মাৰ দীপ্ত জাগৰণ।
সিন্ধু মথনত উঠা বিষ অগ্নি স্ৰোত
শিৱ বিনে কোনে কৰে ৰোধ?
নীলকণ্ঠ তোত বিনে অন্য আৰু নাই,
এই বাৰ্তা পছোৱাই আনিছে উৰাই
নতুন দিনৰ মত্ত হৰিষে পূৰাইহু
জগতৰ কোনো শক্তিধৰে
গঢ়া নাই এনে লোৰ বেৰী,
তই যাক সবলে মুচৰি
নোৱাৰ কৰিব গুড়ি
খণ্ড খণ্ড কৰি;
গঁথা নাই এনে দুৰ্গ ষ্টীল কংক্ৰিটৰ
অনিৰুদ্ধ ৰাখে তোক ধৰি।
দুৰ্যোগৰ ৰুদ্ৰ তাণ্ডৱেও,
অভ্ৰভেদী গিৰি পৰ্বতেও,
পথ তোৰ নোৱাৰে ৰুধিব;
শ্ৰাৱণৰ বিদ্যুৎ বিদীৰ্ণ ৰন্ধ্ৰ পথ
মুক্ত সদা তোৰ বাবে,
জ্যোতিৰূপে যুগে যুগে প্ৰকাশি উঠিব।
তোৰ বাবে পক্ষীৰাজ ঘোঁৰা আছে ৰৈ
অতিষ্ঠ উন্মাদ,
মন পবনৰ বেগ উত্ৰাৱল আজি
পৰম দুৰ্ম্মদ।

অগ্নিগড়-ৰূপ-দুৰ্গ-বন্দিনী ঊষাই
দেখিছে সপোন,
আকাশত চিত্ৰলেখা সখীয়ে কৰিছে
মায়াৰ সৃজন।
কৰ তোৰ যাত্ৰা আৰম্ভণহু
ৰুধিৰাক্ত বলিশাল খড়্গ উঠে নামে
আৰু লাগে বলি
সশস্ত্ৰ অৰাতি দুৱাৰত উপস্থিত
খোজে গলাগলি
তোৰ বুকু উঠক উতলি।
আজি কাঠ ভেদি কুঁহিপাত ফুটি উঠিবৰ
উন্মেষ গোপন,
নিৰস ৰসত লাল ফুল ফুলিবৰ
তীব্ৰ জাগৰণ।
শীত আছে সুপ্ত হৈ কুঁৱলী নিহালী
মৃত্যু শয়নত,
অৱসন্ন অতীতৰ কঁপে কণ্ঠস্বৰ
নিদ্ৰা নয়নত।
লাগে এটি শক্তি মন্ত্ৰময়
কেন্দ্ৰীভূত প্ৰাণৰ পৰশ,
সন্মোহন লীলাময় আনন্দ উজান
ইঙ্গিত সৰস।
সকলোৰে সাৰ্থকতা আহিব চৰম
বিকাশৰ সুখ,
অধৰৰ আগত ফুলিব প্ৰিয়তমা
চুম্বন উন্মুখহু

**প্ৰসন্নলাল চৌধুৰী ঃ** ১৮৯৮ চনৰ জানুৱাৰী মাহৰ পহিলা তাৰিখে পলাশবাৰীত প্ৰসন্নলাল চৌধুৰীৰ জন্ম হয়।

জন্মস্থানতে প্ৰাথমিক শিক্ষা লাভ কৰি তেওঁ বৰপেটা চৰকাৰী হাইস্কুলত ভৰ্তি হয়।



যোৰহাট হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰি কটন কলেজত উচ্চ শিক্ষা লাভ কৰে। শিক্ষকতাকে জীৱনৰ ব্ৰত হিচাপে লোৱা চৌধুৰীদেৱে ১৯২৮ চনত পলাশবাৰী মাইনৰ স্কুলত শিক্ষক হিচাপে নিযুক্ত হয়। ১৯৩১ চনৰ পৰা তেওঁ বৰপেটা বিদ্যাপীঠত শিক্ষকতা কৰে আৰু তাতেই বহু বছৰ ধৰি প্ৰধান শিক্ষকৰ দায়িত্ব বহন কৰি অৱসৰ গ্ৰহণ কৰে।

কৃতী শিক্ষক চৌধুৰী আছিল একাধাৰে কবি, নাট্যকাৰ, অভিনেতা, শৰীৰ চৰ্চাকাৰী আৰু সুদক্ষ চিকাৰী। তেওঁৰ কাব্যপুথি দুখন— 'অগ্নিমন্ত্ৰ' আৰু 'চানেকি কবিতা'। বিদ্ৰোহী সুৰৰ প্ৰাধান্যই তেওঁৰ কবিতাসমূহ অধিক শক্তিশালী কৰি তুলিছে। সেয়ে তেওঁ বিদ্ৰোহী কবি নামেৰে পৰিচিত। স্বদেশ প্ৰেমৰ উদ্দাম প্ৰকাশ, নতুনক প্ৰতিষ্ঠা কৰাৰ দুৰ্বাৰ আকাঙক্ষা তেওঁৰ কাব্যত যেনেদৰে প্ৰতিফলিত হৈছে, সেইদৰে সত্য আৰু মানৱতাৰে পৰিপূৰ্ণ সমাজ গঢ়াৰ সপোনেও তিৰবিৰাই উঠিছে। তেওঁৰ কাব্যৰ ভাষা বলিষ্ঠ; উপযুক্ত শব্দচয়ন আৰু ছন্দৰ সাৱলীল গতিৰে কবিতাসমূহ বীৰত্ব-ব্যঞ্জক। ১৯৮৬ চনত তেওঁৰ মৃত্যু হয়।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| পছোৱা | — | পশ্চিমৰ পৰা পূবলৈ বলা বেগী বতাহ। |
| ৰক্তপত্ৰ | — | ৰঙা পাত। |
| প্ৰমত্ত | — | অতিশয় উত্তেজিত। |
| দুৰ্বাৰ | — | বাধা দি ৰাখিব নোৱৰা। |
| তমোৰাশি | — | আন্ধাৰবোৰ। |
| ব্যোম | — | আকাশ। |
| দ্ৰাক্ষা | — | লতা, আঙুৰ জাতীয় ফল। |
| কালকূট | — | বৰবিহ। |
| মৃত্যুঞ্জয় | — | মৃত্যুক জয় কৰোঁতা। |
| সিন্ধু | — | সাগৰ। |
| অভ্ৰভেদী | — | বৰ ওখ, আকাশ চুব পৰা। |
| দুৰ্মদ | — | বেয়া গৰ্ব। |
| ৰুধিৰাক্ত | — | তেজৰ দৰে ৰঙেৰে বোলোৱা। |
| নিহালী | — | জাৰত গাত ল'ব পৰা গৰম আৱৰণ। |
| অৱসন্ন | — | ভাগৰুৱা। |

**প্ৰশ্নাৱলী ঃ**

১। ‘পছোৱাৰ ডাক’ কবিতাটিত কবিগৰাকীয়ে পছোৱাৰ বৈশিষ্ট্য কেনেধৰণে ব্যক্ত কৰিছে লিখা।

২। পছোৱাৰ আগমনত পৰিবৰ্তন ঘটা প্ৰকৃতিৰ ৰূপৰ বৰ্ণনা দাঙি ধৰা।

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা ঃ

(ক) লাগে এটি শক্তি মন্ত্ৰময়
কেন্দ্ৰীভূত প্ৰাণৰ পৰশ,
সন্মোহন লীলাময় আনন্দ উজান
ইঙ্গিত সৰস।

————

# চামুৰাই

**ড° মহেন্দ্ৰ বৰা**

মোক তুমি হয়তো নোপোৱা চিনি মই এক অসিজীৱী চামুৰাই
ৰজাৰ পোৱালি মই বাস কৰোঁ কপিলীপাৰত
মোক তুমি পাবানো কেনেকে’ চিনি
পিতা মোৰ নাছিল বিষয়া মসীজীৱী নকল-নবিছ
পুৰুষে পুৰুষে আমি প্ৰাণ দিছোঁ দেশৰ কাৰণে
শুজিছোঁ জাতিৰ ধাৰ যুঁজ কৰি বিদেশী শেনৰ স’তে
পিতাৰ কাহিনী মোৰ শুনিছোঁ অনেক দিন
আইতাক সেৱা কৰি কেনেক’ই গুচি গ’ল
যিটো বাটে গৈ উভতি নাহিল আৰু কনক কুশল
ক্ষুদিৰাম কানাইলালৰ দল
মই হেনো আছিলোঁ তেতিয়া জননীৰ জঠৰ-কাৰাত বন্দী
দেখা নাই তেতিয়াও পৃথিৱীৰ বেলিৰ পোহৰ

মোক তুমি হয়তো নোপোৱা চিনি মই এক অসিজীৱী চামুৰাই
গাঁও পাতি বাস কৰোঁ কপিলীপাৰত
লোকে কয় আমি হেনো ৰজাৰ পোৱালি
জানো আমি কেতিয়া কেনেকে’ আহি ভৰি দিলোঁ অসমভূমিত
আছিলোঁ এদিন আমি দূৰ বহুদূৰ বিপাশা নদীৰ তীৰত
উপৰি পুৰুষ মোৰ আহিলে উজাই ফিৰিঙি সেনাৰ স’তে
বিদ্ৰোহী মৰাণ খেদি বহুৱালে ৰজাক আকৌ, ৰজাৰ পাটত
সেই এক ইতিকথা তিনিহাত দীঘল চুলিৰ স’তে
খাপৰ কৃপাণ খুলি ভূমি চুই মূৰৰ পাগেৰে
উপৰিপুৰুষে মোৰ স্বৰ্গদেউ ঈশ্বৰক জনালে প্ৰণাম
চউদিশে ধূসৰ পাহাৰ যাৰ পথাৰত গুটি গুটি মাণিকৰ মুঠি

ইয়াতে থাকিম আমি যেতিয়াই ডাক দিব
ৰজা আৰু ৰাইজক কৰ দিম বুকুৰ শোণিত যাচি
জুহালকাষত বহি আইতাই ক'লে মোক আৰু এটি ইতিকথা
হাদিৰাচকীত হাৰি হাৰাকিৰি কৰি
কেনেকে' মৰিল মোৰ ককাদেউতাৰ ককা

মোক তুমি হয়তো নোপোৱা চিনি মই এক অসিজীৱী চামুৰাই
পিতা মোৰ যদিও মৰিছে ফাঁচীৰ কাঠত গাই জীৱনৰ জয়গান
গান্ধী মহাৰাজে মাতিলে যেতিয়া
লোৱা নাই তথাপিতো স্বদেশপ্ৰেমৰ একো মাহিলি বানচ
থপিয়াব খোজা নাই মোৰ ল'ৰাটিৰ বাবে পঢ়াৰ খৰচ
পাৰিলে পঢ়াম তাক ভঁৰালৰ জহাধান বেচি
নোৱাৰিলে থাকিব এনেয়ে ৰজাৰ পোৱালি সি
নাম লেখি সেনা-বাহিনীত ৰাখিব ঘৰৰ খিয়াতি

মোক তুমি হয়তো নোপোৱা চিনি মই এক অসিজীৱী চামুৰাই
পুৰুষে পুৰুষে আমি জননী-সেৱাত যাচিছোঁ তেজৰ অঞ্জলি
এইবেলি ছে-লা'ৰ পতন শুনি
তোমালোক পলালা যিদিনাখন খোচোনাত চিকাৰূপ লৈ
সিদিনা নিশাই পালোঁ বিজুলী-ডাকত মোৰ ভাইটো মৰাৰ খবৰ
নাম তাৰ
তাৰ নাম নেলাগে জানিব তুমি
লাডাখৰ হিমচেঁচা বৰফত বৈ গ'ল এজোলোকা তেজ
কপিলীপাৰৰ এই বীৰ বংশৰ
আইতাই উলাহতে নামটো দিছিল তাৰ গদাধৰ চিং
গদাধৰ সি যে মোৰ একেটি মাথোন ভাই
শুলে শিল হৈ সুদূৰ লাডাখ-প্ৰান্তত

মোক তুমি হয়তো নোপোৱা চিনি মই এক অসিজীৱী চামুৰাই
পাবানো কেনেকে চিনি মইতো পলোৱা নাই



নেতাগিৰি কৰি মই কোৱাতো নাছিলোঁ কাকো
ইয়াতে থাকিম আমি যুঁজ দিম এহাত মাটিৰ বাবে
মইতো নাছিলোঁ কোৱা নাতি আমি কনকলতাৰ আৰু কুশলৰ
অথচ পলাই যাবৰ পৰত মইতো নহ'লোঁ আগ
ৰৈ গ'লোঁ ইয়াতে কপিলীপাৰতে আমি ৰজাৰ পোৱালি
মৰিলে মৰিম আমি তৰা হৈ কৰিম আৰতি
জননীৰ দেৱ-দেউলত মাৰ গ'লে বেলিৰ পোহৰ

মোক তুমি হয়তো নোপোৱা চিনি মই এক অসিজীৱী চামুৰাই
বিচাৰিলে গম পাম মোৰ বঙহৰ ঘৰ আছে
বিপাশা নদীৰ দুয়োকাষে আৰু ৰাজপুতনাত
মোৰ তেজৰ ধাৰাত আছে লাচিত প্ৰতাপ আৰু শিৱাজী মহিমা
খোৱা টাইমুৰ এদিন উভতি গ'ল বাহুত খামুচি ধৰি
হয়তোবা মোৰে কোনো পূৰ্বপুৰুষৰ অসিৰ আঘাত লৈ
দুৰন্ত চেংগিজ মই জানো প্ৰলয় নাচোন নাচি
লুট কৰি উভতিল আপোন দেশৰ পিনে নহয় এনেয়ে
মোৰ মঙহত আছে সেইবোৰ বঙহৰ তেজৰ কণিকা

মোক তুমি হয়তো নোপোৱা চিনি মই এক অসিজীৱী চামুৰাই
নেলাগে চিনিব মোক চকুপানী নেলাগে টুকিব
লাডাখ ৰণত মৰা সামান্য জোৱান মোৰ ভাইটোৰ বাবে
নেলাগে চিনিব মোৰ শ্বহীদ পিতাৰ ছবি
চিনি পালে ভুল হ'ব ৰবীন্দ্ৰনাথক চিনি পাব নেলাগে গান্ধীক
সুভাষ বসুক আৰু সৰোজিনী নাইডুক
তোমালোকে চিনি পোৱা চিনি পাব লাগে যাক
দেৱালত আঁৰি থোৱা চিনেমাৰ মধুমতী বধু নায়িকাক
কেতিয়াবা ক'ৰবাত আকৌ কোনোবা আহি দুৱাৰত কৰিলে আঘাত
মোক তুমি কৰিবা স্মৰণ মই যে জীয়াই আছোঁ
দান কৰি ৰাখিছোঁ জীৱন দেশ আৰু জাতিৰ নামত
ৰজাৰ পোৱালি মই বাস কৰোঁ কপিলীপাৰত

ধুন কৰি এতিয়াও পিন্ধো মই আটিল পাগুৰি এটি
হ'ব পাৰে শিৰৰ কিৰীটি সেয়া বিপাশা পাৰৰ মোৰ পূৰ্বপুৰুষৰ
চুলিৰ জটাত মোৰ এতিয়াও খুঁচি ৰাখোঁ এখন ধুনীয়া ফণি
মোক তুমি নোপোৱানে নোপোৱানে চিনি

**ড° মহেন্দ্ৰ বৰা ঃ** ড° মহেন্দ্ৰ বৰাৰ জন্ম হয় ১৯২৯ চনত ডিব্ৰুগড়ৰ টিংখাঙত। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত এম এ পাছ কৰি দৰং কলেজ আৰু কটন কলেজত কিছুদিন অধ্যাপনা কৰাৰ পিছত ড° বৰাই গোৱালপাৰা আৰু বিলাসীপাৰা কলেজত অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৭৩ চনত তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অধ্যাপক নিযুক্ত হয়।

ড° মহেন্দ্ৰ বৰা আধুনিক কবি। 'জাতিস্মৰ', 'এই নদীয়েদি', 'ৰূপৰ টিলিঙাৰ মাত' আদি তেওঁৰ কবিতাৰ সংকলন। ছন্দ শাস্ত্ৰৰ বিষয়ে তেওঁ 'অসমীয়া কবিতাৰ ছন্দ' আৰু 'অসমীয়া ছন্দশিল্প তত্ত্ব' নামৰ দুখন গ্ৰন্থ ৰচনা কৰে। 'ডন কুইকচোট', 'গালিভাৰ', 'নীল সাগৰৰ সাধু' আদি তেওঁৰ অনুবাদ গ্ৰন্থ। 'সাহিত্য উপক্ৰমণিকা' সাহিত্যৰ প্ৰতিটো শাখাৰ আলোচনা সন্নিৱিষ্ট এখন গ্ৰন্থ। ইয়াৰ উপৰি 'সাহিত্য আৰু সাহিত্য' নামৰ গ্ৰন্থখনিত সাহিত্যৰ বিভিন্ন দিশ আলোচনা কৰি তেওঁৰ প্ৰতিভাৰ নিদৰ্শন দাঙি ধৰিছে। 'গীতা শাস্ত্ৰ'ৰ কাব্যিক অনুবাদ বৰাৰ পাণ্ডিত্যৰ অন্যতম শ্ৰেষ্ঠ কৃতি। অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ (১৯৮৭) তেওঁ সভাপতি আছিল। ১৯৯৭ চনত তেওঁৰ মৃত্যু হয়।

এই পাঠটিত কবিয়ে দেশপ্ৰেমত উদ্বুদ্ধ হোৱা এজন সৈনিকৰ কথা ব্যক্ত কৰিছে। নিজকে 'চামুৰাই' হিচাপে পৰিচয় দিয়া এই সৈনিকজনে দেশ আৰু জাতিৰ বাবে প্ৰাণ বিসৰ্জন দিয়া তেওঁৰ পিতৃ আৰু পূৰ্বপুৰুষসকলৰ মহান গাঁথাৰ কথা বৰ্ণনা কৰি গৌৰৱান্বিত হৈছে। জাতিগতভাৱে অসমীয়া নহ'লেও অসমভূমিত বাস কৰি সময়ে সময়ে কেনেকৈ দেশৰ বাবে তেওঁলোকে প্ৰাণ আহুতি দি আহিছে, সেই কথা কবিয়ে সৈনিকজনৰ মুখেৰে ওজস্বিতাৰে বৰ্ণনা কৰিছে।

## কঠিন শব্দৰ অৰ্থ আৰু টোকা ঃ

| | | |
|---|---|---|
| অসিজীৱী | — | তৰোৱাল ধাৰণ কৰা; যুদ্ধ কৰাই যাৰ জীৱিকা বা ধৰ্ম। |
| চামুৰাই | — | জাপানৰ যুঁজাৰু জাতি, সৈনিক পুৰুষ। |
| মসীজীৱী | — | কেৰাণী। |
| নকল-নবিছ | — | আৰ্হি চাই কাকত আদি লিখা বিষয়া। |
| শেন | — | এজাতি ডাঙৰ চিকাৰী চৰাই; ইয়াত শক্তিশালী বিদেশী শত্ৰুক বুজোৱা হৈছে। |
| জননীৰ জঠৰ-কাৰাত বন্দী | — | মাতৃৰ গৰ্ভত থকা সন্তান। কাৰাগাৰত বন্দী থকাৰ দৰে মাতৃগৰ্ভত লৰচৰ কৰিব নোৱৰাকৈ, অৰ্থাৎ ওলাই আহিব নোৱৰা বাবেই বন্দী বুলি কৈছে। |
| ফিৰিঙি সেনা | — | ভাৰতীয় আৰু ইউৰোপীয়ৰ মিশ্ৰিত বংশোদ্ভৱ জাতি আৰু সেই জাতিৰ সৈন্য। |
| কৃপাণ | — | তৰোৱাল। |
| ধূসৰ | — | ছাই বৰণ; ধোঁৱা বৰণ। |
| হাৰাকিৰি | — | নিজকে আঘাত কৰি আত্মহত্যা কৰা। |
| চিকাৰূপ | — | ৰজাদিনীয়া নিভাঁজ ৰূপৰ মোহৰ। |
| বধু | — | বোৱাৰী, কইনা। |
| কিৰীটি | — | মুকুট, শিৰোভূষণ, পাগুৰি। |



## প্ৰশ্নাৱলী ঃ

১। চামুৰাই কোন? কবিতাটিত চামুৰাইৰ কথা কিয় কোৱা হৈছে?
২। 'জননীৰ জঠৰ-কাৰাত বন্দী' বুলি কিয় কোৱা হৈছে?
৩। 'চামুৰাই'ৰ উপৰিপুৰুষসকল অসমভূমিত কেনেকৈ আৰু কেতিয়া পদাৰ্পণ কৰিছিল?
৪। 'চামুৰাই'ৰ উপৰিপুৰুষে আহোম ৰজাৰ আগত কি প্ৰতিজ্ঞা কৰিছিল?
৫। হাৰাকিৰি কি?
৬। 'চামুৰাই'ৰ দেশপ্ৰেমৰ নিদৰ্শন দাঙি ধৰা।
৭। 'চামুৰাই'ৰ উপৰিপুৰুষৰ পৰিচয় দাঙি ধৰা।

প্ৰথম বাৰ্ষিক শ্ৰেণীৰ বাবে

# নিৰ্বাচিত গদ্যসমূহ

# শঙ্কৰদেৱৰ বাল্যকাল

## কথা গুৰুচৰিতৰ পৰা

পাচে মহাপুৰুষ নিতে নিতে বাঢ়ি যৌৱন হৈ আহিছে। সমনীয়া জইৰাম, বিতোপন, চান্দ, তিতাৰাম, ভেকুৰি, কেতাই, সনাতন, হৰিবৰ, সতানন্দ, ৰাম ৰাম, ৰাম ৰাই, এই বাহুভূঞাৰ শিশু সবকে মুখ্যকৈ আনো সব অসংখ্য বৃন্দাবনত যি লীলা কৃষ্ণদেৱে সেইৰূপে গুৰুজনো কৰিব ধৰিলে। আৰু অষ্টমাসে উষা লঞতে সব শিশুৱে কথা বান্ধি কচ্ছপ ধৰি আনিছে বুৰ মাৰি ব্ৰহ্মপুত্ৰত একদণ্ডে। ৰাই বনগঞা কান্দিছিল নোলাবৰ দেখি কিবা হ'ল বুলি। ৰাম ৰাম গুৰুৱে একেদিনে জন্ম, পাচ বৰ্ষ আগ বুলিও কয়।

আৰু সবে শিশু বটা খেদে, আন সবে দুই চাৰিহে পায়, গুৰুজনে একো কোঁচ ধৰে। সবেটি চাই চিন্তি এৰি দিএ পুনু। চতুৰ্দ্দশ মাসে কৃষ্ণ দেউ ধান চাবলৈ গৈছিল। অজগৰ সৰ্পে বাৰীত ভতৰা গৰু খেদি ফুৰিছে, শুনি, আহি পাই, চাতি বাৰু পাতি কাটিলে। আৰু এক দিনা পঞ্চদশ মাসে চাঙ্গৰ চিৰা, শিকিয়াৰ দধি খাইছিল বাটি। চিন ধৰি বোলে বাপু থৈ গ'লোঁ চিৰা, কিয় খালা? বোলে, তোমাৰ বেটা দিয়াতহে খালোঁ হই ৰাম ৰামে দেখাইছে। ৰাম ৰামৰ মাতৃ মুকুতা আএ খেদা মাইলে গুচি আহিল।

আৰু শিশু সবৰে ভাদ্ৰমহা লুইতে সাম্ভুৰি, চোট নাঞ নিএ আন সবে, মাজতে খনো সৰ উঠে, কতো পাৰ হৈ নাৰে আহে, পুনু গুৰুজনে সাম্ভুৰি আহে। আৰু তল্টাডু গছোৰ ঢোক অনেক লীলা কৰে। সবাতে জয় পৰাজয় নাই কতু।। আৰু একদিনা "ভেকুৰিৰ" ডুগডুগলি খেদোতে হাত ভাগিল। পিতামাতা সপোতে গুৰুজনে, ক'তনো ভাগিল বুলি ধৰি চালে। মুহূৰ্ত্তে সজ হ'ল।। আৰু একদিনা ঢোপ খেদোতে 'চান্দ'ৰ বস্ত্ৰ খণ্ড খণ্ড হ'ল। পাচে গৈ বাপেক কেতাই খাঁ ভূঞাত গোচৰ দিলে। সেই কথা আএ শুনি সপিলে। গুৰুজনে হাতে চুই মেলি দেখালে, পুনু সজ হ'ল। আৰু তিতাৰাম আতৈৰ ভটা খেদোতে কাণ ছিগিল। কুসুমদেৱে শুনি দাবি দি খেদা মাইলে। গুৰুজনে পলাই গৈ বোলে, চাএঁচোন, ক'ত নো ছিগিল, এই বুলি ধৰি টিপা মাইলে, যোৰা খালে পূৰ্ব্ববত। দেখি শুনি আশ্চৰ্য হ'ল।



পাচে তেনেতে কালৰ প্ৰমাণে আউ অনুক্ৰমে কুসুমবৰ চলিল। শান্তী সত্য-সন্ধ্যা আই স্বামী পদে অনুগামী গ'ল। পাচে গুৰুজনে পিতৃৰ ক্ৰিয়া কৰ্ম্ম আচৰিলে। সূৰ্যবৰ পত্নী খেৰশুতি বুঢ়ী মাতৃএ পূৰ্ব্বৰ মাৰণৰ নিমিত্তে তুলিলে। আৰু মাঘ মহা বৰদলনিত হিদলগুৰিত সব লৰা বালাভাত খাইছে চাউল নি। গুৰুজনে সিজাই দিছে সবাকে, ডেমডেউকা মাগুৰ মাছৰ গৰিদি, বালিচুকা সল মৎস্যে, বালিচুকা লাঙ্গী ভাঙ্গন দি, বালি বাবৰিএ বৰিয়ালা মাছে অমৃতপ্ৰায় হৈছিল।।

আৰু একদিনা আএ গুৰুজনক স্নান ভোজন কৰাই তৈল দি বোলে টামন, তোৰ আৰু পঢ়িবৰ মন নাই। ভণ্টা খেৰি গৰু জাকতহে চিত্ত। বাৰে বৎসৰীয়া হলিকে। আমাৰ বংশত অপণ্ডিত নাই। তই মূৰ্খ হব খুইছনে? দৈবজ্ঞে চাই পণ্ডিত হ'ব বুলি কলে, সিও দেখো মিছা হ'ল। "আমাৰেসে কৰ্ম্মতৰে, পণ্ডিতৰো বাক্য লৰে।" ৰাজাক স্বদেশেহে পূজে, বিদ্যাৱন্ত সৰ্ব্বদেশে পূজ্য। "মাতা শত্ৰু পিতা বৈৰী, যেন বাল্য ন পাঠিতা। সভামধ্যে ন শোভন্তে হংসমধ্যে বকো যথা।।" পাচে গুৰুজনে বোলে আইচোন পঢ়িব পাৰো নপাৰো পঢ়াশালীতে থোৱানি।

পাচে আএ দাসী জোৰাই চাউল এপাচি, টকা এটি, বস্ত্ৰ আগতকৈ গ'ল। পাচে কন্দলিএ আথে বেথে সুধিলে, আই কিয় অহা গ'ল? বোলে, ছৱাটি পঢ়াই দিয়া।

পাচে বঢ়া বহা আছিল, তাকে আওতাই দিয়ালে। তাতে চৰু জুৰিলে। পাচে বিপ্ৰে সজ বাৰ তিথি চাই ফলি দিলে। একবাৰ মাত্ৰ দিএ দেখাই, মাত আখ সবে আহে। পাচে পুথি দিলে। পুথিতো সেই মতে আছিল। পাচে দিবা নিশা আঠো পৰে পঢ়িব ধৰিলে। দোৱাল পিহ্নাতে শয়ন কৰে। এফালে এক শাস্ত্ৰ বন্তি, ইওফালে সেইমতে গুৱাবটা, দুবাগৰে দুফালে পঢ়ে অবিচ্ছেদে।

আৰু কন্দলিৰ ধান এফেৰি বৈছিল। জেঠ মহা পকাত হাতী সাতোটা খাইছেহি। একো ৰূপে খেদিব নোৱাৰি এৰি গ'ল গোলাম। শুনি গুৰুজন খেদি গ'ল। দেখিএ বিদ্যুৎ সঞ্চে ভিৰি গৈ দল পলসত সোমাই মাৰ গ'ল জন্ম নিবাৰি।

আৰু ভালে দিন ধৰে, গৃহলৈ যাবলৈ, নপঠায়। নকৈ একদিনা গৃহৰ আৰে এক বস্ত্ৰ, টকা আনি অধ্যাপকক দি কৈ গ'ল ঘৰে। পাচে বিপ্ৰে আন ছাত্ৰত কৈ দি পঠালে আইলৈ। পাই আবু মাএ ধৰিলে, বোলে, কেলৈ গৈছিলি? গুৰু বোলে, পঢ়িছিলোঁ। বোলে, তাকে ক? এই টকা বস্ত্ৰ চুৰকৈ নি দি গৰুজাকত ফুৰগৈ। দেখি অধোমুখে তলমুণ্ডে ৰ'ল।।

আৰু একদিন অধ্যাপকে সবে ছাত্ৰক বোলে, মোক একোটা শ্লোক কৰি দেহঁক। পাচে আন সৰ ছাত্ৰে কৰিলে, খনো এফাঁকি, কতো গোটে খনো আদখান; তাৰো অৰ্থ

নাই। গুৰুজনে কৰি দিলে। বৈকুণ্ঠৰ পৰা পাত, কাপ, মহী, মৈলাম চাইটা বস্তু নমাইছে। আৰু শংখ অক্ষৰ শক্তি নমাই গদ্য কৰিলে, "খগচৰ, নগধৰ", আকাৰ ইকাৰ নাই, শুদা; অৰ্থে পৃথিৱী, পাতাল, বৈকুণ্ঠ স্বৰ্গ ভেদি গ'ল। অধ্যাপকে চাই তৈল লোণ নাই, শুদা ব্যঞ্জনৰ এনে স্বাদ, বিনা জৰু বন্ধন, আৰা শুদা শক্তি মনুষ্য নুহি, কিবা হৰিহৰ ছদ্মে আছেহি।

আৰু একদিনা কন্দলিএ বোলে, ডেকাগিৰি, দুৰ্গাৰ ৰিচ আহ্নিক শিখাঞঁ, মাহ, চাউল, জৰা, পুৰা, হাঁহ, পাৰ, কি পাৰা আনা চপাই। গুৰুজনে বোলে ক'ত পাম, নিশিকোঁ, কৃষ্ণস্তৱকে দিআ, তুলসী পাতেৰেই সন্তোষ। আমাৰ পূজিবৰ শক্তিও নাই। গুৰু সন্তোষ হৈ বোলে, এনেই কঞঁ, শিকা। আপুনিও পূজিবা, লোকে মাতিলেও কৰিবা, চাউল-কানি হব। তেহে কৃষ্ণ কৃপাত চণ্ডীতত্ত্ব পাসৰি কৃষ্ণ ৰিচ্ শিকালে।।

আৰু কুসুমদেউৰ তিথি কৰ্ম্ম কৰি গ'ল ছাত্ৰশালে। পথতে এটা পশু পাই মাৰি সবাকে সিধাৰে দিছে।

আৰু মাৰ্কণ্ডেয় পুৰাণৰ পৰা প্ৰথমে কাপ ধৰি হৰিচন্দ্ৰোপাখ্যান কৰিছে চাৰি খুটা মাৰি সেৱকলৈ।

### শব্দাৰ্থ ঃ

| | | |
|---|---|---|
| কচ্ছপ | — | কাছ। |
| বটা | — | এবিধ সৰু চৰাই। |
| ভতৰা | — | নবন্ধোৱা মতা গৰু, ষাঁড়। |
| চাতিবাৰু | — | ছাটি মাৰি পতা ঢাল, বাৰুৰতিৰ এক ছালনা। |
| বাটি | — | ভগাই দিয়া। |
| সাম্বুৰি | — | সাঁতুৰি। |
| ভণ্টা | — | এবিধ খেল। |
| ডুগ | — | এবিধ ল'ৰাধেমালি। |
| ঢোপ | — | উমলিবলৈ কাপোৰ মেৰিয়াই সজা ঘূৰণীয়া বস্তু। |
| ভেকুৰি | — | তিতা গুটি ধৰা এবিধ গছ। |
| ডুগডুগলি | — | এবিধ ল'ৰাধেমালি। |
| পূৰ্ব্ববত | — | আগৰ দৰে। |



| | | |
|---|---|---|
| দাবি দি | — | ধমক দি। |
| ছৱাটি | — | ল'ৰাটি। |
| পিহ্লা | — | পীড়া। |
| ছাত্ৰশাল | — | পঢ়াশালি। |
| পাসৰি | — | পাহৰি। |
| আওতাই | — | অঁতাই, প্ৰস্তুত কৰি। |
| ৰিচ | — | ঋক্, মন্ত্ৰ। |
| সিধা | — | ৰান্ধি খাবৰ নিমিত্তে দিয়া কেঁচা খাদ্যবস্তুসমূহ। |
| খগচৰ নগধৰ | — | পৃথিৱী, পাতাল, বৈকুণ্ঠ, স্বৰ্গ। |

### টোকা ঃ

**কথা গুৰুচৰিত ঃ** মধ্যযুগৰ অসমীয়া চৰিত সাহিত্যৰ ইতিহাসত কথা গুৰুচৰিতৰ এক বিশিষ্ট স্থান আছে। অষ্টাদশ শতিকাত ৰচিত এইখন চৰিত পুথিত দুজন গুৰু শংকৰদেৱ আৰু মাধৱদেৱ, দুজন ঠাকুৰদেউ পুৰুষোত্তম আৰু চতুৰ্ভুজ, ন জন আতা আৰু পঁচিশজন মহন্ত আৰু অনেক মহাপ্ৰাণ ব্যক্তিৰ জীৱনবৃত্ত আলোচিত হৈছে। ধৰ্মীয় দিশত গুৰুত্ব দিলেও এইখন চৰিত পুথিয়ে সমকালীন সমাজ জীৱনৰ নানান চিত্ৰও জীৱন্ত ৰূপত তুলি ধৰিছে। গদ্যৰচনা স্বৰূপেও কথা গুৰুচৰিতৰ বিশেষ মূল্য আছে। গ্ৰন্থখন বৰপেটা সত্ৰৰপৰা ড° বাণীকান্ত কাকতিয়ে উদ্ধাৰ কৰে।

**কুসুমদেউ ঃ** কুসুমদেউ শংকৰদেৱৰ পিতৃ। তেওঁৰ সম্পূৰ্ণ নাম কুসুম্বৰ শিৰোমণি ভূঞা। আহোমসকলে অসম অধিকাৰ কৰাৰ পূৰ্বে উজনিৰ উত্তৰ ভাগৰ বাৰটা খণ্ড কৰি সেইবোৰৰ একো একোজন অধিপতি হৈছিল। সেইসকলক বাৰ ভূঞা বোলা হৈছিল। কুসুম্বৰ ভূঞা সেই বাৰ ভূঞাৰ বংশধৰ।

**হৰিচন্দ্ৰোপাখ্যান ঃ** শংকৰদেৱৰ বিৰচিত প্ৰথম গ্ৰন্থ। মাৰ্কণ্ডেয় পুৰাণৰ ৭ম আৰু ৮ম অধ্যায়ৰ আধাৰত ৰচিত এই গ্ৰন্থত বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ বিচৰা হৈছে। কবিৰ মৌলিকতাৰ পৰিচয়ো কাব্যখনিত ফুটি উঠিছে।

### প্ৰশ্নাৱলী ঃ

১। তোমাৰ পাঠ্য প্ৰবন্ধৰ আধাৰত শংকৰদেৱৰ বাল্যকালৰ এটি বিৱৰণ দিয়া।

২। শংকৰদেৱে শিশুকালত কি কি অলৌকিক কাৰ্য প্ৰদৰ্শন কৰিছিল, বিৱৰি লিখা।

৩। গুৰুগৃহৰপৰা শংকৰদেৱ কেনেকৈ পলাইছিল, আৰু ফলত কি হৈছিল, চমুকৈ লিখা।

৪। ব্যাখ্যা কৰা ঃ

(ক) আমাৰেসে কৰ্ম্মতৰে, পণ্ডিতৰো বাক্য লৰে।

(খ) আপুনিও পূজিবা, লোকে মাতিলেও কৰিবা, চাউল-কানি হ'ব।

(গ) তেহে কৃষ্ণ কৃপাত চণ্ডীতত্ত্ব পাসৰি কৃষ্ণ ৰিচ্ শিকালে।

(ঘ) আৰু কুসুমদেউৰ তিথি কৰ্ম্ম কৰি গ'ল ছাত্ৰশালে। পথতে এটা পশু পাই মাৰি সবাকে সিধাৰে দিছে।

(ঙ) আৰু মাৰ্কণ্ডেয় পুৰাণৰপৰা প্ৰথমে কাপ ধৰি হৰিচন্দ্ৰোপাখ্যান কৰিছে চাৰিখুটা মাৰি সেৰকলৈ।

————

# ছাত্ৰৰ কৰ্তব্য আৰু শিক্ষা*

## কৃষ্ণকান্ত সন্দিকৈ

যোৱা ১০/১২ বছৰৰ ভিতৰত ভাৰতবৰ্ষত নানা আন্দোলন আৰু পৰিৱৰ্তনৰ ঢৌ উঠিছে, মানুহৰ মনত নতুন ভাব আৰু নতুন আশা-আকাঙ্ক্ষাৰ উদয় হৈছে। এই সময়ৰ ভিতৰত আপোনালোকৰ নিয়মাৱলীৰ বিশেষ একো সাল-সলনি নহ'লেও আপোনালোকৰ মনৰ ভাবৰ যে নানা ৰূপান্তৰ হৈছে সেই বিষয়ে সন্দেহ নাই। কিন্তু যিবিলাক আধুনিক দেশত বিদেশী পাশ্চাত্য সভ্যতাৰ আমদানি হৈছে তাৰ ভিতৰত ভাৰতবৰ্ষত ভাবৰ সাল-সলনি হোৱাত বাস্তৱতে বৰ লেহেম হৈছে। এই দেশবিলাকৰ ভিতৰত আকৌ কিছুমানত— যেনে ৰুছদেশ আৰু জাপানত, ভাবৰ অভিব্যক্তি আনবিলাকতকৈও বেছি বেগেৰে হৈছে। ইয়াৰ কাৰণ অৱশ্যে বহুত। কিন্তু এটা প্ৰধান কাৰণ হৈছে যে যিবিলাক দেশত নতুন ভাবৰ আঘাত লাগিলে তাৰ সমান বা তাতোকৈও বেছি প্ৰবল ভাবৰ প্ৰতিঘাত উঠে সেইবিলাক দেশতে পৰিৱৰ্তন বেছি বেগেৰে হৈছে আৰু অধিক পৰিমাণে সফল হৈছে।

আজি ছাত্ৰসমাজৰ আগত জয়ে জয়ে এই কথা উত্থাপন কৰাৰ কাৰণ এই যে ভাবৰ যি ঘাত-প্ৰতিঘাতৰ কথা কোৱা হৈছে তাৰ প্ৰথম জিলিঙনি সকলো ঠাইত ছাত্ৰসমাজেই আগেয়ে পায় আৰু ছাত্ৰসমাজৰ ওপৰত সি যি প্ৰভাৱ বিস্তাৰ কৰে তাৰ ওপৰত জাতীয় অৱস্থাৰ ক্ৰমবিকাশৰ ৰূপ আৰু প্ৰকৃতি অনেক পৰিমাণে নিৰ্ভৰ কৰে। ঊনবিংশ শতিকাৰ প্ৰথম ভাগৰ ৰুছ সাহিত্য আলোচনা কৰিলে ছাত্ৰ আৰু শিক্ষিত যুৱকসকলৰ মনত পশ্চিম ইউৰোপৰ সভ্যতাই পোনতে যি ভাবৰ হেন্দোলনি জন্মাইছিল তাৰ আভাস পোৱা যায়। তেতিয়াও পশ্চিমীয়া সভ্যতা ৰুছ দেশত সোমাবৰ বেছি দিন হোৱা নাছিল। কিন্তু অতি কম সময়ৰ ভিতৰতে শিক্ষিত ডেকাসকলৰ মাজত এই নতুন সভ্যতা আৰু ভাবৰাশিৰ প্ৰবল উৎসাহপূৰ্ণ সমালোচনা হৈছিল। জাৰ্মান দাৰ্শনিক হেগেলৰ জাতি আৰু ৰাষ্ট্ৰ সম্পৰ্কীয় মতবিলাক শিক্ষিত ডেকাসকলে কি অসীম আগ্ৰহ আৰু

* অসম ছাত্ৰ সন্মিলনৰ চতুৰ্দশ অধিৱেশনৰ (গোলাঘাট, ১৪ আৰু ১৫ অক্টোবৰ, ১৯২৯) সভাপতিৰ অভিভাষণ। প্ৰথম প্ৰকাশ ঃ 'মিলন', অষ্টম বছৰ, প্ৰথম সংখ্যা, পুহ-মাঘ, ১৮৫১ শক।

উৎসাহেৰে অনবৰত আলোচনা কৰিছিল তাক বিখ্যাত লেখক টুৰ্গেনিভে বৰ্ণাই গৈছে। পাশ্চাত্য সভ্যতা আৰু ৰুছ দেশৰ নিজৰ শ্লাভ সভ্যতাৰ গুণাগুণ কি সেই বিষয়ে নানা আলোচনা আৰু বাদ-প্ৰতিবাদ আৰম্ভ হৈছিল। ইয়াৰ ফলত দুদল মানুহৰ আৱিৰ্ভাৱ হৈছিল। এদল শ্লাভ সভ্যতাৰ পক্ষপাতী আৰু ইদলৰ নাম 'জাপাদনিকি' বা পশ্চিমীয়া দল। দুয়োদল জাতীয় ভাবৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। পশ্চিম ইউৰোপৰ সভ্যতা কি প্ৰণালীৰে অৱলম্বন কৰিলে জাতীয় মৰ্যাদা আৰু জাতীয় অভ্যুদয় দুইটা অক্ষুণ্ণ থাকে তাক বিচাৰ কৰাই তেওঁলোকৰ উদ্দেশ্য আছিল। এই আন্দোলনৰপৰা পাশ্চাত্য সভ্যতাৰ সংঘৰ্ষত ৰুছ ছাত্ৰ আৰু শিক্ষিত ডেকাসকলৰ মাজত যি ভাবৰ ঢৌ উঠিছিল তাক সহজে বুজিব পাৰি। অলপ দিনৰ ভিতৰতে ৰুছ দেশত যিবিলাক পৰিৱৰ্তন আৰু আন্দোলন হৈছে তাৰ মূলতে এই ভাবৰ ঘাত-প্ৰতিঘাত। ইয়াত সেই বিষয়ে বহলাই ক'ব নোৱাৰি। ভাৰতবৰ্ষত কিন্তু যেতিয়া পাশ্চাত্য সভ্যতা সোমাল তেতিয়া প্ৰায় সকলোৱেই তাক দেৱতাৰ বৰ বুলি গ্ৰহণ কৰিলে, তাৰ কোনটো আচল কোনটো নকল তাক কোনেও বিচাৰ নকৰিলে। এই অৱস্থা এতিয়াও কম-বেছি পৰিমাণে চলি আছে, নহ'লে জাতীয় জীৱনত কিছুমান ডাঙৰ ডাঙৰ পৰিৱৰ্তন দেখা গ'লহেঁতেন। এপাত কাঁড় যদি এটা শিলৰ ওপৰত পৰেহি তেনেহ'লে সি তাত এটা চিন বহুৱাই উফৰি পৰিব, কিন্তু বোকাত পৰিলে তৎক্ষণাৎ লাগি ধৰিব। তেজী সবল মন আৰু দুৰ্বল নিৰ্জীৱ মনৰ পাৰ্থক্য ইয়াতে। পাশ্চাত্য ভাব আৰু চিন্তাৰ সমকক্ষ কোনো প্ৰবল ভাৰতীয় ভাবৰ প্ৰতিঘাত নোহোৱাত পাশ্চাত্য সভ্যতাই আমাৰ ওপৰত অনেক প্ৰভাৱ বিস্তাৰ কৰিছে, কিন্তু সামাজিক আৰু জাতীয় জীৱন সফল কৰিবৰ কাৰণে আমি তাক আয়ত্ত কৰি নিজৰ বশ কৰি ল'ব পৰা নাই। আমাৰ ছাত্ৰ সমাজৰ দায়িত্ব এই কাৰণেই বৰ গধুৰ। প্ৰাচ্য আৰু পাশ্চাত্য ভাবৰ সংঘৰ্ষত জাতীয় আদৰ্শ গঠন কৰি তুলিবলৈ হ'লে ছাত্ৰ সমাজৰ মাজেদিয়েই তাৰ প্ৰথম বিকাশ হ'ব লাগিব। এই কাৰণেই ছাত্ৰ জীৱনত স্বাধীন চিন্তা, নিৰ্বাচন ক্ষমতা আৰু জাতীয় আত্মবোধৰ প্ৰভাৱ আৰু উপকাৰিতা সকলোৱে স্বীকাৰ কৰে।

ব্যক্তিগত লাভালাভৰ ওপৰত এটা জাতীয় মৰ্যাদা আৰু আত্মসন্মান আছে, উপাধিতকৈও ওপৰত এটা চৰিত্ৰৰ গৌৰৱ আৰু জ্ঞানৰ গৌৰৱ আছে, খোৱা-পিন্ধাৰ বাহিৰেও কিছুমান চিৰন্তন সত্য আৰু অশৰীৰী মূল্য (Spiritual Values) আছে। এইবিলাক আদৰ্শৰ অনুশীলন কৰাও ছাত্ৰ-জীৱনৰ লক্ষ্য বুলি বোধ হয়। অন্ততঃ ছাত্ৰ জীৱনতে যে তাৰ সাধনা কৰিবলৈ আটাইতকৈ বেছি সুবিধা তাত সন্দেহ নাই। কালৰ সোঁতত আদৰ্শৰ বেছিভাগ উটি গ'লেও যি দুটা-এটা ফিৰিঙতি বাকী থাকিব সিয়েই



আমাৰ জাতীয় আৰু সামাজিক জীৱন পবিত্ৰ কৰিব যেন লাগে। এই আদৰ্শৰ খাতিৰতে অনেকে শিক্ষাৰ ব্যৱস্থাত জ্ঞানতকৈ চৰিত্ৰ আৰু ব্যক্তিত্বৰ বিকাশৰ ওপৰত বেছি ভৰ দিয়ে। প্ৰাচীন যুগত প্ৰভাৱশালী লেটিন লেখক কুইণ্টিলিয়ানে শিক্ষাত জ্ঞানৰ প্ৰেৰণাতকৈ চৰিত্ৰৰ সাধন বেছি মূল্যৱান বুলি ভাবিছিল। আধুনিক যুগত জাৰ্মান দাৰ্শনিক নিট্‌চেই যেতিয়া জাৰ্মেনিৰ বিৰাট শিক্ষা-ব্যৱস্থা আৰু জ্ঞান-সাধনা কোনো কামৰ নহয় বুলি প্ৰবল আক্ৰমণ কৰে তেতিয়া তেওঁ এই চৰিত্ৰ আৰু ব্যক্তিত্ব বিকাশেই সৰ্বমূল বুলি ঘোষণা কৰিছিল। নিট্‌চেৰ সকলো মত সম্পূৰ্ণভাৱে গ্ৰহণ কৰা টান হ'লেও আধ্যাত্মিক শক্তি আৰু নৈতিক প্ৰেৰণাৰ কাৰণে তেওঁৰ উচ্ছ্বাসপূৰ্ণ গদ্যই জাৰ্মান সাহিত্যত ওখ ঠাই লাভ কৰিছে।

বাস্তৱতে এই ব্যক্তিত্বৰ বিকাশ নহ'লে কোনো উচ্চ আদৰ্শৰ ওপৰত লক্ষ্য ৰাখিব নোৱাৰি। খোৱা-পিন্ধা আৰু সংসাৰ যাত্ৰা— ইয়াৰ বাহিৰে যি আন কোনো ভাৱৰ প্ৰেৰণা অনুভৱ নকৰে অথবা তাৰ আৱশ্যকতা বোধ নকৰে তেওঁৰ এটা স্বতন্ত্ৰ ব্যক্তিত্ব আছে বুলি ক'ব নোৱাৰি। ব্যক্তিত্বৰ বিকাশ নহ'লে আদৰ্শৰো আৱশ্যক নাই। যি নিজৰ অৱস্থাত সন্তুষ্ট তেওঁৰ আদৰ্শৰ কোনো আৱশ্যক নাই। আদৰ্শ এটা আহুকলীয়া বস্তু। আদৰ্শই নতুন নতুন ভাব আৰু অনুভূতিৰ সোঁত বোৱাই আহুকাল, অসন্তোষ আৰু আনকি বিপ্লৱ সৃষ্টি কৰে, কিন্তু ইয়াতে প্ৰাণৰ স্পন্দন আৰু জাতীয় জীৱনৰ হেন্দোলনি আৰম্ভ হয়।

ভাৰতৰ ছাত্ৰ সমাজৰ ফালে চালে আজি এনে বোধ হয় যেন তেওঁবিলাকৰ ভিতৰত এটা নতুন আত্মসন্মান আৰু জাতীয় মৰ্যাদাৰ বোধ আৰম্ভ হৈছে, কোনো অযথা অপমান সহ্য নকৰিবলৈ তেওঁবিলাকে যেন দৃঢ়-সংকল্প কৰিছে। চৰিত্ৰৰ বল আৰু নিঃস্বাৰ্থ ভাব থাকিলে ছাত্ৰৰ সকলো সময়তে জয় হ'ব তাত সন্দেহ নাই।

চৰিত্ৰৰ বলৰ লগত শাৰীৰিক বলৰ সম্পৰ্ক আছে। এই বিষয়ে আমাৰ বিশ্ববিদ্যালয়বিলাক সম্পূৰ্ণ উদাসীন। জাৰ্মেনিৰ প্ৰত্যেক বিশ্ববিদ্যালয়তে নানা কুস্তি, জাপানী যুযুৎসু বিদ্যা, বক্সিং, মাল-যুঁজ আদিৰ ব্যৱস্থা আছে। ইয়াৰ কাৰণে সুকীয়া শিক্ষক আৰু ডাক্তৰ ৰখা হয়। তৰোৱাল-খেল ফৰাচী ছাত্ৰবিলাকৰ এটা বিশেষত্ব। অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰিব পৰাটো ইউৰোপীয় ছাত্ৰৰ পক্ষে এটা সাধাৰণ কথা। আমাৰ দেশত কিন্তু 'বৈজ্ঞানিক' প্ৰণালীৰে দল-বৈঠক কৰিব পাৰিলেও শাৰীৰিক শিক্ষা সম্পূৰ্ণ হয় বুলি অনেক ডাঙৰ লোকে ভাবে। কিন্তু যি শাৰীৰিক শিক্ষাই আমাক ব্যক্তিগত আৰু জাতীয় আত্ম-ৰক্ষাত সহায় নকৰে, তেনে শিক্ষাৰ পৰা আমাৰ একো লাভ নহয়। লাঠী-খেল, যুযুৎসু, তৰোৱাল-খেল, অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ, ফুটবল বা টেনিচতকৈ বেছি

লাগতিয়াল। এইবিলাক বিদ্যা ভাৰতীয় ছাত্ৰই শিকিলে কাৰ কি অপকাৰ হ'ব বুজিব নোৱাৰি। ইউৰোপীয় ছাত্ৰৰ তুলনাত ভাৰতীয় ছাত্ৰ নিৰ্জু আৰু জুৰুলা। ইউৰোপীয় ছাত্ৰ সবল, স্বাস্থ্যৱান আৰু যুঁজাৰু। জাৰ্মান ছাত্ৰসকলৰ ভিতৰত উৰণীয়া চৰাই বুলি এটা আন্দোলন চলাৰ কথা অনেকে শুনিছে। এদল এদল ছাত্ৰ জুম বান্ধি জাৰ্মেনিৰ বেলেগ বেলেগ ঠাইত খোজকাঢ়ি ভ্ৰমণ কৰে। এই আন্দোলনৰ এটা জাতীয় উপযোগিতা আছে। যিসকল ছাত্ৰ এতিয়া হাবিয়ে-বননিয়ে বাটকুৰি বাই ফুৰিছে ভৱিষ্যৎ যুদ্ধত তেওঁবিলাকে যে ভাল পদাতিক সেনা হ'ব সেই বিষয়ে সন্দেহ নাই। শাৰীৰিক উৎকৰ্ষৰ সাধনাৰ লগত জাতীয় মৰ্যাদা আৰু চৰিত্ৰৰ বল জড়িত আছে। এই বিষয়টো বিশ্ববিদ্যালয়ে উচ্চ শিক্ষাৰ এটা প্ৰধান অংগ বুলি ধৰি উপযুক্ত ব্যৱস্থা কৰা উচিত। শাৰীৰিক সাধনাৰ লগত জাতীয় অস্তিত্বৰ ঘনিষ্ঠ সম্পৰ্ক আছে বুলিয়েই প্ৰাচীন গ্ৰীচৰ অলিম্পিক খেলবিলাক গ্ৰীক জাতীয় জীৱনৰ এটা প্ৰধান উপাদান হৈছিল। অলিম্পিক খেলত জয় লাভ কৰা বীৰবিলাকৰ গম্ভীৰ জয়গাথা ৰচনা কৰি গ্ৰীক গীতিকবি পিন্দাৰ বিশ্বসাহিত্যত অমৰ হৈছে। গ্ৰীক নাট্যকাৰ ইউৰিপিডিচে শাৰীৰিক বল আৰু চৰিত্ৰৰ বলৰ অপূৰ্ব সমাৱেশ পবিত্ৰ বীৰ হিপলিটাচৰ চৰিত্ৰত অমৰ লেখনীৰে আঁকি গৈছে। মহাকবি ভাৰবিৰ কাব্য পঢ়িলে দেখিব অৰ্জুনে অকল তপস্যাৰে মহাদেৱক সন্তোষ দিব নোৱাৰিলে। প্ৰথমে চৰিত্ৰৰ বলেৰে প্ৰলোভনকাৰিণী অপেচৰাক আৰু পাছত কিৰাতৰূপী মহাদেৱক বাহুবলেৰে জয় কৰিহে দেৱতাৰ তুষ্টি সাধিলে। এই কাৰণেই কবিয়ে এঠাইত কৈছে যে তপস্যাতকৈও অৰ্জুনৰ 'সত্ত্ব' অৰ্থাৎ নৈতিক মৰ্যাদা আৰু শাৰীৰিক বীৰত্বৰ সমাৱেশ দেখিহে মহাদেৱে ৰং পালে। এই জাতীয় অভ্যুত্থানৰ দিনত জাতিৰ পক্ষে এনে আদৰ্শৰ মূল্য সহজে বুজিব পাৰি।

বৰ্তমান শিক্ষা-প্ৰণালীৰ বিষয়েও দুটা-এটা কথা ক'লে বেয়া নহ'ব। ইউৰোপীয় আৰু ভাৰতীয় শিক্ষাৰ আটাইতকৈ ডাঙৰ পাৰ্থক্য হৈছে স্কুলীয়া শিক্ষাত। পশ্চিম ইউৰোপৰ স্কুলবিলাকত আমাৰ বি এতকৈ ওখ ধৰণৰ শিক্ষা দিয়া হয়। উচ্চ শিক্ষাৰ কাৰণে বিশ্ববিদ্যালয়লৈ নগ'লেও হয়। ইংলেণ্ডৰ স্কুলবিলাকত ছেক্‌ছপীয়েৰ ভালকৈ পঢ়োৱা হয়। ইতিহাসত বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ ডিগ্ৰী পৰীক্ষাৰ কাৰণে পঢ়া অনেক কিতাপ স্কুলীয়া ল'ৰাই পঢ়িব লাগে। গ্ৰীক আৰু লেটিনৰ পাঠ্য আমাৰ বি এ-ৰ সংস্কৃততকৈ বেছি। বিজ্ঞান ৰীতিমতে পঢ়িব লাগে। জাৰ্মেনিত প্ৰাচীন, আধুনিক আৰু বৈজ্ঞানিক এই তিনিবিধ শিক্ষাৰ যেইসেই এবিধক প্ৰধান বুলি ধৰি লৈ বেলেগ বেলেগ ৰুচিৰ ছাত্ৰৰ কাৰণে বেলেগ বেলেগ ধৰণৰ স্কুল পতা হৈছে। তাত স্কুলীয়া শিক্ষাৰ পয়োভৰ আৰু বেছি। অৱশ্যে নিজৰ ভাষাতে সকলোবিলাক পঢ়িব লাগে বুলি ইউৰোপীয়



ছাত্ৰই আমাতকৈ বেছি সুবিধা পায়। কিন্তু ইউৰোপত স্কুলীয়া শিক্ষাৰ মূল মন্ত্ৰটোৱেই বেলেগ। আমাৰ কলেজবিলাকৰ দুটা-এটা শ্ৰেণী নি স্কুলত জাপি দিলেই আমি তেনে শিক্ষা পাম বুলি আশা কৰিব নোৱাৰি। ইউৰোপৰ বিশ্ববিদ্যালয়ৰ শিক্ষা নহ'লেও যাতে স্কুলীয়া শিক্ষাৰেই মানুহ শিক্ষিত হ'ব পাৰে তাৰ ওপৰত লক্ষ্য ৰাখি স্কুলীয়া শিক্ষাৰ দিহা কৰা হৈছে। আনপক্ষে কিন্তু বিশ্ববিদ্যালয়ত ডিগ্ৰীৰ কাৰণে আমাৰ ইয়াতকৈ যে বেছি পঢ়োৱা হয় সি নহয়। কিন্তু স্কুলতে পৰিপক্ক হৈ যোৱাৰ কাৰণে তাৰ ছাত্ৰই বিশ্ববিদ্যালয়ৰ শিক্ষা আমাতকৈ ভালকৈ আয়ত্ত কৰিব পাৰে। অনেকৰ পক্ষে বিশ্ববিদ্যালয়ৰ শিক্ষা স্কুলীয়া শিক্ষাৰ এটা উন্নত ধৰণৰ পুনৰভ্যাস আৰু সংস্কৰণ স্বৰূপ হয়। কোনোৱে আকৌ ওখ-খাপৰ জ্ঞানসাধনা আৰু গৱেষণা প্ৰণালী শিকিবলৈ সুবিধা পায়।

এইবিলাক কাৰণতে সাধাৰণ ক্ষমতাৰ ভাৰতীয় ছাত্ৰয়ো ইউৰোপীয় বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ উপাধি লৈ আহিবলৈ টান নাপায়। ইউৰোপৰ ডিগ্ৰী পৰীক্ষাবিলাক আমাৰ ইয়াতকৈ টান নহয়, কিন্তু পৰীক্ষা টান বা উজু হোৱাৰ লগত শিক্ষাৰ সাৰ্থকতাৰ সম্পৰ্ক নাই। ইউৰোপত এফালে উচ্চ শিক্ষা স্কুলীয়া শিক্ষাৰ শকত আৰু সুদৃঢ় ভেটিৰ ওপৰত প্ৰতিষ্ঠিত আৰু আনফালে এটা তাকৰীয়া নিৰ্বাচিত দলে জ্ঞানচৰ্চা আৰু গৱেষণা আৰম্ভ কৰে ডিগ্ৰী লোৱাৰ পাছত; সি এটা জীৱনব্যাপি সাধনা হৈ থাকে। এনেস্থলত মাজতে ধৰি তাৰ শিক্ষাৰ এক অংশৰ চাব লৈ অহাটো একো টান নহয়। আমাৰ জাতীয় গঠনৰ কাৰণে সঁজুলি বিচাৰোঁতে সাধাৰণ শিক্ষাৰ বিষয়ত ইউৰোপীয় শিক্ষাৰ এই গুৰিটোলৈহে বেছি মন দিব লাগে। ওখ-খাপৰ জ্ঞান গৱেষণা সকলো দেশতে তাকৰীয়া মানুহৰ কাম। অধ্যৱসায়, মগজ আৰু মনৰ নতুনত্ব থাকিলে তাৰ বাট আপোনা-আপুনি মুকলি হ'ব বুলি বোধ হয়। কিন্তু সাধাৰণ শিক্ষাৰ ভেটি নিজে স্থাপন কৰি নলৈ আনক কৰিবলৈ দিয়াৰ পৰা বিপৰীত ফল হৈছে।

ইউৰোপীয় স্কুলীয়া শিক্ষা উন্নত হ'লেও যিবিলাক বিশ্ববিদ্যালয়লৈ যাব নোৱাৰে তেওঁবিলাকৰ কাৰণে বিশ্ববিদ্যালয়ে এটা নতুন ধৰণৰ শিক্ষাৰ দিহা কৰিছে। ইয়াকে বিশ্ববিদ্যালয়ৰ বাহিৰা শিক্ষা বোলে (Extramural Studies)। ইংলেণ্ডৰ প্ৰায়বিলাক বিশ্ববিদ্যালয়ে ওচৰৰ ঠাইবিলাকত শিক্ষা-শ্ৰেণী (Tutorial Class) পাতে। যিবিলাকে স্কুল এৰি কামে-কাজে সোমাইছে বা কোনো ব্যৱসায়ত লাগিছে আৰু যাৰ ডিগ্ৰী লোৱাৰ আৱশ্যক নাই তেওঁবিলাকৰ কাৰণে এই শ্ৰেণীবিলাক খোলা হৈছে। সহজ-সৰল ভাষাত সাহিত্য, বিজ্ঞান, দৰ্শন আদি বেলেগ বেলেগ বিষয়ত ওখ-খাপৰ শিক্ষা দিয়া হয়। বিশ্ববিদ্যালয়ত পঢ়োৱা বিষয়বিলাক আজৰিৰ সময়ত সাধাৰণে বুজিব পৰাকৈ অনাৱশ্যক অংশ বাদ দি শিকোৱা হয়। আজিকালি এইবিলাক শ্ৰেণীৰ উপযোগী

পাঠ্যপুথি ওলাবলৈ ধৰিছে। অহা ১০-১২ বছৰৰ ভিতৰত এইবিধ শিক্ষাৰ কাৰ্যসূচী আৰু বাঢ়িব বুলি শুনা গৈছে। পেৰিচ বিশ্ববিদ্যালয়ত ছাত্ৰক দিয়া কোনো কোনো বক্তৃতাত জনসাধাৰণক এনেয়ে সোমাবলৈ দিয়া হয়। ফৰাচী সাহিত্যৰ বিষয়ে ভাল বক্তৃতা থাকিলে বাহিৰা মানুহো ছাত্ৰৰ লগতে শ্ৰেণীলৈ আহে। নামমাত্ৰ মাছুল দি ইউৰোপৰ প্ৰায়বিলাক বিশ্ববিদ্যালয়তে ছাত্ৰৰ শাৰীত নোসোমোৱাকৈয়ে অনেক বক্তৃতা শুনিব পাৰে। তাত বহুতে উচ্চ শিক্ষাৰ আৱশ্যকতা বোধ কৰে; কিন্তু উপাধি নিবিচাৰে। এইবিলাক কথাৰ মূলতে এটা জাতীয় আদৰ্শৰ প্ৰেৰণা দেখিবলৈ পোৱা যায়। সংসাৰৰ যাত্ৰা আৰম্ভ কৰাসকলৰ আকৌ শিক্ষা কেলেই এই কথা আমাৰ দেশত অনেকে বুজিবলৈ টান পাব। কিন্তু আমি আগেয়েই কৈছোঁ যে আদৰ্শ এটা আহুকলীয়া বস্তু। চকুৰে নেদেখা আৰু হাতৰ মুঠিৰে ধৰিব নোৱৰা বহুত বস্তুৰ কাৰণে ই এটা আগ্ৰহ জন্মায়।

ৰাজহুৱা শিক্ষা-প্ৰণালীৰ কথা এৰি দিলেও ছাত্ৰ অৱস্থাত সকলোৰে ব্যক্তিগত শিক্ষাৰে এটা মূলসূত্ৰ অনুসৰণ কৰা উচিত। বৰ্তমান সময়ত ভাৰতীয় ছাত্ৰৰ পক্ষে পাশ্চাত্য সাধনা আৰু ভাৰতীয় সাধনা দুইটাৰে এটা আভাস-জ্ঞান লাভ কৰা আৱশ্যক হৈছে। ৰাজকীয় শিক্ষা-প্ৰণালীৰ পৰা এই বিষয়ত বিশেষ সহায় নাপাব। নিজে-নিজেই যি পাৰে জ্ঞান সংগ্ৰহ কৰিব লাগিব। প্ৰাচীন আৰু আধুনিক ভাৰতৰ সভ্যতা, ধৰ্ম, সাহিত্য আৰু আৰ্থিক জীৱনৰ এটা আভাস নাপালে ভাৰতীয় মনীষাৰ সবলতা ক'ত আৰু দুৰ্বলতা ক'ত তাৰ একো ধাৰণা কৰিব নোৱাৰি। এনেয়ে নিজৰ দেশৰ অতীত আৰু বৰ্তমানৰ বিষয়ে সাধাৰণ কথাবিলাক প্ৰত্যেক শিক্ষিত মানুহে জনা উচিত। নালন্দা, তক্ষশীলা বা অজন্তা ক'ত বুলি সুধিলে অনেক শিক্ষিত ভাৰতবাসী বিমোৰ হ'ব। পাশ্চাত্য সভ্যতা আৰু সাধনাৰ বিষয়েও কোনো কাৰ্যকৰ জ্ঞান বৰ্তমান শিক্ষা-বিধানৰ পৰা পাব নোৱাৰি। ৰাণী এলিজাবেথৰ জীৱনীতকৈ মুচলিনী বা গেৰিবল্ডিৰ জীৱনী নিশ্চয় বেছি উপকাৰী। দ্বিতীয় শ্ৰেণীৰ ইংৰাজ লেখকৰ কবিতা বা ঘৰুৱা চিঠি-পত্ৰতকৈ টলষ্টয় বা ডষ্টয়েভ্স্কিৰ এখন উপন্যাসৰ অনুবাদৰ পৰাও ইউৰোপীয় মনৰ গতি বেছি ভালকৈ বুজিব পাৰি। এনেকুৱা উদাহৰণৰ সীমা সংখ্যা নাই। পাশ্চাত্য সভ্যতাৰ আৰ্থিক, সামাজিক আৰু বৈজ্ঞানিক অভিব্যক্তিৰ সাধাৰণ জ্ঞান ভাৰতবাসীৰ পক্ষে নিতান্ত লাগতিয়াল। ভৱিষ্যতৰ ভাৰতীয় সভ্যতা যে ভাৰতীয় আৰু পাশ্চাত্য সভ্যতাৰ মিহলি উপাদানেৰে গঠিত হ'ব সেই বিষয়ে সন্দেহ নাই। এই দুই সভ্যতাৰ প্ৰকৃতি ছাত্ৰই নিজ চিন্তা আৰু অধ্যয়নৰ দ্বাৰা বুজিবলৈ চেষ্টা কৰা উচিত।

সকলো প্ৰকাৰৰ জ্ঞান আহৰণ কৰাও ছাত্ৰৰ এটা প্ৰধান কৰ্তব্য। জনপ্ৰিয়তাৰ কাৰণে



ভাৰতবৰ্ষ অতীজৰে পৰা বিখ্যাত হৈ আহিছে। আজিকালিও ৰাজনৈতিক নৱযুগৰ সূচনাৰ লগে লগে জ্ঞান-বিজ্ঞানৰ বিষয়তো ভাৰতীয় মনৰ এটা নতুন ক্ৰিয়া শক্তি দেখা গৈছে। ইয়াৰ চিন অসমত নহ'লেও ভাৰতৰ আন কোনো কোনো প্ৰদেশত অনেক পৰিমাণে দেখা গৈছে। এই নতুন জ্ঞানশক্তিৰ লগত তৰুণ অসমে সংশ্ৰৱ ৰখা আৱশ্যক। ৰাজনৈতিক বিষয়ত আগবাঢ়িলেও জ্ঞান-বিজ্ঞানৰ বিষয়ত পাছ পৰি থাকিলে ভাৰতৰ আন আন প্ৰদেশৰ লগত অসমে সমান আসন পোৱা টান হ'ব।

পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰা ছাত্ৰসমাজ বিচ্ছিন্ন হৈ থাকিব নোৱাৰে। দেশত যিবিলাক ৰাজনৈতিক আৰু সামাজিক আন্দোলন হৈছে তাৰ পৰা কলেজৰ ছাত্ৰক একেবাৰেই আঁতৰাই ৰাখিব নোৱাৰি। ৰাজনৈতিক আন্দোলনৰ ধুমধামত ছাত্ৰই সম্পূৰ্ণভাৱে যোগ দি অৱশ্যে পঢ়া-শুনা কৰিব নোৱাৰে, কিন্তু আজিকালি ভাৰতৰ অনেক ঠাইত ছাত্ৰক আন্দোলনৰ অলপ সংশ্ৰৱত অহা দেখিলেই কৰ্তৃপক্ষই চক খাই উঠে আৰু অপমানজনক চৰ্তেৰে ছাত্ৰক বশ কৰিব খোজে। ইয়াৰ ফলত দুয়োপক্ষৰ সংঘৰ্ষ অৱশ্যম্ভাৱী। শৃঙ্খলাৰ নামত জাতীয় মৰ্যাদা আৰু আত্মসন্মান ত্যাগ কৰা উচিত নহয়। এই দুটা বস্তুৰ ব্যতিক্ৰম হ'লে কোনো উচ্চ আদৰ্শ টিকিব নোৱাৰে আৰু উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত নহ'লে ছাত্ৰ-জীৱন বিশুদ্ধ আৰু মহৎ হ'ব নোৱাৰে। ছাত্ৰ জীৱনৰে পৰা মনত দাস-ভাব পুহিবলৈ আৰম্ভ কৰিলে ভাৰতৰ জাতীয় ভৱিষ্যৎ কি হ'ব তাক কল্পনা কৰিবও নোৱাৰি।

ৰাজনীতিক কথা এৰি দিলে সামাজিক বিষয়ত ছাত্ৰৰ কৰ্তব্যৰ বিষয়ে কাৰো মতভেদ হ'ব নোৱাৰে। আমাৰ সমাজৰ বৰ্তমান গঠন আধুনিক ৰাষ্ট্ৰৰ উপযোগী নহয়। আগৰ ভাৰতত ৰাষ্ট্ৰৰ বান্ধনিতকৈ সমাজৰ বান্ধনি বেছি শকত আছিল। সেই কাৰণে ৰাষ্ট্ৰীয় বিপ্লৱৰ সময়তো ভাৰতীয় সমাজ বিপ্লৱৰ হাত সাৰি থাকিল। আনপক্ষে কিন্তু নিৰ্ধাৰিত কৰ্ম-বিভাগৰ ফলত ভাৰতৰ মানুহে নিজ নিজ জাতি বা সমষ্টিৰ কৰ্তব্যহে বুজিলে। জাতীয় কৰ্তব্য আৰু ৰাষ্ট্ৰীয় কৰ্তব্য কি তাৰ একো বিচাৰ নকৰিলে। ইয়াৰ বিষময় ফল ভাৰতৰ ৰাজনৈতিক বুৰঞ্জীত দেখা যায়। মধ্যযুগৰ ইউৰোপীয় সামাজিক বুৰঞ্জী আলোচনা কৰিলেও দেখা যায় সমাজৰ বেলেগ বেলেগ ব্যৱসায়ৰ মানুহে নিজৰ নিজৰ সঙ্ঘ (Guild) স্থাপন কৰি প্ৰত্যেকে নিজ বলেৰে নিজৰ স্বাৰ্থ ৰক্ষা কৰিছিল, ৰাষ্ট্ৰৰ স্বাৰ্থতকৈ নিজ সঙ্ঘৰ স্বাৰ্থ ডাঙৰ বুলি ভাবিছিল। মধ্যযুগৰ বিশ্ববিদ্যালয়বিলাকৰ বুৰঞ্জী আলোচনা কৰিলেও দেখিব পোনতে ইটালীত ছাত্ৰসকলে নিজ স্বাৰ্থৰ কাৰণে এটা ডাঙৰ দল বান্ধি দৰ-ভাও কৰি অধ্যাপক নিযুক্ত কৰি লৈছিল। কোনো ঠাইত আকৌ স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণে ছাত্ৰসঙ্ঘৰ লগত নগৰবাসীৰ দুৰ্ঘোৰ মাৰ-পিত হোৱা দেখা যায়। মুঠতে নিজ সঙ্ঘৰ স্বাৰ্থ নিজে ৰক্ষা নকৰিলে সেই

সময়ত আন উপায় নাছিল আৰু স্বাৰ্থৰ ওপৰত যে এটা জাতীয় বা ৰাষ্ট্ৰীয় স্বাৰ্থ আছে এই ভাবৰো বিকাশ হোৱা নাছিল। কিন্তু গাইগুটীয়া সঙ্ঘৰ ধাৰণা অতিক্ৰম কৰিহে আধুনিক একবাদী ৰাষ্ট্ৰ (monistic state) বিকশিত হৈছে। এই কাৰণেই আজিৰ ভাৰততো এক ৰাষ্ট্ৰৰ অংশীদাৰ হৈ এটা বিৰাট জাতি গঠন কৰিবলৈ হ'লে জাতি আৰু সম্প্ৰদায়ৰ বিভাগ দূৰ কৰিব লাগিব। সামাজিক ক্ষেত্ৰত ভণ্ডামিৰ পৰা আঁতৰ হৈ থাকোঁ বুলিলে ছাত্ৰসমাজে বহুত কৰিব পাৰে।

**কৃষ্ণকান্ত সন্দিকৈ ঃ** প্ৰাচ্যবিদ্যাৰ এজন ধীমান পণ্ডিতৰূপে খ্যাতি আৰু সন্মান বুটলিবলৈ সমৰ্থ হোৱা কৃষ্ণকান্ত সন্দিকৈ দেৱৰ ইংৰাজী ১৮৯৮ চনত যোৰহাটত জন্ম হয়। কৃষ্ণকান্ত সন্দিকৈয়ে ইং ১৯১৩ চনত প্ৰৱেশিকা পৰীক্ষাত উঠি ইং ১৯১৫ চনত গুৱাহাটীৰ কটন কলেজৰ পৰা আই এ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ইং ১৯১৭ চনত কলিকতাৰ সংস্কৃত কলেজৰ পৰা সংস্কৃতত সন্মানসহ বি এ পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰে। ইং ১৯১৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃত বৈদিক শাখাৰ এম এ পৰীক্ষাত প্ৰথম শ্ৰেণী লৈ বিলাতলৈ যাত্ৰা কৰে। অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা ইং ১৯২৩ চনত 'মডাৰ্ণ হিষ্ট্ৰী'ত এম এ ডিগ্ৰী লৈ পেৰিছত দুবছৰ কাল বিভিন্ন ভাষা অধ্যয়ন কৰাৰ অন্তত ইং ১৯২৭ চনত স্বদেশলৈ ঘূৰি আহি পৰৱৰ্তী বছৰত হেমলতাৰ পাণি গ্ৰহণ কৰে। ইং ১৯২৯ চনত 'অসম ছাত্ৰ সন্মিলন'ৰ চতুৰ্দশ গোলাঘাট অধিৱেশনৰ সভাপতিৰ আসনত সমাসীন হোৱা সন্দিকৈ ডাঙৰীয়া ইং ১৯৩৭ চনত অসম সাহিত্য সভাৰ সভাপতি হয়। ইং ১৯৩০ চনত জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষৰ দায়িত্ব লোৱা সন্দিকৈ ডাঙৰীয়াই ইং ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্যৰূপে যোগ দি বিশ্ববিদ্যালয়খনিৰ ক্ৰমোন্নতিত লেখৰ অৱদান আগবঢ়ায়। ইং ১৯৫১ চনত অখিল ভাৰতীয় প্ৰাচ্য বিদ্যা সন্মিলনৰ লৌকিক সংস্কৃত শাখাৰ সভাপতি হোৱা সন্দিকৈদেৱে ইং ১৯৫৫ চনত ভাৰত চৰকাৰৰ 'পদ্মশ্ৰী' আৰু ইং ১৯৭৮ চনত অসম সাহিত্য সভাৰ 'সদস্য মহীয়ান' সন্মান গ্ৰহণ কৰে। ১৯৮২ চনত তেওঁৰ মৃত্যু হয়। ইং ১৯১৯ চনতে 'সন্মিলন প্ৰবন্ধাৱলী' সম্পাদনা কৰা কৃষ্ণকান্ত সন্দিকৈয়ে অসমীয়াত কেইবাটাও উচ্চাংগৰ নিবন্ধ ৰচনা কৰাৰ উপৰি ইংৰাজীত ৰচনা কৰে— Naishadha Charitra of Sri Harsa (1934), Yasastilaka and Indian Culture (1949), Setubandha (1976)। এই গ্ৰন্থ কেইখনিয়ে দেশ-বিদেশৰ পণ্ডিতমণ্ডলীৰ দ্বাৰা স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে।

**টোকা ঃ**



**(ক) হেগেল ঃ** জাৰ্মানীৰ খ্যাতনামা দাৰ্শনিক (১৭৭০-১৮৩১)। তেওঁৰ জন্ম হয়— ষ্টাটগাৰ্টত। টিউৱিনগেন বিদ্যালয়ত তেওঁ ধৰ্মবিজ্ঞানৰ ছাত্ৰ আছিল আৰু ইং ১৭৯৩ চনত পি এইচ ডি ডিগ্ৰী লাভ কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ হাইডেনবাৰ্গ আৰু বাৰ্লিন বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ পদত সমাসীন হৈ Phaenomenology of the Spirit, Logic, Philosophy of Right প্ৰভৃতি যুগজয়ী গ্ৰন্থ প্ৰণয়ন কৰিছিল। তেওঁৰ দাৰ্শনিক গৱেষণাই ঊনবিংশ শতাব্দীৰ জাৰ্মান চিন্তাধাৰাক বিশেষভাৱে প্ৰভাৱান্বিত কৰিছিল।

**(খ) টুৰ্গেনিভ ঃ** বিখ্যাত ৰুছ লেখকজনাৰ সম্পূৰ্ণ নাম আইভান চেৰগেয়েভিচ টুৰ্গেনিভ। গোগোল আৰু টলষ্টয়ৰ বন্ধু টুৰ্গেনিভে কৃষকসকলৰ অত্যাচাৰৰ কাহিনী বৰ্ণাই ভালেকেইখন উপন্যাস ৰচনা কৰিছিল। Nihalist কথাষাৰৰ উদ্ভাৱক টুৰ্গেনিভেই। তেওঁৰ কেইখনমান প্ৰখ্যাত উপন্যাস হ'ল— A Nest of Gentlefolk, Father and Sons, Smoke, Virgin Soil আদি। প্ৰখ্যাত জাৰ্মান দাৰ্শনিক হেগেলৰ জাতি আৰু ৰাষ্ট্ৰ সম্পৰ্কীয় মতবাদসমূহ নতুন প্ৰজন্মই কি উৎসাহেৰে আলোচনা-বিলোচনা কৰিছিল, তাক টুৰ্গেনিভে তেওঁৰ লেখাত স্থান দিয়াটো উল্লেখযোগ্য।

**(গ) কুইণ্টিলিয়ান ঃ** প্ৰাচীন যুগৰ প্ৰভাৱশালী লেটিন লেখক। তেওঁ শিক্ষাত জ্ঞানৰ প্ৰেৰণাতকৈ চৰিত্ৰৰ সাধনক অধিক মূল্যৱান বুলি ভাবিছিল।

**(ঘ) নিট্‌চে ঃ** প্ৰখ্যাত জাৰ্মান দাৰ্শনিক (খ্ৰীঃ ১৮৪৪-১৯০০)। ইংৰাজীলৈ অনূদিত তেওঁৰ প্ৰখ্যাত গ্ৰন্থমালা হ'ল Thus Spake Zarathustra, Beyond Good and Evil আদি।

**(ঙ) পিণ্ডাৰ ঃ** (খ্ৰীঃপূঃ ৫১৮-৪৩৮) গ্ৰীচৰ জাতীয় খেল অলিম্পিকৰ বিজয়ী বীৰসকলৰ গম্ভীৰ বিজয়গাথা ৰচনা কৰি পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হোৱা পিণ্ডাৰৰ এতিয়া মাথো Epinicia (বা Victory Odes) গ্ৰন্থখনিহে পোৱা যায়। যদিও আজি পিণ্ডাৰৰ ৰচনাৰ সমাদৰ নাই, তেওঁৰ গীতৰ বিষয় আজিৰ কালত অচল তথাপি ইংলেণ্ডৰ ড্ৰাইডেন, গ্ৰে আদি কবিয়ে গ্ৰীক কবিজনাৰ ৰচনাৰীতিক স্বাগত জনোৱাটো তাৎপৰ্যপূৰ্ণ।

**(চ) ইউৰিপিডিচ ঃ** (খ্ৰীঃপূঃ ৪৮০-৪০৭) প্ৰাচীন গ্ৰীচৰ সৰ্বশ্ৰেষ্ঠ বিয়োগান্ত নাট ৰচয়িতা। তেওঁ নৱৈখন নাট ৰচনা কৰি অমৰ হৈছে। সিবোৰৰ ভিতৰত মিডিয়া (Medea), আল চেষ্টিছ (Alcestis), ইলেক্ট্ৰা (Electra), হিপলিটাচ (Hipplytus) প্ৰভৃতি প্ৰখ্যাত।

**(ছ) ভাৰবি ঃ** কালিদাসোত্তৰ যুগৰ প্ৰখ্যাত কবি ভাৰবিক দ্বিতীয় পুলকেশীৰ আইহোল অভিলেখত কালিদাসৰ দৰে প্ৰথিতযশা কবিৰূপে উল্লেখ কৰিছে। 'অৱন্তী সুন্দৰী কথা'ৰ মতে ভাৰবিৰ আন নাম দামোদৰ। কৌশিক গোত্ৰীয় নাৰায়ণ স্বামী তেওঁৰ পিতৃ। অষ্টাদশ সৰ্গবিশিষ্ট 'কিৰাতাৰ্জুনীয়' ভাৰবিৰ অমৰ কাব্য। ইয়াৰ মূল মহাভাৰতৰ বনপৰ্ব। অৰ্থগৌৰৱত ভাৰবি অদ্বিতীয়। ভাব আৰু ভাষাৰ অপৰূপ প্ৰকাশভংগীয়ে ভাৰবিৰ কাব্যক যি অপূৰ্ব কাব্যশ্ৰী প্ৰদান কৰিছে, সেয়া অন্যত্ৰ বিৰল।

**(জ) অৰ্জুন ঃ** তৃতীয় পাণ্ডৱ। ইন্দ্ৰৰ ঔৰসত কুন্তীৰ গৰ্ভত অৰ্জুনৰ জন্ম হয় যদিও

লৌকিক পিতৃ হ'ল পাণ্ডু। সুখ্যাত ধনুৰ্বিদ অৰ্জুন দ্ৰোণাচাৰ্যৰ সৰ্বশ্ৰেষ্ঠ শিষ্য আছিল। কুৰুক্ষেত্ৰৰ ৰণাংগনত তেওঁৰ ৰথৰ সাৰথি আছিল স্বয়ং শ্ৰীকৃষ্ণ। বনবাসৰ কালত তেওঁ ইন্দ্ৰনীল পৰ্বতলৈ গৈ মহাদেৱক আৰাধনা কৰি তেওঁৰ পৰা পশুপাত অস্ত্ৰ লাভ কৰিছিল। যুধিষ্ঠিৰৰ অশ্বমেধ যজ্ঞৰ ঘোঁৰাৰে সৈতে যোৱা মহাবীৰ অৰ্জুনে পুত্ৰ বভ্ৰুবাহনৰ হাতত পৰাজয় স্বীকাৰ কৰিব লগা হয়।

**(ঝ) ৰাণী এলিজাবেথ** (খ্ৰীঃ ১৫৩৩-১৬০৩) ঃ ইংলেণ্ডৰ ৰাণী। তেওঁ ২৫ বছৰ বয়সত ১৫৫৮ খ্ৰীষ্টাব্দত সিংহাসনত উপবিষ্ট হৈ ৪৫ বছৰ কাল ৰাজত্ব কৰে। তেওঁৰ ৰাজত্ব কালত প্ৰোটেষ্টাণ্ট ধৰ্মই ইংলেণ্ডৰ ৰাজধৰ্ম ৰূপে স্বীকৃতি পায়। স্পেনীয় ৰণতৰী 'আৰ্মাডা'ৰ পৰাজয়, স্কটলেণ্ডৰ ৰাণী মেৰী ষ্টুৱাৰ্টৰ প্ৰাণদণ্ড, ছেইক্সপীয়েৰ প্ৰভৃতি বিখ্যাত কবি-নাট্যকাৰৰ অভ্যুদয় মহাৰাণীৰ ৰাজত্বকালৰ উল্লেখযোগ্য ঘটনা। ইংৰাজী ১৫৯৯ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে মহাৰাণীৰ পৰা অনুমতি লৈ জয়জয়তে ভাৰতবৰ্ষলৈ বাণিজ্য কৰিবলৈ আহে।

**(ঞ) মুচলিনী** ঃ মুচলিনীৰ সম্পূৰ্ণ নাম চিনৰ বেনিটো মুচলিনী (খ্ৰীঃ ১৮৮৩-১৯৪৫)। ইটালীৰ ডিক্‌টেটৰ আৰু ফেচিষ্ট দলৰ নেতা। ভেৰিয়াৰ প্ৰিদাপ্পিও গাঁৱত জন্মগ্ৰহণ কৰা মুচলিনীৰ পিতৃ আলেচান্দ্ৰো বৃত্তিত কমাৰ আছিল। পঢ়াশলীয়া শিক্ষা শেষ কৰাৰ পিছত তেওঁ ফায়েনজাৰ কলেজত ভৰ্তি হয় আৰু কেই বছৰমান পঢ়া-শুনা কৰি গাঁৱলৈ ঘূৰি আহি শিক্ষকতাৰ জীৱন বাছি লৈ ঘৰৰ পৰা ওলায়। শিক্ষকতাৰ কাম কৰা কালত কৰ্তৃপক্ষৰ সৈতে তেওঁৰ কাজিয়া হয় আৰু চাকৰি এৰিব লগাত পৰে। চুইজাৰলেণ্ডত কিছুকাল দাৰিদ্ৰৰ সৈতে যুঁজি ইং ১৯০৮ চনত 'II Popolo' নামেৰে বাতৰিকাকত এখনৰ লগত সম্পৰ্ক পাতে। সেই সময়ত তেওঁ আছিল অষ্ট্ৰিয়াত। তাত তেওঁক গ্ৰেপ্তাৰ কৰি নিৰ্বাসন দণ্ড বিহে। ইং ১৯১০ চনত তেওঁ La-lotta di Classi পত্ৰিকা উলিয়াই জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সমৰ্থ হয়। ইং ১৯১৭ চনত তেওঁ ফেচিষ্ট দল গঠন কৰি ইং ১৯২২ চনত তাৰ প্ৰধানমন্ত্ৰী হয়গৈ। তেওঁৰ প্ৰৰোচনাতে ইটালীয়ে আবিচিনিয়া অধিকাৰ কৰাৰ উপৰি ইং ১৯৪০ চনত জাৰ্মানীৰে লগ লাগি ব্ৰিটেইন আৰু ফ্ৰান্সৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। পিছত তেওঁ মিত্ৰশক্তিৰ ওচৰত পৰাজিত হ'বলগীয়া হয়। লগে লগে তেওঁ পদচ্যুত হয় আৰু কাৰাৰুদ্ধ হ'ব লগাত পৰে। পিছত জাৰ্মানীৰ সহায়ত তেওঁ মুক্ত হৈ ইটালীৰ শাসনভাৰ কান্ধ পাতি লয় যদিও দুবছৰ পিছত তেওঁ আততায়ীৰ হাতত প্ৰাণ এৰিবলগীয়া হয়।

**(ট) গেৰিবল্ডি** (খ্ৰীঃ ১৮০৭-১৮৮২) ঃ ইটালীৰ বিখ্যাত সৈনিক আৰু দেশপ্ৰেমিক। চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ অভিযোগত তেওঁক মৃত্যুদণ্ড বিহাৰ বাবে তেওঁ দক্ষিণ আমেৰিকালৈ পলাই যায়। ১৮৪৮ খ্ৰীষ্টাব্দত পুনৰ্বাৰ মাতৃভূমিলৈ ঘূৰি আহি ১৮৫৯ খ্ৰীষ্টাব্দত ইটালীৰ যুদ্ধত লিপ্ত হয়। অষ্ট্ৰিয়ানসকলৰ বিৰুদ্ধে অভিযান চলাই তেওঁ জয়লাভ কৰে আৰু এক বিৰাট সেনাবাহিনীৰ অধিনায়ক হৈ ইটালীৰ স্বাধীনতা ঘূৰাই আনে। তেওঁৰ স্বেচ্ছাসেৱক বাহিনীৰ নাম আছিল Red Shirt।



**(ঠ) টলষ্টয়** ঃ কাউণ্ট লিও টলষ্টয় (খ্ৰীঃ ১৮২৮-১৯১০) ৰুছিয়াৰ খ্যাতনামা সাহিত্যিক আছিল। কাজান বিশ্ববিদ্যালয়ত কিছুকাল অধ্যয়ন কৰাৰ পিছত তেওঁ ক্ৰিমিয়াৰ যুঁজলৈ যায় আৰু যুদ্ধৰ বিভীষিকাই তেওঁক অহিংস কৰি তোলে। সসাগৰা সম্পত্তিৰ মালিক টলষ্টয়ে মানৱ প্ৰেম আৰু ঈশ্বৰ বিশ্বাসক মূলধন ৰূপে লৈ সাহিত্য সাধনাত ব্ৰতী হয়। তেওঁৰ অমৰ গ্ৰন্থাৱলীৰ ভিতৰত War and Peace, Anna Karenina, The End of the Age, The Power of Darkness প্ৰভৃতি প্ৰখ্যাত।

**(ড) ডষ্টয়েভ্‌স্কি** (ইং ১৮২১-১৮৮১) ঃ বিখ্যাত ৰুছ ঔপন্যাসিক। মস্কোত জন্মগ্ৰহণ কৰা ডষ্টয়েভ্‌স্কিয়ে পোনতে ছেণ্ট পিটাৰ্চবাৰ্গৰ ইঞ্জিনীয়াৰিং বিদ্যালয়ত ছাত্ৰৰূপে প্ৰৱেশ কৰে। ৰাজনৈতিক কাৰ্যকলাপৰ বাবে তেওঁক ইং ১৮৪৯ চনত চাইবেৰিয়ালৈ নিৰ্বাসিত কৰা হয়। Poor People, Crime and Punishment, The Idiot, The Possess, Brothers Karamazov প্ৰভৃতি তেওঁৰ যুগজয়ী উপন্যাস।

**(ঢ) অজন্তা** ঃ মহাৰাষ্ট্ৰৰ ঔৰংগাবাদ জিলাৰ জলগাঁও ষ্টেছনৰ নিকটৱৰ্তী এখনি সৰু গাঁও। বৌদ্ধ যুগৰ গুহা শিল্পৰ বাবে ঠাইখন জগত বিখ্যাত। খ্ৰীঃপূঃ ২-৭ শতাব্দীৰ ভিতৰত গুহাবোৰ খোদিত আৰু চিত্ৰশোভিত কৰা বুলি পণ্ডিতসকলে অভিমত দিছে। ইয়াত ২৫ টা বিহাৰ আৰু ৯টা চৈত্য নিৰ্মিত হোৱাটো উল্লেখযোগ্য। বুদ্ধদেৱৰ জীৱনৰ নানা কাহিনীৰ জাতকবৰ্ণিত সমস্ত বিষয়ৰ লগতে অনেক প্ৰসিদ্ধ আৰু সামাজিক বিষয়ো ইয়াত চিহ্নিত হৈছে। ইং ১৮১৭ চনত এজন ইংৰাজ পৰিব্ৰাজকে ইয়াক পুনৰুদ্ধাৰ কৰে। দুবাৰকৈ অনুলিপি প্ৰস্তুত কৰা অজন্তাৰ চিত্ৰৰাজিৰ কিছুসংখ্যক জয়জয়তে প্ৰকাশ কৰে— গ্ৰিফীথছে। নিজাম চৰকাৰৰ যত্নত ইয়াৰ প্ৰায়খিনি চিত্ৰিকাই পোহৰলৈ আহে।

**(ণ) তক্ষশিলা** ঃ বৰ্তমান পাকিস্তানৰ অন্তৰ্গত এখনি প্ৰাচীন নগৰী। ই ভৰতপুত্ৰ তক্ষৰাজৰ ৰাজধানী আছিল। ইয়াত থকা বিশ্ববিদ্যালয়খনিত বেদ, দৰ্শন, বিজ্ঞান আৰু বিবিধ শিল্প-কলাৰ শিক্ষা দিয়া হৈছিল। খ্ৰীষ্টিয় ৪০০ অব্দত চীনা পৰিব্ৰাজক ফা-হিয়ানে উক্ত স্থান পৰিদৰ্শন কৰিছিল। প্ৰত্নতাত্ত্বিকসকলে এই স্থানত খনন কাৰ্য চলাই অনেক প্ৰত্নতাত্ত্বিক সমল উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে।

**(ত) নালন্দা** ঃ পুৰণি কালৰ বৌদ্ধ বিহাৰ আৰু বিদ্যাকেন্দ্ৰ। এই ঠাইখন বৰ্তমানে বড়গাঁও ৰূপে পৰিচিত। চীনা পৰিব্ৰাজক হিউৱেন চাং ইয়ালৈ আহি অধ্যক্ষ শীলভদ্ৰৰ ওচৰত বৌদ্ধ শাস্ত্ৰ অধ্যয়ন কৰিছিল। দেশ-বিদেশৰ বহু ছাত্ৰ নালন্দা বিশ্ববিদ্যালয়লৈ অধ্যয়নৰ বাবে আহিছিল। প্ৰত্নতাত্ত্বিকসকলে ইয়াত খনন কাৰ্য চলাই বিগত অতীতৰ ভালেসংখ্যক ঐতিহাসিক সম্পদ উদ্ধাৰ কৰাটো উল্লেখযোগ্য। খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰে পৰা দ্বাদশ শতাব্দীলৈ নালন্দাবিহাৰ বিদ্যমান আছিল। তুৰ্কীৰ আক্ৰমণত ঐতিহ্যময় নালন্দা ধ্বংসস্তূপত পৰিণত হয়।

**শব্দাৰ্থ ঃ**

আমদানি — আন দেশৰ পৰা বস্তু অনা কাৰ্য।
প্ৰতিঘাত — আঘাত পাই দিয়া আঘাত।
হেন্দোলনি — দোলন, ওলমি লৰি থকা।
অভ্যুদয় — উদয়, দেখা দিয়া।
আহুকলীয়া — আপদসংকুল, আমনিদায়ক।
নিৰ্জু — শান্ত।

**প্ৰশ্নাৱলী ঃ**

১। ‘ভাবৰ যি ঘাত-প্ৰতিঘাতৰ কথা কোৱা হৈছে, তাৰ প্ৰথম জিলিঙনি সকলো ঠাইত ছাত্ৰ সমাজেই আগেয়ে পায়।’— কৃষ্ণকান্ত সন্দিকৈৰ প্ৰবন্ধটিৰ আলমত উক্ত মন্তব্যৰ বিশ্লেষণ কৰা।

২। ‘আদৰ্শই নতুন নতুন ভাব আৰু অনুভূতিৰ সোঁত বোৱাই আহুকাল, অসন্তোষ আৰু আনকি বিপ্লৱ সৃষ্টি কৰে কিন্তু ইয়াতে প্ৰাণৰ স্পন্দন আৰু জাতীয় জীৱনৰ হেন্দোলনি আৰম্ভ হয়।’— কৃষ্ণকান্ত সন্দিকৈৰ ‘ছাত্ৰৰ কৰ্তব্য আৰু শিক্ষা’ প্ৰবন্ধৰ আলমত উক্ত মন্তব্যৰ সত্যতা বিচাৰ কৰা।

৩। ইউৰোপীয় আৰু ভাৰতীয় শিক্ষাৰ পাৰ্থক্যসমূহ কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ প্ৰবন্ধৰ আলমত বিশ্লেষণ কৰা।

৪। ব্যাখ্যা কৰা ঃ

(ক) তেজী সবল মন আৰু নিৰ্জীৱ মনৰ পাৰ্থক্য ইয়াতে।

(খ) চৰিত্ৰৰ বলৰ লগত শাৰীৰিক বলৰ সম্পৰ্ক আছে।

(গ) ওখ খাপৰ গৱেষণা সকলো দেশতে তাকৰীয়া মানুহৰ কাম।

(ঘ) ৰাণী এলিজাবেথৰ জীৱনীতকৈ মুচলিনী বা গেৰিবল্ডিৰ জীৱনী নিশ্চয় বেছি উপকাৰী।

(ঙ) আমাৰ সমাজৰ বৰ্তমান গঠন আধুনিক ৰাষ্ট্ৰৰ উপযোগী নহয়।

---

# অঙ্কীয়া নাটৰ ৰস-বিচাৰ

## ড° সত্যেন্দ্ৰনাথ শৰ্মা

নাটৰ ক্ষেত্ৰত ৰস-বিচাৰ এটা প্ৰয়োজনীয় আলোচনা। আলঙ্কাৰিকসকলে কাব্য বা নাটৰ ক্ষেত্ৰত ৰস সৃষ্টিকে প্ৰধান কথাৰূপে মানি লৈ ৰসতত্ত্বৰ বিশদ আলোচনা কৰিছে। প্ৰাচীনতম আলঙ্কাৰিক ভৰতমুনিয়ে আঠ প্ৰকাৰৰ ৰস আৰু তেওঁৰ পৰৱৰ্তী কোনো কোনোৱে শান্ত ৰসকো ৰসৰ অন্তৰ্ভুক্ত কৰি মুঠতে ন প্ৰকাৰ ৰসৰ উল্লেখ কৰিছে। সেই ন বিধ ৰস হৈছে— শৃঙ্গাৰ, হাস্য, কৰুণ, বীৰ, ভয়ানক, অদ্ভুত, ৰৌদ্ৰ, বীভৎস আৰু শান্ত। মানুহৰ অন্তৰৰ যিবোৰ চিৰন্তন ভাবধাৰা পৰিশোধিত হৈ ৰসত পৰিণত হয়, সেইবোৰ হ’ল যথাক্ৰমে— ৰতি, হাস্য, শোক, উৎসাহ, ভয়, বিস্ময়, ক্ৰোধ, জুগুপ্সা আৰু শম। বহুতে উপৰোক্ত নৱৰসৰ উপৰি বাৎসল্যকো ৰসৰ লগত স্থান দিব খোজে। স্থায়ী ভাবৰ অতিৰিক্ত কিছুমান অস্থায়ী বা ক্ষন্তেকীয়া ভাবে সময় অনুসৰি মনত ভুমুকি মাৰে; ইহঁত সঞ্চাৰী— আহে আৰু যায়; ক্ষন্তেকৰ কাৰণে উদয় হৈ আকৌ মাৰ যায়। এইবোৰ হৈছে— লজ্জা, আশঙ্কা, ধৃতি ইত্যাদি আঠচল্লিশ প্ৰকাৰ ক্ষণে অহা ক্ষণে যোৱা সঞ্চাৰী ভাব। এইবোৰ স্থায়ী ভাবৰ আনুষঙ্গিক বা সহায়কৰূপে সন্ধিয়াৰ অৰুণৰাগৰ দৰে ক্ষন্তেক দেখা দি নাইকিয়া হয়।

কাব্য বা নাটত প্ৰকাশ হোৱা বিভাব (কাৰণ), অনুভাব (কাৰ্য্য) আৰু সঞ্চাৰী ভাবৰ সমবায়ত অন্তৰৰ স্থায়ী ভাব ৰসাৱস্থাত পৰিণত হয়। ওপৰত কোৱা ন বিধ স্থায়ী ভাবৰ ভেটিত অঙ্কীয়া নাটৰ ৰস বিচাৰ কৰা অসুবিধা, কাৰণ এই নাটৰ উদ্দেশ্য দৰ্শকক কাব্যৰস পান কৰোৱা নহয়, ভক্তি ৰসত আকণ্ঠ নিমজ্জিত কৰোৱাহে। ‘ৰুক্মিণীহৰণ’, ‘কেলিগোপাল’ নাটত ৰতি ভাবৰ প্ৰাধান্য আছে যদিও শৃঙ্গাৰ ৰস সৃষ্টি কৰা নাট্যকাৰৰ উদ্দেশ্য নহয় আৰু দৰ্শকৰ মনত তেনে ৰস উদয় হ’লে নাট্যকাৰৰ উদ্দেশ্যও ব্যৰ্থ হ’ব। যদি যুক্তিৰ খাতিৰত কোৱা হয় যে ‘কেলিগোপাল’ত শৃঙ্গাৰ ৰসৰ অনুকূল আৰু পৰিপোষক বৰ্ণনা আৰু দৃশ্যৰ প্ৰাধান্য আছে যেতিয়া নিশ্চয় ইয়াক শৃঙ্গাৰ ৰসাত্মক নাট বুলি ল’ব লাগিব, তাৰ উত্তৰত ক’ব পাৰি যে ঈশ্বৰক আশ্ৰয় কৰি প্ৰকৃত ৰতি ভাব উদয় হ’ব নোৱাৰে। আলঙ্কাৰিকসকলৰ মতে সমান ইন্দ্ৰিয়ক্ৰিয়াসম্পন্ন যুৱক-যুৱতীৰ মাজত হোৱা ভাবহে ৰতি, কিন্তু ঈশ্বৰ ইন্দ্ৰিয়াতীত।

'ৰুক্মিণীহৰণ' বা 'ৰামবিজয়'ক বীৰ ৰসপ্ৰধান বুলি ক'বলৈকো অসুবিধা যে ঈশ্বৰৰ কাৰ্যাৱলীত যি বীৰত্ব পোৱা যায় সি তেওঁৰ মহিমা বা ঐশ্বৰ্য্য; মানুহৰ ক্ষেত্ৰতহে তেনে কাৰ্য্যক বীৰত্ব বোলা হয়। মনত ৰাখিব লাগিব যে গোপীসকলে ৰুক্মিণী আৰু সীতাই শ্ৰীকৃষ্ণ বা ৰামক জগতৰ স্বামীৰূপেহে দৃষ্টি কৰিছে। ৰুক্মিণীয়ে শ্ৰীকৃষ্ণক 'শ্ৰীপৰমেশ্বৰসকল সুৰাসুৰ বন্দিত প্ৰপন্নজনতাৰণ নাৰায়ণ শ্ৰীকৃষ্ণ' বুলিহে ভাবিছে। 'ৰামবিজয়'ত সীতাই ভাবিছে 'হামু পূৰুব জনমে ঈশ্বৰ নাৰায়ণক স্বামী ইচ্ছা কয়লো। অনেক কায়ক্লেশ কৰিয়ে বহু বৰিষ তপস্যা কয়লো। তদনন্তৰে আকাশী বাণী শুনলো— আহে কন্যা, তোহো এহি জনমে স্বামীক ভেণ্ট নাহি পাৰব, আৰ জনমে ৰামৰূপে তোহোক বিবাহ কৰব।' 'কেলিগোপাল'ৰ গোপীসকলেও সেইদৰে কৃষ্ণক জগতৰ ঈশ্বৰ বুলি ভাবিছে। মহাপুৰুষে কৃষ্ণ বা ৰামৰ কাৰ্য্যত মানৱৰ ব্যৱহাৰ আৰোপ কৰিলেও ঈশ্বৰ বুলি সোঁৱৰাই থাকিবলৈ ক্ষন্তেকো পাহৰা নাই। গতিকে সাধাৰণ কাব্য-নাটত ৰূপায়িত ন বিধ ৰস অঙ্কীয়া নাটত স্বাভাৱিকভাৱে প্ৰকাশ হোৱা নাই; এইবোৰত প্ৰকটিত হোৱা শৃঙ্গাৰ বা বীৰ ৰসক ভক্তি ৰসৰে বিভিন্ন অভিব্যক্তি বুলিহে গ্ৰহণ কৰিব লাগিব।

গৌড়ীয় বৈষ্ণৱ আলঙ্কাৰিকসকলে ভক্তিপ্ৰধান নাটসমূহৰ ৰস-বিচাৰ বিশেষ কৌশলেৰে নিষ্পন্ন কৰিছে। তেওঁলোকে 'ৰতি'ৰ অৰ্থ-সম্প্ৰসাৰণ কৰি তাৰ ৰস-পৰিণতি দেখুৱাইছে। এই অৰ্থ-সম্প্ৰসাৰণ তেওঁলোকে জোৰ কৰি কৰা নাই, বিশ্বনাথ চক্ৰৱৰ্তীৰ প্ৰসিদ্ধ অলঙ্কাৰ গ্ৰন্থ 'সাহিত্যদৰ্পণ'ত ইয়াৰ বীজ নিহিত আছে। বিশ্বনাথৰ মতে প্ৰিয় বস্তুৰ প্ৰতি মানৱ মনৰ সহজ অনুৰাগেই ৰতি ('ৰতিৰ্মনোহনুকুলোহৰ্থে মনসঃ প্ৰৱণায়িতম্'৩/১৮০)। বৈষ্ণৱৰ সকলোতকৈ প্ৰিয় বস্তু ভগৱান কৃষ্ণ, গতিকে তেওঁলোকৰ ৰতি লৌকিক নহয়, 'কৃষ্ণৰতি'। এই ৰতিৰ ৰসৰূপ পাঁচপ্ৰকাৰে দেখা দিলেও স্বৰূপতঃ একেবিধ মূল ৰসৰে অৰ্থাৎ ভক্তি ৰসৰে সেই পাঁচবিধ প্ৰকাৰভেদ মাত্ৰ। শ্ৰৱণ-কীৰ্তন-স্মৰণ ইত্যাদিৰ দ্বাৰা ভক্ত হৃদয়ত উদ্ৰেক হোৱা স্থায়ী ভাব 'কৃষ্ণৰতি'ক বিভাব- অনুভাব ব্যভিচাৰী (সঞ্চাৰী) ভাবৰ যোগেদি আস্বাদনীয় অৱস্থালৈ আনিলেই সি ভক্তিৰসত পৰিণত হয়। এইখিনিতে কোনোবাই প্ৰশ্ন কৰিব পাৰে যে সকলোৰে মনত 'কৃষ্ণৰতি' স্থায়ীভাৱে নাথাকে, তেন্তে ই কেনেকৈ ৰসত পৰিণত হ'ব পাৰে? তাৰ উত্তৰত ক'ব লাগিব, সকলো ৰস আস্বাদন কৰিবলৈ অন্তৰত বাসনাৰ প্ৰয়োজন। যাৰ অন্তৰত ৰস আস্বাদনৰ সংস্কাৰ বা বাসনা নাথাকে সি কোনো ৰসকে আস্বাদন কৰিব নোৱাৰে। গতিকে 'কৃষ্ণৰতি'ৰ প্ৰৱণতা যাৰ অন্তৰত সুপ্তভাৱে থাকে তেওঁহে ভক্তিৰস আস্বাদন কৰিব। আকৌ এই কথাও মনত ৰাখিব লাগিব যে



ঈশ্বৰৰ প্ৰতি শ্ৰদ্ধা বা সেৱাৰ মনোভাব সকলোৰে অন্তৰত থাকে, সেয়ে কৃষ্ণক কেন্দ্ৰ কৰি সৃষ্টি হ'লে 'কৃষ্ণৰতি' আখ্যা পায়।

ভগৱান কৃষ্ণৰ প্ৰতি ভক্তৰ ৰতি পাঁচভাৱে প্ৰকাশ পায়। এই পাঁচ প্ৰকাৰ ৰতিৰ পৰিণতিয়েই পাঁচ প্ৰকাৰ ভক্তিৰসত পৰিণত হয়— শান্ত ভক্তিৰস, বাৎসল্য ভক্তিৰস, দাস্য ভক্তিৰস, সখ্য ভক্তিৰস আৰু শৃঙ্গাৰাত্মক ভক্তিৰস।

(১) কৃষ্ণক সৰ্ব-ঐশ্বৰ্যশালী নিত্যবস্তুৰূপে অনুভৱ কৰি ভক্তই বিষয়-বাসনা পৰিত্যাগপূৰ্বক ঐকান্তিক নিষ্ঠাৰে তেওঁৰ চৰণত আত্মসমৰ্পণ কৰি, 'নিৰ্মল তৰঙ্গচয়হীন' অন্তৰত যি প্ৰশান্তি আৰু আনন্দ উপভোগ কৰে সেয়ে শান্ত ভক্তিৰস।

(২) ভগৱান কৃষ্ণ প্ৰভু, ভক্ত, ভৃত্য; ভগৱান মহামহিমান্বিত, ভক্ত দীন। ইয়াত স্থায়ী ভাব 'সেৱা' নামৰ ৰতি। কৃষ্ণৰ মহিমা, কৰুণা আৰু ভক্তবৎসলতাই ভক্তমনক আকৰ্ষণ কৰে আৰু তেওঁক সেৱা কৰি ভক্তই কৃতাৰ্থ আৰু অলৌকিক আনন্দ অনুভৱ কৰে। এই দাসৰূপ ভক্ত আৰু স্বামীৰূপ কৃষ্ণক অৱলম্বন বিভাৱৰূপে লৈ নাট বা কাব্য ৰচিত হ'লে সেয়ে দাস্যভাবাত্মক ভক্তিৰস সৃষ্টি কৰিব।

(৩) ভক্ত আৰু ভগৱানৰ পাৰস্পৰিক বিশ্বাসময় সমপ্ৰাণতাৰ সম্পৰ্কৰ ভেটিত সখ্যভাব প্ৰতিষ্ঠিত। শান্তৰ কৃষ্ণনিষ্ঠা, দাস্যৰ সেৱাৰ উপৰি সখ্যভাবত থাকে সমপ্ৰাণতা। দাম, সুদাম, বলৰাম আদি সমনীয়া বন্ধু আৰু গৰখীয়াসকলৰ পাৰস্পৰিক প্ৰীতি আৰু বন্ধুভাবাপন্ন কাৰ্যৰ ভেটিত যি নাট বা কাব্য ৰচিত হয় তাতে সখ্যাত্মক ভক্তিৰস সৃষ্টি হয়। ভক্ত আৰু ভগৱানৰ সম্পৰ্ক ইয়াত সখ্যভাবাত্মক; ইয়াত কেৱল ভক্তইহে যে ভগৱানক সেৱা কৰে এনে নহয়, ভগৱানেও ভক্তক সমভাৱে সেৱা কৰে। কৃষ্ণৰ ঐশ্বৰ্য্য মহিমা সম্পৰ্কে সাধাৰণতে সখ্য-ভক্তিৰসত আপ্লুত ভক্ত সচেতন নাথাকে। মাধৱদেৱৰ 'ভোজন-বিহাৰ', 'কোটোৱা-খেলা' আদি নাটত সখ্য-ভক্তিৰসৰ অভিব্যক্তি দেখা যায়। তেৱাঁৰ বৰগীতৰ এটা অংশও এই সখ্য-ভক্তিৰসপ্ৰধান।

(৪) কৃষ্ণ সন্তান, ভক্ত মাতা বা পিতা— এই সম্পৰ্কৰ ভেটিত নাটৰ কথা-বস্তু নিৰ্মাণ হ'লে সেই নাটক বাৎসল্য-ভক্তিৰসৰ নাট আখ্যা দিয়া যায়। ইয়াত মাতা-পিতাৰ লালন-পালন আৰু চেনেহ-মমতাৰ লগতে তাড়ন-ভৰ্ৎসনাও চিত্ৰিত হয়। ইয়াৰ স্থায়ী ভাব 'বৎসলতা ৰতি'। অৰ্জুন-ভঞ্জন', 'চোৰ-ধৰা', 'পিম্পৰা-গুচুৱা' এইকেইখন বাৎসল্য-ভক্তিৰসৰ নাট। কৃষ্ণৰ ল'ৰালিসুলভ দুষ্টালি আৰু ঠেহ-পেচ, যশোদাই কৃষ্ণক স্তনদান কৰি সাজ-কাপোৰ পিন্ধাই গৰু চৰাবলৈ দিয়া আৰু দুষ্টালিত তত নাপাই গালি-শপনি পাৰি মাৰিবলৈ খেদি যোৱা চিত্ৰই মাক-পুতেকৰ স্বাভাৱিক সম্পৰ্কটো দাঙি ধৰি দৰ্শকৰ মনতো তদনুৰূপ বাৎসল্যভাব জগাই দিয়ে।

(৫) কৃষ্ণৰ ৰূপ-লাৱণ্য দৰ্শন কৰি আৰু তেওঁৰ সঙ্গলাভ কৰি নিজৰ ইন্দ্ৰিয়বৃত্তি চৰিতাৰ্থ কৰিবৰ ঐকান্তিক বাসনা হ'লে, নাইবা কৃষ্ণৰ ৰূপ-গুণাদিৰ দ্বাৰা আকৃষ্ট হৈ বিবাহসূত্ৰে তেওঁক স্বামীলাভৰ ইচ্ছা জন্মিলে, নাইবা নিজৰ শৰীৰ-মন সকলো কৃষ্ণত অৰ্পণ কৰি কৃষ্ণপ্ৰীতি সাধনাৰ একান্ত বশৱৰ্তী হৈ কৃষ্ণক প্ৰেমাষ্পদৰূপে দৃষ্টি কৰিলে যি ৰতি ভাব ভক্ত হৃদয়ত উদ্ভৱ হয় আৰু প্ৰেমাষ্পদ কৃষ্ণয়ো তদনুৰূপ যি প্ৰতিদান দিয়ে আৰু সেই চিত্ৰ যেতিয়া কাব্য-নাটত ৰূপায়িত হয়, দৰ্শকৰ চিত্তত তেতিয়া শৃঙ্গাৰাত্মক ভক্তিৰসৰ সঞ্চাৰ হয়। 'কেলিগোপাল', 'ৰুক্মিণীহৰণ', 'পাৰিজাতহৰণ' নাইবা 'ৰামবিজয়' নাটত শৃঙ্গাৰাত্মক ভক্তিৰসৰ প্ৰকাশ দেখা যায়। মহাপুৰুষ শঙ্কৰদেৱে কীৰ্ত্তনৰ ৰাসক্ৰীড়া বৰ্ণনা প্ৰসঙ্গত লিখিছে— 'শৃঙ্গাৰ ৰসে যাৰ আছে ৰতি, আক শুনি হৌক নিৰ্মল মতি।' ৰাসক্ৰীড়াৰ শৃঙ্গাৰ ৰসাত্মক চিত্ৰ চাই দৰ্শকৰ মন নিৰ্মল আৰু পবিত্ৰ হ'ব বুলি তেৰাই এই কাৰণেই আশা কৰিছে যে উক্ত শৃঙ্গাৰ ৰস সাধাৰণ কাব্য-নাটত বৰ্ণিত লৌকিক নায়ক-নায়িকাৰ প্ৰেমৰ ভেটিত সৃষ্টি হোৱা শৃঙ্গাৰ ৰস নহয়, ইয়াৰ স্থায়ীভাব অলৌকিক, আলম্বন বিভাবো অলৌকিক। গতিকে সেই অলৌকিক ভগৱৎপ্ৰেমৰ চিত্ৰই দৰ্শক বা পাঠকৰ মনো ভগৱৎপ্ৰেমৰসত নিমজ্জিত কৰিব।

কিন্তু গৌড়ীয় বৈষ্ণৱ আলঙ্কাৰিকসকলৰ উপৰোক্ত পাঁচবিধ ভক্তিৰসে কৃষ্ণলীলাৰ সকলো ঘটনা সামৰি ল'ব নোৱাৰে। উদাহৰণস্বৰূপে, আমি 'কালিয়দমন', 'কংসবধ' আদি নাট কোন শ্ৰেণীৰ ৰসত অন্তৰ্ভুক্ত কৰিম? শান্ত-ভক্তিৰসপ্ৰধান নাটৰূপে অৱশ্যে গ্ৰহণ কৰিব পাৰোঁ। কালিয় নাগৰ অহঙ্কাৰ আৰু গৰ্ব খৰ্ব হৈ কৃষ্ণৰ চৰণত আত্মসমৰ্পণৰ দৃশ্যই, নাইবা মহাপ্ৰতাপী কংসৰ শেষ পৰিণামে দৰ্শকৰ মনত বৈৰাগ্য বা নিৰ্বেদ ভাব সৃষ্টি কৰি শান্তময় ভক্তিৰস সঞ্চাৰ কৰিব পাৰে।

লৌকিক নায়ক-নায়িকাৰ কাৰ্য্যাৱলীৰ ভেটিত নাটৰ-কাব্যত চিত্ৰিত হোৱা ন বিধ ৰসৰ মানদণ্ডেৰে অঙ্কীয়া নাটৰ ৰস বিচাৰ নকৰি অলৌকিক স্থায়ীভাব আৰু বিভাবৰ ফালে দৃষ্টি ৰাখি, ভক্তিৰস অনুমান কৰাহে সমীচীন হ'ব।

**ড° সত্যেন্দ্ৰনাথ শৰ্মা (১৯১৭-১৯৯৯)** ঃ ড° সত্যেন্দ্ৰনাথ শৰ্মাই কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লৈ ১৯৪২ চনত কটন কলেজত অসমীয়া বিভাগৰ অধ্যাপনাৰ কামত সোমায়। ১৯৪৯ চনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক আৰু শেষত আধুনিক ভাৰতীয় ভাষা বিভাগৰ ৰবীন্দ্ৰনাথ ঠাকুৰ আসনৰ



অধ্যাপক ৰূপে নিযুক্ত হয়। ড° সত্যেন্দ্ৰনাথ শৰ্মা অসম সাহিত্য সভাৰ সভাপতিও আছিল। অসমীয়া সাহিত্যত ড° শৰ্মাদেৱৰ এখন বিশিষ্ট আসন আছে; বিশেষকৈ অসমীয়া সাহিত্য সমালোচনাত অগ্ৰগণী আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা হিচাপে। তেওঁ 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত' (পিছলৈ পৰিৱৰ্দ্ধিত ৰূপত 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত'), 'অসমীয়া নাট্য সাহিত্য', 'অসমীয়া উপন্যাসৰ ভূমিকা', 'অসমীয়া উপন্যাসৰ গতিধাৰা' 'অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ', 'সাহিত্যৰ আভাস', 'প্ৰবন্ধ চয়নিকা' আদি তত্ত্বগধুৰ পুথি ৰচনা কৰি অসমীয়া সাহিত্যৰ আকাশ উজলাই থৈ যায়।

'The Neo-Vaisnavite Movement and the Satra Institution of Assam' ড° শৰ্মাৰ গৱেষণা গ্ৰন্থ। তেওঁ 'Epics and Puranas in Early Assamese Literature' নামৰ আন এখনি ইংৰাজী গ্ৰন্থও ৰচনা কৰি থৈ যায়। তদুপৰি 'ৰূপকত্ৰয়ম্', 'অংকমালা', 'কথা ৰামায়ণ', 'ভক্তিগীত-পদ সঞ্চয়ন', 'গীত-গোবিন্দ' আদি বহুতো পুৰণি পুথি সম্পাদনা কৰে।

ড° শৰ্মাদেৱে তেওঁৰ গ্ৰন্থ 'ৰামায়ণৰ ইতিবৃত্ত'ৰ বাবে ১৯৮৮ চনৰ অসম প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰে। তেওঁৰ ৰচনা-সমগ্ৰ তথ্যবহুল আৰু ওজস্বিতা গুণসম্পন্ন।

## কঠিন শব্দৰ অৰ্থ আৰু টোকা ঃ

| | | |
|---|---|---|
| আলঙ্কাৰিক | — | অলংকাৰ শাস্ত্ৰৰ আলোচক-পণ্ডিত। |
| অৰুণৰাগ | — | সূৰ্যৰ ৰঙা বৰণ। |
| সুৰাসুৰ | — | দেৱতা আৰু দৈত্যসকল। |
| প্ৰপন্নজনতাৰণ | — | শৰণাগত বা ভক্তিমন্তজনক উদ্ধাৰ কৰোঁতা। |
| কায়ক্লেশ | — | দৈহিক কষ্ট। |
| বৰিষ | — | বৰ্ষ, বছৰ। |

## প্ৰশ্নাৱলী ঃ

১। ৰস বুলিলে কি বুজা? ই কেই প্ৰকাৰৰ আৰু কি কি?

২। লেখকৰ মতে অংকীয়া নাটত কি ৰস প্ৰকাশ পাইছে— আলোচনা কৰা।

৩। 'পাঁচ প্ৰকাৰ ভক্তিৰস' কি কি? বহলাই আলোচনা কৰা।

৪। 'কৃষ্ণৰতি' বুলিলে কি বুজা?

————

প্ৰথম বাৰ্ষিক শ্ৰেণীৰ বাবে

# চুটিগল্প

# যীশুখৃষ্টৰ ছবি

## চৈয়দ আব্দুল মালিক

পাৰ্থক্যটো ইমানেই— মই ভয় কৰিছিলোঁ লুকুৱাই, আৰু সিহঁতে ভয় কৰিছিল দেখুৱাই। ভয় লুকুৱাব পৰাটোতো সাহসৰে চিন। পিছে মই এই সাহসৰ গৌৰৱ ৰক্ষা কৰিবৰ কাৰণে লুকুৱাই ভয় কৰা নাছিলোঁ, আৰু তাত আনন্দও পোৱা নাছিলোঁ। ভয় লাগিলেও নলগা যেন দেখুওৱাৰ কাৰণ, নিজৰ মুৰব্বীয়ানা ৰক্ষা কৰা, লগতে সিহঁতৰ উৎপাতৰ পৰা অলপ ৰক্ষা পোৱা। সিহঁতৰ লগতে ময়ো ভয় খোৱা যেন দেখুৱাবলৈ হ'লে ক'লৈকো এখোজো দিবৰ উপায় নহ'ব। গতিকে ভিতৰি ভিতৰি যিমানেই ভয় নাথাকক বাহিৰত কিন্তু সিহঁতক আশ্বাস দি কৈছিলোঁ— "কিহৰ ভয় অ'? চিপাহী হ'ল কি হ'লহু সিহঁতো আমাৰ নিচিনা মানুহহেহু চিপাহী হ'ল বুলি আৰু সিহঁতে আমাক চোবাই খাবনে?"

কিন্তু দাঁতেৰে চোবাই নাখালেও, সিহঁতে যে ভৰিৰে গচকি যাব পাৰে আৰু বহুত ক্ষেত্ৰত যায়, সেই কথা মই নিজ চকুৰে দেখা নাই যদিও বহুতেই কোৱা শুনিছোঁ; আৰু বহুতেই কৈছে যেতিয়া সি সঁচা নহৈ নোৱাৰে। গতিকে পেটে-পেটে ভয় মোৰো আছিল। তাতে গোৰা চিপাহীৰ কুকৰ্মৰ কাহিনী বহুত কালৰ পৰা বহুত শুনি আহিছোঁ। সিহঁতে মাৰে-কাটে, যাকে-তাকে উৎপাত কৰে, অত্যাচাৰ কৰে? দয়া-মমতা সিহঁতৰ অকণো নাই। হাতত বন্দুক থাকিলে নো কাৰবাৰ দয়া-মমতা থাকেনে? গতিকে সিহঁতলৈ ভয় কৰা স্বাভাৱিক।

আগেয়ে যুদ্ধৰ সৈন্যৰ কথা মাথোন সাধুকথা শুনাৰ দৰে শুনিছিলোঁ আৰু কেতিয়াবা দুই-এখন কিতাপত পঢ়িছিলোঁ; কিন্তু এতিয়া যে যেনি-তেনি ওলাওঁতে-সোমাওঁতে কেৱল মিলিটাৰি, কেৱল গোৰা চিপাহী। কিন্তু আমাৰ ঘৰ-বাৰীৰ ইমান ওচৰে-পাঁজৰে থাকে বুলিও, সিহঁতৰ লগত আমাৰ সংশ্ৰৱ নাই— আমিও বেলেগ, সিহঁতো বেলেগ; সিহঁত যুদ্ধ কৰা চিপাহী। কেতিয়াবা কোনোবাটোৱে আহি সময়ত দুই-এটা কথা পাতে। বুজি পালে উত্তৰ দিওঁ, নাপালে মিচিকাই হাঁহি অপ্ৰস্তুত হৈ সিহঁতৰ মুখৰ ফালে চাই থাকোঁ। সিমানৰে চিনাকি। চিপাহীৰ লগত মিতিৰালি কৰিবৰ সুযোগ নাছিল, সাহসো নাছিল। যিমান সোনকালে সিহঁত আমাৰ ঠাইৰ পৰা যায় সিমানে মঙ্গল।



মই, বাইটি, ভাগিন দুজনী আৰু ৰান্ধনি ল'ৰাটো। এমাহতকৈ বেছি হ'ল ভিনীহি দাঁতৰ অপাৰেশ্যন কৰাবৰ কাৰণে কলিকতালৈ গ'ল। বাইটি আৰু ভাগিন দুজনীৰ ৰখীয়া হৈ ময়ে আহি সিহঁতৰ ঘৰত আছোঁ। মাইকী মানুহ, এনেয়ে ভয়, তাতে গোটেইখনত মিলিটাৰিৰ গিজ্‌গিজনি। ঘৰলৈকে লৈ আহিব খুজিছিলোঁ; কিন্তু ঘৰ-বাৰী, বস্তু-বাহানি এৰি অহাটো বাইটিয়ে পছন্দ নকৰিলে। মিলিটাৰি থকা ঠাইত ঘৰ-বাৰী এৰি অহা মানে সেইবোৰ ধ্বংস হ'বলৈ এৰি দিয়া। এবাৰ মিলিটাৰিৰ হাতত এৰি আহি আকৌ ঘৰ-বাৰী ঘূৰাই পাবলৈ আশা কৰা বৃথা। গতিকে বাইটি নাহিল। অগত্যা ময়ো সিহঁতৰ ৰখীয়া হৈ সিহঁতৰ লগতে থাকিব পাৰিলোঁ। আছোঁ।

আলিটোৰ সিপাৰে আমাৰ ঘৰৰ পৰা এশ গজমান দূৰত মিলিটাৰিৰ এটা ডাঙৰ কেম্প। তাত কেতিয়াবা বহুত, কেতিয়াবা অলপ গোৰা সৈন্য থাকে। আমাৰ ঘৰৰ আগেদিয়ে আহে-যায়, কেতিয়াবা ভৰি মিলাই মাৰ্চ কৰে। কেতিয়াবা চিঞৰি চিঞৰি সিহঁতৰ পুৰণি কথাবোৰ ইটোৱে সিটোক কয়। আমি কাণ পাতি শুনো, ভয়ো লাগে, তথাপি সিহঁতক চাবৰ মন যায়, সিহঁতৰ লগত কথা পাতিবৰো মন যায়। কেতিয়াবা শুনো, অমুক ঠাইত আজি গোৰা এটাই এনে কৰিলেহু আকৌ সকলো ঔৎসুক্যক তল পেলাই ভয়ত বুকু ভৰি পৰে। এনেবোৰ মানুহ একেডোখৰ ঠাইতে বেছি দিন নাথাকে। গতিকে মানুহবোৰক চিনাৰ সুযোগ নহয়। আজি যাক চিনিম বুলি মনত লাগে, কাইলৈ, হয়তো কোনোদিন, তাক আৰু নেদেখোঁ।

লাহে লাহে অলপ সাহস বাঢ়িল। দেখিলোঁ, সিহঁতে লৈ ফুৰোৱা বন্দুকবোৰৰ নিচিনাই— জুই জ্বলিলেহে অপকাৰ কৰে, এনেয়ে একো নাই। বাইটিৰ আৰু ভাগিন দুজনীৰ কিন্তু ভয় অলপো কমা নাছিল। সিহঁতে নিতৌ মিলিটাৰিৰ বিষয়ে নতুন নতুন গল্প শুনে। সেইবোৰ শুনি শুনি মোৰো আকৌ ভয় লাগে।

পিছে অন্য বহুতক দেখি দেখি ভাগিন দুজনীক লৈ ময়ো অলপ চোতালৰ ডোখৰতে ফুৰিবলৈ ল'লোঁ। ফুৰা মানে, মই পদূলিমূৰত বৈ থাকোঁ, আৰু ভাগিন দুজনীয়ে ঘৰৰ আগৰ ঘাঁহনিডোখৰতে খেলে। খুপী ডাঙৰ, দহ-বাৰ বছৰীয়া, ৰূপী সাত বছৰীয়া, দুয়োজনী ধুনীয়া; ৰূপীতকৈ খুপী বেছি ধুনীয়া। সিহঁতক লগত লৈ ফুৰিলে মোৰো গৰ্ব হয়— ময়ে এই ধুনীয়া ছোৱালী দুজনীৰ মোমায়েক। বাইটিয়েও কেতিয়াবা খিৰিকীৰ পৰ্দাখন অলপকৈ আঁতৰাই সিহঁতৰ খেলা চাই থাকে। কেঁচা সেউজীয়া ঘাঁহনিত সিহঁতৰ মাখন যেন বগা কোমল হাত-ভৰিবোৰ আৰু সিহঁতৰ ক'লা কেঁকোৰা চুলিয়ে ঢকা পদুম যেন মুখ কিখন দেখি বাইটিয়েও হয়তো নিজকে ধন্য মানে।

খেলাৰ মাজে মাজে সিহঁতে একোবাৰ মিলিটাৰি কেম্পটোৰ ফালে চায়। একোবাৰ মই আছোঁ নে নাই চায়। তাৰ পিছত আকৌ খেলাত লাগে।

প্ৰথমতে মই কথাটো লক্ষ্য কৰা নাছিলোঁ। খুপীয়ে এদিন হঠাৎ খেলা এৰি থৈ আহি একেবাৰে মোৰ কাষ পালেহি আৰু মোৰ কাণৰ ওচৰলৈ মুখ আনি ফুচফুচাই ক'লে— “সেইটো চিপাহী মোমাইটি দেখিছা নে, আমালৈ কেনেকৈ চাই আছে?”

তাইৰ কথাত তাই দেখুওৱা ফালে চালোঁ। দেখিলোঁ, অলপ মলিয়ন কাপোৰ পিন্ধা এটা গোৰা চিপাহী। সিহঁতৰ কেম্পৰ আগৰ ঘাঁহনিডোখৰত কাঠ এডালৰ ওপৰত বহি একেথৰে ৰূপীহঁতে খেলা কৰাৰ ফালে চাই আছে। অকণো লৰচৰ নাই, একেথৰে খুপীহঁতে খেলি থকা আমাৰ চোতালডোখৰৰ ফালে চাই আছে।

“এনেই বহি আছে— একো নকৰে, যা খেলগৈ।” পেটত মোৰো ভয় লাগিলেও খুপীহঁতক সেইটো জানিবলৈ নিদিলোঁ। খুপীৰ কিন্তু অত্যন্ত ভয়। ভয়টো আৰু অলপ বাঢ়িলহে। তাই ক'লে,— “মোৰ ভয় লাগে, মই ইয়াত নেখেলোঁ।” প্ৰতিবাদৰ সুযোগ পাই যেন মোৰো অলপ সাহস বাঢ়িল। ক'লোঁ— “সি নো তহঁতলৈ ক'তা চাইছে? তাত বহি সি এৰোপ্লেনহে চাইছে। খেলগৈ যা।”

প্ৰকৃততে খুপীহঁতে খেলিবলৈ নগ'লেই মোৰ ভাল। কোনে জানে তাৰ মনত কি আছেহ্ন নহ'লে এনেকৈ বহি থাকি এইফালে চাই থাকিবলৈ তাৰ কি দৰকাৰ পৰিছেহ্ন

ৰাতি খুপীয়ে কথাটো বাইটিৰ আগত ক'লে। শুনি বাইটিৰ ভয় আৰু অলপ বাঢ়িল। সিহঁতক পিছদিনাৰ পৰা আগফালে চোতালত অকলে খেলিবলৈ মানা কৰিলে। মই কিন্তু বাইটিহঁতক নিৰ্ভয় দিবৰ মনেৰেই ক'লোঁ— “তহঁতে মিছাই ভয় কৰিছ, বাইটিহ্ন সিহঁতক যিমান বেয়া বুলি ভাবিছ সিহঁত সিমান বেয়া নহয়। আৰু সিহঁতো মানুহহে; ভয়-ভীত জানো নাই? কৰকচোন বাৰু কিবা গোলমাল, একে মাৰে ঠিক কৰিম।” যথেষ্ট বীৰত্ব দেখুৱাই ক'লোঁ।

মোৰ আশ্বাস সত্ত্বেও পিছদিনা কিন্তু খুপীহঁত খেলিবলৈ নোলাল। কথাটো ভিতৰি ভিতৰি ময়ো শলাগিলোঁ। এইটো অন্ততঃ জানো যে জ্বৰ জুখিবলৈ থাৰ্মোমিটাৰ কিনাতকৈ, তিতা যদিও, কুইনাইন কিনাই ভাল। আৰু গোৰাৰ লগত যুঁজিবৰ শক্তি যে মোৰ নাই, বাইটিহঁতেও বুজে।

খুপীহঁত পিছদিনা খেলিবলৈ নোলাল। মোৰ কিন্তু গোৰাটোক লৈ যথেষ্ট কৌতূহল হ'ল। পিছদিনা ঘৰৰ ভিতৰৰ পৰাই খিৰিকীৰ পৰ্দা আঁতৰাই সিহঁতৰ কেম্পটোৰ ফালে চালোঁ। সিদিনাও সেই গোৰাটো আহি কাঠডালৰ ওপৰত বহি আছে। তাৰ চকু দুটা আমাৰ চোতালৰ ওপৰত। মই ভালকৈ চালোঁ। দীঘলীয়া মুখখনেৰে প্ৰায় চল্লিশ



বছৰীয়ামান মানুহটো। বগা মুখখন ৰ'দে-বতাহে ঘূৰিয়ে হয়তো ডেই যোৱা যেন হৈছে। একেথৰে চাই থকা তাৰ চকুযুৰিত যেন কিবা এটি বেজাৰৰ ছাঁ পৰিছে। মিলিটাৰী সাজতে থাকিলেও তাৰ গাটো যেন কিবা দুৰ্বলতাত অৱশ। বহুত পৰ তাৰ ফালে চাই থাকিলোঁ, সিও অপলক চকুৰে একেথৰে খুপীহঁতে ওমলা ঘাঁহনিডোখৰৰ ফালে চাই থাকিল।

খুপীহঁত কিন্তু আজি খেলিবলৈ ওলোৱা নাই। গধূলি ফুৰি আহি দেখোঁ তেতিয়াও সি একেদৰে বহি আছে— চোতালৰ সেই কাঠডালৰ ওপৰত। এবাৰ তালৈ চাই ভিতৰ সোমাই আহিলোঁ।

চাৰি দিনমান খুপীহঁত আৰু আগফালে ওমলিবলৈ নোলাল। ইতিমধ্যে আমিও গোৰাটোৰ কথা মনত পেলোৱাৰ কোনো সুযোগ হোৱা নাছিল। এদিন হঠাৎ মনত পৰিলত সি সদায় বহা কাঠডালৰ ফালে চালোঁ ঃ দেখিলোঁ সি তাত নাই। ভালকৈ চাই অনুমান কৰিলোঁ তাত আন মিলিটাৰিবোৰো নাই। সিহঁতে হয়তো কেম্প সলাইছে। অলপ স্বস্তি বোধ কৰিলোঁ। কিন্তু এবাৰ সেই গোৰাটোৰ কথা মনলৈ আহিল— সি বা এতিয়া ক'লৈ গ'ল?

বাইটিক ক'লোঁ। গোৰাবোৰ, বিশেষকৈ সেই গোৰাটো যোৱা শুনি বাইটিয়ে আনন্দ পালে। পিছদিনা খুপীহঁতে অলপ বেছি মুকলিভাৱে খেলিবলৈ ধৰিলে। আকৌ আগৰ গোৰাটোৰ কথা মনলৈ আহিল— সি বা এতিয়া ক'লৈ গ'ল?

তিনি দিনৰ মূৰত সেই কেম্পৰ মিলিটাৰিৰ দলটো আকৌ তালৈ ঘূৰি আহিল। আমাৰ ঘৰৰ আগেদিয়ে শাৰী শাৰী হৈ সিহঁত যেতিয়া কেম্পত সোমায়হি, খুপীহঁতে তেতিয়া খেলি আছিল। সিহঁতক দেখি ভয় কৰা কথাটো পাহৰি, চকুত বিস্ময় লৈ সিহঁতে সিহঁতৰ ফালে চাই থাকিল।

সিহঁতৰ আটাইখিনি যেতিয়া আমাৰ ঘৰৰ আগ পাৰ হৈ সিহঁতৰ কেম্পত সোমালগৈ, তেতিয়া যথেষ্ট সাহসেৰে খুপীহঁত খেলাত লাগিল। সিহঁতে এবাৰ ঘূৰি চালে। ময়ো বাৰাণ্ডাতে বহি আছোঁ দেখি সিহঁতৰ ভয় আৰু ভাগিল। এটা কথা কিন্তু মই মন কৰিছিলোঁ— সেই চিনাকি গোৰাটো অহা নাই। এইটো দলৰ লগতে সি থাকে; কিন্তু আজি ইহঁতৰ লগত সি অহা নাই।

বাইটিয়ে ভিতৰলৈ মাতিলে। কথা শেষ কৰি আকৌ ওলাই আহিলোঁ; কিন্তু বাৰাণ্ডা নাপালোঁগৈয়ে। দুৱাৰৰ পৰ্দাখন দাঙিয়ে যি দেখিলোঁ, তাতে স্তম্ভিত নহৈ নোৱাৰিলোঁ। নিঃশঙ্ক নিৰ্ভয় মনেৰে খুপী আৰু ৰূপী দুয়োজনীয়ে একান্ত মনে খেলি আছে। সিহঁতৰ পিঠিৰ কাষতে কম্পাউণ্ডৰ বেৰাখনত ধৰি সেই চিনাকি গোৰাটোৱে অপলক চকুৰে

একেথৰে সিহঁতৰ ফালে চাই আছে। খুপীহঁতৰ গাত আবেলিৰ বেলিটোক ঢাকি ধৰা সেই গোৰাটোৰ গাৰ ছাঁ পৰিছে। সিহঁতে ক'বই নোৱাৰে। গোৰা সৈনিকটোৰ মুখত দেখিলোঁ এটা তৃপ্তিৰ আনন্দ। তাৰ গোটেই মুখখন আনন্দত উজ্জ্বল হৈ উঠিছে। একেথৰে চকু দুটা খুপীহঁতৰ ওপৰত ৰাখি সি তন্ময় হৈ চাই আছে।

এবাৰ ৰূপীৰ হাতৰ খেলি থকা গুটিটো অলপ আঁতৰলৈ উফৰি গ'ল। গুটিটো আনিবলৈ উঠি যেতিয়া তাই গোৰাটোক মুখৰ আগত থিয় হৈ থকা দেখিলে, তাই "আই ঔ" বুলি চিঞৰি উঠিল, লগতে খুপীয়েও খেলাৰ গুটি এৰি "আই ঐ" বুলি একে জাঁপে ৰূপীক সাবটি ধৰিলে। হঠাৎ স্বপ্ন ভগাৰ দৰে ব্যস্ত আৰু অপ্ৰস্তুত হৈ গোৰাটোৱে তাৰ ডিঙিৰ পৰা আধা ওলোৱা মাতটো সবল কৰি হাঁহিবৰ যত্ন কৰি হাত মেলি চিঞৰিলে "বেবি, বেবি, হিয়েৰ্‌ছ লজেঞ্চ্ ফৰ ইউ— ৰণ্ট ৰাণ—"

খুপীহঁত কিন্তু একে লৰে কঁপি কঁপি ভিতৰ সোমালহি আৰু মোৰ গাত সাবট মাৰি ধৰি দুয়ো, তাৰ ফালে ঘূৰি চালে। অপৰাধীৰ দৰে হাত মেলি সি আমাৰ কম্পাউণ্ডৰ জপনাখন মেলি চোতাললৈ সোমাই আহিল। ইতিমধ্যে বাইটিয়েও ভিতৰৰ পৰা আহি বেৰৰ সিপাৰৰ পৰাই আমাৰ লগত যোগ দিলে।

"লজেঞ্চ্, লজেঞ্চ্" সি হাতখন মেলি কাগজত বান্ধি অনা লজেঞ্চখিনি আগবঢ়াই দিলে। খুপীহঁতে কিন্তু কুঁচি-মুচি মোৰ পাছফালে লুকাবহে খুজিলে। কলেজত থাকোঁতে শিকা 'মেনাৰ্ছ', 'হস্পিটেলিটি' আদি কথালৈ মোৰ মনত পৰিল।

তাক এটা আবেলিৰ অভিবাদন জনালোঁ। হাঁহি সিও প্ৰত্যাভিবাদন কৰিলে। ড্ৰয়িং ৰুমৰ ভিতৰলৈ মাতি আনি তাক ছোফা এখনত বহিবলৈ দিলোঁ। ইতস্ততঃ নকৰাকৈ সিও বহিল।

মোৰ ভয় অলপ আঁতৰিল। অলপ পৰ একো নমতা-নোবোলাকৈ দুয়ো বহি থাকিলোঁ। মোৰ বাউসিত ধৰি পাছফালৰ পৰা খুপী আৰু ৰূপী দুয়োজনীয়ে ভয়ে ভয়ে তাৰ মুখৰ ফালে চাই থাকিল। বাইটি পৰ্দাৰ সিপাৰলৈ আঁতৰি গ'ল।

আধা-ওলোৱা আধা-নোলোৱা মাতেৰে গোৰাটোৱে ইংৰাজীতে ক'লে— "মোৰ পিয়াহ লাগিছে; অনুগ্ৰহ কৰি যদি অলপ পানী অনালেহেঁতেনহু আজি তেইশ মাইল খোজ কাঢ়িছোঁ।" তাৰ চকুৰে-মুখে যথেষ্ট ক্লান্তিৰ চিন। বাইটি ভিতৰলৈ যোৱাৰ গম পালোঁ।

সি হাঁহিলে, একেবাৰে সৰল, ধুনীয়া হাঁহি। হাতৰ মুঠিৰ লজেঞ্চখিনি আগবঢ়াই দি আকৌ খুপীহঁতক মাতিলে— "আহা, এয়া লজেঞ্চ্, নিয়াহি।" খুপীহঁতে কিন্তু বুজি নাপাই কেৱল তাৰ মুখৰ ফালে চাই থাকিল, এখোজো নলৰিল। তেতিয়া বোধকৰোঁ



সিহঁতে আৰু ভয় কৰা নাছিল— মাত্ৰ আচৰিত হৈছিল। মই ইতিমধ্যে যথেষ্ট সাহস সংগ্ৰহ কৰিছিলোঁ। দুয়োজনীকে ঠেলি আগবঢ়াই দিলোঁ— "যা, দিছে আনগৈ।" মোৰ কথাত বাধা দিব নোৱাৰিয়ে কিজানি দুয়োজনী চুচুক-চামাক কৰি গোৰাটোৰ ওচৰলৈ গ'ল। সি হাত মেলি দুয়োজনীকে কোলালৈ টানি ল'লে। তাৰ মুখখন যেন আনন্দত ৰঙা হৈ উঠিল। চৰ্বত গিলাচ আনি দিলোঁ।

সিহঁত দুজনীৰ মাজত লজেঞ্চখিনি মেলি ধৰি থাকি, তাৰ পিয়াহ লগা কথাটো তেনেই পাহৰি গ'ল। সি লজেঞ্চখিনি হাতত ধৰি আছে, খুপীহঁতে কিন্তু হাত নেমেলে। দুয়োজনীৰ মুখত সি দুটা লজেঞ্চ্ সুমুৱাই দিলে। ভয়, বিস্ময় আৰু বুজি নোপোৱা কিবা এটাৰ মাজেদি খুপীহঁতে লজেঞ্চকিটা চুহিব ধৰিলে। সি সিহঁতৰ মুখলৈ চালে। তাৰ মুখখনত যেন ক'ৰবাৰ ৰণ জিকি অহাৰ আনন্দ-গৌৰৱ।

মই চৰ্বতৰ কথা মনত পেলাই দিলোঁ। বৰ আপ্যায়িত হৈ আৰু বহুত ধন্যবাদ দি সি টিপয়খনৰ পৰা চৰ্বত গিলাচ তুলি ল'লে। সেই ছেগতে খুপীহঁত তাৰ কোলাৰ পৰা নামি আহিব খুজিছিল; কিন্তু সি এৰি নিদি বহুৱাই লৈ থাকিল।

তেতিয়া গধূলি হৈ আহিছে। চাৰে ছবজাত লণ্ডনৰ বাতৰি আছে। মই ৰেডিঅ'টোত লণ্ডন ধৰাই দিলোঁ। আৰম্ভণী ঐক্যতানটো শুনি সি উল্লসিত হৈ উঠিল। "ইট্ ইজ্ লণ্ডনহু ইজ্ ইট্?" সি চিঞৰিলে; মই মূৰ দুপিয়ালোঁ। তাৰ কোলাত বহি থকা ৰূপী আৰু খুপী দুয়োজনীৰ মূৰৰ চুলিবোৰৰ মাজত আঙুলি বুলাই সি একাণপতীয়াকৈ ৰেডিঅ' শুনাত লাগিল। চেষ্টা সত্ত্বেও খুপীহঁত তাৰ কোলাৰ পৰা এৰাই আহিব নোৱাৰিলে। দহ মিনিটৰ বাতৰি শেষ হ'ল। তাৰ মুখত দেখিলোঁ এটা অকাৰণ বিমৰ্ষতা।

অলপ ৰৈ সি সুধিলে— "লণ্ডনৰ পৰা আৰু একো নাহে?"

"আহে, গান-বাজনা আৰু কিবা-কিবি আহে?"

"যুদ্ধৰ বাহিৰে অন্য মানুহৰ খবৰ নাহে?"

"অন্য মানুহৰ খবৰ?" মই তাৰ চকুলৈ চালোঁ। সি আকৌ মনে মনে থাকিল।

সি ৰেডিঅ'টোৰ পৰা মুখ ঘূৰালে আৰু বৰ আথেবেথে খুপীহঁতক মৰম কৰিব ধৰিলে। ইংৰাজীতে সি খুপীহঁতক সুধিলে— "তোমাৰ নাম কি— তোমাৰ নাম?"

খুপীহঁতে ইংৰাজী নুবুজে। দুয়ো মোৰ মুখৰ ফালে চালে। মই চিনাকি কৰি দিলোঁ— "এওঁ খুপী, এওঁ ৰূপী।"

"অ' টুপী এণ্ড ৰূপী?" আনন্দেৰে সি খুপীহঁতৰ পিঠিত থপৰিয়াব ধৰিলে। খুপীক

টুপী বোলা শুনি দুয়োজনীয়ে খিলখিলাই হাঁহি উঠিল। সিহঁতৰ হাঁহিত সিও যোগ দিলে।

কিছু পৰ নিস্তব্ধতাৰ পিছত সি লাহে লাহে ক'লে, মোৰো দুজনী— মোৰো দুজনী ছোৱালী আছে, আছে নে নাই ক'ব নোৱাৰোঁ— আছিল; ইভ্‌লিনা আৰু ডেইজি। ইভ্‌লিনা এই ইমানজনী, ঠিক ইমানজনী— এই টুপীৰ সমান; ইমান সৰু, ইমান ধুনীয়া, ইমান ছুইট; আৰু ডেইজি সৰু— ইমান সৰু, এই ৰূপীৰ সমান সৰু। তায়ো খুব ধুনীয়া, তায়ো ইমান ধুনীয়াহ্লু" তাৰ মাতটো যেন মৰমত গলি গৈছিল। সি যেন মৰমত কথা ক'ব নোৱৰা হৈ গৈছিল।

অলপ পৰ মানুহটো মনে মনে থাকিল। তাৰ চকুৰ আগত যেন দূৰণিত এৰি অহা ছবি এটা ভাহি উঠিল—

"সিবাৰ মহাসমৰৰ পিছত মোৰ,— আমাৰ বিয়া হৈছিল। ভাবিছিলোঁ, বয়স হৈছে যেতিয়া মোক যুদ্ধলৈ নেটানে; কিন্তু নেৰিলে। এতিয়া ঘৰত আছে মাক; ইভ্‌লিনা আৰু ডেইজি। সিহঁত চাগৈ কেনেকৈ আছেহ্লু"

মই একো মাতিব নোৱাৰিলোঁ। সিও কিছু পৰ নিশ্চল হৈ বহি থাকিল। আকৌ হঠাৎ খুপীহঁতক মৰমেৰে সাবটি ধৰি সি ক'লে— "ফিনিছ অল দিজ, মাই ছুইটিজহ্লু" তেতিয়াও তাৰ হাতত দুটামান লজেঞ্চ্‌ আছিল। এইবাৰ কিন্তু মোৰ বিনা ইঙ্গিততে ৰূপীহঁতে তাৰ হাতৰ পৰা লজেঞ্চ্‌ লৈ খাব ধৰিলে।

স্বপ্নাবিষ্টৰ দৰে আকৌ শান্ত আৰু উদাৰভাৱে গোৰাটোৱে কৈ গ'ল— আমাৰ সৰু ঘৰটোৰ আগতো এনেকুৱা এডোখৰ সৰু ঘাঁহনি আছে। সাগৰৰ ফালৰ পৰা যেতিয়া বতাহ মাৰে, তেতিয়া যে এনে ভাল লাগেহ্লু আমি পিৰালিতে বহি থাকোঁ। ইভ্‌লিনা আৰু ডেইজি দুয়োজনীয়ে খেলে— গধূলিলৈকে খেলে।" তাৰ মাতটো যেন এটা কৰুণতাত কাতৰ।

লাহে লাহে আকৌ সি কৈ যায়— "যলৈকে যাওঁ, সিহঁত মোৰ চকুৰ আগৰ পৰা নাতৰে। মালয়লৈ গ'লোঁ, ছিঙ্গাপুৰলৈ গ'লোঁ, ৰেঙ্গুনতো যুদ্ধ কৰিলোঁ, এতিয়া আপোনালোকৰ দেশ পালোঁহি; কিন্তু যিমানেই আঁতৰে আঁতৰে ঘূৰি ফুৰিছোঁ, সিমানেই মোৰ প্ৰাণটোৱে সিহঁতক বেছিকৈ বিচাৰিছে।" সি হাঁহিলে; হাঁহিটো যে ইমান কৰুণহ্লু

একো নুবুজা সত্ত্বেও খুপীহঁতে যেন তাৰ বুকুৰ কথাযাৰৰ গম পালে। কোলাত বহি সিহঁতে তাৰ মুখৰ ফালে চাই থাকিল।



"এই ৰূপীহঁতে সিদিনা খেলা কৰি থকা দেখি মোৰ ডেইজিহঁতৰ কথা মনত পৰিল। সিহঁতেও এনেকৈ হাঁহে; এনেকৈ ভয় কৰে, এনেকৈ ওমলে। এনেকৈয়ে সিহঁতো মোৰ কোলাত বহি থাকে। ক'ৰবাৰ পৰা উভতি আহিলে 'ডেডি' 'ডেডি' বুলি দৌৰি আহি সাবটি ধৰে। য'তেই এনেকুৱা ছোৱালী দেখোঁ, ত'তেই মোৰ বুকুৰ কান্দোন আৰম্ভ হয়।"

কিছু সময় মনে মনে থাকি পুনৰ সি কৈ উঠিল— "কিন্তু কোনোৱে মোক 'ডেডি' নোবোলে— কোনোৱে নোবোলে। এনেকৈ বহুত অচিনাকি শিশুক, এনেদৰে ঘূৰি ফুৰোঁতে, বহু ঠাইত বকুৰ মাজত সাবটি লৈছোঁ, সিহঁতকে মোৰ ইভ্‌লিনা আৰু ডেইজি বুলি ভাবিবলৈ চেষ্টা কৰিছোঁ; কিন্তু কোনোৱে মোক 'ডেডি' নোবোলে, কোনোৱে মোক 'ডেডি' বুলি মৰম নকৰে।"

মই কি ক'ম বিচাৰি নাপালোঁ। বন্দুক-সঙ্গীনৰ হেঁচাত, খাকী কাপোৰৰ তলত লুকাই থকা তাৰ সন্তান-বৎসল পিতৃ-হৃদয়ৰ সনাতন স্নেহ-ফল্গুৰ একণি সৌৰভে অনভিজ্ঞ মোৰ অন্তৰখনো যেন সিক্ত কৰি তুলিলে।

আৰু আঠদিন সিহঁতৰ দলটো সেই কেম্পত আছিল। প্ৰত্যেক দিনেই সেই গোৰাটোৱে এমুঠি লজেঞ্চ্‌ লৈ খুপীহঁতক দিয়েহি। তাৰ পিছত ঘাঁহনিতে বহি সিহঁতৰ খেলা চাই থাকে। চাই থাকে সিহঁতৰ সৰু সৰু আঙুলিবোৰ— সিহঁতৰ মিহি চুলিবোৰ, সিহঁতৰ ধুনীয়া ধুনীয়া মুখকেইখন। গধূলি যেতিয়া বহি ৰেডিঅ' শুনে, তেতিয়া যুদ্ধৰ বাতৰিৰ বাহিৰে আৰু অইন বাতৰি আহে নে নাহে নিতৌ সোধে।

ড্ৰয়িং ৰুমত বহি আছোঁ। তাৰ কোলাত খুপী আৰু ৰূপী। তাৰ চকুযোৰ বগা চূণসনা বেৰখনত নিবদ্ধ। বহুত কিবা-কিবি ভবাৰ পিছত সি ক'লে— "যুদ্ধখন বাৰু কেতিয়া শেষ হ'ব? ইভ্‌লিনাহঁতৰ এখন চিঠিৰ কাৰণে চাৰি মাহ পাঁচ মাহ বাট চাব লাগে। বাট চাই চাই মন ব্যাকুল হৈ উঠে। কেতিয়াবা বন্দুক-বাৰুদ সকলো পেলাই পলাই গৈ ঘৰ ওলাবৰ মন যায়।... মই উভতি গৈ ঘৰ ওলাওঁ মানে ইভ্‌লিনাহঁত কিজানি বৰ একোজনী হৈ পৰিব চাগৈহ্লু... কিমান একোজনী হ'ব বাৰু?"

বৰ মৰমেৰে সি খুপীহঁতক বুকুত চেপি ধৰি বহুত পৰ মৰম কৰিলে, তাৰ পিছত গ'লগৈ।

চিৰদিনৰ কাৰণে সিহঁতৰ দলটোৱে যিদিনা আমাৰ ঘৰৰ ওচৰৰ সেই কেম্পটো

এৰি গ'ল, সেইদিনা মই নাছিলোঁ। আবেলি যেতিয়া উভতি আহোঁ, দেখোঁ খুপী আৰু ৰূপী কোনো এজনীয়েও আজি খেলা নাই। সিহঁতৰ চকুবোৰ ঢুলঢুলীয়া। কি হ'ল সুধিলোঁ। ক'লে— "গোৰাটো আজি গ'লগৈ।"

কি ডাঙৰ কথাটো হ'ল, যোৰা মানুহ যাবই। তহঁতক কোলাত লৈ বহি থাকিলে জানো তাৰ যুদ্ধ কৰা হ'ব?

সিহঁতক ভিতৰলৈ লৈ আহিলোঁ। ৰেডিঅ'টোত গান এটা লগাই দিলোঁ। ৰূপী আৰু খুপীৰ মুখত আজি হাঁহি নাই; বিমৰ্ষ হৈ সিহঁত বহি থাকিল।

বাইটিয়ে ভিতৰৰ পৰা ছবি এখন লৈ আহিল।

"কি বাইটি?"

"গোৰাটোৱে খুপীহঁতক দি গৈছে।"

ছবিখন চালোঁ। গোৰাটোৰ ছবি। ঘাঁহনিত বহি গোৰাটো— কোলাত তাৰ দুজনী সৰু ছোৱালী, এজনী দহ বছৰীয়ামান, ইজনী অলপ সৰু। মূৰত সিহঁতৰ সোণ-বৰণীয়া চুলি, মুখত ধুনীয়া হাঁহি।

লেমৰ পোহৰলৈ নি ছবিখন ভালকৈ চালোঁ গোৰাটোৰ কোলাত হয়তো সেয়া ইভ্‌লিনা আৰু ডেইজি।

"যীশুখৃষ্টৰ ছবি নেকি?" বাইটিয়ে সুধিলে।

যীশুখৃষ্টৰ ছবি নহয়, যীশুখৃষ্টৰ ফটো।" মই ক'লোঁ।

সেইদিনা ভালেমান ৰাতিহে টোপনি আহিল। শুবৰ সময়ত এযাৰ কথা বাৰে বাৰে মোৰ মনত পৰিছিল— "মই উভতি গৈ ঘৰ ওলাওঁ মানে ইভ্‌লিনাহঁত বৰ একোজনী হৈ পৰিব চাগৈহ্ন"...

সেই গোৰাটো বাৰু কোনদিনা ঘূৰি গৈ তাৰ ঘৰ ওলাবগৈ...?

**চৈয়দ আব্দুল মালিক ঃ** ১৯১৯ চনত গোলাঘাট জিলাৰ দেৰগাঁৱৰ ওচৰৰ নাহৰণিত চৈয়দ আব্দুল মালিকৰ জন্ম হয়। ১৯৩৭ চনত ফাৰ্চী বিষয়ত লেটাৰসহ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ উচ্চ শিক্ষা লাভাৰ্থে কটন কলেজত ভৰ্তি হয়। ১৯৪১ চনত তেওঁ ইংৰাজীত অনাৰ্ছসহ বি এ পৰীক্ষা পাছ কৰে। ১৯৫১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত এম এ ডিগ্ৰী লাভ কৰে। গোলাঘাটত স্কুলৰ শিক্ষকতাৰে কৰ্ম জীৱনৰ পাতনি মেলা মালিকে পিছলৈ যোৰহাটৰ জগন্নাথ বৰুৱা কলেজৰ অসমীয়া বিভাগত অধ্যাপক পদত নিযুক্ত হয় আৰু সেই বিভাগৰে মুৰব্বী অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰে।



মালিক ভাৰত চৰকাৰৰ 'পদ্মশ্ৰী', 'পদ্মভূষণ' উপাধি আৰু অসম চৰকাৰৰ শঙ্কৰদেৱ বঁটাৰে সন্মানিত হয়। ইয়াৰ বাহিৰেও ভালেমান বঁটা আৰু সন্মান তেওঁ লাভ কৰিছে। ১৯৭৭ চনত মালিকে অসম সাহিত্য সভাৰ চতুশ্চত্বাৰিংশ অভয়াপুৰী অধিৱেশনত সভাপতিৰ পদ অলংকৃত কৰে। মালিক ৰাজ্যসভাৰ সদস্যও আছিল।

মালিক একাধাৰে কবি, ঔপন্যাসিক, গল্পকাৰ, গীতিকাৰ, নাট্যকাৰ, অনুবাদক, প্ৰবন্ধকাৰ। তেওঁৰ প্ৰকাশিত উপন্যাসৰ সংখ্যা তিনিকুৰিৰ অধিক। 'সূৰুযমুখীৰ স্বপ্ন' আৰু 'ধন্য নৰ তনু ভাল' তেওঁৰ উল্লেখযোগ্য উপন্যাস। 'অঘৰী আত্মাৰ কাহিনী' উপন্যাসৰ বাবে ১৯৭৪ চনত তেওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰে। তেওঁৰ প্ৰকাশিত চুটিগল্প সংকলন একুৰিৰো অধিক। 'পৰশমণি' তেওঁৰ প্ৰথম প্ৰকাশিত চুটিগল্প সংকলন। মালিকৰ গল্পৰ বিশেষত্ব হ'ল অৱহেলিত আৰু পীড়িত সমাজৰ প্ৰতি সহানুভূতি, সংস্কাৰমুক্ত অভিব্যক্তি, বিষয়বস্তুৰ বৈচিত্ৰ্য আৰু প্ৰকাশভংগীৰ আকৰ্ষণীয়তা।

২০০০ চনত চৈয়দ আব্দুল মালিকৰ দেহাৱসান ঘটে।

## প্ৰশ্নাৱলী ঃ

১। মিলিটাৰি সম্পৰ্কে কেনেধৰণৰ ধাৰণা গল্পটোত প্ৰকাশ পাইছে লিখা।

২। 'যীশুখৃষ্টৰ ছবি নহয়, যীশুখৃষ্টৰ ফটো'— কথাযাৰৰ আঁত ধৰি গল্পটোৰ মূল কথাখিনি লিখা।

৩। যীশুখৃষ্টৰ ছবি গল্পটোত গোৰা চিপাহীজনৰ পিতৃ হৃদয়ৰ স্বৰূপ কেনেদৰে প্ৰকাশিত হৈছে আলোচনা কৰা।

# ভ্ৰষ্টলগ্ন

নিৰুপমা বৰগোহাঞি

### এক

শাহুৰেকৰ মৃত্যুৰ লগে লগে এইখন ঘৰৰ পুৰণি দিনৰ মানুহ দুজনৰ শেষজনৰো চিন হেৰাই গ'ল,— অন্ততঃ মঞ্জুলাৰ কাৰণে মঞ্জুলাৰ জীৱনত তেওঁৰ আৰু একো চিন থাকিব নোৱাৰে।

শহুৰেক দুবছৰৰ আগতেই ঢুকাইছিল। এতিয়া এই দুবছৰৰ পিছত শাহুৰেকো স্বৰ্গী হ'ল।

ঘৰখন বিয়া দি উলিয়াই দিয়া জীয়েক তিনিজনী আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীৰে ভৰি পৰিছে। আৰু ভৰি পৰিব যেতিয়া মঞ্জুলাৰ দেওৰেক প্ৰদীপ তেওঁৰ পৰিয়াল লৈ আহি পাবহি। প্ৰদীপ থাকে সুদূৰ কাশ্মীৰত; তাৰ পৰা আহি পাওঁতে পলম হৈছে। মাকৰ মৃত্যুৰ সময়ত লগ নাপালে, পাবৰ কোনো উপায় নাছিল, কাৰণ মাত্ৰ এসপ্তাহৰ জ্বৰতে মাকৰ মৃত্যু হ'ল। সেই জ্বৰৰ খবৰ শুনি ইমান দূৰৰ পৰা গুচি অহাটো সম্ভৱ নাছিল।

প্ৰদীপৰ দুটা ল'ৰা-ছোৱালী। ঘৰখনত আৰু চাৰিটা প্ৰাণী বাঢ়িব। আগতেও কম ভৰা ঘৰ নাছিল। শাহুৰেক, শহুৰেক, মঞ্জুলাৰ গিৰীয়েক ত্ৰিদিব, সিহঁতৰ চাৰিটা ল'ৰা-ছোৱালী, ত্ৰিদিবৰ বিধৱা ভনীয়েক পুতলী আৰু তাইৰ তিনিটা ল'ৰা-ছোৱালী (বিধৱা হোৱাৰ পিছত পুতলীয়ে শহুৰেকৰ ঘৰৰ বেয়া অৱস্থাৰ কাৰণে মাকৰ ঘৰতে আহি নিগাজীকৈ বসতি কৰিছেহি) আৰু কাম কৰা ল'ৰা অবোধ।

শাহুৰেক ঢুকুৱাৰ দিনা এই আটাইবোৰ মানুহৰ কান্দোনত ঘৰখনত কোৰ্হাল লাগি গৈছিল। যদিও শাহুৰেক উপযুক্ত বয়সতে ঢুকাল, (তেওঁৰ বয়স আশীৰ ওচৰা-উচৰি হৈ গৈছিল), তথাপি সেই সান্ত্বনাই কাৰোতো শোক নোহোৱা কৰিব নোৱাৰে। চিঞৰি চিঞৰি কান্দিলে জীয়েকহঁতে। মঞ্জুলায়ো কান্দিলে, বেজাৰত তাইৰো যেন হিয়া ভাগি গৈছিল। এইখন ঘৰলৈ বিয়া হৈ অহাৰ আজি বিশ বছৰৰো ওপৰ হ'ল, এই বিশ বছৰে তাই শাহুৰেকৰ লগতে জীৱনটো কটাই আহিছে বুলিব পাৰি। স্বামী ত্ৰিদিব স্থানীয় কলেজ এখনৰ অধ্যাপক, গতিকে



প্ৰদীপৰ দৰে তেওঁৰ দূৰলৈ গৈ চাকৰি কৰাৰ কোনো প্ৰশ্নই নুঠে। ইয়াতেই, এই ঘৰখনতে চিৰকাল আছে তেওঁ। মঞ্জুলাকো বিয়া কৰাই আনি এই ঘাই ঘৰখনতে বিশ বছৰ ৰাখিছে। কেতিয়াবা বছৰৰ মূৰত, কেতিয়াবা দুবছৰৰ মূৰত মাকৰ ঘৰলৈ যোৱাৰ বাহিৰে মঞ্জুলায়ো এই ঘৰখন এৰি আজি বিশ বছৰে ক'লৈকো যোৱা নাই, যাবলৈ পোৱা নাই। শাহুৰেকৰ লগতেই ঘৰ ধৰি আছে; শাহুৰেকৰ চকুৰ আগতেই তাই ষোড়শী গাভৰুৰ পৰা পৰিণত বয়সৰ বোৱাৰী এজনী হ'ল, এটা-দুটাকৈ চাৰিটা ল'ৰা-ছোৱালীৰ মাক হ'ল, শাহুৰেকৰ চকুৰ আগতেই তাইৰ কিশোৰী চঞ্চলতা আৰু মধুৰতা আঁতৰি গৈ সংসাৰৰ পকা গৃহিণীৰ গাম্ভীৰ্য আৰু কঠোৰতা আহি পৰিল। সেই একেদৰে শাহুৰেকো তাইৰ চকুৰ আগত দিনে দিনে পৰি আহিল, বাৰ্ধক্যই গ্ৰাস কৰি আনিলে; লাহে লাহে তেওঁৰ চুলি পকি আহিল আৰু পাতল হ'ব ধৰিলে, দাঁত সৰিব ধৰিলে, গাৰ ছাল ক্ৰমে শোটোৰা-শোটোৰ হ'ল, উদ্ধত ঋজু শৰীৰ হাউলি আহিল। আৰু আজি প্ৰায় আশী বছৰৰ ওচৰত সেই শাহুৰেকৰ মৃত্যু হ'ল।

যোৱা বিশ বছৰৰ অস্পষ্ট অতীতৰ পৰা স্পষ্ট সিদিনালৈকে জীয়াই থকা সেই মানুহজনী সঁচাকৈয়ে এই ঘৰখনৰ পৰা চিৰদিনৰ কাৰণে হেৰাই গ'লহু মঞ্জুলাৰ দুগালেদি চকুলো বাগৰি আহে, অথচ— অথচ সেই শোকৰ মাজতো নিজৰ অন্তৰৰ অন্তঃস্থলীৰ এক চকিত দৰ্শনত মঞ্জুলা অলপ শিয়ঁৰি উঠে। অন্তৰৰ অতি গুপুত কোণত সেইবোৰ কি কথা লুকাই আছে?

বিশ বছৰৰ আগৰ কথা। বিশ বছৰীয়া এজনী গাভৰু ছোৱালী মঞ্জুলা। বি এ-টো পাছ নকৰোঁতেই মাক-দেউতাকে বিয়া দি দিলে। সদায় মাক-বাপেকৰ বাধ্য, শান্ত-শিষ্ট ছোৱালীজনীয়ে যদিও কোনো আপত্তি নকৰিলে, সৰু ভনীয়েক মৃদুলাৰ আগত হ'লে তাই লাহে লাহে কৈছিল— 'মোৰ আগেয়ে বি এ-টো পাছ কৰাৰহে ইচ্ছা আছিল।'

মৃদুলাই গৈ কথাষাৰ মাক-বাপেকৰ কাণ ছোৱাইছিলগৈ, কিন্তু তেওঁলোকে উত্তৰ দিছিল— 'পিছতো তাই বি এ পাছ কৰিব পাৰিব, পঢ়াৰ সময় কেতিয়াও হেৰাই নাযায়। কিন্তু এবাৰ হেৰালে এনে ল'ৰা, এনে ঘৰ আমি যে পুনৰায় পাম তাৰ কি নিশ্চয়তা আছে?'

সঁচাকৈয়ে ভাল ল'ৰা, ভাল ঘৰ। মঞ্জুলাই কেতিয়াও নহয় বুলি নকয়। চহৰৰ

ভিতৰতে এঘৰ আঢ্যৱন্ত মানুহ; খোৱা-পিন্ধাৰতো আকাল নায়েই, আৰু দহজনক খুৱাব-পিন্ধাব পাৰে তেওঁলোকে। কত মানুহ, আলহী-অতিথি আহে যায় সেইখন ঘৰলৈ। কোনো শুদা মুখে উভতি যাব নালাগে সেইখন ঘৰৰ পৰা, অতি সুন্দৰ সোধ-পোছ, মাত-কথাত মউ বৰষে, কি যে সাদৰী আৰু মধুৰ ব্যৱহাৰ প্ৰতিজন মানুহৰে।

আৰু ত্ৰিদিব। অতি ভাল ল'ৰা। শিক্ষিত, সৎস্বভাৱী, বিনয়ী আৰু শান্ত। একো ৰাগিয়াল বস্তু মুখত নিদিয়ে। মাক-দেউতাক ল'ৰাৰ গুণত সদায় পঞ্চমুখ। তেওঁলোকৰ ল'ৰা সৰুৰে পৰা যি বাধ্য হৈ চলি আহিছে, আজিলৈকে তাৰ ব্যতিক্ৰম ঘটা নাই। 'বহুত ল'ৰাৰ বিয়া-বাৰু কৰাই পৰিৱৰ্তন হয়, কিন্তু আমাৰ বোপা সেই একেই বাধ্য হৈ আছে'— মঞ্জুলাৰ শহুৰেক-শাহুৰেকে গৰ্ব কৰি কৈছিল।

সেই অতি ভাল ল'ৰা ত্ৰিদিবৰ লগত বিয়া হৈ কিন্তু বিয়াৰ পিছত বহুত দিন ৰাতি ৰাতি মঞ্জুলাই নীৰৱে চকুপানী টুকিছিল, চিৰদিনলৈ এৰি অহা মাকৰ ঘৰখনৰ কথা সুঁৱৰি তাইৰ হিয়া যেন ভাগি গৈছিল।

অথচ ত্ৰিদিব সঁচায়ে ভাল ল'ৰা। স্বভাৱৰ একো দোষ নাই। তাইৰ বাহিৰে কোনো ছোৱালীকে কোনো দিন মূৰ তুলি চোৱা নাই। কি শান্ত-সৌম্য নিৰ্জু মানুহ। কি সুন্দৰ বাধ্য পুত্ৰ।

কিন্তু মঞ্জুলাৰ আপত্তি আছিল তাতেই— কিয় তুমি ইমান বেছি বাধ্য হৈ চলিব লাগে, কিয় তোমাৰ ইমান বয়সতো সাহ নহয় মোক লৈ এঠাইলৈ (তোমাৰ মা-দেউতাৰ অনুমতি লৈয়ে বাৰু) ফুৰিবলৈ যাবলৈ, এখন চিনেমা চাবলৈ? কিয় তুমি মোক বিয়া কৰাই এনেকৈ সম্পূৰ্ণভাৱে শাহুৰ তলত এৰি দিলা? কিয় তোমাৰ-মোৰ সামান্য এটা জীৱন গঢ়ি উঠিবলৈ নিদিলা?

অথচ তাইৰ বিয়া হৈছে এজন শিক্ষিত প্ৰফেছৰৰ লগত। তাইৰ ভনীয়েক মৃদুলাৰ গিৰীয়েক কিন্তু ইমান শিক্ষিত নহয়। আই এ-লৈকে পঢ়িছে। ব্যৱসায় কৰে মানুহজনে, সিমান ডাঙৰ ব্যৱসায়ো নহয়। কিন্তু সেই সামান্য আয়েৰেও দুয়ো এটা হাঁহি ভৰা ফুৰ্তিৰ জীৱন কটাইছে,— ফুৰিছে, চিনেমা চাইছে,— এবাৰ দাৰ্জিলিঙৰ পৰাও ঘূৰি আহিছে। সৰু সংসাৰ সিহঁতৰ— মৃদুলা, গিৰীয়েক, নিমাখিত বিধৱা বুঢ়ী শাহুৰেক আৰু সৰু দেওৰেক এটা। ভাত-পানী মৃদুলাই ৰান্ধে, সামান্য আয়ৰ সাধাৰণ আয়োজন। এবাৰ মৃদুলা আহি বায়েকৰ ঘৰত চাৰি দিন থাকি গৈছিল। প্ৰথম প্ৰথম তাই মঞ্জুলাহঁতৰ ঐশ্বৰ্য-বৈভৱ, খোৱা-লোৱাৰ



আয়োজন, মানুহ-দুনুহ, গাড়ীৰ আহ-যাহ দেখি চমৎকৃত হৈছিল আৰু উচ্ছ্বসিতভাৱে বায়েকক কৈছিল—

'তোৰ বৰ কপাল দে বাইদেউহ্ন'

চাৰি দিন থকাৰ পিছত তাই আকৌ কৈছিল—

'বাইদেউ, তহঁতৰ ইমান মানুহৰ ইমান বিধে বিধে ৰন্ধা-বঢ়া আৰু লগতে ইমান আলহী-অতিথি সৎকাৰ কৰি কৰি তোৰ আমনি নালাগেনে? সেই যে বঙালীত কয়— ৰান্নাৰ পৰ খাওয়া আৰ খাওয়াৰ পৰ ৰান্না, তাকে কৰি কৰিয়ে দেখোন তোৰ দিনবোৰ গৈছে? তহঁত ইমান ধনী মানুহ, এটা ৰান্ধনি-চান্ধনি ৰাখি অলপ আজৰি হৈ নল'ৰ কিয়? তোৰ ঘৰত এই চাৰি দিন থাকিয়ে মোৰ হ'লে উশাহ বন্ধ হৈ যোৱাৰ দৰে লাগিছে দে, বাইদেউ। কেৱল কাম, কেৱল খোৱা-বোৱাৰ কাৰবাৰ। মানুহ কিবা অকল খাবলৈকে জীয়াই থাকে নেকি? নাই বাইদেউ, এনেকৈ পাকঘৰতে জীৱনটো শেষ কৰি নিদিবি— এটা ৰান্ধনি-চান্ধনি ৰাখ।'

কথাবোৰ সদায়ে স্পষ্ট মৃদুলাৰ, কোনো লুক-ঢাক ৰাখি ক'ব নোৱাৰে।

ভনীয়েকৰ কথাত সিদিনা মঞ্জুলাই ম্লান হাঁহি এটা মাৰি কৈছিল— 'চাকৰ-বাকৰৰ হাতত খোৱাতকৈ নিজে ৰান্ধি-বাঢ়ি খোৱা বহুত সুখৰ দে মৃদুলা... আৰু আমাৰ শাহুআয়ে আনৰ হাতৰ ৰন্ধা-বঢ়া খাই ভাল নাপায়।'

মনৰ সমস্ত ক্ষোভ গোপন কৰি তাই ভনীয়েকক সহজ মাতেৰে ক'লে কথাষাৰ। মৃদুলাৰ দৰে মন খুলি তাই কাকো একো ক'ব নোৱাৰে।

সঁচাকৈয়ে বিবাহিত জীৱনৰ সমস্ত ক্ষোভ তাই আজি কুৰি বছৰে এনেকৈয়ে মনতে গোপনে পুহি ৰাখিছে, কুমাৰী জীৱনৰ মুকলিমূৰীয়া দিনবোৰ সুঁৱৰি গোপনেই হাহাকাৰ কৰি আহিছে,— হাহাকাৰ কৰি আহিছে মাকৰ মৰমসনা প্ৰশ্ৰয়ভৰা দিনবোৰলৈ মনত পেলাই। আৰু একেদৰে গোপনেই পুহি ৰাখিছে শাহুৰেকৰ শাসনৰ বিৰুদ্ধে পুঞ্জীভূত হৈ উঠা বিদ্বেষ আৰু অশান্তিবোৰ। কাকো কোৱা নাই, এনেকি গিৰীয়েককো,— কাৰণ তাই ভালকৈ বুজিছে যে কৈ কোনো লাভ নাই। অতি ভাল ল'ৰা ত্ৰিদিব, ভুলতো কোনোদিন মাক-দেউতাকৰ বিৰুদ্ধাচৰণ কৰি পোৱা নাই। এই বাধ্য, শান্ত পুতেকৰ পৰা পোৱা চৰম পিতৃভক্তি আৰু মাতৃভক্তিৰ সোৱাদ লৈয়ে দুবছৰৰ অগা-পিছাকৈ মাক আৰু দেউতাকৰ মৃত্যু হ'ল।

মৃত্যু? ওঁহো নহয়, মুক্তি। কুৰি বছৰৰ গতানুগতিক জীৱনধাৰা, কুৰি বছৰৰ দাসত্বৰ পৰা চিৰ মুক্তি।

সেই কান্দোনৰ ৰোল উঠা, শোকে আগুৰি থকা ঘৰখনত কিন্তু এটা শোকসন্তপ্ত

প্ৰাণীয়ে চকুৰ পানী মচি মচিও মনৰ গোপন কোণত এটা স্বস্তিৰ নিশ্বাস পেলালে— মুক্তি— আঃ কি মধুৰ...।

(মোৰ পাপ হ'ব নেকি শাহুআই? কিন্তু মোৰ জীৱনৰ অমূল্য কুৰিটা বছৰ পাকঘৰৰ জুই আৰু ধোঁৱাৰ মাজতে অকল বন্দী কৰি ৰখাৰ কাৰণে তোমাৰো যে পাপ লাগিছে...)

## দুই

শ্ৰাদ্ধ-শান্তি হৈ যোৱাৰ পিছত প্ৰদীপ আৰু বিবাহিতা নন্দেক আৰু জেশাহুৰেকহঁত দিহাদিহি গুচি গ'ল। ঘৰখন যেন এতিয়াহে একেবাৰে খালী হৈ গ'ল। পুতলীয়েতো কথাযাৰ কৈ কৈ মাজে-মাজে চকুপানী টুকিয়ে আছে। মাকক হেৰুওৱা দুখটো পুনৰ যেন জাগি উঠিল তাইৰ। মঞ্জুলাৰ মনটোও গধুৰ হৈ উঠিল। সকলোৰে বিদায়ৰ সময়ত পেলোৱা চকুলোৰ লগত তাইৰো চকুৰ পতা তিতি উঠিল। কিন্তু এইবাৰো মনৰ গোপন কোণত মনটোৱে এটা স্বস্তিৰ নিশ্বাস পেলালে। উস্— কি দিনেই যে নগ'ল এইকেইটা দিন। ঘৰ নহয় যেন এখন হোটেল। মানুহ এজনী মৰি গৈছে হয়, মনবোৰ সকলোৰে মৰি আছে হয়, কিন্তু পেটৰ ভোকবোৰতো কাৰো মৰা নাই। গতিকে ডাঙৰৰ পৰা সৰুলৈকে ইমানবোৰ মানুহৰ খোৱা-লোৱাৰ ব্যৱস্থা কৰা— উশাহ চুটি হৈ যায় মঞ্জুলাৰ। অৱশ্যে প্ৰদীপৰ ঘৈণীয়েক আৰু নন্দেক-জেশাহুৰেকহঁতে আগবাঢ়ি আগবাঢ়ি দুই-এটা কামত তাইক সহায় কৰি দিয়েহি, কিন্তু হাজাৰ হওক তেওঁলোক এতিয়া আলহীৰ দৰে। আচল কাম আৰু দায়িত্বৰ ভাৰ মঞ্জুলাই কেনেকৈ এৰাব পাৰে?

এতিয়া সকলোবোৰ গুচি গ'ল। পুতলীয়ে এতিয়াও বেজাৰ কৰি আছে। কিন্তু মঞ্জুলাৰ বেজাৰ আঁতৰিছে। উস্— ধুমুহাৰ পিছত যেন ঘৰখনত শান্তিহে বিৰাজ কৰিছে।

আৰু কেইদিনমানৰ পিছতেই কথাযাৰ উলিয়ালে মঞ্জুলাই।

'এটা ঠাকুৰকে ৰাখোঁ বুলি ভাবিছোঁ, পুতলী। দিনৰ পিছত দিন আৰু কিমান সেই একে ৰন্ধা-বঢ়া কৰি থাকিবা? ককাইদেৰেৰাকো কৈছোঁ কথাটো।'

পুতলীৰ মুখখন যেন অলপ ক'লা পৰি গ'ল।

'ইমান দিনৰ মাৰ পবিত্ৰ পাকঘৰটো তুমি মা নোহোৱা হোৱাৰ লগে লগে চুৱা কৰিবলৈহে ওলালা নে নবৌ?'



'কিন্তু সেই ইমান দিনে মই যে পাকঘৰত থাকি থাকি বুঢ়ী হৈ গ'লোঁ, মোৰ কথাযাৰ এবাৰ নাভাবা কে'লৈই, পুতলী?'

কিন্তু পুতলীয়ে ভাবক নাভাবক, তাত তো আচলতে কোনো ক্ষতি-বৃদ্ধি নাই মঞ্জুলাৰ। এতিয়া তায়ে এই ঘৰখনৰ গৃহিণী, সম্পূৰ্ণভাৱে গৃহিণী, তাইৰ সিদ্ধান্তত মাত মাতিবলৈকো পুতলীৰ অধিকাৰ নাই। মাক জীয়াই থাকোঁতে পুতলীয়ে এইখন ঘৰত এনেকৈ সদৰ্পে চলিছিল যেন মাকৰ দৰে এইখন ঘৰৰ তায়ে গৃহিণী, মাকৰ দৰেই বৌৱেকক ইটো-সিটো কথাৰ হুকুম দিবলৈ পূৰা অধিকাৰ আছে। কিন্তু মাকৰ মৃত্যুয়ে যে পুতলীৰ হাতৰ পৰা লগে লগে সেই ক্ষমতা কাঢ়ি লৈ গ'ল, সেই কথা তাইৰ বুজিবৰ হ'ল।

ঘৰলৈ ঠাকুৰ আহিল। ত্ৰিদিবে কোনোদিনে মাকৰ কোনো কথাত নামাতিছিল, এতিয়া ঘৈণীয়েকৰ ক্ষেত্ৰতো একেদৰেই নীৰৱ হৈ ৰ'ল।

প্ৰথম দিনাই ঠাকুৰৰ ৰন্ধা খাই ল'ৰা-ছোৱালীবোৰে আপত্তি কৰিলে— 'তোমাৰ দৰে ভালকৈ ৰান্ধিব পৰা নাই মা ঠাকুৰে। ... মামী, এইখন আঞ্জাত ইমান জ্বলা দিছে ঠাকুৰে, মুখতে দিব নোৱাৰি... ইত্যাদি নানা ওজৰ-আপত্তি কৰিলে ল'ৰা-ছোৱালীবোৰে।

সিহঁতে ভাত খোৱা চাই ওচৰতে বৈ আছিল মঞ্জুলা আৰু পুতলী। পুতলীয়ে পুতেক-জীয়েকহঁতক ধমক দি উঠিল— 'যি ৰান্ধিছে আপত্তি নোহোৱাকৈ খাই উঠি যা সোনকালে। আঞ্জাত অলপো জ্বলা খাব নোৱাৰে আপদকেইটাই। ডালমুট এগাল আনি দিয়াচোন, যিমানে জ্বলা নাথাকক সুহুৰিয়াই সুহুৰিয়াই খাব।'

মঞ্জুলা গহীনভাৱে ঠাকুৰৰ ওচৰলৈ গ'ল— 'তোমাক দেখোন মই বাৰে বাৰে কৈছিলোঁ ঠাকুৰ, যে আঞ্জা-চাঞ্জাবোৰত অলপো জ্বলা নিদিবা, ল'ৰা-ছোৱালীবোৰে খাব নোৱাৰে।'

'বেছি জ্বলাতো দিয়া নাই আইদেউ, সেইখিনি জ্বলা নিদিলে 'টেষ্ট' উঠিব কেনেকৈ? 'টেষ্ট' নুঠিলে আপোনালোকেই দেখোন মোক খং কৰিব।'— ইংৰাজী শব্দটো গৌৰৱেৰে দুবাৰ উচ্চাৰণ কৰি ঠাকুৰে দাঁতকেইটা উলিয়াই উত্তৰ দিলে।

মঞ্জুলা এক মুহূৰ্ত পৰ হতবাক হৈ বৈ থাকিল। তাৰ পিছত তাই আৰু একো নকৈ ওলাই আহিল।

সিদিনা ভাত-আঞ্জাবোৰ খাই তাইৰ নিজৰো অলপো জুতি নালাগিল; কিন্তু খোৱা পাতত বহি তাই একো নামাতিলে, নন্দেকেও নামাতিলে, দুয়ো নীৰৱে খাই উঠি গ'ল।

কিন্তু সিদিনা পিছৰ সাঁজ ৰন্ধাৰ সময়ত মঞ্জুলা নিশ্চিন্ত মনে নিজৰ কোঠালিত সোমাই আলোচনীখন হাতত লৈ বহি থাকিব নোৱাৰিলে, কেইবাবাৰো পাকঘৰলৈ অহা-যোৱা কৰিলে, ঠাকুৰৰ ওপৰত কেইবাবাৰো মূৰ গৰম হৈ উঠিল। কিন্তু কাৰোবাক, মানে পুতলীক ঠাকুৰৰ কাণ্ড-কাৰখানাৰ কথা কৈ মনৰ জাল আঁতৰাবৰ মন গ'লেও মঞ্জুলাই নক'লে, মনৰ খং মনতে পুহি ৰাখিলে।

পিছে সিমান ভাল নাৰান্ধিলেও ঠাকুৰেতো মঞ্জুলাক পাকঘৰৰ পৰা মুক্তি দিছে। এতিয়া তাইৰ হাতত বহুতো সময়। এতিয়া তাই ইচ্ছামতে তাইৰ মন যোৱা কামবোৰ কৰি থাকিব পাৰে; মন যোৱা কাম মানে হৰেক ৰকমৰ এমব্ৰইডাৰি কৰা, কাগজ-পত্ৰ, আলোচনীবোৰ পঢ়া আৰু ওচৰ-চুবুৰীয়াৰ ইঘৰ-সিঘৰৰ পৰা একোটা পাক মাৰি অহা। শাহুৱেক জীয়াই থকা কালত কিন্তু মঞ্জুলাই এইবোৰ একোকে কৰিবলৈ নাপাইছিল। সময়ো নাপাইছিল।

'তিৰোতা মানুহ হৈ কি ইমান কাগজ-পত্ৰ চাব লাগে, অত বছৰ দেখোন বাপেৰাৰ ঘৰত পঢ়িয়ে আহিলা, সিমান পঢ়াৰে নাটিল নে? ...সেই বেজী-সূতাৰ কামবোৰ বেছিকৈ কৰি কিডাল হ'ব, তাতকৈ তাঁতখনতে বহাঁগৈ, আমাৰ তাঁতশালৰ লগত তোমালোকৰ সেই বেজীৰ কামে ফেৰ মাৰিব পাৰিবনে?... বোৱাৰী-ছোৱালী বৰকৈ লোকৰ ঘৰে-ঘৰে ফুৰি ফুৰিব নাপায়, লেপ্‌লেপাই চেপ্‌চেপাই এসোপা কথাৰ মহলা মাৰি থাকিলে স্বভাৱটো বেয়া হৈ যায়, মুখৰ কথাৰ লাগ-বান্ধ নোহোৱা হৈ পৰে...।'

আলোচনী আৰু কাগজ-পত্ৰেৰে ঠাহ্ খাই আছে ঘৰটো। ঘৰত থকা সময়ততো ত্ৰিদিবৰ এইবোৰ পঢ়ি থকাই কাম। তেতিয়া দেখি দেখি মঞ্জুলাৰ মনটো ইচাট্-বিচাট্ কৰি থাকিছিল— ইস তায়ো এনেকৈ পঢ়ি থাকিবলৈ পোৱা হ'লে। স্কুল-কলেজত পঢ়া দিনত তাই কত গল্প-উপন্যাস পঢ়িছিল, সেই গল্প-উপন্যাসৰ নায়ক-নায়িকাসকলৰ প্ৰেম-বিৰহ, ৰোমাঞ্চৰ মধুৰ কথাবোৰ পঢ়ি পঢ়ি কেনেকৈ তাই ৰোমাঞ্চিত হৈ উঠিছিল; কিন্তু হায়, বিয়া হোৱাৰ পিছত তাই আৰু তেনেকৈ পঢ়িবলৈকে নোপোৱা হ'ল। সেই গল্প-উপন্যাসবোৰ তাইৰ কাৰণে নিষিদ্ধ ফলৰ দৰেই হৈ পৰিল। সেই নায়ক-নায়িকাবোৰৰ প্ৰেম-আনন্দ-ৰোমাঞ্চ-বিৰহ-অশ্ৰুৰ ভিতৰত তাইৰ জীৱনত অশ্ৰুৱে সত্য হৈ ৰ'ল।

হেঁপাহেৰে এসোপা কাগজ-কিতাপ উলিয়াই ল'লে মঞ্জুলাই। প্ৰথমতে তাই এটা গল্প আৰম্ভ কৰিলে— কিন্তু কিছুদূৰ পঢ়াৰ পিছত বৰ ঠিক নালাগিল। সেইটো আধা পঢ়া কৰি আন এটা গল্প উলিয়াই ল'লে মঞ্জুলাই— এটা প্ৰেমৰ গল্প। কিন্তু



বহুদূৰ পঢ়ি যোৱাৰ পিছতো তাৰ ৰসে স্পৰ্শ কৰিব নোৱাৰিলে তাইক, মনটো ৰোমাঞ্চিত হৈ নুঠিল, কোনো গোপন পুলকানুভূতিয়ে মনটো খন্তেকৰ বাবেও আৱেগৰঞ্জিত কৰি তুলিব নোৱাৰিলে। আৰু এটা গল্প পঢ়ি চালে মঞ্জুলাই... আৰু এটা— ধেৎ— কি গল্প লেখিছে এইবোৰ, একো এটাও যদি ভাল লাগিলহু আমি কলেজত পঢ়ি থাকোঁতেই ভাল গল্প-চল্পবোৰ লেখিছিল সাহিত্যিকসকলে— কি যে হ'ল আজিকালিহু

কাগজ-পত্ৰবোৰ ঠেলা মাৰি থৈ মঞ্জুলা উঠিল। এবাৰ পাকঘৰৰ পৰাই অহা যাওক। ঠাকুৰে বা আজি আকৌ কিখন ভুল কৰেহু এই মানুহবোৰক সঁচায়ে ৰাখিও উপায় নাই, নাৰাখিও উপায় নাই। নাৰাখিলে দেহে দুখ পায়, আকৌ ৰাখিলেও মনে অশান্তি পাই মৰে...

'কি ৰান্ধিছা ঠাকুৰ? মাছৰ টেঙাখনত অলপ ধনিয়াপাত পেলাই দিবলৈ নাপাহৰিবা আকৌ। কালি ইমানবাৰ কোৱাৰ পিছতো তুমি পাহৰি গ'লা...'

আকৌ নিজৰ ৰুমলৈ উভটি আহিল মঞ্জুলা। এখন্তেক পৰ তাই মাজ-মজিয়াতে থিয় দি ৰ'ল, তাৰ পিছত এটা এঙামুৰি কাঢ়ি হাতৰ আঙুলিবোৰ ফুটালে... কি কৰা যায়? কি কৰি সময়বোৰ কটোৱা যায়? পুতলীৰ লগত অলপ আড্ডা মাৰিব পৰা যায়, কিন্তু তাই এই সময়ত নিজৰ ল'ৰা-ছোৱালীকেইটাক পঢ়ুৱাই থাকে; সৰু হৈ আছে সিহঁত, গতিকে তাইৰ মেট্ৰিক পাছ বিদ্যাৰে ভালকৈয়ে পঢ়ুৱাব পাৰে। খুব গুৰুত্বপূৰ্ণ কাম এটা কৰাৰ দৰেই পুতলীয়ে সদায় ল'ৰা-ছোৱালীকেইটাক পঢ়ুৱায়। খুব চিন্তা কৰে তাই ল'ৰা-ছোৱালীকেইটাৰ ভৱিষ্যতক লৈ। বেচেৰীয়ে কৰিবওতো, গিৰীয়েকৰ যি দায়িত্ব আছিল সেই দায়িত্বৰ বোজা যে তাইৰ কান্ধত পৰিছে।

দীঘলকৈ হামি এটা কাঢ়িলে মঞ্জুলাই। তাইৰ নিজৰ ল'ৰা-ছোৱালীকেইটা ডাঙৰ হৈছে। সিহঁতে আপোনমনে পঢ়ি আছে। ত্ৰিদিব ঘৰত নাই, নাইট্ ছেক্‌চনৰ ক্লাছ ল'বলৈ গৈছে।... আকৌ এটা হামি কাঢ়িলে মঞ্জুলাই। কিবা এটা কৰাকে যাওক। ... অ' কেইবাদিনৰ পৰা আৰম্ভ কৰিব খোজা কুছন ক'ভাৰখনৰ ফুলটোকে তোলা যাওক। মঞ্জুলাই কাপোৰ, ফ্ৰেম, বেজী, সূতা যতনাই ল'লে।

কিন্তু কিছু সময় চিলাই কৰাৰ পিছতে মঞ্জুলাই অনুভৱ কৰিলে তাইৰ চকু দুটা জলক্-তবক্ কৰিব ধৰিছে। চকু দুটা এবাৰ চাদৰৰ আঁচলখনেৰে মচি লৈ আকৌ বেজীটো হাতত ল'লে মঞ্জুলাই... কিন্তু নাই, বৰ আমনি কৰিছে চকু দুটাই, বোধহয় চশমা ল'ব লাগিব।

ডাঙৰ জীয়েক মন্দিৰা সোমাই আহিল।

'কি কৰিছা, মা? চিলাই?'

আচৰিত ঘটনা এটা দেখাৰ দৰে প্ৰশ্ন কৰিলে মন্দিৰাই।

'কিয়, মই চিলাই কৰিব নাপায় নেকি?' বেছ উষ্মাৰে ওলোটাই প্ৰশ্ন কৰিলে মঞ্জুলাই আৰু তাৰ পাছত আকৌ এবাৰ চকু দুটা মচিলে।

মাকৰ অকাৰণ উষ্মাত আচৰিত হ'ল মন্দিৰা।

'নহয়, মই আগতে তোমাক চিলাই কৰা দেখা মনতেই নপৰে... এইটো কি কৰিছা, মা? অ' কুছন ক'ভাৰত ফুল তুলিছা? কিন্তু মা, এইটোনো কি ৰঙৰ সূতা ব্যৱহাৰ কৰিছা? বৰ তেলীয়া দেখাইছে পাই— তোমালোকৰ দিনত ছোৱালীবোৰে ইমান মেহনত কৰি চিলাই কৰিছিল, কিন্তু ৰঙৰ 'চয়েছ' মুঠেই নাছিল। আজিকালিৰ চিলাইবোৰত বেছি খাটনি নপৰে, কিন্তু ইমান সুন্দৰ ৰং মিলাই কৰে কাৰণে কিমান বেছি ভাল দেখি... মা, তুমি এইটো ৰঙৰ সূতাৰে নকৰিবাচোন— মই বাৰু তোমাক ৰং মিলাই সূতা আনি দিম।...'

মাহীয়েকৰ দৰেই স্পষ্ট বক্তা হৈছে ভাগিনীয়েকজনী। কিন্তু মঞ্জুলাই আৰু কোনো উষ্মা নেদেখুৱালে, হাতৰ চিলাই এফলীয়াকৈ থৈ লাহে লাহে জীয়েকক ক'লে— 'তয়ে এইটো ৰং মিলাই চিলাই কৰি থ'বি দেই মুনু, মই আৰু ক'ত চিলাই কৰিম। চখতে হাতত লৈছিলোঁ হয়, চকু দুটা বৰ জ্বলা-পোৰা কৰে দেখোন...'

মঞ্জুলা ধীৰে ধীৰে কোঠালিৰ পৰা ওলাই আহিল আৰু পিছৰ কথাখিনি স্বগতোক্তি কৰাৰ দৰেই ভোৰ-ভোৰাই শেষ কৰিলে— 'পিছে চকুৰনো আৰু কি দোষ, মইনো আৰু এতিয়া কুৰি বছৰৰ আগৰ সেই কুৰি বছৰীয়া গাভৰুজনী হৈ আছোঁনে? ...আৰু কুৰি বছৰ ধৰি চকুত লগা পাকঘৰৰ জুই আৰু ধোঁৱা...'

'ঠাকুৰ, কি ৰান্ধিছা?... চাওঁ, তুমি অলপ আঁতৰি দিয়াচোন। সেই মছলাখিনিকে বতি লোৱাগৈ, ময়ে টেঙা আঞ্জাখন ৰান্ধি পেলাওঁ—'

ঠাকুৰক আঁতৰাই মঞ্জুলা পাকঘৰত সোমাল। তাৰ পিছত তাই যেতিয়া তাৰ পৰা ওলাল তেতিয়া ত্ৰিদিব আৰু ঘৰখনৰ গোটেইবোৰ ল'ৰা-ছোৱালীৰ খোৱা শেষ হৈ গৈছিল।

মন্দিৰাই আহি মাকক ধৰিলেহি, ভাল চিনেমা এখন আহিছে, বহুত দিন ধৰি চলিছে, সিহঁতক চাবলৈ দিব লাগে।

মাকে যে সহজতে সন্মতি দিব, সেইটো আশা কৰা নাছিল মন্দিৰাই, এইখন



ঘৰত চিনেমা-টিনেমা চোৱাটো অভিভাৱকসকলে একেবাৰে পছন্দ নকৰে।

কিন্তু মন্দিৰাক অতি আচৰিত কৰি দি মাকে ক'লে— 'ভাল চিনেমা নেকি মুনু? ব'ল ময়ো যাওঁ তহঁতৰ লগতে। বহুত দিনৰ আগতে যে এখন অসমীয়া চিনেমা চাইছিলোঁ, তাৰ পিছত আৰু চোৱাই নাই।'

বক্স-অফিচ হিট্ কৰা হিন্দী চিনেমাখন চাই মঞ্জুলাৰ মুখ গহীন হৈ আছিল। শেষ হোৱাত হলৰ পৰা ওলাই আহি, মন্দিৰাক একৰকম ডবিয়ায়েই কৈ উঠিল ঃ

'এই বাজে অসভ্য চিনেমাখন চাবলৈকেহে মোক আনিছিলি, মুনু? দিন-কালবোৰ হ'ল কিছু এইসোপা চাই দেখোন ল'ৰা-ছোৱালীবোৰ তেনেই গুচিব।'

ভোৰভোৰাই আহিল মঞ্জুলা। মন্দিৰাই মাকে নেদেখাকৈ গোপনে মুখ টিপি হাঁহিলে।

হৈ-হুলস্থূল, গান-বাজনাৰে ভৰপূৰ ৰঙীন হিন্দী ছবিখন চাই আহি মঞ্জুলাৰ খুব মূৰ কামুৰিছিল। ৰাতি কোনোমতে টোপনি আহিবই খোজা নাছিল। বিছনাত কিছু পৰ ইছাট-বিছাট কৰি থাকি তাই বাহিৰলৈ উঠি গ'ল। তাৰ পিছত চকু-মুখত পানী ছটিয়াই আকৌ ভিতৰলৈ সোমাই আহিল।

... নাই, ভাল লগা নাই, একোকে ভাল লগা নাই। মঞ্জুলাই মনত এটা অস্থিৰ ছট্‌ফটনি অনুভৱ কৰিলে... কি হৈছে তাইৰ, সঁচাকৈয়ে কি হৈছে তাইৰ? কিন্তু এনে হোৱাৰতো কথা নাছিল, আজি বিশ বছৰৰ পিছততো তাইৰ বহু আকাঙ্ক্ষিত মুক্তিটো আহিছে— তেন্তে এনে কিয় হৈছে তাইৰ? সেই মুক্তিয়ে তাই অতদিনে মনৰ গোপন কোণত লালন-পালন কৰি অহা সকলো আকাঙ্ক্ষা, সকলো হেঁপাহ পূৰ্ণ হোৱাৰ ৰুদ্ধদ্বাৰখনোতো খুলি দিছে— তেন্তে?

মঞ্জুলাৰ বুকু ঠেলি এটা দীৰ্ঘশ্বাস বাহিৰ হৈ আহিল। মুক্তি? এৰা, মুক্তি তাই ঠিকেই পাইছে। কিন্তু বিশ বছৰ, হায়— সুদীৰ্ঘ বিশটা বছৰ যে পাৰ হৈ গৈছে, পাৰ হৈ গৈ এদিনৰ কুৰি বছৰীয়া চঞ্চলা গাভৰুজনীক আজি দুকুৰি বছৰীয়া পৌঢ়াত পৰিণত কৰিলে। যি মুক্তিৰ কাৰণে সেই কুৰি বছৰীয়া গাভৰু প্ৰাণটোৱে ছট্‌ফটাই মৰিছিল, মনে মনে বিদ্ৰোহ কৰি থাকিছিল, সেই মুক্তিৰ স্বাদ যে আজি এই দুকুৰি বছৰীয়া জীৱনটোত ইমান বিস্বাদ লাগিব, তাই জানো ভুলতো এবাৰ কল্পনা কৰিব পাৰিছিল?

কপালৰ ৰগ দুডাল খুব জোৰেৰে টিপি ধৰিলে মঞ্জুলাই।

**নিৰুপমা বৰগোহাঞিঃ (১৯৩২—) ঃ** অসমীয়া সাহিত্যৰ এগৰাকী শ্ৰেষ্ঠ সাহিত্যিক নিৰুপমা বৰগোহাঞিৰ জন্ম হৈছিল গুৱাহাটীত। তেওঁ একাধাৰে গল্পকাৰ, ঔপন্যাসিক আৰু নিবন্ধকাৰ। তেওঁৰ উল্লেখযোগ্য গল্পপুথি হ'ল— 'অনেক আকাশ', 'জীৱন আৰু ফেণ্টাচী', 'নিৰুপমা বৰগোহাঞিৰ শ্ৰেষ্ঠ গল্প' আৰু 'নিৰুপমা বৰগোহাঞিৰ গল্প-সমগ্ৰ'। উল্লেখযোগ্য উপন্যাসসমূহ হ'ল— 'সেই নদী নিৰৱধি', 'এজন বুঢ়া মানুহ', 'দিনৰ পিছত দিন', 'হৃদয় এটা নিৰ্জন দ্বীপ', 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ', 'অন্য জীৱন' আৰু 'অভিযাত্ৰী'। উল্লেখযোগ্য যে 'অভিযাত্ৰী' উপন্যাসৰ বাবে শ্ৰীমতী বৰগোহাঞিয়ে ১৯৯৬ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে। ২০০৩ চনত তেওঁ অসম উপত্যকা সাহিত্য বঁটা লাভ কৰে।

ইংৰাজী আৰু অসমীয়া সাহিত্যৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী শ্ৰীমতী বৰগোহাঞিয়ে ১৯৫৪ চনৰ পৰা ১৯৬৬ চনলৈ স্কুল আৰু কলেজত শিক্ষকতা কৰিছিল। পৰৱৰ্তী কালত তেওঁ সাংবাদিকতা বৃত্তিৰ সৈতে জড়িত হৈ পৰে। গুৱাহাটীৰ পৰা প্ৰকাশিত সাপ্তাহিক 'জনজীৱন' কাকতৰ সম্পাদিকা আৰু সাপ্তাহিক 'নীলাচল' কাকতৰ সহকাৰী সম্পাদিকা হিচাপে তেওঁ সেৱা আগবঢ়ায়।

'ভ্ৰষ্টলগ্ন' শীৰ্ষক গল্পটি প্ৰথমতে 'অসম বাণী'ত প্ৰকাশিত হৈছিল। পৰৱৰ্তী সময়ত দিলীপ চন্দন সম্পাদিত 'অসম বাণীৰ শ্ৰেষ্ঠ গল্প' নামৰ সংকলনত সংকলিত হয়। এই সংকলনৰ পৰা গল্পটি সংগ্ৰহ কৰা হৈছে। প্ৰগতিশীল, মানৱতাবাদী লেখিকা নিৰুপমা বৰগোহাঞিৰ গল্পৰ অন্যতম বৈশিষ্ট্য হ'ল নাৰীবাদী চিন্তাৰ প্ৰকাশ। 'ভ্ৰষ্টলগ্ন'ত এনে চিন্তাৰ সুন্দৰ প্ৰকাশ ঘটিছে।

## কঠিন শব্দৰ অৰ্থ আৰু টোকা ঃ

| | | |
|---|---|---|
| লেপ্‌লেপাই চেপ্‌চেপাই | — | লাগ-বান্ধ নোহোৱাকৈ। |
| জলক-তবক | — | ভালকৈ মনিব নোৱৰা; ধোঁৱা-কোঁৱা দেখা। |
| মেহনত | — | পৰিশ্ৰম। |
| জিজ্ঞাসা | — | জানিবৰ ইচ্ছা; প্ৰশ্ন; সোধা কাৰ্য। |

## প্ৰশ্নাৱলী ঃ

১। 'অন্তৰৰ অতি গুপুত কোণত সেইবোৰ কি কথা লুকাই আছে?'— মঞ্জুলাৰ অন্তৰত কি কথা লুকাই আছিল, বহলাই আলোচনা কৰা।

২। 'নাই বাইদেউ, এনেকৈ পাকঘৰতে জীৱনটো শেষ কৰি নিদিবি— এটা ৰান্ধনি-চান্ধনি ৰাখ।'— কথাষাৰ কোনে কি প্ৰসংগত কৈছিল?



৩। 'মুক্তি— আঃ কি মধুৰ।"— মঞ্জুলাই কি ধৰণৰ মুক্তি বিচাৰিছিল? সেই মুক্তি তেওঁ পালেনে— বুজাই লিখা।

৪। 'মাহীয়েকৰ দৰে স্পষ্ট বক্তা হৈছে ভাগিনীয়েকজনী'— ইয়াত মাহীয়েক আৰু ভাগিনীয়েক কোন?

৫। ঠাকুৰে ৰন্ধা-বঢ়া কৰিবলৈ লোৱাৰ পিছত মঞ্জুলাৰ কেনেধৰণৰ সুবিধা আৰু অসুবিধা হৈছিল, বুজাই লিখা।

———————

দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ বাবে

দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ বাবে

# নিৰ্বাচিত কবিতাসমূহ

# বৰ্ষা বৰ্ণন

## শ্ৰীশঙ্কৰদেৱ

শুক মুনি পৰীক্ষিত ৰাজাত কহিল।
গ্ৰীষ্ম গৈলে ঋতু আসি বাৰিষা মিলিল॥
বিবিধ মণ্ডল কৰৈ সূৰ্য্যৰ প্ৰকাশ।
তাৰে ৰশ্মি চিকিমিকি দেখিয় আকাশ॥
বহে খৰ্ব্ব বায়ু নুশুনয় মাত বোল।
গগনক ঢাকি মহা মেঘৰ আন্দোল॥
ঘনে ঘনে দেই আতি বিজুলী চমক।
লাগে তিৰিমিৰি আসি চক্ষুত ঝমক॥
নাকলিয় চন্দ্ৰসূৰ্য্য জ্যোতিতাৰাগণ।
যেন জীৱ-আত্মা শৰীৰতে ভৈলা ছন্ন॥
আঠ মাস নিলে ৰশ্মি পৃথিৱীৰ সত্ব।
দুনাই সূৰ্য্যে এৰি দেন্ত বাৰিষা কালত॥
বিদ্যুত সঞ্চাৰে চণ্ড বাতাসে চঞ্চল।
নিৰন্তৰে মেঘগণে বৰিষিল জল॥
খাল-বাম ভৰি ভূমি ভাগি বৰৈ জান।
যেন মহামহন্তে দুখীক দিলা দান॥
গ্ৰীষ্মত আছিল শুখাই ৰৌদ্ৰতাপ সহি।
বাৰিষা কালত দুনাই পুষ্ট ভৈল মহী॥
তপ উপবাসে দেহা আছিল শুখাই।
দুনাই ভোগ ভুঞ্জিলাত আপুনি পুষ্টাই॥
জুই আঙনি জ্বলৈ বাৰিষা নিশাত।
নকৰৈ প্ৰকাশ তাত নক্ষত্ৰে সাক্ষাত॥
যেন কলিযুগে বেদশাস্ত্ৰ হৰৈ ছন্ন।
প্ৰকাশে পাষণ্ড শুনৈ তাৰেসে বচন॥
নাদ শুনি মেঘৰ, বেঙৰ ৰোল চড়ে॥
গুৰু পাঠ দিলে যেন শিষ্যে পাচে পঢ়ে॥
বহৰৈ বিপথে অতি ক্ষুদ্ৰ নদী যত।
কৰৈ অকাৰ্য্যক যেন ধনৰ গৰ্ব্বত॥
নীলবৰ্ণ সুকোমল তৃণে ভৈল ছন্ন।
ঠাই ঠাই ভূমিক দেখিব কৃষ্ণ বৰ্ণ॥
কৰিলে গুৱালী পলুৰঙ্গা থানে থান।
অসংখ্যাত বেঙছতা দেখি বিদ্যমান॥
প্ৰকাশৈ বাৰিষা নানা বৰ্ণে বসুমতী।
জ্বলৈ ৰাজশ্ৰীয়ে যেন পৰম সম্পত্তি॥
নানাবিধ বস্ত্ৰে কাচি-পাৰি সামৰাজ।
দণ্ডে ছত্ৰে ছানি যেন ৰাজা ভৈল বাজ॥
বৃষ্টিজল পায়া শস্য কৰৈ হলফল।
দেখি কৃষকৰ মনে মহা কুতূহল॥
শুখাই পড়ে জল পুনু অত্যন্ত আসুখ।
দৈৱাধীন নাজানিলে মিলৈ মহাদুখ॥
বাৰিষাত নৱ পানী ব্যাপি পাৰৈ আসি।
কৰৈ স্নান-পান যত জলস্থলবাসী॥
হৰৈ সুকুমাৰ মহাৰূপ মনোহৰ।
হৰি ভক্তি কৰৈ যেন লোকক সুন্দৰ॥
হুয়া নদী সৱ সমে সঙ্গম সাগৰ।
কৰিল কল্লোল মহা উৰ্ম্মি ভয়ঙ্কৰ॥
যেন যিটো যোগীৰ নুগুচৈ কাম কষ্ট।
বিষয়ক পাইলে পুনৰপি হৰৈ ভ্ৰষ্ট॥
যদ্যপি মূষলধাৰে মেঘে বৰষিল।
তথাপি পৰ্ব্বতে পীড়া কিছো নজানিল॥
যিজনৰ মন ভৈল কৃষ্ণত প্ৰৱেশ।
তাক যেন লঙ্ঘিবে নপাৰে দুখক্লেশ॥
পঞ্চবৰ্ণে ৰঞ্জিত নিৰ্গুণ ইন্দ্ৰধনু।
গুণৱন্ত মেঘত প্ৰকাশে পুনু পুনু॥

যেন তিনি গুণময় জগত যতেক।
নিৰ্গুণ পুৰুষ তাত প্ৰকাশৈ প্ৰত্যেক॥
চন্দ্ৰজ্যোতি প্ৰকাশিত যিটো মেঘগণ।
নজ্বলন্ত চন্দ্ৰো সেহি মেঘে হুয়া ছন্ন॥
যেন যিটো চৈতন্যে প্ৰকাশে অহঙ্কাৰ।
সেহি অহঙ্কাৰে ঢাকে জৌতি জীৱাত্মাৰ॥
মেঘৰ সম্বাদে মিলৈ আনন্দ প্ৰচুৰ।
চালি ধৰি নাচৈ আসি অনেক ময়ূৰ॥
যেন গৃহবাসী দুখে পৰম তাপিত।
হৰি ভকতিক পাইলে শান্ত হোৱৈ চিত॥

* * *

পশুপক্ষী বৃক্ষৰো আনন্দে মগ্ন মন।
বাৰিষা ঋতুৰ শ্ৰীক চান্তে ঘনে ঘন॥
পৰ্ব্বতৰ নিৰ্ঝৰৰ নাদ শুনি আতি।
গোপগণ সমে উণাৱন্ত কাণ পাতি॥
বৃষ্টি আসৈ দেখি কত গহ্বৰে পৈশন্ত।
ফলমূল আনি কতো সমস্তে ভুঞ্জন্ত॥
গোপগণে সম লগাই হাস পৰিহাস।
কতো ক্ৰীড়া কৰি আতি পাৱন্ত প্ৰয়াস॥
জলৰ নিকটে গৈয়া পৱিত্ৰ শিলাত।
কুতূহলে ভোজন কৰন্ত দধিভাত॥
প্ৰশংসন্ত কৃষ্ণে বাৰিষাৰ শ্ৰীক চাই।
উপকাৰী প্ৰাণীৰ ইহাত পৰে নাই॥
এহিমতে ক্ৰীড়াত দিবস যায় বই।
যান্ত কৃষ্ণে গোষ্ঠক আগত ধেনু লৈ॥*

* ‘ভাগৱত’ৰ দশম স্কন্ধৰ পৰা উদ্ধৃত।



**শ্ৰীশঙ্কৰদেৱ ঃ** অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ জন্ম হয় ১৪৪৯ চনত নগাঁও জিলাৰ বৰদোৱাত। প্ৰায় ছকুৰি বছৰ মানৰ জীৱন যাপন কৰি ১৫৬৮ খৃষ্টাব্দত মহাপুৰুষজনাই ইহলীলা সম্বৰণ কৰে।

মহাপুৰুষ শঙ্কৰদেৱৰ ব্যক্তিত্ব তথা কৃতিৰ কেইবাটাও দিশ দেখা যায়। এফালে তেওঁ ধৰ্মগুৰু, কবি, নাট্যকাৰ, গীতিকাৰ, অনুবাদক আৰু আনফালে অসমীয়া সমাজ তথা সংস্কৃতিৰ ধ্বজাবহনকাৰী। তেওঁৰ ৰচনাসমূহ হ’ল ঃ কাব্য— হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণী হৰণ কাব্য, বলিছলন, অমৃত মথন, কুৰুক্ষেত্ৰ আৰু অজামিলোপাখ্যান। নাট— পত্নী প্ৰসাদ, কালীয় দমন, কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ আৰু ৰাম বিজয়। অনুবাদ সাহিত্য— ভাগৱত পুৰাণৰ ১ম, ২য়, ১০ম, ১১শ আৰু ১২শ স্কন্ধৰ পদ ভাঙনি আৰু ৰামায়ণৰ উত্তৰাকাণ্ডৰ পদ ভাঙনি। ভক্তিতত্ত্বমূলক গ্ৰন্থৰ ভিতৰত ভক্তি-প্ৰদীপ, নিমি-নৱসিদ্ধ সংবাদ আৰু অনাদি পাতন। গীত— বৰগীত, ভটিমা আৰু তোটয়। নাম-প্ৰসংগমূলক গ্ৰন্থৰ ভিতৰত কীৰ্ত্তন আৰু গুণমালাই অসমৰ ভক্তি সাহিত্য তথা সমাজত এক বিশেষ স্থান লাভ কৰি আছে।

‘বৰ্ষা বৰ্ণন’ পাঠটি দশমৰ পৰা উদ্ধৃত। এই পাঠটিত গ্ৰীষ্ম ঋতুৰ পিছত সমাগত বৰ্ষা ঋতুৰ এটি স্বাভাৱিক আৰু মনোমোহা বৰ্ণনা দাঙি ধৰা হৈছে। বৰ্ষা ঋতুৰ বৰ্ণনাৰ প্ৰসংগত মূৰ্ত ভাবক বুজাবলৈ অমূৰ্ত ভাববিশিষ্ট ৰূপকৰ সহায় লোৱা দেখা যায়। ঋতু পৰিৱৰ্তনৰ স্বাভাৱিক বৰ্ণনাৰ মাজেৰে কবিয়ে ভক্তি ধৰ্মৰ তাত্ত্বিক কথা ব্যাখ্যা কৰি গৈছে।

## কঠিন শব্দৰ অৰ্থ আৰু টোকা ঃ

| | | |
|---|---|---|
| মণ্ডল | — | ঘূৰণীয়া। |
| খৰ্ব্ব | — | খৰ, তীক্ষ্ণ। |
| নাকলিয় | — | নোলায়, নাভাবি। |
| ছন | — | বিয়পি পৰা। |
| সত্ব | — | সাংখ্য দৰ্শনত উল্লিখিত ত্ৰিগুণৰ প্ৰথমটো; নম্ৰ আৰু শান্ত গুণ। ৰস, সাৰভাগ, আত্মা, প্ৰাণ। |
| চণ্ড | — | খং, বৰ খঙাল। |
| মহি | — | পৃথিৱী। |
| ছন্ন | — | ধ্বংস, নষ্ট। |
| পলুৰংগা | — | কেঁচুমাটি, কণ কণ মাটিৰ দ’ম। |
| সামৰাজ | — | সমূহ, সমূহত। |
| আসুখ | — | অসম্ভৱ। |
| শ্ৰীক | — | শোভা-সৌন্দৰ্যক, ধন-সম্পত্তিক, সমৃদ্ধিক। |

| | | |
|---|---|---|
| নিঝৰ | — | নিজৰা। |
| উণাৰন্ত | — | শুনা। |
| পৈশন্ত | — | প্ৰৱেশ কৰা, সোমাল। |
| প্ৰয়াস | — | পুৰুষাৰ্থ, চেষ্টা, যত্ন। |
| গোষ্ঠক | — | গৰু-ম'হৰ খুঁটি। |
| চৈতন্য | — | চেতনা, জীৱনী শক্তি। |

**প্ৰশ্নাৱলী ঃ**

১। 'বৰ্ষা বৰ্ণন' কবিতাটিৰ মাজেৰে বৰ্ষা কালৰ বৰ্ণনা কেনে ধৰণেৰে দিয়া হৈছে?

২। বৰ্ষা কালৰ বৰ্ণনাৰ মাজেৰে শংকৰদেৱে ভক্তি ধৰ্মৰ তাত্ত্বিক কথাবোৰ কিদৰে বৰ্ণনা কৰিছে?

৩। 'বৰ্ষা বৰ্ণনা' কবিতাত থকা দুটা উপমাৰ ভিতৰুৱা ভাব বুজাই লিখা।

৪। প্ৰসঙ্গ-সঙ্গতি দেখুৱাই ব্যাখ্যা কৰা ঃ

(ক) বহৰৈ বিপথে আতি ক্ষুদ্ৰ নদী যত।
কৰৈ অকাৰ্য্যক যেন ধনৰ গৰ্ব্বত॥

(খ) যদ্যাপি মূষলধাৰে মেঘে বৰষিল।
তথাপি পৰ্ব্বতে পীড়া কিছো নজানিল॥
যিজনৰ মন ভৈল কৃষ্ণত প্ৰৱেশ।
তাক যেন লজ্ঘিবে নপাৰে দুখক্লেশ॥

(গ) পঞ্চবৰ্ণে ৰঞ্জিত নিৰ্গুণ ইন্দ্ৰধনু।
গুণৱন্ত মেঘত প্ৰকাশে পুনু পুনু॥
যেন তিনি গুণময় জগত যতেক।
নিৰ্গুণ পুৰুষ তাত প্ৰকাশৈ প্ৰত্যেক॥

———

# মানৱ বন্দনা

## চন্দ্ৰকুমাৰ আগৰৱালা

আহিছে মানুহে গইছে মানুহ
মানুহ ময়াপী জীৱ।
মানুহ-সোঁতৰ অন্ত নাইকিয়া
বুলিলে মৰত কিয়?
মানৱী জনম দিয়া উটুৱাই
মানৱী কৰম সোঁতে,
মানুহৰ মৰম বুজিব মানুহে
ধৰম যে মৰমতে।
মানুহেই লগ মানুহেই সঙ্গ
মানুহেই পৰাৎপৰ,
এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।
মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ।

**চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৭) ঃ** জোনাকীৰ প্ৰথম সম্পাদক আৰু অসমীয়া সাহিত্যত গীতি-কবিতাৰ প্ৰকৃত প্ৰৱৰ্তক চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম হয় তেজপুৰৰ কলংপুৰ মৌজাৰ ব্ৰহ্মজানত। এওঁ লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰ সৈতে লগ লাগি ১৮৮৯ খৃষ্টাব্দত 'জোনাকী' কাকত উলিয়ায়। ১৯১৮ চনত সাদিনীয়া বাতৰি 'অসমীয়া' উলিয়ায়। এই কাকতেই পিছত তিনিদিনীয়া আৰু শেষত 'দৈনিক অসমীয়া'লৈ ৰূপান্তৰিত হয়। ১৯৭৭ চনত গুৱাহাটীৰ নিজা ঘৰত তেওঁৰ মৃত্যু হয়।

জোনাকীৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত প্ৰকাশ পোৱা আগৰৱালাৰ ‘বনকুঁৱৰী’ নামৰ গীতি-কবিতাটিয়েই অসমীয়া ৰোমাণ্টিক কবিতাৰ শুভাৰম্ভ ঘটায়। জোনাকী যুগৰ সাহিত্যিক আন্দোলনৰ তেওঁ অন্যতম গুৰিয়াল আছিল। চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰথম কাব্যপুথি ‘প্ৰতিমা’। বেজবৰুৱাই উক্ত পুথিৰ আলোচনা প্ৰসংগত লেখিছিল— “প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ।” তেওঁৰ দ্বিতীয় কবিতাপুথি ‘বীণ বৰাগী’।

### কঠিন শব্দৰ অৰ্থ ঃ

ময়াপী — মায়া, মোহ, ভ্ৰান্তি ওপজোৱা জীৱ।
পৰাৎপৰ — শ্ৰেষ্ঠতকৈও শ্ৰেষ্ঠ, পৰম সত্য।
নিজাপী — সম্পূৰ্ণ নিজৰ।

### প্ৰশ্নাৱলী ঃ

১। ‘মানৱ-বন্দনা’ কবিতাটিৰ অন্তৰ্নিহিত সাৰমৰ্মৰ আভাস দিয়া।
২। ‘এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।’
—কবিয়ে কিয়, কি প্ৰসংগত এনেদৰে কৈছে? কবিয়ে ইয়াৰ দ্বাৰা মানুহক কি উপদেশ দিব খুজিছে?
৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা।
(ক) মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।
(খ) মানুহৰ ধৰম বুজিব মানুহে
ধৰম যে মৰমতে।

————

# ই যে অগ্নি-বীণাৰ তান

## অম্বিকাগিৰী ৰায়চৌধুৰী

এইতো নহয় হাঁহি-তামাচাৰ ভাগৰ জুৰোৱা গান
ই যে জীৱন-মৰণ একাকাৰ কৰা অগ্নি-বীণাৰ তান।

ই যে শত অপমান লাঞ্ছনা হানি উজৰা অসীম তাপ,
ই যে ৰুদ্ধ আত্ম-বেদনা নিজৰি ওলোৱা অনল ভাপ।

ই যে সুধাৰ কাৰণে দেৱ-দানৱৰ সিন্ধু-মথন-গান,
ই যে মৃত্যুঞ্জয় পদৰ কাৰণে মহা হলাহল পান।

ই যে মাতৃ-চৰণ-পূজাৰ বেদীত হৃদয় ৰক্ত দান,
ই যে ভাই ভাই সৰে চকুপচাৰতে এক হৈ যোৱা প্ৰাণ।

ই যে হীনতা-নীচতা, ভীৰুতা-দীনতা জোকাৰি পেলোৱা ভাব,
ই যে এক ৰূপ ৰসে, একে ৰঙে চঙে এক কৰি দিয়া ছাৱ।

ই যে মহা মানৱতা মূৰ্চ্ছিত হোৱা অতি ঘোৰ অপমান,
ই যে উৎপীড়নৰ ঘৃণিত গৰ্ব্ব গুৰি কৰা অভিযান।

ই যে সুপ্ত জীৱন-চকোৱা বজ্ৰ নিনাদ তান,
ই যে মানৱৰ অধিকাৰ হেতু কৰা শৃঙ্খল অভিযান।

ই যে নৰনাৰায়ণ লাঞ্ছিত হোৱা ভয়াৱহ ইতিহাস,
ই যে জীৱনৰ হকে মৰিবৰ হেতু প্ৰাণভৰা অভিলাষ।

ই যে মুক্ত জীৱন বন্ধন কৰা কঠোৰ বেথাৰ হান,
ই যে মানৱতা অৱমাননাকাৰীক মৰ্দিত কৰা ধ্যান।

ই যে শত আঘাতৰ ৰক্ত ধুউৱা শ্ৰাৱণৰ মহাবান,
ই যে মাতৃ আদেশ, সন্তান-প্ৰাণ দিবলকে বলিদান।

**অম্বিকাগিৰী ৰায়চৌধুৰী (১৮৮৫-১৯৬৭) ঃ** বৰপেটাৰ বিখ্যাত ৰায়চৌধুৰী পৰিয়ালত অম্বিকাগিৰী ৰায়চৌধুৰীৰ জন্ম হৈছিল। তেওঁ একাধাৰে কবি, গীতিকাৰ, নাট্যকাৰ, প্ৰবন্ধকাৰ আৰু সাংবাদিক। ভাৰতৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা ৰায়চৌধুৰীৰ কবিতা আৰু গীতত দুটি সুৰৰ প্ৰকাশ দেখা যায়। এটা হ'ল ৰহস্যবাদী প্ৰেমৰ সুৰ আৰু আনটো হ'ল গভীৰ স্বদেশপ্ৰেমৰ সুৰ। ৰায়চৌধুৰীৰ ভাষা আৰু ছন্দৰ এটা নিজস্ব বৈশিষ্ট্য আছে। তেওঁৰ প্ৰকাশিত কবিতাৰ পুথিসমূহ হ'ল 'বীণা', 'তুমি', 'অনুভূতি', 'বেদনাৰ উল্কা', 'বন্দো কি ছন্দেৰে' আৰু গীতৰ পুথি 'চেতনাৰ কণ্ঠ'। 'চেতনা' আৰু 'ডেকা অসম' নামৰ দুখন আলোচনীও তেওঁ সম্পাদনা কৰিছিল।

অসমৰ সাহিত্য জগতত অম্বিকাগিৰী ৰায়চৌধুৰীক 'অসম কেশৰী' হিচাপে জনা যায়। তেওঁ ১৯৫০ চনৰ একবিংশতিতম অসম সাহিত্য সভাৰ অধিৰেশনৰ সভাপতিৰ আসন অলংকৃত কৰিছিল। মৃত্যুৰ পিছত 'বেদনাৰ উল্কা'ৰ বাবে তেওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰে।

### কঠিন শব্দৰ অৰ্থ ঃ

অনল — জুই।
সুধা — অমৃত।
হলাহল — বৰচোকা বিষ (সমুদ্ৰ মন্থনত ওলোৱা বিষ)।
নিনাদ — শব্দ।
মৰ্দিত — যাক পিহন কৰা হৈছে।
শ্ৰাৱণ — শাওন।

### প্ৰশ্নাৱলী ঃ

১। কবিতাটোত প্ৰকাশ পোৱা দেশপ্ৰেমৰ আভাস দাঙি ধৰা।
২। 'ই যে মাতৃ আদেশ, সন্তান-প্ৰাণ দিবলকে বলিদান'
— কথাযাৰৰ ভিত্তিত কবিতাটিৰ সাৰমৰ্ম বুজাই লিখা।

# মোৰ গাঁও

## ডিম্বেশ্বৰ নেওগ

আজি এই যৌৱনৰ শেৱালি বনত পৰি
সুশীতল শেতেলিখনিত,
বনৰ ছাঁয়াৰ দৰে কত স্মৃতি আহে যায়
মনৰ মাজত মোৰ—
কত অশ্ৰু আনন্দজনিতহু
কমাৰফদিয়াহু এই সৰু গাঁওখনি মোৰ
ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাঙ্গৰণ;
ইয়াতে শৈশৱলীলা ইয়াতে এদিন মোৰ
কোনোবা শৰত ৰাতি—
যৌৱনৰ ধীৰ জাগৰণ।
দুটি চকু মেলিয়েই ইয়াতে পোনতে দেখোঁ
বিনন্দীয়া সৃষ্টিৰ পোহৰ,
ইয়াতে পোনতে ভাগে আৱেগৰ মূৰ মোৰ—
মোৰ আই, বাই, ভনী
সকলোটি কেনে হেঁপাহৰহু
লগৰ লগৰী স'তে ইয়াতেই পোনতেই
হইছিল হিয়া-দিয়া-দিই,
বুকুৰ বঙহে স'তে ডিঙিত সাবটি ধৰি
হায়, কত চেনেহেৰে—
হইছিল কথা কোৱাকুইহু
পুহৰ জাৰত থই গাৰ ছকঠীয়াখনি
মেজি-খৰি গোটালো কতনা;

পথাৰে পথাৰে লৰি গৰু-যুঁজ চাই চাই
কত ৰঙ লভিছিলো—
নাই আৰু আজি সেইদিনাহু
সৰু গাঁওখনিহু তোক কত ভাল পাইছিলোহু
ভাল পাওঁ আজি শতবাৰ;
মোৰ জন্ম-জন্মান্তৰ কত স্মৃতি আজিও যে
কত যে যতন কৰি—
আছ লই, যেন আপোনাৰহু
সেই যে অযুত কথা মোৰ হৃদি-শোণিতেৰে
ধুই ধুই নতুন নিতউ,
নতুন সি জোন-বেলি নতুন সি গছ লতা
সেই সকলোকে লই—
ন মোৰ শৈশৱ আকউহু
গহীন দিখউ নই আজিও বইছে ধীৰে—
কত দিন গইছে উকলিহু
মোৰ কত লগৰীৰ চিতাৰ জুইৰে হায়
এদিন ইয়াৰ পাৰ—
হই গ'ল ধুৰলী-কুঁৰলীহুহু
সেই গাঁও, সেই দিন গ'ল আজি সকলোটি
একেলগে সকলো হেৰাল;
আগৰ সকলো আছে তথাপিও কিবা যেন
কাঁহ পৰি জীন যোৱা—
সকলোটি নিমাত নিতালহু
ভাৱনা সবাহ পাতি ডেকা ল'ৰা সকলোটি
জুমে জুমে নুফুৰে বাটত,
চাপিলে বিহুৰ কাষ গাঁৱৰ গাভৰু-ডেকা
নহয় পুনৰ কিয়
মতলীয়া ঢোলৰ মাততহু
বিশ্বৰ সৌন্দৰ্য্য খনিহু জন্মভূমি তই মাথোঁ
এচমকা ব্ৰহ্মাণ্ডৰ হিয়া;



ওলায় চকুলো মোৰ দেখিলে আগত তোৰ
বুকুৰ সৌৰভ হতে
কাল আহি কাঢ়ি লৈ যোৱা।
আগৰ নিচিনাকই গঞাৰ মাজত আৰু
নাই সেই বান্ধ সমাজৰ,
মিলা-প্ৰীতি-একতাৰ জঁকা মাত্ৰ অৱশেষ—
কুৰ্চ্চুট কপট মাথোঁ
সকলোৰে ৰজা হৃদয়ৰ।
জাতীয় উছৱ আদি কোনো-ৰঙ ধেমালিতে
নাই প্ৰাণ আগৰ সিদৰে,
ধনকে মাথোন চিনি মৰম নিচিনা হ'ল
ধনেই কেৱল হ'ল
দয়া স্নেহ মূলতে সবাৰে।
তাৰ লগে লগে হায় দাৰিদ্ৰই বিন্ধিছেহি
খাবলই বছৰ জোৰাই
নাটে দেখি, লাহে লাহে এঘৰ-দুঘৰ কই
উঠি গই গঞালোক
ফুৰিছে'গে অনাই-বনাই।
হয়তো দুদিন পাছে এই গাঁও, এই বাৰী
গুচি হ'ব নতুন পাতনি;
তেতিয়া, তেতিয়া মোৰ এই গাঁও, এই স্বপ্ন
হব নেকি সঁচাকৈয়ে
সকলোটি এথানি-এবানিহু
চেহেনৰ গাঁও মোৰ যদি দুদিনীয়া হই
বহুদিন আছোঁ প্ৰবসুৱা,
ব্ৰহ্মাণ্ডত চালি-জাৰি ক'তো হ'লে পোৱা নাই
এদিনৰ কাৰণেও
সৰলতা আজি তেনেকুৱা।

**ডিম্বেশ্বৰ নেওগ (১৮৯৯—১৯৬৬) ঃ** 'ইন্দ্ৰধনু'ৰ কবি ডিম্বেশ্বৰ নেওগৰ জন্ম দিখৌ পাৰৰ কমাৰফদিয়া গাঁৱত। গোটেই জীৱন স্কুলৰ শিক্ষকতাৰ মাজেৰে সাহিত্য-চৰ্চা কৰি কেইবাটাও সুন্দৰ কবিতাৰ লগতে ভালেমান প্ৰবন্ধ, সমালোচনামূলক আৰু তথ্যপূৰ্ণ কিতাপ তেওঁ দি থৈ গৈছে। সাহিত্যৰ বুৰঞ্জী প্ৰণেতা হিচাপে নেওগ অসমীয়া সাহিত্যত বিখ্যাত হৈ ৰৈছে। তেওঁৰ আন আন ৰচনাসমূহ হ'ল— 'মালিকা', 'সঁফুৰা', 'থুপিতৰা', 'মালতী', 'ইন্দ্ৰধনু', 'দীপাৱলী', 'মুকুতা', 'কাব্য প্ৰতিভা' আদি। ইংৰাজী ভাষাতো তেওঁ কেইবাখনো আলোচনামূলক গ্ৰন্থ ৰচনা কৰিছে।

১৯৬৫ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ নলবাৰী অধিৱেশনত তেওঁ সভাপতিত্ব কৰিছিল।

### কঠিন শব্দৰ অৰ্থ ঃ

| | | |
|---|---|---|
| বিনন্দীয়া | — | অতি ধুনীয়া, আনন্দপূৰ্ণ। |
| বঙহ | — | বংশ, গোত্ৰ। |
| ছকঠীয়াখনি | — | গাত লোৱা আলোৱান। |
| জন্মান্তৰ | — | এই জন্মৰ আগৰ বা পাছৰ কোনো জন্ম। |
| কুৰ্চ্ছুট | — | হিংসা, কুটিলতা। |
| কপট | — | চাতুৰী, প্ৰতাৰণা, ছলনা, কৃত্ৰিমতা। |

### প্ৰশ্নাৱলী ঃ

১। 'মোৰ গাঁও' কবিতাটিত প্ৰকাশ পোৱা কবিৰ অতীত ৰোমন্থনৰ এটি বিৱৰণ দিয়া।
২। কবিয়ে কবিতাটিত কমাৰফদিয়া গাঁৱৰ কেনেধৰণৰ পৰিৱৰ্তন হোৱাৰ কথা উল্লেখ কৰিছে লিখা।
৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ
(ক) বিশ্বৰ সৌন্দৰ্য্য খনিহু জন্মভূমি তই মাথোঁ
এচমকা ব্ৰহ্মাণ্ডৰ হিয়া;

————

# কাঞ্চনজঙ্ঘাৰ বুৰঞ্জী

## জ্যোতিপ্ৰসাদ আগৰৱালা

(১)

মই কাঞ্চনজঙ্ঘা
তুষাৰ শুভ্ৰশিৰ
ময়ে অভ্ৰভেদী বীৰ,
মোৰ জটা ঝৰি ঝৰি
নিজৰি নিজৰি বয়
নিগৰি নিগৰি
অবিৰল কল্‌কল্।
শৈলজা পয়োধৰা
পিযুষ সলিলা
সুৰধনী গঙ্গা;
প্ৰথমৰ
প্ৰভাতৰ
অৰুণৰ জ্যোতি,
অঙ্গনৃ জুৰি মোৰ
আলোক-নৃত্য কৰি।
বিয়পাই বিশ্বত ৰঞ্জন দ্যুতি।
মোৰে আশেপাশে গায়
কিন্নৰী বালিকাই
আলোক-বোধন মহাগীত,
সন্ধিয়াই সন্ধিয়াই
বেলি-বিদায় গানে
দিগন্ত কৰে মুখৰিত।

উদয় আৰু অস্তৰ
বৰ্ণ-বৈচিত্ৰ্যৰ,
ছয়ামায়া কাচোনৰে কাচে
প্ৰহেলিকাময়ী সম নাচে
কুটজ কুসুমৰ
লগে লগে
লাখে লাখে
মৃদু মৃদু কম্পিত সমীৰণছন্দা
শৈলবালা দলে কস্তুৰীগন্ধা।

(২)

অতীতৰো অতীতৰ
যি মহাঅতীতে
বৰ্ত্তমান ভেদি
ভৱিষ্যতলৈ যায়,
মোৰে জুহালতে বহি
বুৰঞ্জীৰ পাত লুটিয়াই
ভৱিষ্যতৰ কথা কয়
কল্পনা-লঞ্জা
শুনো বহি বহি মই কাঞ্চনজঙঘা।
ভাৰতবৰ্ষ
দেখি-শুনি জাগে মোৰ
বিষাদতো হৰ্ষ।
প্ৰকৃতিৰ অভিনয় মানপী পুতলা
আহিল, উঠিল গ'ল
পাতি পাতি বিচিত্ৰ মেলা,
হাঁহি আৰু কান্দোনৰ
নৱ নৱ খেলা।
ৰূপান্তৰেদি আহি
বৰণ সলাই হাঁহি



মানপীয়ে নাচে এই ভাৰতৰ মঞ্চত।
যুগ কাল বাজনাৰে কৰি লৈ সঙ্গত।
পিন্ধি পিন্ধি সভ্যতাৰ
নতুন মেখেলা,
নাচি নাচি উৰুৱায়
সোণোৱালী ধূলা।
সেই ধূলিৰেই ঢাক খায়
ধূলিতেই জহি যায়
পুৰণিভঙ্গা,
পুনু ধূলিৰেই পৰা
ৰূপ লৈ জাগে এক
নৱযুগ অঙ্গা,
অহৰহ আছে বৈ,
সুৰধনীগঙ্গা,
ময়ো উদাসী আছোঁ
কাঞ্চনজঙ্ঘা।

**জ্যোতিপ্ৰসাদ আগৰৱালা ঃ** ১৯০৩ চনত ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিছাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হয়। উচ্চ শিক্ষা লাভৰ বাবে ১৯২৬ চনত তেওঁ ইংলণ্ডলৈ যায়। কিন্তু কোনো ডিগ্ৰী নোলোৱাকৈ তেওঁ তাৰ পৰা উভতি আহি জাৰ্মানীলৈ যায়। তাত তেওঁ ফিল্ম প্ৰযোজনা আৰু পৰিচালনা বিষয়ত প্ৰশিক্ষণ লয়। ১৯৪২ চনৰ গণ-আন্দোলনত তেওঁ সক্ৰিয়ভাৱে যোগদান কৰে আৰু ইয়াৰ বাবে তেওঁ কিছুকাল আত্মগোপন কৰিবলগীয়াও হয়। ১৯৫১ চনত দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ তেওঁ ইহলীলা সম্বৰণ কৰে।

অসমীয়া সাহিত্য-সংস্কৃতিলৈ জ্যোতিপ্ৰসাদৰ দান বহুমুখী। তেওঁ নাট্যকাৰ, কবি, গীতিকাৰ আৰু প্ৰবন্ধকাৰ। নাট্যকাৰ হিচাপে তেওঁৰ প্ৰতিভা বিকশিত হয় তেনেই কম বয়সত। 'শোণিত কুঁৱৰী', 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম', 'নিমাতী কইনা', 'সোণ-পখিলী', 'লভিতা', 'খনিকৰ', 'কনকলতা' আৰু 'সুন্দৰ কোঁৱৰ'— এই কেইখন নাট আগৰৱালাই ৰচনা কৰে।

অসমীয়া সংস্কৃতিৰ পূজাৰী জ্যোতিপ্ৰসাদে ১৯৩৫ চনত জয়মতী আৰু ১৯৩৯ চনত 'ইন্দ্ৰমালতী' নামৰ দুখন কথাছবি নিৰ্মাণ কৰে।

এই কবিতাটিৰ প্ৰথম স্তৱকত মহাদেৱৰ গুণ আৰু কাৰ্য কাঞ্চনজঙঘাত আৰোপ কৰি পৰৱৰ্তী স্তৱকত ভাৰতবৰ্ষৰ অতীত বৰ্তমানৰ স্বৰূপ দাঙি ধৰি কাঞ্চনজঙঘাক এই সকলোবোৰ ঘটনাৰ সাক্ষীৰূপে দেখুওৱা হৈছে। যুগৰ পৰিৱৰ্তনে ভাৰতবৰ্ষৰ স্বৰূপ সলনি কৰিলেও, সভ্যতাৰ পথত ধাৱমান হ'লেও অতীত আৰু বৰ্তমানৰ নিচিনাকৈ হয়তো ভৱিষ্যতেও সুৰধনী গংগা বৈ থকাৰ দৰেই কাঞ্চনজঙঘাও বৈ থাকিব।

## কঠিন শব্দৰ অৰ্থ আৰু টোকা ঃ

| | | |
|---|---|---|
| তুষাৰ | — | বৰফ। |
| অভ্ৰভেদী | — | আকাশলংঘা। |
| শৈলজা | — | পৰ্বতত জন্ম হোৱা, পাৰ্বতী। |
| পয়োধৰা | — | মেঘ, ডাৱৰ, স্তন। |
| পিযুষ | — | মধু, মৌ। |
| সলিলা | — | নদী। |
| সুৰধনী | — | কলকল শব্দৰে প্ৰবাহিত নদীৰ জলধাৰা, য'ত সংগীতৰ সুৰ অনুৰণিত হয়। |
| অন্বনৃ | — | সম্পূৰ্ণ দেহ জুৰি অৰ্থাৎ সমগ্ৰ কাঞ্চনজঙ্ঘা জুৰি। |
| ৰঞ্জন | — | ৰং লগোৱা কাৰ্য, আনন্দ দান। |
| দ্যুতি | — | উজ্জ্বলতা। |
| কিন্নৰী | — | স্বৰ্গত নৃত্য কৰা অপ্সৰী। |
| আলোক বোধন | — | পোহৰক আহ্বান জনোৱা। |
| কুটজ | — | দৰৱত লগা এবিধ সৰু ফুল ধৰা গছ, গিৰিমল্লিকা ফুল আৰু তাৰ গছ। |
| কুসুম | — | ফুল। |
| সমীৰণছন্দা | — | মৃদু বতাহ। |
| শৈলবালা | — | পৰ্বত-কন্যা, পাৰ্বতী। |
| কস্তুৰীগন্ধা | — | গান্ধকলাই, মৃগনাভি, কস্তুৰী পহুৰ নাভিৰ পৰা উৎপন্ন হোৱা এবিধ সুগন্ধী বস্তু, সুন্দৰ গোন্ধ। |
| মানপী | — | মানৱতা, মানৱত্ব, মানুহৰ গুণ, ধৰ্ম। |



## প্ৰশ্নাৱলী ঃ

১। মহাদেৱৰ গুণ আৰু কাৰ্য কাঞ্চনজঙ্ঘাত কিয় আৰোপ কৰা হৈছে?
২। কাঞ্চনজঙ্ঘাক ভাৰতবৰ্ষৰ অতীত বৰ্তমানৰ সাক্ষী কিয় কৰা হৈছে?
৩। 'মানুহক প্ৰকৃতিৰ অভিনয় পুতলা' বুলি কিয় কৈছে?
৪। প্ৰাচীন আৰু নতুন ভাৰতৰ ছবি কবিয়ে কেনেদৰে কবিতাটিত দাঙি ধৰিছে?

———————

# অন্বেষণ

## সীতানাথ ব্ৰহ্মচৌধুৰী

নিজ মনে গাই গাই বিৰহৰ কৰুণ সঙ্গীত
সমস্ত জগত ঘূৰি নিজ মনে ফুৰিছোঁ বিচাৰি,
ক'তা সি প্ৰেমৰ ৰাণী, নিৰুপমা সৌন্দৰ্য্য-প্ৰতিমা,
মোৰ পূৰ্ব জনমৰ যৌৱনৰ প্ৰথম লহৰীহু

ক'তা সি লাহৰী মোৰ, যাৰ সেই লৱণু দেহাত
সহস্ৰ বসন্ত নাচে, হালি-জালি ফুলে যত ফুল,
প্ৰেম ভৰা এটি চুমা, এটি মাত্ৰ আলিঙ্গনে যাৰ
উন্মত্ত যৌৱন আনি কৰি দিয়ে অধীৰ আকুল।

মোৰ পূৰ্ব জনমৰ জীৱনৰ সন্ধিয়া পৰত
চকুৰ পানীৰে ক'ত দুজনাৰ স'তে এৰা-এৰি;
ই জন্মত ক'ত আছে, কেনে আছে, কোনে জানে হায়,
তথাপি হিয়াই খোজে হৃদয়ৰ একান্ত লগৰীহু

বিৰহ-কাতৰ মই, বিৰহত মৰোঁ দেই-পুৰি,
অ' মোৰ প্ৰাণৰ প্ৰিয়া, ক'ত যাম তোমাক বিচাৰি।

**সীতানাথ ব্ৰহ্মচৌধুৰী ঃ** ১৯০৮ চনত গোৱালপাৰাৰ ভালুকমাৰীত সীতানাথ ব্ৰহ্মচৌধুৰীৰ জন্ম হয়। পুঠিমাৰী মাইনৰ স্কুলত বিদ্যা-শিক্ষা আৰম্ভ কৰি ব্ৰহ্মচৌধুৰীয়ে ১৯৩০ চনত শিৱসাগৰ হাইস্কুলৰ পৰা প্ৰৱেশিকা পাছ কৰে। ১৯৩৬ চনত তেওঁ বি এ ডিগ্ৰী লাভ কৰে।

সীতানাথ ব্ৰহ্মচৌধুৰী ৰোমাণ্টিক কবিসকলৰ ভিতৰৰে এজন উল্লেখযোগ্য কবি। নিচেই শিশুকালতেই তেওঁৰ কাব্য প্ৰতিভাই প্ৰকাশৰ বাট বিচাৰি লয়। তেওঁৰ কাব্যকৃতিৰ ভিতৰত



উল্লেখযোগ্য হ'ল 'কমলকলি'। 'আৱেগ', 'চকুলো' আৰু 'ফুলেশ্বৰী দৈমাৰী' তেওঁৰ আন তিনিখন কবিতাৰ পুথি। 'গাঁও সংগঠন' নামৰ তেওঁ আন এখন গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। ৰোমাণ্টিক ভাবাদৰ্শ, প্ৰেম আৰু সৌন্দৰ্যৰ প্ৰকাশ ঘটিছে ব্ৰহ্মচৌধুৰীৰ কবিতাত। তেওঁৰ কাব্যৰ সুৰ কোমল আৰু নিৰহ-নিপানী। অসম সাহিত্য সভাৰ তিনিচুকীয়া আৰু ডিফু অধিৱেশনৰ সভাপতি ব্ৰহ্মচৌধুৰীৰ ১৯৮২ চনত মৃত্যু হয়।

### কঠিন শব্দৰ অৰ্থ ঃ

নিৰুপমা — অতুলনীয়।
লৱণু — মাখন।

### প্ৰশ্নাৱলী ঃ

১। কবি পৰিচয়সহ কবিতাটিৰ সাৰাংশ লিখা।
২। কবিৰ বিৰহৰ কাৰণ কবিতাটিৰ মাজেৰে কেনেদৰে প্ৰকাশ পাইছে লিখা।

————

দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ বাবে

# নিৰ্বাচিত গদ্যসমূহ

# বুৰঞ্জীৰ দৌৰাত্ম্য

## লক্ষ্মীনাথ বেজবৰুৱা

আজি মোৰ ভাবৰ বুৰবুৰণিৰ নাম বুৰঞ্জীৰ দৌৰাত্ম্যৰ বুৰবুৰণি। বুৰঞ্জীৰ বুৰবুৰণিৰ ওপৰত উঠি ভৱনদী পাৰ হ'বলৈ যোৱা বুৰঞ্জীবিদ পিত্ পিতসকলে আশাকৰোঁ, মোৰ দোষাদোষ মৰিষণ কৰিব।

বহুকাল ধৰি মোৰ মনত খেলাই আহিছে যে ভাৰতবৰ্ষৰ ঋষি-মুনি পণ্ডিতসকলে আজিকালি যাক আমি বুৰঞ্জী বোলোঁহক, তেনে বুৰঞ্জী বা ইতিহাস ৰচনা কৰা নাছিল কিয়? তেওঁলোকে বেদ, বেদান্ত, ষড়দৰ্শন, জ্যোতিৰ্বিদ্যা, আয়ুৰ্বেদ, ৰসায়ন আদি জ্ঞান-বিজ্ঞানৰ গ্ৰন্থ আৰু আধ্যাত্মিক বিদ্যাৰ গ্ৰন্থ লেখি মূধা ফুটাই গ'ল। ন্যায়, নীতি, পুৰাণ, সংহিতা গ্ৰন্থৰ তেওঁলোকৰ হাতত উজান উঠিল, অথচ প্ৰচলিত ৰীতিমতে বুৰঞ্জী ৰচনা কৰি ল'বলৈহে তেওঁলোকৰ বিদ্যাৰ নাটনি পৰিল? ধনুৰ্বিদ্যা, নৃত্য, গীত প্ৰভৃতি চৌষষ্ঠি কলাত পকা পকা পুথি তেওঁলোকে দকচি লেখিলে আৰু সেইবোৰৰ শিক্ষা ছাত্ৰক উৰাই-ঘূৰাই দিলে। যোগীজনসুলভ যোগ-দৃষ্টিৰে তেওঁলোকে ভূত-ভৱিষ্যৎ-বৰ্তমান সকলোবোৰ দেখিলে। ভৱিষ্য-পুৰাণ পৰ্যন্ত খনে খনে লেখিলে, কিন্তু কাশীনাথ ফুকন আৰু হৰকান্ত সদৰামিনৰ বুৰঞ্জীৰ নিচিনা নাইবা ইংৰাজ-ফ্ৰেঞ্চ-জাৰ্মান 'হিষ্টৰি' প্ৰণেতাসকলৰ নিচিনাকৈ ইতিহাসৰ কিতাপ খনদিয়েক লেখিবৰ বেলিকাহে তেওঁলোকৰ কেনা লাগিল? বাপুহেহ্লু অন্ততঃ চকুৰ বেমাৰত চকুত বাটি দিবলৈকে খোৰা বুৰঞ্জী এখন লেখি থৈ যা। কিয় তেওঁলোক এই বিষয়ত নিবোকা চামোন হৈছিল? মচুলুকা নোলোৱাকৈ কথাষাৰ এৰি দিবকে নোৱাৰি; সি এনে 'ল আৰু অৰ্ডাৰ' সম্বলিত ব্যাপাৰ।

অভাৰতীয় বিদেশীয়ে কথন-মথন কৰে, যে ভাৰতীয়সকলৰ Historical Sense অৰ্থাৎ বুৰঞ্জী জ্ঞানৰ অভাৱ। কথাষাৰ সঁচানে? আমাৰ ৰঙাই, বগাই, বাতিয়া, কাতিয়া নামৰ বুৰঞ্জীবিদ ককাইহঁতে কি কয়? আমাৰ ইংৰাজীত পণ্ডিত ঐতিহাসিকসকলৰেই বা কি অভিমত?

মোৰ প্ৰশ্নটোৰ ভিতৰত, মই হেলাৰঙেই হওক বা 'সহজে ৰাম তুমি কৰুণা



সাগৰ' বুলি ভাবিয়েই হওক, জীৱন-চৰিত, ধৰ্মগুৰু আৰু সম্প্ৰদায়ৰ বৃত্তান্ত, সমাজৰ বিৱৰণ, ধৰ্মগুৰু আৰু কৰ্ম-গুৰুসকলৰ চৰিত্ৰপুথিকো সুমাই লৈ এই দলিটো মাৰিলোঁ। পণ্ডিতাগ্ৰগণ্যসকলৰ পৰা উত্তৰলৈ হাত পাতি ৰ'লোঁ।

মোৰ মৃগনেত্ৰ সদৃশ জীৱনত আমাৰ পণ্ডিতসকলৰ হিচাপ মতে 'ক' বুলিব পাৰিলোঁ বা নোৱাৰিলোঁ, কিন্তু পুৰাণ, ভাৰত আৰু বুৰঞ্জী ইতিহাসৰ ৰত্নাৱলী অনেক পঢ়িছিলোঁ। এই পঠনৰ শেহ ফল কি পালোঁ, তোমাক মোৰ হৃদয়ৰ কথা ভাঙি ক'ব লাগিলে কওঁ যে পুৰাণবোৰ ভঙুৱাৰ গল্প, কানীয়াৰ কীৰ্তন নাইবা মতলীয়াৰ অপলাপ বা প্ৰলাপ যেন মোৰ নালাগিল আৰু ভৱিষ্যতত লাগিবৰো আগন্তুক নাই। বৰং থাকি থাকি মোৰ মনত বিশ্বাসৰ কৰাল ডাঠকৈ বান্ধিছে যে পুৰাণবোৰ আধ্যাত্মিক জীৱনৰ অমূল্য ইতিহাস আৰু অক্ষয় অব্যয় সেই বাঞ্ছিতৰ জীৱনৰ বুৰঞ্জী। অৱশ্যে বজাৰত চলা ঐতিহাসিক পণ্ডিতসকলে মোৰ কথাষাৰ টিলিকি মাৰি উৰালেও মোৰ আপচোচ্ নাই, কাৰণ ইতিহাস, বুৰঞ্জী আৰু 'হিষ্টৰি'ৰ নৰকলেৰৰ তেওঁলোকৰ তেজ-মঙহৰ সৈতে মিহলি হৈ গৈছে। তেওঁলোকে লাংপুং ৰচিত বুৰঞ্জী, ৰবিন্সন প্ৰণীত হিষ্টৰি, মঞ্জুপ ভণিত 'একচন্দ্ৰ স্তমোহন্তি'' বুৰঞ্জীকহে বৰ বুৰন্জি বোলে, তাত মোৰ খুকুৰি নাই। যাওক ববৰৰুৱা কৃপাবৰে কৃষি-কাৰ্য কৰিবলৈ মনস্থ কৰি আঁঠুমূৰীয়া চুৰিয়া পিন্ধি হাতত হালোৱাৰ এচাৰি লৈ হাল বোৱাৰে পৰা আৰম্ভ কৰি জবকাৰে জাবৰ টানি, বোকাত ভুঁই ৰুই খেতি কৰি পালে এবিধ আনন্দৰ শইচ, যাৰ বৰ্ণনা মহাপুৰুষে ঘোষাত দিছে—

কৃষ্ হেন শব্দ ইটো পৃথিৱীবাচক ভৈল
'ণ' আনন্দত প্ৰৱৰ্তয়।
দুইৰো এক পদ ভৈলে পৰম ব্ৰহ্মৰূপ কৃষ্ণ
নাম আনন্দক মাত্ৰ কয়।।

সেইদেখি পুৰাণ পাঠ কৰি এই কিৰিষি কৰোঁতা হালোৱাই হেলাতে মানপী জীৱন কটালে বুলি বেজাৰ নকৰে। তেওঁ পালে গছীধান, গুটিধান আৰু সেইবোৰৰ মেটমৰা ভাৰ বান্ধি আনি তেওঁৰ ভঁৰালত সুমালে। হিষ্টৰি আৰু বুৰঞ্জীৰ পাখি লগা ফচহু ধান তেওঁৰ কপালত নুঠিল। সেইবাবে তেওঁৰ একো হোৱা নাই যদি নাই। অনুশোচনাও নাই।

মুঠতে কওঁ, আগৰকলীয়া জ্ঞানীসকলে আমাক যিহকে লাগে তাকে দি গৈছিল। সেই শইচ আমি দাই, চপাই ডাঙৰি বান্ধি কঢ়িয়াই ভঁৰালত ভৰাব পাৰিলেই বৰ্তিলোঁহক। পুৰাণক তুমি কল্পতৰু বুলিব খুজিলে সি কল্পতৰুৰেই। লোকে পুৰাণক কল্পতৰু

নুবুলি কেলেপ্‌তৰু বুলিলেও মই আপত্তি নকৰোঁ; কিয়নো, চৰকাৰৰ ঘৰৰ কাছাৰীতো কেলেপ্ তৰু (কলেকটৰি) হাকিম আৰু চিৰস্তাদাৰলৈকো একোখন চকী ৰখা হৈছে। এতেকে হে ভদ্ৰলোক মহোদয় আৰু মহোদয়াসকলহঁ ভাবক আপোনালোকে যিহকে মন যায় ভাবক। মোৰ এই গেন্ধেলা মুখৰ পৰা ওলোৱা গেন্ধেলা কথা এযাৰ নাপাহৰিব যে পুৰাণ is a mine of wealth অৰ্থাৎ ৰত্নৰ ভাণ্ডাৰ। অৱশ্যে ৰত্ন চিনি নোপোৱা হনুমন্তৰ নিমিত্তে সি অকিঞ্চিৎকৰ পাথৰ। তেনেজনে তাক দাঁতেৰে বা পটাগুটিৰে যি ব্যৱস্থা হয় কৰক। আমাৰ সেই কাৰ্যত ৰাম-বিষ্ণু বা আল্লা-খোদা বুলিবলৈ একোকে নাই।

সাধাৰণতঃ পুৰাণৰ লক্ষণ পাঁচোটা। শ্ৰীমদ্ভাগৱত পুৰাণৰ লক্ষণ দহোটা। আজিৰ হিচাপ মতে পুৰাণ বুৰঞ্জী নহয় সঁচা, কিন্তু সকলোবোৰ লাগতিয়াল সংবাদৰ সি ৰহঘৰা। সেই সংবাদ ধৰ্ম আৰু ধৰ্ম সম্পৰ্কীয় কৰ্ম, আধ্যাত্মিক উন্নতি পৰকালৰ মহাবিত্ত লভি সংসাৰৰ কৰ্ম-বন্ধনৰ পৰা মুক্তি পাই বিষ্ণুৰ পৰমপদ লভিবৰ সংবাদ, যি পদ "তদ্বিষ্ণোঃ পৰমংপদঃ যদা পশ্যন্তিসুৰয়ঃ দিবীব চক্ষুৰাততং।"

আকৌ কওঁ পুৰাণ Secular purpose অৰ্থাৎ পাৰ্থিৱ সম্পৰ্ককে মুখ্য উদ্দেশ্য কৰি লিখিত নহয়। পৰমপদ লভিবৰ নিমিত্তে উদাহৰণ, আৰ্হি, উপাখ্যান, ৰূপক, নীতি আৰু সজ উপদেশ প্ৰভৃতি যি যি বস্তুত আৱশ্যক তাৰ উজু বৰ্ণনা আৰু সেই সম্পৰ্কতে ইতিহাস, ভূগোল, বংশাৱলী ইত্যাদিৰ উত্থাপন আৰু পুণ্যশ্লোক ভগৱন্তৰ গুণানুকীৰ্তনৰ অৰ্থে ঈশ্বৰপৰায়ণ সাধুসকলৰ চৰিত্ৰ আৰু কাৰ্যকলাপৰ বিৱৰণ। ঈশ্বৰৰ গুণ-চৰিত্ৰৰে সৈতে সম্পৰ্কবিৰহিত অকল মানুহৰ কাৰ্য-কলাপ, যুদ্ধ-বিগ্ৰহ, তাৰ বাৰ তাৰিখ, কোনো লোকৰ জীৱন চৰিত, ইত্যাদি পদাৰ্থ পুৰণি ঋষি-মুনিসকলে লিপিবদ্ধ নকৰিছিল, কিয়? কাৰণ, তেওঁলোকৰ হিচাপত সেইবোৰ অপদাৰ্থ আৰু অসাৰ্থক আৰু ঘাইকৈ পক্ষপাত দোষত ঘোৰ দোষী হ'বৰ সম্ভৱ দেখি। এপক্ষৰ যুদ্ধৰ কাহিনী বিপক্ষৰ লেখকে লেখিলেই তাত পোন্ধৰ অনা তিনি পইচা অসত্য সোমায়। এপক্ষৰ বীৰৰ বীৰ্যৰ বুৰঞ্জী আন পক্ষৰ লেখকৰ কলমৰ খোচত বিপৰ্যয়গ্ৰস্ত হৈ ওলোটা আকাৰত পৰিণত হয়। উদাহৰণস্বৰূপে, ইংৰাজ লেখকে লেখা মহাবীৰ নেপোলিয়ন বোনাপাৰ্টৰ জীৱন চৰিত। আগলৈ আগবাঢ়ি নগৈ সিদিনাৰ মহাযুদ্ধলৈকে চকু দিয়া। তাৰ বিৱৰণ ইংৰাজ লেখকেও লেখিছে আৰু জাৰ্মান লেখকেও লেখিছে। কিন্তু দুইফলীয়া বিৱৰণ দুটা মিলাই চোৱা— দেখিবা এটি অশ্ব, সিটি মহিষ। এটি ছেণ্ট পল, সিটি ৰবিন হুদ। এটি শূৰ্পনখা, সিটি ভাই লক্ষ্মণ। এটি কেঁচা কল আৰু সিটি এদা। নিজৰ পোটো অঘাইটং হ'লেও মাকৰ চকুত সি সোণামুৰা, আৰু পৰৰ পোহে



লাঠুৰা জহনীত যোৱা। ধৰ্ম-সংস্থাপক আৰু ধৰ্মগুৰুসকলৰ চৰিত্ৰ আৰু তেওঁলোকৰ প্ৰচাৰিত ধৰ্মৰ বৃত্তান্তলৈকে, তোমাৰ মন যায় যদি মন কৰা। পাবা এই কথা যে মোৰ গুৰুজনা বৈকুণ্ঠৰ পৰা সোঁশৰীৰে সোণৰ জখলাইদি নামি আহিছে আৰু তোমাৰজনা বাঁহতলৰ খালত থকা এডোঙা পানীৰ পৰা পূৰ্বাকায় পৰিত্যাগ কৰি জঁপিয়াই পাৰত উঠা ভেকুলীৰ পোৱালী। মোৰ গুৰুজনাহে তোমাৰ পথপ্ৰদৰ্শক। তোমাৰজনা তেওঁৰ পাছে পাছে কমলি ধৰি যোৱা লেমটৌ। মোৰ অৱলম্বিত ধৰ্ম সত্যৰ দানা বন্ধা মিছিৰি, তোমাৰ ধৰ্ম নাক জনজনাই যোৱা পানী কাহুদী। এনে কথা, এনে বতৰা। এই পচা পৃথিৱীত এনেবোৰ প্ৰয়াস কৰিবলৈ কোনেও নেৰে, আৰু ভৱিষ্যততো এৰিবৰ আশা নাই; কাৰণ মানুহৰ স্বভাৱেই এনে, নতুবা এই পৃথিৱীখনেই স্বৰ্গৰাজ্যত পৰিণত হ'লহেঁতেন। নোহোৱালৈকে গলিয়াগলি চুলিয়াচুলি এই পৃথিৱীৰ পৰা নাযায়। সেইদেখি আমাৰ পৰম জ্ঞানী ঋষি-মুনিসকলে তেনে অসাৰ্থক মূল বুৰঞ্জী আৰু ইতিহাসত হাত নিদি সেইবোৰ কটা-ছিঙাকৈ এৰি গৈছে। তেওঁলোকৰ বিদ্যা-বুদ্ধিজ্ঞানে সেই বুদ্ধিটো ঢুকি নোপোৱাটো বা তেনে গ্ৰন্থ প্ৰণয়ন কৰিবলৈ তেওঁলোকৰ মনত নেখেলোৱাটো অলীক সপোন মাথোন। বংশাৱলী লেখোঁতাই তেওঁৰ গুৰুক কৃষ্ণৰ অৱতাৰ পাতে। লোকৰ জনক সেইজনৰ লগুৱা পাতে। এইবোৰ বিক্‌চিনা লগা কথা নহয় জানো? নিজক সাধু-মহন্ত বোলাওঁতাসকলে মুখেৰে গীতা-ভাগৱত মাতি সত্যৰ গুৰি ধৰোঁতা হে, কাৰ্যত সেইবোৰ 'সোপায়ং নমঃ' কৰি মিছাৰ বহ্নিত আহুতি দিয়ে। দিনৌ তেওঁলোক 'গালে নাম, গ'ল উৰি, তাৰ কি আছে আগ-গুৰি' হয়। আত্মজীৱনী লেখকে নিজক কলিকতাৰ পথাৰৰ মাজত থকা অক্টৰলনি মনুমেণ্টটো কৰি, ওচৰচুবুৰীয়া গৃহ আৰু গৃহবাসীক পৰুৱা আৰু উঁই-হাঁফলু যেনকৈ দেখে। এনে বুৰঞ্জী, এনে আত্মজীৱনী কি পদাৰ্থ আৰু তাৰ বেচ কি এই কথা মোক কোনেও বুজাই নিদিলেও মোৰ বুজাৰ ওপৰত ব্যাঘাত নঘটে। এতেকে এনে জাতৰ বস্তুত পুৰণি জ্ঞানীসকলৰ বিৰাগ থকাটো আশ্চৰ্য কি?

অসমীয়া বুৰঞ্জী নিশ্চয় আহোমসকলৰ দান। তেওঁলোকৰ তেনে অভ্যাস বা বুৰঞ্জী Sense বংশ আৰু জন্মগত। অনা-আহোমসকলৰ তেওঁলোক শিক্ষাগুৰু। যদিও আগৰ কালত অসমত ছাপাখানা নাছিল, ছপা কৰি কিতাপ বা পুথিখন গপ্‌গপীয়া কৰি ল'বৰ জ্ঞান অসমীয়াৰ নাছিল, তথাপি আহোমৰে হওক বা আনৰে হওক, অসমত নামজ্বলা বংশ বা ফৈদ এনে এটা নাছিল যাৰ ভিতৰৰ মুখিয়ালসকলে নিজৰ বংশৰ বা ফৈদৰ বুৰঞ্জী একোখন লেখি নিজৰ ঘৰত নথৈছিল। ফলত 'A lion is painting himself' হৈ অসমক বুৰঞ্জীৰ কাঠফুলাৰে ঢাকি পেলোৱা যেন হৈ

পৰিছিল। সেয়ে বুৰঞ্জীবোৰৰ হাড়-হিমজু হৈছিল। মুঠতে মুখ্য মুখ্য কিছুমান সৰ্ববাদীসন্মত কথাৰ বাহিৰে স্ববংশ আৰু স্বজনৰ জয়জয়কাৰ, আৰাও আৰু যাক ভালপোৱা নাযায় তাৰ কলংক আৰু অধঃপতনৰ ঠেলা। সেই কাৰণে কিছুমান বুৰঞ্জী জুইত পুৰি পেলাইছিল। জুয়ে কেঁচা-পকা দুইবিধ পোৱাৰ দৰে, অৱশ্যে সেই জুইত দুখন দহখন ভাল বুৰঞ্জীও যে ছাই হৈছিল তাত ভুল নাই। কিন্তু সেইটো এৰাব নোৱৰা উপসৰ্গ। কোনো বিষম ৰোগত অস্ত্ৰ-চিকিৎসা কৰিবলৈ হ'লে গেলাৰ লগত কেঁচা মঙহ আৰু পুঁজৰ লগত কেঁচা তেজো যায়; সেইবুলি অস্ত্ৰ-চিকিৎসা নকৰি থাকিলে ৰোগীৰ অনিবাৰ্য মৃত্যু।

অনেকে বুৰঞ্জী লেখিবলৈ গৈ অজ্ঞাতসাৰে অসত্য কথাকো লিপিবদ্ধ কৰে; কাৰণ তেওঁৰ Angle of vision অৰ্থাৎ চকুত যি পৰে বা আনৰ পৰা যি শুনে, তাকে তেওঁ লেখে। তেওঁ মিছলীয়া নহ'লেও সৰবজান নহয়। কণাই হাতী দেখা সাধুটোৰ উৎপত্তিও এই বাবেই।

বিদেশী ভৰত-বুৰঞ্জী লেখকৰ চকুৰে চাই হিন্দুৱে কোনো কোনো মুছলমান নবাব বাদছাহৰ বিষয়ে এনে বিভীষণ ধাৰণা কৰি লৈছে, দেখিলে দুখ লাগে। উদাহৰণস্বৰূপে, বঙ্গৰ নবাব ছিৰাজ-উদ্দৌলা আৰু দিল্লীৰ সম্ৰাট ঔৰংজেব। আজিকালি অনেকৰ আচল সত্যৰ ফালে চকু মুকলি হৈছে যদিও আৰু অনেক বাকী।

'ধৰ্মস্য তত্ত্বং নিহিতং গুহায়াং' এই সত্য কথাষাৰ অমূল্য। বুৰঞ্জীৰ প্ৰকৃত সত্য কথাৰ তত্ত্বও সাত হাত পানীৰ তলত। পানীৰ ওপৰত ফৰ্ফৰায়তে কৰি ফুৰা শফৰী ধৰিবলৈ বিচাৰি ফুৰোঁতাসকলে অগাধ জল-সঞ্চাৰী ৰোহিতক ধৰিব নোৱাৰে। সিফালে তেওঁ যিমানকে বুৰ্ বুৰন্‌জীবিদ্ হৈ পিত্‌পিতাই ফুৰক। ছপা কৰা শফৰী বুৰঞ্জীৰ পাত দুটা মেলি পঢ়িয়েই অনেকে অনেক বিচক্ষণ জ্ঞানী লোকৰ মাজত ধাৰাবাহিকৰূপে প্ৰচলিত আৰু আদৃত কথাকে অপলাপ বুলি ঢোল-খোল, মৃদং বজাই নচাটো ফেকুন্দা কাৰ্য।

পাহৰিলে নচলিব যে বুৰঞ্জীবিহীন প্ৰাচীন আৰ্য হিন্দু জাতি আজিলৈকে জীয়াই আছে, লেলায়েই হওক বা ধেন্দায়েই হওক। কিন্তু বুৰঞ্জীৰ বোজাৰে কঁকাল বেঁকা অনেক প্ৰাচ্য আৰু পাশ্চাত্য জাতিয়ে পৃথিবীৰ মানচিত্ৰ এৰি স্বৰ্গাৰোহণ কৰিলে। আজিৰ ভাৰতীয়ই পশ্চিমৰ সকলো বিষয়কে বাছ-বিচাৰ নকৰি অনুকৰণ কৰাৰ ফল, নিজৰ ভিতৰত হুলস্থুল। অনুকৰণৰ বঢ়াবঢ়ি আমাৰ নিপাত। পশ্চিমত নিৰ্বাণ নামৰ অৰ্ধোদয় যোগ থাকিলেও পশ্চিমীয়াৰ গাত ইমান প্ৰাণ, মূৰত ইমান বুদ্ধিৰ বল আছে যে তেওঁলোক বাগৰি গৈও খাবৈৰ পাৰতে খুঁটি পুতি ৰ'ব পৰা ফাকতি তেওঁলোকৰ



গাত আছে। আমাৰ আছে মাথোন মুখত ইংৰাজী মাত, মূৰত হেট, গাত কোট আৰু হাতত বেত। সিফালে আছে গাত ছাল-বাকলি।

**লক্ষ্মীনাথ বেজবৰুৱা ঃ** (১৮৬৪-১৯৩৮ খ্ৰীঃ) জোনাকী যুগৰ বিখ্যাত ত্ৰিমূৰ্তিৰ অন্যতম। হাস্যৰস সৃষ্টিত তেওঁ অসমীয়া সাহিত্যত অপ্ৰতিদ্বন্দ্বী হৈ আছে। সেই কাৰণে তেওঁ 'ৰসৰাজ' উপাধিৰে বিভূষিত হৈছে। আধুনিক অসমীয়া সাহিত্যৰ প্ৰতিটো শাখাতে সাহিত্য ৰচনা কৰি বাট পোনোৱা কাৰণে অসমীয়াৰ মাজত তেওঁ 'সাহিত্যৰথী' ৰূপে সমাদৃত। বেজবৰুৱা অসমীয়া চুটিগল্পৰ বাটকটীয়া। তেওঁ ৰচনা কৰা উপন্যাস— 'পদুম কুঁৱৰী'; গল্পৰ পুথি— 'সুৰভি', 'সাধুকথাৰ কুকি', 'জোনবিৰি', 'কেহোঁকলি', শিশু সাহিত্য— 'ককাদেউতা আৰু নাতিল'ৰা', 'বুঢ়ী আইৰ সাধু', 'ভগৰৎ কথা', 'জুনুকা', 'বাখৰ', 'কামত কৃতিত্ব লভিবৰ সঙ্কেত'; আত্মজীৱনী— 'মোৰ জীৱন সোঁৱৰণ'; জীৱনী পুথি— 'ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন চৰিত্ৰ'; 'শংকৰদেৱ'; 'মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱ'; কবিতাপুথি— 'কদম কলি' আৰু 'পদুমকলি', বিভিন্ন আলোচনা গ্ৰন্থ— 'শ্ৰীকৃষ্ণ কথা', 'চৈতন্যদেৱ', 'তত্ত্বকথা', 'অসমীয়া ভাষা আৰু সাহিত্য', 'বৰবৰুৱাৰ বুলনি', 'কৃপাবৰ বৰুৱাৰ ওভতনি', 'কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি', 'কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা'; নাট— 'বেলিমাৰ', 'চক্ৰধ্বজ সিংহ', 'জয়মতী কুঁৱৰী', 'পাচনী', 'নোমল', 'চিকৰপতি আৰু নিকৰপতি', 'লিতিকাই', 'বাৰে মতৰা', 'হ-য-ব-ৰ-ল' আৰু ভাওনি গ্ৰন্থ— 'ভাৰতবৰ্ষৰ বুৰঞ্জী' আদি অসমীয়া ভাষা-সাহিত্যলৈ দান দিয়াৰ উপৰি ইংৰাজী ভাষাত 'History of Vaishnavism in India and Rasa Lila of Sri Krishna' গ্ৰন্থ দান দি গৈছে। কলিকতাৰ পৰা 'জোনাকী' কাকত প্ৰকাশ কৰাত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ১৯০৯ চনত প্ৰকাশিত 'বাঁহী' আলোচনী তেওঁ সম্পাদনা কৰিছিল।

ইং ১৯২৪ চনৰ ডিচেম্বৰ মাহত গুৱাহাটীত বহা অসম সাহিত্য সভাৰ সপ্তম অধিৱেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰ পৰা দিয়া তেওঁৰ ভাষণখনি অসমীয়া সাহিত্যলৈ আগবঢ়োৱা এটা মূল্যৱান বৰঙণি।

## কঠিন শব্দৰ অৰ্থ আৰু টোকা ঃ

ইতিহাস — (ইতিহ—আস্ + ঘঞ) পুৰণি কথা, পূৰ্ব বৃত্তান্ত।

বুৰঞ্জী — নজনা কথা জনাৰ ভঁৰাল, টাই ভাষাৰ শব্দ।

বেদ — সংস্কৃত বিদ্ ধাতুৰ পৰা নিষ্পন্ন হোৱা বেদ শব্দৰ ব্যাপক অৰ্থ হ'ল— অখণ্ড জ্ঞানৰাশি। বেদৰ অংশ দুটা— মন্ত্ৰ আৰু ব্ৰাহ্মণ। মন্ত্ৰভাগ

পদ্যত ৰচিত। আনহাতে ব্ৰাহ্মণভাগ ৰচিত হৈছে গদ্যত। বেদ চাৰিখন — ঋক্, যজুঃ, সাম আৰু অথৰ্ব।

বেদান্ত — বৈদিক সাহিত্যৰ অন্তিম ভাগৰ নাম বেদান্ত বা উপনিষদ।

ষড়দৰ্শন — সংস্কৃত দৃশ্ ধাতুৰ পৰা দৰ্শন শব্দটো নিষ্পন্ন হৈছে। ই নানাৰ্থবোধক, কাৰোমতে, যুক্ত-তৰ্কৰ দ্বাৰা অৱধাৰণ কৰিব পাৰি, সেয়ে দৰ্শন। আন কাৰোমতে, সত্যৰ উপলব্ধিজাত অনুভৱেই দৰ্শন। দৰ্শনৰ ভাগ দুটা— আস্তিক আৰু নাস্তিক। আস্তিক দৰ্শন ছয়ভাগত বিভক্ত— ন্যায়, বৈশেষিক, সাংখ্য, পতঞ্জল, পূৰ্ব-মীমাংসা আৰু উত্তৰ মীমাংসা। উক্ত ছয়খন দৰ্শনেই ষড়দৰ্শন ৰূপে খ্যাত।

জ্যোতিৰ্বিদ্যা — জ্যোতিষ, গ্ৰহ-নক্ষত্ৰাদিৰ উৎপত্তি, গতি, স্থিতি প্ৰভৃতি বিষয়ক শাস্ত্ৰ। পুৰণি কালত যজ্ঞকাল নিৰূপণৰ বাবে জ্যোতিষি শাস্ত্ৰৰ প্ৰয়োজন হৈছিল। এই শাস্ত্ৰৰ প্ৰৱৰ্তক স্বয়ং সূৰ্যদেৱ। পৰৱৰ্তী কালত গৰ্গাদি মুনিসকলে প্ৰণয়ন কৰা গ্ৰন্থৰাজিয়ে বৰ্তমান জ্যোতিষৰ ভেটি।

আয়ুৰ্বেদ — চিকিৎসা শাস্ত্ৰ। ৰোগ নিৰ্ণয় আৰু ৰোগ উপশমৰ প্ৰয়োজনতে এই শাস্ত্ৰৰ সৃষ্টি। অশ্বিনীকুমাৰদ্বয়, ধন্বন্তৰি প্ৰভৃতি এই শাস্ত্ৰৰ অন্যতম উপদেষ্টা। 'চৰক সংহিতা', 'সুশ্ৰুত সংহিতা' প্ৰভৃতি আয়ুৰ্বেদৰ অন্যতম প্ৰামাণ্য গ্ৰন্থ।

ধনুৰ্বিদ্যা — যুদ্ধবিদ্যা বিষয়ক বিদ্যা। লোকশ্ৰুতি মতে, ধনুৰ্বিদ্যাৰ শাস্ত্ৰ 'ধনুৰ্বেদ' জয়জয়তে ব্ৰহ্মা আৰু মহাদেৱে প্ৰচাৰ কৰিছিল। পিছত ঋষি বিশ্বামিত্ৰই এই বেদ ৰচনা কৰে। প্ৰস্থানভেদ গ্ৰন্থত বিশ্বামিত্ৰই ৰচনা কৰা ধনুৰ্বেদৰ দীক্ষা, সংগ্ৰহ, সিদ্ধি আৰু প্ৰয়োগ— এই চাৰি পাদৰ উল্লেখ আছে।

ন্যায় — ন্যায় দৰ্শনৰ প্ৰণেতা মহৰ্ষি গৌতম। তেওঁৰ আন নাম অক্ষপাদ। ন্যায় শাস্ত্ৰত তৰ্ক বা বাদ-বিতণ্ডা থাকে গুণে ইয়াক তৰ্কশাস্ত্ৰ ৰূপেও জনা যায়। গৌতমৰ দ্বাৰা ৰচিত ন্যায়সূত্ৰ পাঁচটা অধ্যায়ত সম্পূৰ্ণ হৈছে। প্ৰতিটো অধ্যায়ৰে দুটাকৈ আহ্নিক। প্ৰতিটো আহ্নিকেই ভিন্ন প্ৰকৰণৰ অন্তৰ্ভুক্ত।

পুৰাণ — পুৰণি কালৰে পৰা লোক পৰম্পৰাত যি ব্যক্ত হৈ আহিছে, সেয়ে পুৰাণ 'পুৰা পৰম্পৰা ব্যক্তিং পুৰাণং তেন বৈ স্মৃতম্' (পদ্মপুৰাণ, সৃষ্টিখণ্ড)। প্ৰথম অৱস্থাত পুৰাণসমূহ পঞ্চ লক্ষণযুক্ত আছিল। সেয়া হ'ল— সৰ্গ (সৃষ্টি), প্ৰতিসৰ্গ (সৃষ্টিৰ পিছত পুনঃ সৃষ্টি), বংশ (দেৱতা আৰু ঋষিসকলৰ বংশ), মন্বন্তৰ (মনুৰ অধিকাৰ কাল) আৰু বংশানুচৰিত (বংশোদ্ভূত বিখ্যাত চৰিত্ৰ)। শ্ৰীমদ্ভাগৱতৰ মতে, পুৰাণ দশ লক্ষণযুক্ত। সেই দশ লক্ষণ হ'ল— সৰ্গ, বিসৰ্গ, স্থান, পোষণ, ঊতি, মন্বন্তৰ, ঈশানকথা, নিৰোধ, মুক্তি আৰু আশ্ৰয়। পুৰাণ ওঠৰখন। সেইবোৰ হ'ল— (১) ব্ৰহ্ম, (২) পদ্ম, (৩) বিষ্ণু, (৪) বায়ু, (৫) ভাগৱত পুৰাণ, (৬) নাৰদীয় পুৰাণ, (৭) মাৰ্কণ্ডেয় পুৰাণ, (৮) অগ্নি পুৰাণ, (৯) ভৱিষ্য পুৰাণ, (১০) ব্ৰহ্মবৈৱৰ্ত পুৰাণ, (১১) লিংগ পুৰাণ, (১২) বৰাহ পুৰাণ, (১৩) স্কন্ধ পুৰাণ, (১৪) বামণ পুৰাণ, (১৫) কূৰ্ম পুৰাণ, (১৬) মৎস্য পুৰাণ, (১৭) গৰুড় পুৰাণ আৰু (১৮) ব্ৰহ্মাণ্ড পুৰাণ।



ৰামায়ণ — মহৰ্ষি বাল্মীকি ৰচিত সংস্কৃত মহাকাব্য। এইখনি সাত কাণ্ডত বিভাজিত—আদি, অযোধ্যা, অৰণ্য, কিষ্কিন্ধ্যা, সুন্দৰ, লংকা আৰু উত্তৰকাণ্ড। ব্ৰহ্মাই বাল্মীকিক আশীৰ্বাদ দিছিল 'যিমান দিনলৈ পৃথিৱীত পৰ্বত আৰু নদীসমূহ থাকিব, সিমান দিনলৈ ৰামায়ণ কথা জনসাধাৰণৰ মাজত প্ৰচাৰ হৈ থাকিব।' ব্ৰহ্মাৰ সেই আশীৰ্বাদ আজি সাৰ্থক হোৱা বুলিব পাৰি।

ভৱিষ্য পুৰাণ — এই মহাপুৰাণখনি পাঁচটা পৰ্বত বিভক্ত। প্ৰথম পৰ্বৰ নাম ব্ৰাহ্মপৰ্ব। ইয়াত সূৰ্যাদিৰ চৰিত্ৰ, সৃষ্টিৰ লক্ষণ আৰু কল্প বৃত্তান্ত কথিত হৈছে। এই পৰ্ব ব্ৰহ্মা মহিমা বিষয়ক। দ্বিতীয় পৰ্বত ভোগৰ বিষয়ে শিৱ মাহাত্ম্য, তৃতীয় পৰ্বত মোক্ষৰ বিষয়ে বিষ্ণু মাহাত্ম্য, চতুৰ্থ পৰ্বত চতুৰ্বৰ্গৰ বিষয়ে সূৰ্য মাহাত্ম্য আৰু পঞ্চম পৰ্বত আছে প্ৰতিসৰ্গ।

চৌষষ্ঠি কলা — কলাবিদ্যাৰ সংখ্যা হিচাপে চৌষষ্ঠি কলাই প্ৰসিদ্ধি লাভ কৰিছিল। বাৎসায়নে তেওঁৰ 'কামসূত্ৰ'ত ৬৪ কলাৰ উল্লেখ কৰাটো তাৎপৰ্যপূৰ্ণ। এই চৌষষ্ঠি কলাৰ কেইবিধমান হ'ল— গীত, বাদ্য, নৃত্য, আলেখ্য, বিশেষকচ্ছেদ্য, পুষ্পাস্তৰণ, দশনবসনাংগৰাগ, মণিভূমিকা কৰ্ম, শয়ন ৰচনা, উদকবাদ্য, উদকাঘাত, চিত্ৰযোগ, মাল্য গ্ৰথন বিকল্প, নেপথ্য প্ৰয়োগ, কৰ্ণ পত্ৰভংগ, গন্ধযুক্তি, ভূষণ যোজন, ঐন্দ্ৰজাল, সূত্ৰক্ৰীড়া, বীণা-ডমৰুক বাদ্য, প্ৰহেলিকা, তক্ষণ, বাস্তুবিদ্যা আদি।

কাশীনাথ ফুকন — শিৱসাগৰৰ কাকতি বংশত জন্মগ্ৰহণ কৰা পুৰন্দৰ সিংহৰ ৰাজসভাৰ বিষয়া কাশীনাথ দ্বিজ তামুলী ফুকনে ৰাধানাথ বৰবৰুৱা আৰু আহোম ভাষা জনা বাইলুং পণ্ডিতৰ সাহায্যত 'আসাম বুৰন্জি পুথি' ৰচনা কৰিছিল। ইংৰাজৰ আমোলত তেওঁ শিৱসাগৰৰ কাছাৰীৰ মুন্সিফ হৈছিল।

হৰকান্ত সদৰামিন — (ইং ১৮১৫-১৯০২) হৰকান্ত শৰ্মা মজিন্দাৰ বৰুৱাই নকল-নবীচ

হিচাপে বৃটিছৰ কাছাৰীত সোমাই সদৰামিন ৰূপে গুৱাহাটী, মংগলদৈ, তেজপুৰ, নগাঁও আদি ঠাইত চাকৰি কৰি অৱসৰগ্ৰহণ কৰিছিল। বুৰঞ্জী চৰ্চাত তেওঁৰ ৰাপ আছিল গুণে কাশীনাথ তামুলী ফুকনৰ 'অসম বুৰঞ্জী'খন বহলকৈ লিখি উলিয়াইছিল।

নিবোকা চামোন — (চামোন— চোম গছত থকা এবিধ ভূত, সি যাৰে গাত লম্ভে, সি মুখেৰে নমতা হয়) চামোনে পোৱাৰ দৰে কথা নপতা মানুহ।

লেমটৌ — কিহবাৰ আশাত আনৰ পিছে পিছে ঘূৰি ফুৰা লোক।

কল্পতৰু — হিন্দুশাস্ত্ৰ মতে স্বৰ্গৰ এজোপা গছ। সেই গছজোপাই যেয়ে যিহকে বিচাৰে তেওঁক তাকে দান কৰে।

**প্ৰশ্নাৱলী ঃ**

১। অতীত ভাৰতবৰ্ষৰ আৰ্য ঋষি মুনিসকলে বুৰঞ্জী নিলিখাৰ সন্দৰ্ভত বেজবৰুৱা ডাঙৰীয়াই ব্যংগাত্মকভাৱে কোৱা কথাখিনি তোমাৰ নিজৰ ভাষাত লিখা।

২। 'বুৰঞ্জীৰ দৌৰাত্ম্য' লেখাটোৰ মূল কথাখিনি তোমাৰ ভাষাত লিখি বেজবৰুৱাৰ ব্যংগাত্মক ভাবধাৰা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

————

# মাধৱদেৱ

## লক্ষ্মীধৰ শৰ্মা

জগতৰ ইতিহাস মানৱ-জাতিৰ ক্ৰমোন্নতিৰ এক অপূৰ্ব কাহিনী। পৰ্বতৰ গুহাত বন্য ফল-মূল আৰু কেঁচা মঙহ খাই পশুৰ দৰে জীৱন ধাৰণ কৰা মানুহ ক'ত, আৰু আজিৰ দিনৰ জ্ঞান-বিজ্ঞানেৰে মণ্ডিত মানুহ ক'ত? ভাবত, ভাষাত, শিক্ষাত মানুহৰ উন্নতি ক'ৰ পৰা ক'লৈকে হৈছে, তাক ভাবিলে আচৰিত হ'ব লাগে। আৰু ক্ৰমোন্নতি, মানৱ মনৰ এই ক্ৰমবিকাশ ক্ষুদ্ৰৰ পৰা বৃহত্তৰলৈ, অজ্ঞানৰ পৰা জ্ঞানলৈ। মানৱ মনৰ এই বিৰাট অভিযানেই মানুহক অন্য প্ৰাণীৰ শৰীৰৰ পৰা ক্ৰমে আঁতৰ কৰি আনিছে। এই উন্নতিৰ মূলতে হৈছে মানুহৰ মনৰ উন্নতিৰ ফালে এটি স্বাভাৱিক প্ৰবৃত্তি।

কিন্তু সদায় মানুহে কেৱল এই উন্নতিৰ পথতে খোজ লৈ আহিছেনে? ব্যক্তিগত আৰু জাতীয় জীৱনৰ একো একোটা অৱস্থা আহে, যেতিয়া মানুহে নিজে উন্নতিৰ কাৰণে প্ৰস্তুত কৰা কিছুমান ৰীতি-নীতিৰে নিজক বান্ধি উন্নতিৰ পথত আগুৱাবৰ ইচ্ছা নকৰে। এই অৱস্থাকে গীতাত ধৰ্মগ্লানি বোলা হৈছে। ধৰ্ম কথাটিৰ প্ৰকৃত অৰ্থলৈ চালেও আমাৰ ব্যাখ্যা যে ভুল নহয়, সি স্পষ্ট হৈ ওলাব। এয়ে মানুহৰ দুৰ্দশাৰ দিন। সামাজিকভাৱে মানুহক এই অৱস্থাতে মৃত বুলিব পাৰি। এনে সময়তে একো একোজন মহাপুৰুষৰ আগমন হয় যি এই অস্বাভাৱিক অৱস্থা দূৰ কৰি মানুহক আকৌ সত্য সনাতন পথত অগ্ৰসৰ হ'বলৈ শিকায়। ইয়াকে গীতাত ভগৱানে 'সৃজাম্যহম্' বুলিছে। আসামতো শ্ৰীশঙ্কৰদেৱৰ আৱিৰ্ভাৱৰ আগতে এনে এক সামাজিক মৃত্যুৰ অৱস্থা আহিছিল। শঙ্কৰদেৱে মৃতাসঞ্জীৱনী মন্ত্ৰেৰে আসামক আকৌ প্ৰাণ দিলে আৰু তেখেতৰ এই অপূৰ্ব কৰ্ম-তৎপৰতাত দক্ষিণহস্তস্বৰূপ আছিল শ্ৰীমাধৱদেৱ।

অসমীয়া বৈষ্ণৱ ধৰ্ম সমস্ত ভাৰতব্যাপী নৱ-জীৱনৰ সূচনাৰ এটা অংশ মাত্ৰ। ইউৰোপৰ ফালে চকু দিলেও দেখা যায় যে তাতো এক নতুন উদ্দীপনাত নতুন ভাবত এই একে সময়তে মানৱাত্মা জাগি উঠিছে। তাতো মধ্য যুগৰ সুপ্তিৰ পিছত এই নতুন যুগৰ আগমন। এই জাগৰণক এটা জাগতিক ব্যাপাৰ বুলিলেও বঢ়াই কোৱা নহ'ব।

ইউৰোপীয় নৱযুগ আৰু ভাৰতীয় নৱযুগৰ ভিতৰত এটা বিশেষ পাৰ্থক্য আছে। তাত কেৱল ধৰ্মৰ পথত এই স্বাধীনতা আৰু প্ৰাণৰ সোঁত বোৱা নাছিল, জীৱনৰ সকলো কথাকে কেন্দ্ৰ কৰি এক বিৰাট ভাবৰ জাগৰণ, জীৱনৰ পূৰ্ণতাৰ প্ৰতি মনৰ

হাবিলাস; এয়ে ইউৰোপীয় নৱযুগ। কিন্তু ভাৰতৰ নৱযুগ বা বৈষ্ণৱ ধৰ্মৰ অভ্যুত্থান মূলকৈ ধৰ্মৰাজ্যৰ মানৱাত্মাৰ মুক্তিৰ কাৰণে সততে প্ৰায় আৱদ্ধ আছিল। যদিও জীৱনৰ অন্যান্য ঘটনাত এই ভাবৰ ছাঁ পৰিছিল, তথাপি জীৱনৰ পূৰ্ণতাৰ প্ৰতি ধাৰ্মিক ভাৰতৰ দৃষ্টি কম আছিল। তাৰ কাৰণ ৰাজনৈতিক প্ৰভৃতি যি কাৰণেই নাথাকক, আমি স্বীকাৰ কৰিবলৈ বাধ্য যে ইউৰোপৰ নৱযুগৰ মাহাত্ম্য ভাৰতীয় নৱযুগৰ মাহাত্ম্যতকৈ অধিক। ভাৰতৰ অন্যান্য প্ৰায় সকলোবোৰ বৈষ্ণৱ প্ৰচাৰক আৰু আসামৰ শঙ্কৰদেৱৰ ভিতৰত এইখিনিতে এটা পাৰ্থক্য দেখা যায়। শঙ্কৰদেৱৰ ধৰ্মৰ প্ৰতি দৃষ্টি প্ৰধানৰূপে থাকিলেও তেওঁ মানৱ জীৱনৰ প্ৰচাৰক আৰু সকলোবোৰ কথাতে এক নতুন সোঁত বোৱাইছিল। সাহিত্য, সমাজ সকলোতে তেওঁৰ প্ৰভাৱ পূৰ্ণৰূপে পৰিছিল। কিন্তু সেই প্ৰভাৱ একৰকম চিৰস্থায়ী হ'লেও তাৰ ক্ৰমবিকাশ আৰু নহ'ল। আমি শঙ্কৰদেৱৰ দিনৰ পৰা তেওঁৰ প্ৰদৰ্শিত পথত আগুৱাব পৰা নাই, বৰং ক্ৰমে পিছ পৰিহে গৈছোঁ।

মাধৱদেৱৰ ধী-শক্তি আৰু প্ৰতিভা এটাও শঙ্কৰদেৱতকৈ কম নাছিল, কিন্তু জীৱনৰ লক্ষ্যৰ বিষয়ে দুয়োৰে মত বিভিন্ন। মুক্তি অৱশ্যে দুয়ো বিচাৰে, কিন্তু শঙ্কৰে সেই মুক্তিৰ যাত্ৰাত জীৱনৰ অন্যান্য আনুষঙ্গিক কাৰ্য্যবিলাকক বাদ দি নগৈছিল, সমাজৰ উন্নতি যাতে সকলো বিষয়তে হয় সিও তেওঁৰ চেষ্টা আছিল। তেওঁৰ আদৰ্শ মানৱ আৰু মানৱ সমাজৰ সৰ্বাঙ্গীণ উন্নতি সাধন কৰা। কিন্তু মাধৱদেৱৰ আদৰ্শ আছিল গৃহ-সংসাৰ সকলো ত্যাগ কৰি যি প্ৰকৃত সত্য বস্তু, যাৰ সাহায্যেৰে আত্মাক মুক্তি দিব পাৰি, সেই সাৰ পদাৰ্থৰ একাণপতীয়া সেৱা। শঙ্কৰ উদাৰ আৰু মাধৱ গভীৰ, এয়ে দুয়োৰো ভিতৰত পাৰ্থক্য। মাধৱদেৱৰ প্ৰত্যেক কাৰ্য্যতে তেওঁৰ হৃদয়ৰ অদম্য উচ্ছ্বাস প্ৰকাশ হৈ পৰিছিল; তেওঁ যি সত্যক উপলব্ধি কৰিছিল, তাকে তেওঁ সম্পূৰ্ণভাৱে জীৱনত প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰিছিল। এই অপূৰ্ব মনস্বী তাপস মাধৱে আসাম দেশৰ এটি উজ্জ্বল ৰত্নৰূপে চিৰকাল বিৰাজ কৰিব।

অসমীয়া বৈষ্ণৱ জগতত শঙ্কৰ আৰু মাধৱৰ মিলন এক অপূৰ্ব বস্তু। ধীৰ, শান্ত শঙ্কৰৰ কাৰ্য্য অপূৰ্ণ থাকিলহেঁতেন যদি এই কৰ্মবীৰ তপস্বী যুৱক আহি তেওঁৰ পবিত্ৰ মতৰ ভাৰখন নিজৰ কান্ধত তুলি নল'লেহেঁতেন। মাধৱৰ একাগ্ৰতা, ধী-শক্তি, জ্ঞান আৰু উদ্যমেই তান্ত্ৰিক আসামক বৈষ্ণৱ আসাম কৰি গ'ল।

আজিকালি বহুত মানুহে শঙ্কৰ-মাধৱৰ দিনৰ অনুষ্ঠান আৰু সামাজিক ৰীতি-নীতি আৰু গঠনৰ বিপক্ষে কোনো কথা ক'বলৈ সাহ নকৰে আৰু আন কোনোবাই তেনে কৰিলে, তেওঁলোকৰ প্ৰতি অসন্তুষ্ট হয়। তেখেতসকলে বোধকৰোঁ জানে, যে মাধৱ আৰু শঙ্কৰেও সেই সময়ৰ পুৰণা ভাবত চলিব খোজা মানুহবিলাকৰ যথেষ্ট অত্যাচাৰ সহ্য



কৰিব লগাত পৰিছিল। কিন্তু যি বস্তুক সত্য আৰু আৱশ্যকীয় বুলি তেওঁলোকে বিবেচনা কৰিছিল, তাক গ্ৰহণ কৰিবলৈ বাধা-বিপত্তি থাকিলেও তেওঁলোকে পিছ নপৰিছিল। তেওঁলোকৰ শিক্ষাৰ সাৰমৰ্ম সত্য গ্ৰহণ, কোনো এটা নীতি নাইবা নিয়ম মানি চলা নহয়। তেওঁলোকক অপমান কৰা হ'ব— যদি তেওঁলোকৰ হৃদয়ৰ সেই ভাবটি গ্ৰহণ নকৰি তেওঁলোকে সেই সময়ত যিবিলাক সামাজিক আৰু ধৰ্ম সম্পৰ্কীয় ৰীতি-নীতিৰ অৱতাৰণা কৰিছিল, সময়ৰ সোঁত বুজি আৱশ্যক হ'লেও সেইবোৰ পৰিৱৰ্তন কৰিবলৈ আমি চেষ্টা নকৰোঁ। অৱশ্যে কোনেও ভূত ইতিহাসক একেবাৰে বাদ দি চলিব নোৱাৰে আৰু আৱশ্যক নহ'লে সময়ে যিবিলাক বস্তু আমাক দি গৈছে তাক ধ্বংস কৰা অতি মূৰ্খতাৰ কাম। তথাপি এই ভূতৰ ভিতৰৰ সম্বল লৈয়েই এটা সুন্দৰ আৰু গৌৰৱমণ্ডিত ভৱিষ্যৎ সৃষ্টি কৰিবলৈ আটায়ে চেষ্টা কৰা উচিত আৰু এয়ে তেওঁলোকৰ শিক্ষা।

মাধৱদেৱৰ ঋণ অসমীয়া জাতিয়ে কেতিয়াও পৰিশোধ কৰিব নোৱাৰে। জাতিৰ প্ৰিয়তকৈ প্ৰিয় বস্তু ভাষা; তাকো সবল, সতেজ, দীপ্তিপূৰ্ণ কৰি গ'ল মাধৱদেৱেই। বঙ্গদেশ আৰু ভাৰতৰ অন্যান্য প্ৰদেশৰ দৰে আজি অসমীয়া ভাষাৰ গৌৰৱ— সাহিত্য। এই সাহিত্য আমাৰ নথকা হ'লে আসামৰ এই দুৰ্দিনত অসমীয়া ভাষা বুলি এটা পৃথক ভাষা নাথাকিলহেঁতেন। আৰু কি সম্পূৰ্ণ এই সাহিত্যহু কত গভীৰ ভাবপূৰ্ণ, কত অসংখ্য ৰত্নৰাজিয়েই এই ভঁৰালত ভৰাই ৰাখিছেহু আজিৰ অসমীয়া অন্ধ, সেই দেখি এই ভঁৰালৰ ৰত্নৰাজি এবাৰ পৰীক্ষা কৰি চাবলৈকো কাৰো উৎসাহ দেখা নাযায়।

সমাজত, ধৰ্মত, সকলোতে, কি এটি নৱ জীৱনীশক্তি এই তপঃপূৰ্ণ মহাপুৰুষে কি যে ঐকান্তিকতাৰে সৈতে ঢালি দিছিল। ধন্য আসাম। তুমি তোমাৰ গৰ্ভত শঙ্কৰ আৰু মাধৱৰ দৰে মহাপুৰুষক ধাৰণ কৰিছিলা।

মহাপুৰুষৰ জীৱনী আৰু কাৰ্য্যকলাপ আলোচনা কৰিলে নিজৰ আত্মাৰ গভীৰতম প্ৰদেশৰ পৰা মহৎ কাৰ্য্য সাধিবলৈ এটা প্ৰেৰণা আহে, আৰু সেই মহাপুৰুষৰ জীৱনী যদি নিজৰ জীৱনেৰে সৈতে ওতঃপ্ৰোতভাৱে জড়িত থাকে, তেন্তে এই কথাৰ সত্যতা আৰু বাঢ়ে। এনে অৱস্থাত যদি অসমীয়া আকৌ জ্ঞান, ধৰ্ম, শিক্ষা সকলোতে মহান হ'ব খোজে, আসামৰ অপূৰ্ব কৰ্মবীৰ, ধৰ্মবীৰ, সাহিত্যৰথী, জাতীয়-জীৱন গঠনকৰ্তা মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ গুণ-গান, জীৱনী আৰু কাৰ্য্যাৱলীৰ অধ্যয়ন আৰু আলোচনা কৰিব লাগিব আৰু তেওঁলোকে নিৰ্দেশ কৰা সত্যৰ পথত আগুৱাবলৈ প্ৰস্তুত হ'ব লাগিব। অসমীয়া জাতি আৰু সভ্যতাৰ ভৱিষ্যৎ অন্ধকাৰ— যদি আমি এই মহাপুৰুষসকলৰ প্ৰকৃত মোল নুবুজোঁ, অথবা বুজিবলৈ চেষ্টা নকৰোঁ।

দেশৰ ভৱিষ্যতৰ উজ্জ্বল ছবি মনত লৈ সমাজৰ কল্যাণ কামনা কৰি, সাহিত্যৰ

উন্নতি হিয়াত বান্ধি, ধৰ্মপথৰ সম্বল গোটাই চলিবলৈ, আহাঁ; আজি আমি সকলো অসমীয়াই পৱিত্ৰ দিনত আসামৰ শ্ৰেষ্ঠ পুত্ৰ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ চৰণত বিনীতভাৱে আমাৰ ভক্তি-পুষ্পাঞ্জলি নিবেদন কৰি নিজকে কৃতাৰ্থ কৰোঁ।

**লক্ষ্মীধৰ শৰ্মা (১৮৯৭-১৯৩৪) ঃ** শোণিতপুৰ জিলাৰ বিশ্বনাথ চাৰিআলিৰ ভীৰ গাঁৱত দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ জন্ম হৈছিল। আদিছোৱাৰ শিক্ষা বিশ্বনাথ আৰু তেজপুৰত গ্ৰহণ কৰাৰ পিছত ১৯১৬ চনত গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ পৰা লক্ষ্মীধৰ শৰ্মাই অসমৰ ভিতৰত তৃতীয় স্থান অধিকাৰ কৰি প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। তেওঁ কটন কলেজৰ পৰা ১৯২০ চনত বি এ পাছ কৰে। কলিকতালৈ গৈ ১৯২৪ চনত তেওঁ ভাৰতীয় ভাষা আৰু সাহিত্য বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এম এ পৰীক্ষাত উত্তীৰ্ণ হয় আৰু প্ৰায় একে সময়তে বি এল পৰীক্ষাতো উত্তীৰ্ণ হয়। শৰ্মাই প্ৰথমে গুৱাহাটীত আৰু পিছত তেজপুৰত ওকালতিৰে কৰ্মজীৱন আৰম্ভ কৰে। দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা স্বাধীনতা সংগ্ৰামী আৰু প্ৰগতিশীল লেখক আছিল। ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, কাৰ্ল মাৰ্ক্স আৰু মহাত্মা গান্ধীৰ চিন্তা-দৰ্শনৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱান্বিত শৰ্মা আধুনিক অসমৰ সমাজ সংস্কাৰ আন্দোলনৰ অন্যতম যোদ্ধা। গল্প, নাটক আৰু তত্ত্বগধুৰ প্ৰবন্ধ-পাতি ৰচনা কৰি তেওঁ অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাত বিশেষ অৰিহণা যোগাইছিল।

'আৱাহন', 'অসম হিতৈষী' আদি কাকত-আলোচনীত গল্প, প্ৰবন্ধ, নাটক, জীৱনী আদি লিখি অসমীয়া সাহিত্যলৈ সেৱা আগবঢ়োৱা লক্ষ্মীধৰ শৰ্মাৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহৰ ভিতৰত 'ব্যৰ্থতাৰ দান', 'অনাগতৰ অভিশাপ' (গল্প); 'নিৰ্মলা' (নাটক); 'জীৱন স্মৃতি' (আত্মজীৱনীমূলক) আদি উল্লেখযোগ্য। প্ৰগতিশীল মনৰ গৰাকী লক্ষ্মীধৰ শৰ্মাই ১৯৩৪ চনত শ্বিলঙত মৃত্যু বৰণ কৰে।

### কঠিন শব্দৰ অৰ্থ আৰু টোকা ঃ

উদ্দীপনা — মনত আশাৰ ভাব জগাই দিয়া কাৰ্য।

ধী-শক্তি — বুদ্ধি বা মেধাৰ ক্ষমতা।

'সৃজাম্যহম্' — 'নিজক সৃষ্টি কৰোঁ' অৰ্থাৎ 'জন্মগ্ৰহণ কৰোঁ।' (গীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে— হে অৰ্জুন, যেতিয়াই পৃথিৱীত ধৰ্মৰ পতন ঘটে আৰু অধৰ্মই প্ৰভাৱ বিস্তাৰ কৰে, তেতিয়াই মই নিজকে সৃষ্টি কৰোঁ অৰ্থাৎ জন্মগ্ৰহণ কৰোঁ।)

### প্ৰশ্নাৱলী ঃ

১। 'ধৰ্মগ্লানি' মানে কি?

২। শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱন দৰ্শনত কেনে ধৰণৰ পাৰ্থক্য থকা বুলি লক্ষ্মীধৰ শৰ্মাই উল্লেখ কৰিছে, বুজাই লিখা।

৩। 'মাধৱদেৱৰ ঋণ অসমীয়া জাতিয়ে কেতিয়াও পৰিশোধ কৰিব নোৱাৰে।'— কথাষাৰৰ তাৎপৰ্য বিশ্লেষণ কৰা।

——————

# বহাগ বিহুৰ পৰম্পৰা

ড° প্ৰফুল্লদত্ত গোস্বামী

নতুন বছৰৰ আৰম্ভণিত খেতি-বাতিৰ সূচনা কৰিবৰ সময়ত পুৰণিকলীয়া কৃষিজীৱী মানুহে কিছুমান আচাৰ পালন কৰা আৰ্হি বহুত দেশত লক্ষ্য কৰিব পাৰি। এই আচাৰৰ ভিতৰত নৃত্য-গীত, পূজা-পাতল আদি অপৰিহাৰ্য ক্ৰিয়া। এই ফালৰ পৰা চাবলৈ গ'লে অসমৰ বহাগ বিহুৰ পৰম্পৰা প্ৰাচীন। অসমৰ জনজাতীয় লোকসকলেও বিহু নাইবা এই ধৰণৰ আচাৰ পালন কৰে।

বিহুৰ পৰম্পৰা প্ৰাচীন বুলি ক'লেই নহয়। ই যে সঁচাকৈয়ে প্ৰাচীন তাৰ আন কিবা প্ৰমাণ ওলায়নে? এই সম্পৰ্কত বিহু শব্দৰ পৰম্পৰাও লক্ষ্য কৰা যুগুত। পণ্ডিতসকলে ঠাৱৰ কৰিছে যে বিহু শব্দৰ উৎপত্তি সংস্কৃত বিষুৱণ শব্দৰ পৰা। অথৰ্ববেদ আৰু ঐতৰেয় ব্ৰাহ্মণ আদি পুৰণি শাস্ত্ৰত পায় যে বিষুৱণ যাগ-যজ্ঞ কৰা এটা দিনৰ নাম। এই যাগ-যজ্ঞই সূৰ্যৰ গতি নিয়ন্ত্ৰণ কৰি শস্যৰ বীজ গজাত সহায় কৰে। (ঐ. ব্ৰা. ৪.৩.২২)। অৰ্থাৎ খেতি-বাতিৰ সুব্যৱস্থাৰ কাৰণেই এই বিষুৱ দিনৰ যাগ-যজ্ঞৰ আয়োজন। বিষ্ণু পুৰাণত আছে শৰৎ আৰু বসন্ত ঋতুৰ মধ্যত সূৰ্য তুলা অথবা মেষ ৰাশিলৈ গ'লে বিষুৱ হয়।* এই সময়ত দিন আৰু ৰাতি সমান (৭। ৬৭); এই পৱিত্ৰ সময়ত দেৱতা, ব্ৰাহ্মণ আৰু পিতৃসকলৰ উদ্দেশ্যে সংযতচিত্ত হৈ দানাদি কৰিব লাগে (৭। ৮০)। স্মৃতিশাস্ত্ৰতো দান-দক্ষিণা কৰাৰ কথা পায়। বলবৰ্মাদেৱ আদি অসমৰ ৰজাসকলে এই দিনত ভূমিদান কৰিছিল। বিষুৱ সংক্ৰান্তিৰ সময়ত পালন কৰা এনে মংগলদায়ক অনুষ্ঠানৰ সোঁৱৰণ যে ভাৰতৰ উত্তৰ-পূৱ চুকৰ অসমতে ৰৈছে, এনে নহয়, ভাৰতৰ আন আন অঞ্চলতো সি লোপ পোৱা নাই। দক্ষিণ ভাৰতৰ নায়াৰসকলে নৱবৰষৰ উৎসৱক 'বিষু' বোলে। সেইদৰে হিমালয়ৰ নামনি অঞ্চলৰ খচসকলৰ মাজতো 'বিষু' উৎসৱ (মেলা) আছে। মধ্যপ্ৰদেশৰ

---

* সূৰ্য তুলা ৰাশিলৈ গ'লে কাতি বিহু হয়। এই বিহুত উৎসৱৰ প্ৰাধান্য কম। মাঘৰ বিহুৰ অগ্নিপূজা মূলতঃ আৰ্য অনুষ্ঠান, বাকী ভোজ-ভাত খোৱা স্থানীয় বা অনাৰ্য বুলি ধৰিব পাৰি।

ওৰাওঁসকলে গ্ৰীষ্মকালত ‘বিযু চিকাৰ’ৰ ব্যৱস্থা কৰে— আমি যেনেকৈ মাঘবিহুৰ সময়ত সমূহীয়াকৈ মাছমৰা বা পহুচিকাৰৰ ব্যৱস্থা কৰোঁ। কিছুমান অঞ্চলত ‘বিযু’ নুবুলি ‘বৈশাখী’ বোলা হয়।

অসমীয়া ভঠেলিয়ে যেনেকৈ প্ৰাচীন ইন্দ্ৰধ্বজ পূজাৰ সোঁৱৰণ ৰাখিছে সেইদৰে বিহুৱেও প্ৰাচীন ভাৰতৰ বিযুৱণ দিনৰ পূজা-পাতলৰ সোঁৱৰণ ৰক্ষা কৰিছে। বিহু উৎসৱত অৱশ্যে কেইবাটাও উপাদান লগ লাগিছে। ইয়াত এফালে আৰ্য সংস্কৃতিৰ এটি সুঁতি জাহ গৈছে, আনহাতে অনাৰ্য অথবা প্ৰাক্-আৰ্য প্ৰাচীন উৰ্বৰা অনুষ্ঠানৰ সুঁতিও লগ লাগিছে। স্ত্ৰী-পুৰুষৰ আনুষ্ঠানিক মিলন আৰু নৃত্য-গীতো পৃথিৱীৰ উৰ্বৰা শক্তি বঢ়াবৰ এক প্ৰাচীন ব্যৱস্থা, বিশেষকৈ কৃষি অৱলম্বন কৰা লোকৰ মাজত। বিহু নাচত যৌন মিলনৰ ইংগিত থকা যি মুদ্ৰা লক্ষ্য কৰিব পাৰি সি এই প্ৰাচীন উৰ্বৰা অনুষ্ঠানৰ কথাকে মনলৈ আনে। বৰ্তমান সময়ত আমাৰ বিহুত যিবিলাক আচাৰ লক্ষ্য কৰোঁ— ঘৰ-বাৰী শুচি কৰা, নিকা বা ন কাপোৰ পিন্ধা, গৰু-গাইৰ যতন লোৱা, দেৱতা বা গোসাঁইক পূজা-পাতল দিয়া, নৃত্য আৰু গীত— এই আৰ্য আৰু অনাৰ্য আচাৰৰ উদ্দেশ্য একেই। আটাইবিলাকৰ উদ্দেশ্য হ’ল ৰাইজ, জীৱ-জন্তু আৰু খেতি-বাতিৰ মংগল কামনা কৰা নাইবা মংগলৰ হকে ব্যৱস্থা লোৱা। এইফালৰ পৰা চাবলৈ গ’লে বিহু এক ধৰ্মীয় অনুষ্ঠান।

বৰ্তমান কালত হিন্দু ধৰ্মৰ প্ৰভাৱত আমি আগৰ পৰা চলি অহা নৃত্য আৰু গীতবিলাক অমাৰ্জিত বুলি সিদ্ধান্ত কৰিব খুজিছোঁ, কিন্তু এই ধাৰণা শুদ্ধ নহয় যেন লাগে। দুৰ্ভাগ্যৰ কথা যে হিন্দুধৰ্মই পুৰণি নৃত্য আৰু গীত নিজৰ ভিতৰত সুমুৱাই ল’ব নোৱাৰিলে, লোৱাহেঁতেন অসমীয়া হিন্দু ধৰ্মৰ এটি সতেজ আৰু আকৰ্ষণীয় ৰূপ লক্ষ্য কৰিব পৰা গ’লহেঁতেন। আনহাতে মণিপুৰত বৈষ্ণৱ পন্থই পুৰণি মাইবা-মাইবীসকলৰ মাজত চলি থকা নৃত্য-গীত নিজৰ ভিতৰত সুমুৱাই লৈ এটি নতুন সজীৱ ৰূপ লাভ কৰিছে। মণিপুৰত পুৰণি লাইহাৰাওবা নৃত্য যদিও মূলতঃ যৌনমূলক সি এতিয়া বৈষ্ণৱ পন্থৰ মূল্যৱান সম্পদ। হুঁচৰি আৰু বিহুনামত অৱশ্যে অলপ হিন্দু প্ৰভাৱ নপৰাকৈ নাথাকিল, কিন্তু নৃত্যত এই প্ৰভাৱ নপৰিল।

* তুলনীয় ঃ প্ৰথমে ইশ্বৰে পৃথিৱী স্ৰজিলে
লগতে স্ৰজিলে জীৱ,
সেইজন ঈশ্বৰে পিৰিতি কৰিলে
আমিবা নকৰিম কিয়।



পুৰণি অসমীয়া পুথিত কেতিয়াবা ক’ৰবাত বিষুৱ আৰু বিহু শব্দটোৰ উল্লেখ পায়, কিন্তু উৎসৱ হিচাপে তাৰ বৰ্ণনা ক’তো পাবলৈ নাই। সম্ভৱ সপ্তদশ শতিকাত এক মুছলমান ভ্ৰমণকাৰীয়ে থৈ যোৱা বৰ্ণনাই প্ৰথম বৰ্ণনা। এই মুছলমানজনে ‘নওৰোজ’ বা নৱবৰ্ষত অসমৰ ৰাজধানীত পুৰুষ-স্ত্ৰী উভয়ে নৃত্য আৰু গীতেৰে যি ৰং-ধেমালি কৰিছিল তাৰ বৰ্ণনা দিছে। ঢোল, পেঁপা, টকা আদি বাদ্যযন্ত্ৰৰ উল্লেখ এওঁ কৰিছে। এওঁ আকৌ কৈছে যে ডেকা-গাভৰুৰ মনৰ আদান-প্ৰদানো এই সময়ত হয়। সম্ভৱ আহোম ৰজাসকলে এই উৎসৱৰ পৰিপোষণ কৰি বিহুক এটি জাতীয় গঢ় দিয়াত সহায় কৰিলে। অৰ্থাৎ শাসকসকলৰ অনুমোদন পাই ই জাতীয় উৎসৱৰূপে এক আভিজাত্য লাভ কৰিলে। এনেকৈয়ো ধাৰণা কৰিব পাৰি যে এইদৰে নৃত্য-গীত কৰা পৰম্পৰা আহোমবিলাকে শ্বানসকলৰ (মূলতঃ চীনদেশীয়) পৰা লৈ আহে। শ্বানসকলৰ মাজত স্ত্ৰী স্বাধীনতা সৰহ আছিল আৰু নৃত্য-গীতৰ আৰ্হিও আছিল। সময়ত আহোম শাসন লোপ পোৱাত আৰু হিন্দু ধৰ্মৰ বিধি-ব্যৱস্থাই প্ৰাধান্য লাভ কৰাত (বিশেষকৈ ঊনবিংশ শতিকাৰ বংগদেশীয় গোড়া ব্ৰাহ্মণ্য ধ্যান-ধাৰণাৰ প্ৰভাৱত) বিহু উৎসৱে আগৰ দৰে পৰিপোষণ নোপোৱা হ’ল।

হলিৰাম ঢেকিয়াল ফুকনে বিহুৰ নৃত্য-গীত অশোভন বুলিয়ে ঠাৱৰ কৰিছিল। এওঁ আছিল বংগদেশৰ লগত সম্বন্ধ ৰখা গোড়া হিন্দু। এইয়া ১৮২৯ খ্ৰীষ্টাব্দৰ কথা। ১৮৮৫ খ্ৰীষ্টাব্দত বলীনাৰায়ণ বৰাই ‘আসাম বন্ধু’ত যি মন্তব্য কৰিছিল তাত জাতীয় উৎসৱস্বৰূপে বিহুৰ প্ৰতি অনুমোদন লক্ষ্য কৰিব পাৰি।

বৰাই লিখিছিল ঃ ‘ক্ৰমে সূৰ্যৰ তেজ বৃদ্ধি হয়, তাৰ লগে লগে প্ৰকৃতিৰো শোভা বৃদ্ধি হ’ল। ভগৱানে স্বৰূপ ধৰিও বৈকুণ্ঠৰ শোভা পাহৰি পাৰ্থিৱ প্ৰকৃতিৰ লগত ধূলি, মাটি, পানীৰে গীত-পদ গাই ধেমালি কৰিলে। আন মানুহ কি পদাৰ্থ? সকলোৱে সেই ৰূপ গীত-পদ গাই ধেমালি কৰিবলৈ আৰম্ভিলে।* নানা গীত নানা লোকে নানা মতে নাচি গাবলৈ ধৰিলে। প্ৰেমিকৰ প্ৰেম ভক্তৰ ভক্তি উদয় হ’ল। সেইৰূপে আপোনাৰ মনৰ ভাব প্ৰকাশিত হ’ব ধৰিলে। ভাৰতবৰ্ষৰ সকলো ঠাইলৈকে চোৱা, এই ৰূপ দেখিবা। কোনো ঠাইত হলি, কোনো ঠাইত কাৰ্তিক পূজা, কোনো ঠাইত মদন চতুৰ্দ্দশী বা মদন কামৰ বাঁশ মহা উৎসৱ। স্বাভাৱিক অৱস্থাত যাক অশ্লীলতা বোলা যায় এই অৱস্থাত তাৰ ভাব ঢিলা। সংহতি কাৰ্যসাধিকাৰ ৰূপক মূৰ্তিৰ পূজাত আৰ্যাবৰ্ত্ত প্ৰবাহিনী হই যায়। ক্ৰমে মীন ৰাশি এৰি সূৰ্য মেষলৈ গতি কৰিবলৈ ধৰিলে। লোকৰ নাচ-বাগ, গীত-বাজনাৰ বৃদ্ধি হ’ল। কোনো ঠাইত চড়ক, কোনো ঠাইত আন প্ৰকাৰ ধেমালি। চ’তৰ ২৯ তাৰিখে উড়ুকা বা বিহুৰ অধিবাস। বুঢ়া-বুঢ়ী,

ডেকা-ডেকেৰী কোনোৰে ৰংগে মাছ মাৰিবলৈ গ'ল। বোৱাৰী-জীয়াৰীএ কাপৰ ধুই ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰিলে। ল'ৰাই গৰু-গাই বিচাৰিলে। ৰাত্ৰি প্ৰভাত হ'ল। দেশ উৎসাহত পূৰ্ণ। মাহ-হালধিৰে গৰুৰ স্নান সমাপন কৰি লাউ, বেঙেনা, হালধি গাত ছটিয়াই এৰি দিয়া হ'ল। গধূলি ন পঘা পালে। লোকসকলে গা ধুই নাম-কীৰ্ত্তন কৰি অৱস্থা অনুসাৰে বস্তু খালে। পিতা-মাতা, গুৰুজনক সেৱা-ভক্তি কৰিলে। ৩০ চৈত্ৰত পুৰণি বছৰ গ'ল। গৰুৰ বিহু গ'ল। পাছদিনা নৱবৰ্ষৰ প্ৰৱেশ। দেহত মহা আনন্দ। মিতিৰ-কুটুমৰ ঘৰলৈ যোৱা, গোসাঁই ঘৰলৈ যোৱা, প্ৰিয়জনক কাপোৰ দিয়া, আদৰ-সম্মান কৰা সম্পূৰ্ণ আমোদ। বিশেষকৈ ডেকা-ডেকেৰীৰ নাচ-গীতৰ প্ৰভাৱ বাঢ়িল।" ... এই টোকাত বৰাই বিহুৰ নৃত্য-গীতৰ আৰ্হিস্বৰূপে অৱতাৰ শ্ৰীকৃষ্ণৰ বৃন্দাবন লীলালৈ আঙুলিয়াইছে। ১৮৯৬ খ্ৰীষ্টাব্দত গাৰ্ডন চাহাবে বিহুৰ প্ৰসংগত মন্তব্য কৰিছিল যে অসমীয়া মাইকী মানুহে বৃন্দাবনৰ গোপসকলৰ অনুকৰণত হাবিলৈ গৈ গছৰ তলত নাচে আৰু গীত গায়।

মজাৰ কথা এয়ে যে ঢেকিয়াল ফুকন আদি লোকৰ বিবেচনাত বিহুৰ যিবিলাক বেয়া লক্ষণ সেইবিলাকেই মূল বিহু উৎসৱৰ কেন্দ্ৰীয় সামগ্ৰীহে অৰ্থাৎ প্ৰাচীন ভাৰতত খেতি-বাতিৰ মংগলৰ হকে চলিছিল যাগ-যজ্ঞ, অসমত তাৰ পৰিৱৰ্তে চলিল যৌনমূলক নৃত্য-গীত আৰু দুয়োবিধ ক্ৰিয়াৰ উদ্দেশ্য কিন্তু একেটাই।

অসমীয়া লিখকৰ ভিতৰত ৰজনীকান্ত বৰদলৈৰ 'মিৰিজীয়ৰী' উপন্যাসত প্ৰথম বিহুৰ নাচ আৰু গীত সম্পৰ্কে অলপ বহল বৰ্ণনা পায়। 'মিৰিজীয়ৰী' ছপা হয় ১৮৯৫ খ্ৰীষ্টাব্দত। বৰদলৈয়ে অৱশ্যে মিৰিসকলৰ নৃত্য-গীতৰ কথাকে ঘাইকৈ বৰ্ণাইছিল, তথাপি এই বৰ্ণনা সহানুভূতিসূচক। যি ধাৰণা কৰিব পাৰি স্বাধীনতা হেৰুওৱাৰ পিছত অসমীয়া শিক্ষিত লোকে জাতীয় চৈতন্য হেৰুৱাই নাইবা বংগ দেশৰ পৰা আমদানি কৰা গোড়া হিন্দুৰ আৰ্হিৰ প্ৰভাৱত নিজৰ আগৰ আচাৰ-ব্যৱহাৰ ত্যাগ কৰিবলৈ ধৰিছিল। বিহুনাচ চোৱা নাইবা বিহুনাম গোৱা এসময়ত অমাৰ্জিত বুলি গণ্য হৈছিল।

সম্ভৱ বৰ্তমান শতিকাৰ দ্বিতীয় দশকমানৰ পৰা শিক্ষিত মধ্যবিত্ত লোকৰ বিহুসম্পৰ্কীয় ধাৰণা সলনি হ'বলৈ আৰম্ভ কৰে। গণেশচন্দ্ৰ হাজৰিকাই ১৯১৮ খ্ৰীষ্টাব্দত 'বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ' নামেৰে পুস্তিকা এখন ছপাই তাত অসমীয়া বিহুকেইটিৰ এটি সৰল বৰ্ণনা দিছিল। বিহুৰ বিষয়ে কিতাপ লিখা— নিশ্চয় ই সেই কালৰ এটি উল্লেখযোগ্য ঘটনা। হাজৰিকাই কিতাপখনৰ এঠাইত মন্তব্য কৰিছিল এইদৰে— "সজ বিবেচকৰ কৰ্তব্য হৈছে সমাজৰ লাগতিয়াল পুৰণি বস্তুৰ পৰা সাৰ সংগ্ৰহ কৰি



তাক বৰ্তমান সময় আৰু সমাজৰ উপযোগী কৰি তোলা আৰু সেই সম্বলেৰেই বৰ্তমান সমাজৰ মংগল সাধন কৰা।" হাজৰিকাৰ এই মন্তব্যৰ সৈতে খৰিয়াল কৰিবৰ আমাৰ একো কাৰণ নাই।

এই একে সময়তে বেজবৰুৱাই 'বাঁহী'ৰ জৰিয়তে বিহুৰ সপক্ষে একাধিকবাৰ ওকালতি কৰিছিল চোকা আৰু ব্যংগ সুৰত। বিহুনাচত যোগ দি বতৰৰ আনন্দ প্ৰকাশ কৰাৰ বাটত যি হেঙাৰ তালৈ বেজবৰুৱাই আঙুলিয়াইছে এইদৰে— "নাচৰ বিপক্ষে এটা ডাঙৰ বিপদ এই যে বিহুনাচৰ থেকেৰা ফুল কেনেবাকৈ এৱাঁ গাখীৰত পৰিব লাগিলে সি ততালিকে কুৰুচি ফাটিব আৰু ফাটিলেই সৰ্বনাশহে ফাটিলেই ধুম আৱাজহে বোলো তেন্তে কি কৰা যায়। মাজতে বছৰেকৰ বিহুটো জানো বজা হ'বলৈ দিলে কিবা ভাল কৰা হ'ব? সেইদেখি কৃষ্ণক চিন্তি এইবাৰলৈ নানাচি বিহুৰ আন ৰং-ধেমালিকে কৰি মনটো তাপৰা যাওক বুলিছোঁ; যি থাকে কপালত।"

১৯১৭ খ্ৰীষ্টাব্দৰ 'বাঁহী'ত বেজবৰুৱাই লিখিছিল, "বিহুৱে কাকো দুখ নিদিয়ে, সকলোকে ৰং দিয়ে, সেইদেখি বিহুক লোকে হাঁহে, বেয়া পায়।"

এইদৰে ক্ৰমে বিহুসম্পৰ্কীয় ধাৰণা সলনি হ'বলৈ ধৰে। ১৯৩১ খ্ৰীষ্টাব্দত গুৱাহাটীৰ নাগৰিকসকলৰ চেষ্টাত বহুত ৰং-ধেমালি আৰু খোৱা-বোৱাৰে বিহু পতা হৈছিল। বিহুৰ পৰম্পৰাত ই এটি লেখত ল'বলগীয়া ঘটনা। প্ৰকৃততে কিন্তু যোৱা মহাযুদ্ধৰ পিছতহে বিহুৱে আকৌ নিজৰ সন্মান লাভ কৰিবলৈ সমৰ্থ হয়। বৰ্তমান শতিকা ভাৰতীয় জাতীয় জাগৰণৰ সময়। এনে সময়তে জাতীয় সংস্কৃতিৰ সামগ্ৰীবিলাকৰ পুনৰুদ্ধাৰ আৰু নৱমূল্যায়ন হয়। আমাৰ জাতীয় জাগৰণেও বিহু উৎসৱৰ জনপ্ৰিয়তা বঢ়োৱাত সহায় কৰিলে। 'অতিকৈ চেনেহৰ বহাগৰ বিহু' হৈ পৰিল জাতীয়তাৰ সঁজুলি। বিহু এতিয়া আগৰ দৰে ধৰ্মমূলক উৎসৱ নহয়, ই ঘাইকৈ জাতীয় উৎসৱ আৰু অসমীয়া সংস্কৃতিৰ প্ৰতীকস্বৰূপ। আনহাতে বৰ্তমান সময়ত ই বিভিন্ন খেলৰ, বিভিন্ন ভাষাৰ লোকৰ মিলনৰ ক্ষেত্ৰ হিচাপে সাংস্কৃতিক সমন্বয়ৰো প্ৰতীক।

গোপূজা আদি অনুষ্ঠান বাদ দিলে, বহাগ বিহুৰ বাকী ক্ৰিয়া— নৃত্য-গীত, এদিন কিবা জন্তুৰ নামৰ বিহু, কাইলৈ অমুক খোৱা বিহু, তাৰ পিচদিনা আত্মীয়-কুটুম্বৰ ঘৰলৈ যোৱা দিন, যাগ বা থুপা দিয়া, ইত্যাদি বিবিধ ক্ৰিয়াৰ যি বিশেষ ক্ৰম দেখিবলৈ পোৱা যায় তাৰ আৰ্হি, মোৰ গৱেষণা মতে, চীনদেশৰ পৰা অহা যেনহে লাগে। গোহালিৰ সমুখত যাগ দিয়া মূলতঃ দেও-ভূত খেদিবৰ ব্যৱস্থা। চীনদেশত জুই ধৰি ফটকা ফুটাইছিল এনে উদ্দেশ্যতেই। ইমান কি, আমাৰ যেনেকৈ ধুমুহা-বৰষুণৰ হাত

সাৰিবলৈ 'দেৱ দেৱ মহাদেৱ...' মন্ত্ৰ লিখি দিয়া হয়, চীনদেশত নৱবৰষত দুৱাৰৰ ওপৰত মংগলসূচক বচন লিখি দিয়া হৈছিল।... পণ্ডিতসকলে কয় যে চীনদেশত বছৰৰ আৰম্ভণিত নৈৰ পাৰত ডেকা-গাভৰুৱে যি নাচ-গান কৰিছিল (উত্তৰ-প্ৰত্যুত্তৰমূলক গীত গাইছিল), ডেকা-গাভৰুৱে যি স্বাধীনতা লৈছিল তাৰ উদ্দেশ্য আছিল খেতি-বাতিৰ উন্নতি আৰু সৰহ সন্তানৰ জন্ম। অৰ্থাৎ, এই উৎসৱ মূলতঃ উৰ্বৰা উৎসৱ।

**ড° প্ৰফুল্লদত্ত গোস্বামী ঃ** একাধাৰে শিক্ষাবিদ, লোক-সংস্কৃতিবিদ, ঔপন্যাসিক, সমালোচক, ভ্ৰমণ সাহিত্য ৰচয়িতা, জীৱনীকাৰ আৰু সম্পাদক ড° প্ৰফুল্লদত্ত গোস্বামীৰ জন্ম হয় ইং ১৯১৯ চনৰ ১৮ মাৰ্চত দক্ষিণ কামৰূপৰ নহিৰা সত্ৰত। তেওঁৰ পিতৃ সিংহদত্ত দেৱ অধিকাৰী এজন বিশিষ্ট কবি আছিল। ১৯৪০ চনত কটন কলেজৰ পৰা ইংৰাজীত সন্মানসহ স্নাতক ডিগ্ৰী লৈ ১৯৪৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত এম এ উপাধি লাভ কৰি যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত শিক্ষকতাৰে কৰ্ম-জীৱন আৰম্ভ কৰি ১৯৪৫ চনত কটন মহাবিদ্যালয়ত যোগ দিয়ে। ইং ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য আৰু বি টি বিভাগৰ ইংৰাজী প্ৰবক্তাৰূপে তেওঁ নিযুক্তি পায় আৰু ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত লোক-সংস্কৃতি গৱেষণা বিভাগ স্থাপিত হোৱাত ড° গোস্বামীয়ে সেই বিভাগৰ প্ৰাধ্যাপক আৰু বিভাগীয় মুৰব্বীৰূপে কাৰ্যনিৰ্বাহ কৰি ১৯৮১ চনত অৱসৰ লয়। ১৯৬৬ চনত আমেৰিকাৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়তো তেওঁ কিছুদিন অধ্যাপনা কৰিছিল। ১৯৯৪ চনৰ ১৯ নৱেম্বৰ তাৰিখে আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিতগৰাকীৰ লোকান্তৰ ঘটে।

ড° গোস্বামীয়ে অসমীয়া আৰু ইংৰাজী ভাষাত ভালেসংখ্যক গ্ৰন্থ ৰচনা কৰিছিল। তাৰে কেইখনমান হ'ল— এই যুগৰ সাহিত্য (১৯৪৭), সাহিত্য আৰু জীৱন (১৯৫৫), অসমীয়া জনসাহিত্য (১৯৪৮), বিলাতী হোজা (১৯৪৮), কেঁচা পাতৰ কঁপনি (১৯৫২), ভেজাল সোণ (১৯৫৫), নিতে নৱ ৰূপ তাৰ (১৯৬০), বিলাতত সাত মাহ (১৯৫৯), সোণ-ৰূপৰ নহয় সি দেশ (১৯৬২), পৃথিৱীৰ চৌপাশে এপাক (১৯৬৭), মোৰ ৰাছিয়া ভ্ৰমণ (১৯৭৪), ইউৰোপৰ মনীষা (১৯৬৭), মাণিক চন্দ্ৰ বৰুৱা (১৯৭৭), এটি জীয়া কাহিনী (১৯৭১), চৰাই বিনন্দীয়া (১৯৭০), বুৰঞ্জী আৰু সংস্কৃতি (১৯৮৫), Assamese Drama (1960), The Teaching in English (1962), Folk Literature of Assam (1954), Bihu Songs of Assam (1957), Ballads and Tales of Assam (1960), The Springtime Bihu of Assam ইত্যাদি।



## টোকা ঃ

**(ক) অথৰ্ববেদ ঃ** চাৰিখন বেদৰ চতুৰ্থখন। ইয়াৰ প্ৰাচীন নাম 'অথৰ্বাংগিৰসবেদ'। ২০ টা কাণ্ডত ৭৩১ টা সূক্তত প্ৰায় ৬০০০ মন্ত্ৰৰে বেদখনি ৰচিত। যাজ্ঞবল্ক্য, গৌতম, মনু প্ৰভৃতি স্মৃতিকাৰসকলে উল্লেখ কৰিছে যে ৰজাৰ পক্ষে এই বেদৰ অধ্যয়ন অপৰিহাৰ্য। সেইবাবে ইয়াৰ আন নাম 'ক্ষাত্ৰবেদ'। এই বেদৰ শাখা দুটা— পৈপ্পলাদ আৰু শৌনকীয়।

**(খ) ঐতৰেয় ব্ৰাহ্মণ ঃ** বৈদিক সাহিত্যৰ ব্ৰাহ্মণ গ্ৰন্থসমূহৰ ভিতৰত ঐতৰেয় ব্ৰাহ্মণ প্ৰাচীনতম। গ্ৰন্থখনি মূলতঃ পদ্যত ৰচিত। ইয়াৰে কেইটামান আখ্যান গদ্যত লিখা। সেইকেইটাৰ ভিতৰত হৰিশ্চন্দ্ৰ- শুনঃশেফৰ কাহিনী মূল্যৱান।

**(গ) বিষ্ণুপুৰাণ ঃ** বৈষ্ণৱ সম্প্ৰদায়ৰ এখন প্ৰধান গ্ৰন্থ। ৰামানুচাৰ্যই তেওঁৰ বেদান্ত সূত্ৰৰ টীকাত এই কথা স্পষ্টভাৱে উল্লেখ কৰিছে। পুৰাণখনিৰ বিষয়বস্তুৰ ধাৰাবাহিকতাই প্ৰমাণ কৰে যে ই এখন প্ৰাচীন পুৰাণ আৰু ইয়াৰ মূল ৰূপটি আজিলৈ অপৰিৱৰ্তিত। পুৰাণৰ পঞ্চলক্ষণ ইয়াত বৰ্তমান। বৈষ্ণৱসকলৰ প্ৰামাণ্য গ্ৰন্থ হ'লেও ইয়াত বিষ্ণুৰ উদ্দেশ্যে কোনো যাগ-যজ্ঞানুষ্ঠানৰ কথা লিপিবদ্ধ হোৱা নাই।

**(ঘ) ইন্দ্ৰধ্বজ পূজা ঃ** ভাৰত ভূমিত ইন্দ্ৰধ্বজ পূজাৰ ইতিহাস প্ৰাচীন। ভাদ মাহৰ প্ৰথম পক্ষত পুৰণি কালত ৰজাসকলে বৰযুণৰ বাবে ইন্দ্ৰধ্বজ পূজা কৰিছিল। 'কালিকা পুৰাণ'কে আদি কৰি প্ৰাচীন গ্ৰন্থত এই উৎসৱৰ সবিশেষ পোৱা যায়। জনশ্ৰুতি মতে, ইন্দ্ৰধ্বজ পূজা কৰা ৰজাসকলৰ ৰাজ্যত ৰোগ নাশ হয়। শস্যৰ সমৃদ্ধি সাধন হয়।

**(ঙ) হলিৰাম ঢেকিয়াল ফুকন** (খ্ৰীঃ ১৮০২-১৮৩২) **ঃ** হলিৰাম ফুকনৰ পিতৃৰ নাম পৰশুৰাম বৰুৱা আৰু মাতৃৰ নাম কামেশ্বৰী। দেউতাকৰ মৃত্যুৰ পিছত চৈধ্য বছৰ বয়সত তেওঁ হাদিৰাচকীত দুৱলীয়া বৰুৱা হয়। চন্দ্ৰকান্ত সিংহৰ সৈতে মানৰ লগত হাদিৰাচকীত ৰণ কৰাৰ পিছত স্বৰ্গদেৱে তেওঁক ঢেকিয়াল ফুকন পদবী দিয়ে। ইং ১৮২৫ খ্ৰীষ্টাব্দত কোম্পানীৰ আমোলত তেওঁ অসমৰ নামনি খণ্ডৰ কালেক্টৰী চিৰস্তাদাৰ নিযুক্ত হোৱাৰ পিছত হোৱাইট চাহাবৰ সৈতে মতানৈক্য হোৱাত তেওঁ সেই পদ এৰি দিয়ে আৰু ১৮৩২ চনত গুৱাহাটীত এছিষ্টেণ্ট মেজিষ্ট্ৰেট্ নিযুক্ত হয়। ১৮২৯ চনত তেওঁ বঙলা ভাষাত 'আসাম বুৰঞ্জী' ৰচনা কৰে। ১৮৩২ চনত 'তীৰ্থ যাত্ৰা পদ্ধতি' নামেৰে সংস্কৃতত লিখা পুথি এখনো প্ৰকাশ পায়। বঙলা 'সমাচাৰ চন্দ্ৰিকা', 'সমাচাৰ দৰ্পণ' প্ৰভৃতিত তেওঁৰ কেইবাটাও উল্লেখযোগ্য প্ৰবন্ধ প্ৰকাশ পোৱাটো উল্লেখযোগ্য।

**(চ) বলৱৰ্মা ঃ** পুৰণি প্ৰাগ্‌জ্যোতিষত বলৱৰ্মা উপাধিধাৰী তিনিজন নৃপতিৰ নাম পোৱা যায়। তাৰে শালস্তম্ভবংশী তৃতীয় বলৱৰ্মাদেৱে অখণ্ড প্ৰতাপেৰে প্ৰায় একুৰি পাঁচ বছৰ কাল ৰাজত্ব চলাই পৱিত্ৰ বিষুৱ সংক্ৰান্তি কালত ব্ৰাহ্মণলৈ ভূমি দান কৰা একাধিক তামৰ ফলি উদ্ধাৰ হৈছে।

**(ছ) বলীনাৰায়ণ বৰা** (খ্ৰীঃ ১৯৫২-১৯২৭) ঃ উত্তৰ গুৱাহাটীত জন্মগ্ৰহণ কৰা, দত্তনাৰায়ণ বৰাৰ পুত্ৰ বলীনাৰায়ণ বৰাই ১৮৬৮ চনত গুৱাহাটী চেমিনাৰীৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ ১৮৭১ চনত এফ এ পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰাৰ এবছৰ পিছত গীলক্ৰাইষ্ট বৃত্তি লৈ বিলাত পায়গৈ। ইং ১৮৭৭ চনত কুপাৰ হিল্‌ছ কলেজৰ পৰা চিভিল ইঞ্জিনীয়াৰিঙৰ উপাধি লাভ কৰি ঘৰলৈ ৰাওনা হয়। নগাঁও, শিৱসাগৰ আৰু বংগদেশৰো নানা ঠাইত সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰি ১৯০৭ চনত অধীক্ষক অভিযন্তাৰূপে অৱসৰ লয়। নগাঁৱত চাকৰি কৰা কালত ইং ১৮৮৬ চনৰ ডিচেম্বৰ মাহত 'মৌ' নামেৰে কাকত এখন উলিয়াইছিল। চাৰিটা সংখ্যা উলিয়ায়ে বেজবৰুৱা প্ৰমুখ্যে এচাম কলিকতা প্ৰবাসী ছাত্ৰৰ বিৰোধিতাৰ বাবে কাকতখনি বন্ধ কৰিবলৈ বাধ্য হয়। ইংৰাজীত কবিতা ৰচনা কৰা বৰাৰ ৰচিত গ্ৰন্থৰ ভিতৰত 'A Geography of India', 'ভাৰতবৰ্ষৰ বুৰঞ্জী', 'অসমীয়া প্ৰবচন' প্ৰভৃতি প্ৰধান।

**(জ) ৰজনীকান্ত বৰদলৈ ঃ** অসমীয়া সাহিত্যত 'উপন্যাস সম্ৰাট' আৰু 'অসম স্কট'ৰূপে পৰিচিত ৰজনীকান্ত বৰদলৈৰ জন্ম হয় গুৱাহাটীৰ কুকুৰমূতাত (হেদায়েৎপুৰ)। মোমায়েকৰ উত্তৰ গুৱাহাটীত থকা ঘৰত ল'ৰালি কাল অতিবাহিত কৰি ১৮৮৫ চনত গুৱাহাটীৰ চৰকাৰী হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। ১৮৮৭ চনত কলিকতাৰ মেট্ৰোপলিটান কলেজৰ পৰা এফ এ আৰু ১৮৮৯ চনত বি এ ডিগ্ৰী লাভ কৰি ১৮৯১ চনত উত্তৰ লক্ষীমপুৰত মাটিৰ হাকিম ৰূপে চৰকাৰী চাকৰিত যোগদান কৰি ১৯১৮ চনত জিলা অধিপতি ৰূপে অৱসৰ লয়।

বৰদলৈ ডাঙৰীয়াৰ ৰচিত উপন্যাসসমূহ হ'ল— 'ৰহদৈ লিগিৰী', 'মিৰিজীয়ৰী', 'মনোমতী', 'দন্দুৱাদ্ৰোহ', 'নিৰ্মল ভকত', 'তাম্ৰেশ্বৰীৰ মন্দিৰ', 'ৰাধা-ৰুক্মিণীৰ ৰণ' আদি। 'ভোলাই শৰ্মা' ছদ্মনামেৰে 'বাঁহী' আৰু 'আলোচনী' কাকতত এলানি হাস্যৰসাত্মক সাহিত্য ৰচনা কৰিছিল। ৰজনীকান্ত বৰদলৈ অসম সাহিত্য সভাৰ অষ্টম অধিৱেশনৰ সভাপতি আছিল।

**(ঝ) গণেশচন্দ্ৰ হাজৰিকা ঃ** শিৱসাগৰৰ ওচৰৰ কোঁৱৰপুৰ মৌজাৰ যোগনীয়া গাঁৱত জন্মগ্ৰহণ কৰা গণেশচন্দ্ৰ হাজৰিকাই 'বাঁহী', 'আলোচনী' আদি কাকতত ভালেকেইটা কবিতা আৰু প্ৰবন্ধ লিখিছিল। 'বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ' (১৯১৮) হাজৰিকাৰ একমাত্ৰ প্ৰকাশিত বিহু সম্পৰ্কীয় প্ৰবন্ধপুথি।

**(ঞ) বাঁহী ঃ** ১৯০৯ চনত লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত 'বাঁহী' আলোচনীখন কলিকতাৰ পৰা প্ৰকাশ পায়। দশম বছৰৰে পৰা 'বাঁহী' চন্দ্ৰকমল বেজবৰুৱাৰ দ্বাৰা পোনতে ডিব্ৰুগড় আৰু পিছত গুৱাহাটীৰ পৰা ওলায়।

**(ট) মিৰিজীয়ৰী ঃ** 'উপন্যাস সম্ৰাট' ৰজনীকান্ত বৰদলৈৰ দ্বাৰা মিচিং সমাজৰ আধাৰত ৰচিত প্ৰখ্যাত উপন্যাস। ইয়াত মিচিংসকলৰ মাজত প্ৰচলিত বিহু নৃত্য আৰু গীতৰ বহল বিৱৰণী পোৱা যায়।



**(ঠ) আসাম বন্ধু ঃ** 'অৰুনোদই' কাকত প্ৰকাশৰ প্ৰায় দুকুৰি বছৰ পিছত ১৮৮৫ চনত গুণাভিৰাম বৰুৱাৰ সম্পাদনাত 'আসাম বন্ধু' নামৰ মাহেকীয়া আলোচনীখন কলিকতাৰ পৰা প্ৰকাশ পায়। ইং ১৮৯৪ চনলৈ চলা এই আলোচনীখনত বা-বাতৰিৰ উপৰি অসমৰ সাহিত্য, বুৰঞ্জী তথা সমাজৰ নৈতিকতা সম্পৰ্কে নানা কথাই স্থান পায়।

## শব্দাৰ্থ ঃ

অপৰিহাৰ্য — যাক পৰিহাৰ কৰিব নোৱাৰি।
বিষুৱণ — দিন-ৰাতি সমান হোৱা কাল, যজ্ঞ সম্পাদন কৰা এটা দিনৰ নাম।
নওৰোজ — নৱবৰ্ষ।
হুঁচৰি — বহাগৰ বিহুত ঢোল, পেঁপা বজাই জুম বান্ধি নৃত্য-গীত কৰি ফুৰা মানুহৰ জুম।
শ্বান — মূলতঃ চীন দেশৰ লোক।
উৰুকা — বিহুৰ আগদিনা।
পৰিপোষণ — পোহপাল।
সমন্বয় — মিলন।

## প্ৰশ্নাৱলী ঃ

১। বিহুক অসমৰ জাতীয় উৎসৱ বুলি কোৱাৰ কাৰণ কি, তোমাৰ পাঠ্য প্ৰবন্ধৰ সহায়ত আলোচনা কৰা।
২। বিহুৰ উৎপত্তি আৰু বিহুনৃত্য সম্বন্ধে ভিন্নজনে আগবঢ়োৱা মন্তব্যসমূহ চমুকৈ আলোচনা কৰা।
৩। 'বিহু এক ধৰ্মীয় অনুষ্ঠান'— বিহুক ধৰ্মীয় অনুষ্ঠান বুলি কোৱাৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা।
৪। অসমত বিষুৱ সংক্ৰান্তিৰ কালত পালন কৰা বিহু অনুষ্ঠানৰ সমপৰ্যায়ৰ অনুষ্ঠান ভাৰতৰ আন আন ঠাইত দেখা যায় নে, আলোচনা কৰা।

———————

দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ বাবে

# চুটিগল্প

# আমাৰ ছাৰ

## যোগেশ দাস

আমাৰ পদ্মেশ্বৰৰ ডাঙৰ ছোৱালী মিনুৰ বিয়া। তালৈ গধূলি পৰত আমাৰ ছাৰ অহাটো আচৰিত কথা নহয়। কিন্তু বৰ ডাঙৰ কথা।

আমাৰ ছাৰ পদ্মেশ্বৰৰ নিচিনা আমাৰ চামৰ উপৰি আগৰ-পিছৰ বহুতৰে শিক্ষক বাবে তেখেত সাৰ্বজনীন ছাৰ হৈ উঠিছে। তেখেতে এতিয়া অৱসৰ লৈছে। কিন্তু সেই ডেকা দিনৰ মানসিক সবলতা তেখেতে এতিয়াও হেৰুওৱা নাই। আওপুৰণি চাইকেলখন লৈ এতিয়াও চহৰখনত ঘূৰি ফুৰে। আমি নিজৰ ভিতৰত তেখেতৰ ধৰণীধৰ বৰুৱা নামটো ব্যৱহাৰ নকৰোঁৱেই। আমাৰ ছাৰ বুলিলেই আমি বুজোঁ।

পদ্মেশ্বৰৰ ঘৰৰ সন্মুখত পতা ৰভাতলিত আমাৰ ছাৰ যেতিয়া উপস্থিত হ'লহি তেতিয়া আমি কেউটাই উৰি যোৱাদি গৈ তেখেতক আগবঢ়াই আনিলোঁগৈ। মই চাইকেলখন ধৰি একাষে থ'লোঁ। হেমন্তই হাত দুখন মোহাৰি মোহাৰি বহা ঠাইলৈ আগবঢ়াই নিলে। নগেনে লৰ মাৰি গৈ ডাঙৰ কাঠৰ চকী এখন হাতেৰে মোহাৰি মোহাৰি চিঞৰিলে, "আহক ছাৰ, ইয়ালৈ ছাৰহুঁ" ছাৰেও আমাৰ সম্ভাষণ অকাতৰে গ্ৰহণ কৰাৰ দৰে "ৰ ৰ, বৰ বেছি গোলমাল নকৰিবি" বুলি কৈ কৈ গৈ নগেনে নিৰ্দিষ্ট কৰি দিয়া চকীখনত গাটো পেলাই দিলে।

টেঙৰ হাজৰাই ক'ৰবাৰ পৰা বিচনী এখন বিচাৰি আনি পাছফালৰ পৰা ছাৰক বিচিবলৈ ধৰিলে। ছাৰে তালৈ উভতি চাই ক'লে, "অ' তই মনোৰঞ্জন। ভালেই কৰিছ দে, বৰ গৰম লাগি আহিছে। এই ফেনখন চলা নাই কিয়?"

আমি জনালোঁ যে কাৰেণ্ট দিয়া নাই। হাজৰাই প্ৰশংসাটো পোৱা কাৰণে আমি অলপ ক্ষোভেৰে তাৰ ফালে চালোঁ। আমাৰ মনৰ অৱস্থা বুজিব পাৰি সি মিচিক কৰে হাঁহি ক'লে, "চাঞ্চটো ল'লোঁ, বেয়া নাপাবি।" ভাবি-চিন্তি বুদ্ধি খটাই চলি অহা বাবে মনোৰঞ্জন হাজৰাক আমি ঈৰ্ষাৰ চকুৰে চাই প্ৰায়েই "নোমটেঙৰ বঙালী" বুলি জাতিত ধৰি গালি পাৰিছিলোঁ। কিন্তু তাকো মৰমতেহে; আমাৰ ফাইলটো এদিনলৈকে এৰা-এৰি হোৱা নাছিল।

ছাৰক বেৰি-কুৰি আমি নানান প্ৰশ্ন কৰিবলৈ ধৰিলোঁ। ছাৰেও আমাৰ সকলোৰে



খা-খবৰ ল'বলৈ ধৰিলে। কোৱা বাহুল্য আমাৰ প্ৰশ্নবোৰ প্ৰায়েই ছাৰক জোকাবৰ কাৰণে কৰা। আমি যেন এতিয়াও সেই তাহানিৰ স্কুলীয়া দুষ্ট ল'ৰাকিটাই হৈ আছোঁ। তেতিয়াও ছাৰক দিগদাৰ কৰিছিলোঁ, এতিয়াও খেজেলিয়াবলৈ এৰা নাই। ছাৰেও তেতিয়াৰ দৰেই ডাবি-ধমক দি আমাৰ কথাৰ উত্তৰ দিলে, যেন এতিয়াও আমি তেখেতৰ ভয়ত থৰহৰি কম্পমান দুষ্ট ল'ৰাকিটাই হৈ আছোঁ। অৱশ্যে এতিয়া ভয় নকৰিলেও আমি ভয় কৰাৰ অভিনয় কৰিছোঁ। মজা সেইখিনিতে।

যেনে আমি ক'লোঁ, "ছাৰে আৰু এই বয়সত চাইকেলত উঠি নুফুৰাই ভাল।"

"কিয় নুঠিম অ'হুঁ কিয় নুঠিম?"

এনে জোৰত ছাৰ গৰজি উঠিল যে আমি আধা-আধি ভয়তে চিটিকি উফৰি পৰিলোঁ। হাজৰাই কোনোমতে খোপনি পুতি জোৰে জোৰে বিচনী মাৰি, কিন্তু মুখত দুষ্টালিৰ হাঁহি লৈ, ক'লে, "নহয় ছাৰ, আজিকালি গাড়ী-মটৰ বেছি হৈছে। চাইকেল চলোৱা টান হৈ পৰিছে। কেনেবাকৈ পৰি গ'লেও এই বয়সত আপুনি বৰ কষ্ট পাব।"

ছাৰে সমান উত্মাৰে সমিধান দিলে, "৭৫ বছৰ হ'লহি, শিকোঁতে পৰাৰ বাহিৰে এদিনো চাইকেলৰ পৰা পৰা নাই, এতিয়া কিয় পৰিম? হোঃ তহঁতে ক'লেই হ'লহুঁ আৰু মটৰে চেপিলে তহঁতে খৰখেদাকৈ শ্মশানলৈ লৈ যাবি, ঘৰত খবৰ নিদিবি।"

আমি কেউটাই প্ৰতিবাদ কৰি উঠিলোঁ, "ছিঃ ছাৰ, কিয় তেনেকৈ কয়? আপোনাক কোনখন মটৰে চেপে আমি চাম নহয়।

এসময়ৰ পালোৱান হেমন্তই বুকু ফিন্দাই ক'লে, "তাৰ মটৰ গুড়া কৰি দিম ছাৰ।" 'তাৰ' মানে ছাৰ অজাতশত্ৰু মটৰৰ চালকৰ।

ছাৰে হো-হো কৰে হাঁহি আমাক আশ্বাস দিলে, "বাৰু বাৰু যা তহঁতে চিন্তা কৰিব নেলাগে। মই মটৰৰ চেপাত নমৰোঁ। তহঁতক গালি পাৰিবলৈ আৰু কিছুদিন জীয়াই থাকিম।"

গালি পৰা কথাটোৰ অৰ্থ আছে। আমাৰ ছাৰৰ সমান খঙাল মাষ্টৰ আমি আমাৰ জীৱনত দেখাই নাই। ডেকা বয়সত এছিষ্টেণ্ট হেড্‌মাষ্টৰ হৈ থাকোঁতেই আমি ছাৰক প্ৰথমে পাইছিলোঁ। ডিচিপ্লিন ৰক্ষা কৰিবৰ কাৰণে স্কুলত কত যে নিয়ম নুলিয়ালে, কিমান যে সৌকা নেভাঙিলে, কিমান যে ডিটেইন নকৰিলে। এইবিলাক বিষয়ত ছাৰে হেড্‌মাষ্টৰৰ হাক-বচন প্ৰায়েই নুশুনিছিল। নিজে হেড্‌মাষ্টৰ হোৱাৰ পিছততো কথাই নাই। ছাৰ স্কুলখনৰ কাৰণে আতঙ্ক স্বৰূপ হৈ উঠিছিল। কোনো ল'ৰাই বাৰাণ্ডাত থিয় দি থাকিব নোৱাৰে। পলমকৈ আহিলেতো ছাত্ৰ হওক, শিক্ষক হওক

কোনেও স্কুলত সোমাব নোৱাৰে; ফাইনেল বে'ল পৰাৰ লগে লগে ছুটীৰ ঘণ্টা নপৰালৈকে ধনীৰাম চকীদাৰে প্ৰকাণ্ড তলাটো লগাই থয়। মলিয়ন কাপোৰ পিন্ধি আহিলে, হোমৱৰ্ক কৰি নানিলে, কাৰোবাৰ গাত অজ্ঞাতে চিঞাহী পেলালে, লগৰ ল'ৰাৰ লগত কাজিয়া কৰিলে, পৰীক্ষাত চুৰ কৰিলে, অফিচলৈ মতাই নি একো-ডজনকৈ বেতৰ কোব খাবই লাগিব।

তথাপি যে ল'ৰাহঁতে উৎপাত বা দুষ্টামি নকৰাকৈ আছিল এনে নহয়। এই বিষয়ত আমাৰ দলটো বা ফাইলটো আছিল আটাইতকৈ চকুত লগা। আমাৰ ভিতৰত আকৌ চৰ্দাৰ আছিল পদ্মেশ্বৰ। সি স্কুলত থকা কালত ছাৰক কম আহুকাল দিয়া নাছিল।

তেতিয়া নিশ্চয় ছাৰৰ শাস্তি আৰু নিয়মবোৰ আমি ভাল পোৱা নাছিলোঁ। কিন্তু আজি সাংসাৰিক অভিজ্ঞতা হোৱাত, নিজৰো ল'ৰা-ছোৱালী স্কুললৈ যোৱাত ভাবি-চিন্তি দেখিছোঁ, ছাৰে একো বেয়া কাম কৰা নাছিল। অন্যায় কামতো তেখেতে এটাও কৰা নাছিল। আমি মনত পেলাই চাইছোঁ, আমাৰ কোনো এজন অভিভাৱকেই ছাৰৰ কামবোৰত এবাৰলৈকো আপত্তি বা প্ৰতিবাদ কৰা নাছিল।

মানুহ বা শিক্ষক হিচাপে ছাৰক আমিও কোনো দিনে বেয়া পোৱা নাছিলোঁ। কাৰণ পঢ়া নোৱাৰিলে গালি পাৰিছিল বা কাণচেপা দিছিল যদিও ছাৰে মৰম আৰু সহানুভূতিৰে বাৰে বাৰে বুজাই দিবলৈ কেতিয়াও বেয়া নাপাইছিল। আমাৰ বেচ্চক নাইনৰ পৰাই দেওবাৰে ঘৰলৈ মাতি নি অঙ্ক আৰু ইংৰাজী শিকাইছিল। মোৰ মনত আছে, এদিন গধূলি ছাৰে দেউতাক কিবা কাৰণত বিচাৰি আমাৰ ঘৰলৈ গৈছিল। মই তেতিয়া পঢ়াৰ টেবুলত। "চাওঁ কি পঢ়িছ" বুলি তেখেতে মোৰ ওচৰতে বহিল। ইংৰাজী গ্ৰামাৰ অলপ ধৰি, "ডেফোডিল" কবিতাটো আকৌ এবাৰ বুজাই দি, মই নোৱৰা অঙ্ক এটা কৰিবলৈ ধৰিলে। কিন্তু উত্তৰ নোলায়হে নোলায়। সেইটো কৰি দিওঁতে পাতোঁতে, কৰোঁতে বা কিতাপৰ উত্তৰতে কিবা ভুল আছে নেকি কেউদিশৰ পৰা চাওঁতে চাওঁতে ইমান পলম হৈ গ'ল যে শেষত মা আৰু দেউতায়ো উচপিচাই আলেঙে আলেঙে আহি চাই যাবলৈ ধৰিলে। মাৰ চিন্তা মোৰ ভোক লাগিব পাৰে, দেউতাৰ চিন্তা তেওঁ নিজে খাবলৈ পোৱা নাই। শেষত যেনিবা অঙ্কটো কৰি দি ছাৰ গ'লগৈ কাকো মাত নলগোৱাকৈয়ে। অকল মোৰ বুলি নহয়, পঢ়া-শুনাৰ বিষয়ত সকলোৰে কাৰণে ছাৰৰ একে চিন্তা। এনে এজন মানুহক কোনো বেয়া বুলিব?

কোনোবা সৰু ল'ৰা এটাই তামোলৰ বটাটো আনি ছাৰৰ সন্মুখত ধৰিলেহি। আমি তেতিয়াও ছাৰক লৈয়েই ব্যস্ত হৈ আছোঁ। মাজে মাজে বিয়ালৈ অহা মানুহকো



সোধ-পোচ কৰিছোঁ। পদ্মেশ্বৰ তেতিয়াও ওলাই আহিব পৰা নাই। তামোল ছাৰৰ বৰ প্ৰিয়। বটাটো কোঁচত লৈ দুখনমান তামোল একেলগে ভৰাই জেপৰ পৰা নিজৰ টেমাটো উলিয়াই তাৰ পৰা অসমীয়া ধঁপাত অকণমান লৈ বৰ আয়মেৰে খাবলৈ ধৰিলে। ধঁপাত আমাকো দিছিল, পিছে আমি এটায়ো নাখাওঁ। ছাৰে মন্তব্য কৰিলে, "ধঁপাতেই যদি নেখালি তেন্তে কিহৰ তামোল খাৱ?"

আমাৰ অনুমানত ছাৰৰ তামোলখনত পাগ উঠোঁতেই হেমন্তই ভিতৰৰ পৰা আহি ক'লে, "ছাৰে জলপান খাই ল'লেই ভাল আছিল নেকি?"

"কেলেই খাম অ' এতিয়া?" ছাৰ গৰজি উঠিল ঃ "এনে সুন্দৰ তামোলখন নষ্ট কৰি খাওঁ এতিয়া তোৰ জলপানটো; নাখাওঁ যা— নিদিলেও নিদিবি।"

মই কৃত্ৰিম ধমকৰ সুৰত হেমন্তক ক'লোঁ, "তোৰনো কি এনে সময় নোহোৱা হৈছে যে ছাৰে এতিয়া আজৰি কৰি দিলেহে হয়? যা ছাৰৰ যেতিয়াই মন যাব তেতিয়াই খাব।"

ছাৰে মোৰফালে চাই ক'লে, "অঁ চাচোন চা, ইয়াৰ কাণ্ডটো চা। ই হেমন্ত এটা— এটা-এটা গাধা।"

মূৰ খজুৱাই খজুৱাই হেমন্তই ক'লে, "হয় ছাৰ। আগতে কেৱল বোজা কঢ়িয়াইছিলোঁ। এতিয়া মানুহো কঢ়িয়াওঁ। মই ৰে'লত কাম কৰোঁ।"

ছাৰে আকৌ এবাৰ হো-হো কৰে হাঁহি হেমন্তৰ গাত চপৰিয়াই ক'লে, "নহয় যা। তোৰ বুদ্ধি এতিয়া খুলি গৈছে। আগতে পাওঁতে শিলৰ মাজত লুকাই থকা সোণৰ চেকুৰা আছিল।"

হেমন্তই ক'লে, "হয় ছাৰ।"

ছাৰে পদ্মেশ্বৰৰ খবৰ লৈ আছিল। সি কিবা পূজাৰ কামত ব্যস্ত হৈ আছিল। মাতি দিম বুলি কৈছিলোঁ। ছাৰে "নেলাগে, তাক কামখিনি শেষ কৰি ল'বলৈ দে" বুলি ক'লে।

বিয়ালৈ অহা মানুহবো ভালেমানে ছাৰৰ ওচৰলৈ আহি খা-খবৰ ল'লে। প্ৰায় সকলোৰে চিনি পায়। যি নাপায় তেওঁলোকে পৰিচয় লৈ শ্ৰদ্ধা জনাই গ'ল। ছাৰ যে জনাজাত মানুহ এই বিষয়ে কোনো সন্দেহ নাই। ছাৰে বক্তৃতা দিয়াৰ দৰে অনৰ্গল কথা কৈয়ে আছে। তাতে আমিও নানান কথা কৈ জোকাই আছোঁ। আমাৰ কথাত কৃত্ৰিম খং দেখুৱাই উষ্মা প্ৰকাশ কৰি ছাৰে ডাঙৰকৈ কথা কৈ আছে। আমাৰ মাজত যে এটা মধুৰ সম্পৰ্ক আছে সেইটো সকলোৰে বুজিছে। বহুতেই অদৰকাৰতো বহি বহুত বহুত পৰলৈ আমাৰ আমোদত নীৰৱে ভাগ লৈছে।

অৱশেষত পদ্মেশ্বৰ ওলাই আহিল। সি গম পাইছিল যে ছাৰ আহিছে। কিন্তু কাম পেলাই আহিব পৰা নাছিল। যেতিয়াই আজৰি পালে তেতিয়াই ছাৰক বিচাৰি বাহিৰৰ ৰভাতল পালেহি। আহিয়েই সি 'ছাৰ' বুলি হাউলি ছাৰৰ ভৰিত ধৰি টপ কৰে সেৱা কৰিলেহি ছাৰ কথাত মচগুল হৈ আছিল। পদ্মেশ্বৰ যে আহিছে ক'বই নোৱাৰে। সি সেৱা কৰোঁতেহে চক খাই উঠাৰ দৰে "হেঃ?" বুলি কৈ উঠিল ঃ "অথনিৰ পৰা বহি আছোঁ, তোৰ দেখা-দেখিয়েই নাই।"

অপৰাধবোধত হাত দুখন মোহাৰি মোহাৰি পদ্মেশ্বৰে ক'লে, "বৰ লেঠা এটাত পৰি আছিলোঁ ছাৰ, পুৰোহিতে উঠি আহিবই নিদিয়ে। আপুনিতো জানেই।"

তাৰ কথা শেষ নৌহওঁতেই ছাৰে ক'লে, "জানিছোঁ, জানিছোঁ অ', মই খবৰ লৈ আছোঁ। ইহঁতে মাজতে মাতি দিবই খুজিছিল, মইহে মানা কৰিলোঁ।"

এসময়ৰ স্কুলৰ দুৰ্দ্ধৰ্ষ ল'ৰা পদ্মেশ্বৰ আৰু আজিৰ কন্যাদায়গ্ৰস্ত পিতৃ পদ্মেশ্বৰক ছাৰৰ সন্মুখত আমি মনতে ৰিজাই চালোঁ। স্কুলৰ স্বাস্থ্যৱান ছটফটীয়া ছাত্ৰ পদ্মেশ্বৰে ছাত্ৰ জীৱনত উৎপাতেই কৰি গ'ল। আজি মেদবহুল, পেটুৱা, চুলিত পক ধৰা পদ্মেশ্বৰে শুদা ভৰিৰে, চুৰিয়াৰ ওপৰত চেলেং কাপোৰ এখন পেলাই লৈ গহীন গম্ভীৰ হৈ ছাৰৰ সন্মুখত সম্ভ্ৰমেৰে থিয় দিছেহি।

সি আকৌ বিনয়েৰে ক'লে, "আপুনি অহাত বৰ ভাল পালোঁ ছাৰ।"

ছাৰে আকৌ তাৰ কথাৰ ওপৰতে ক'লে, "এঃ যা তই একো ভাল পোৱা নাই। ছোৱালীৰ বাপেকী হ'লহি, ছাৰে এতিয়াও গালি পাৰে, এতিয়াও দোষ ধৰে বুলি মই নহা হ'লেই ভাল পালিহেঁতেন।"

পদ্মেশ্বৰে প্ৰতিবাদ কৰিলে, "নহয় ছাৰ, কেলৈ হ'ব, মই তেনেকৈ কেলৈ..."

মই মাজতে ক'লোঁ, "হয় ছাৰ, ই পদ্মেশ্বৰৰ একো পৰিৱৰ্তন হোৱা নাই।"

ছাৰে হো-হো কৰে হাঁহি ক'লে, "অঁ এতিয়া? এতিয়া ক কি ক'ৰ? বাৰু যা যা তই ভাল নোপোৱা হ'লেও মই তোৰ ছোৱালীৰ বিয়ালৈ আহিলোঁহেঁতেন। মাতিছ যেতিয়া, মনত পেলাইছ যেতিয়া নিশ্চয় আহিম। এতিয়া জলপানৰ দিহাটো কৰি দেচোন, ইহঁতে এটায়ো মোক খুওৱাৰ কথা ভবা নাই।"

আমি সকলোৱে এই মিছা অভিযোগৰ প্ৰতিবাদ কৰিলোঁ। এটা হৈ চৈ লাগিল। নগেন আৰু হেমন্ত দৌৰি ভিতৰৰ পিনে গ'ল। উঠিব খোজা ছাৰক পদ্মেশ্বৰে এনেয়ে সহায় কৰিলে। সি হুকুম দিলে, 'এই, ছাৰক ভিতৰত বেলেগ জাগাত টেবুলত ঠিক কৰি দে।"

তাতো ছাৰৰ আপত্তি ঃ ক'লে, "বেলেগ জাগাত কেলৈ খাম অ'? ৰাইজৰ পৰা



আঁতৰাই ইস্পেচিয়েলী খুৱাই মোক বহুৱা তুলিব খুজিছ? ই-সহু তহঁতৰ সঁচাই কোনো পৰিৱৰ্তন হোৱা নাই। মোক কেনেকৈ দিগদাৰী কৰিব পাৰ তাৰ চিন্তাতে থাক।"

হাজৰাই মাত লগালে, "ইহঁতৰ অলপো কাণ্ডজ্ঞান নাই। ইস্পেচিয়েল টেবুল কৰি ছাৰক বদনাম এটা দে আৰু।" ছাৰে হাজৰাৰ ফালে চাই ক'লে, "অঁ কাণ্ডজ্ঞানটো তোৰেই যি অলপ আছে। চাকৰি নকৰি দেউতাৰৰ ঘড়ীৰ দোকানখনতে লাগি ভাল উন্নতি কৰিছ। বাকীকেইটাইতো পাছ কৰিয়েই চাকৰিৰ পাছে পাছে গৈ বৰ ডাঙৰ মানুহ হ'ল।"

অভাৱ বিশেষ নাথাকিলেও আমি কেউটা সামান্য সামান্য চাকৰিয়াল।

ছাৰে আন আন মানুহৰ লগতে জলপান খালে। আমি কেউটাই তেখেতৰ তদাৰক কৰিলোঁ। পদ্মেশ্বৰো উপস্থিত থাকিল। ইটোৰ পিছত সিটোকৈ বস্তু দিবলৈ চেষ্টা কৰি নগেন আৰু হেমন্তই আকৌ ছাৰক ব্যতিব্যস্ত কৰিলে। হাজৰাই বিচনী মাৰিয়েই থাকিল। ছাৰে খালে সামান্য, পাতত কিবা দিব খুজিলেই কয়, "অ'ই মিছাই দিগদাৰী নকৰিবি।"

ছাৰে স্কুলত আমাৰ পৰা কম 'দিগদাৰী' পোৱা নাছিল। খঙত উগ্ৰমূৰ্তি ধৰি আমাক ছাৰে প্ৰায়েই ক'ব লগা হৈছিল, 'তহঁতেনো মোক কিমান দিগদাৰী কৰ হোঁ? হাত পাত।"

পদ্মেশ্বৰৰ নেতৃত্বত আমি বহুত উৎপাতেই স্কুলত কৰিছিলোঁ। এবাৰ মেটিনি চাবলৈ পলাইছিলোঁ। লেজাৰত ওলাই গৈ একেকোবেই চিনেমা হল পালোঁগৈ। বুদ্ধি আৰু প্ৰস্তাৱ আছিল পদ্মেশ্বৰৰ। হাজৰা ঘৰলৈ গৈছিল কাৰণে তাক এৰি গৈছিলোঁ। আমি কেউটা একেখন বেঞ্চতে বহোঁ। পদ্মেশ্বৰে ক্লাছৰ কেইটামান ল'ৰাক আন বেঞ্চৰ পৰা আহি আমাৰ বেঞ্চত বহি থাকিবলৈ বন্দৱস্ত কৰি আহিছিল। নহ'লে ছাৰৰ চকুত খালী বেঞ্চখন নপৰাকৈ থকা টান। কিন্তু তথাপি ধৰা পৰিব লগা হ'ল। চিনেমা হলত হাজৰায়ো আমাক লগ ধৰিলেগৈ। স্কুলত আমাক বিচাৰি নেপাই বে'ল পৰাৰ আগে আগে সিও ওলাই আহিল। পদ্মেশ্বৰে খঙত ক'লে, "তই থাকিলে ধৰা নপৰিম বুলি ভাবিছিলোঁ। এতিয়া সিহঁতকিটা আমাৰ বেঞ্চত বহে নে নবহে কোনে জানে?" হাজৰাই উত্তৰ দিলে, "ছাৰে ধৰি সুধিলে মই কি জবাব দিম? তাতকৈ একেলগে মৰাই ভাল।" পিছদিনা প্ৰথম ঘণ্টাতে আমাৰ ডাক পৰিল। কেনেকৈ ছাৰে জানিলে আমি আজিও ক'ব নোৱাৰোঁ। বোধকৰোঁ আমাৰ ফাইলটো স্কুলত অনুপস্থিত থকাটো লুকুৱাব পৰা কথাই নহয়। আমি প্ৰত্যেকেই প্ৰতি হাতত ছটাকৈ ছাৰৰ পূৰ্ণহতীয়া কোব খালোঁ। তাৰ পিছত গোটেই দিনটো বেঞ্চৰ ওপৰত থিয় হৈ

থাকিলোঁহু তদুপৰি ঘৰলৈকো ৰিপ'ৰ্ট যোৱাত গধূলি আকৌ গালি। বেজাৰতে দুদিনমান আমি স্কুললৈ নোযোৱাকৈ থাকিলোঁ। স্কুললৈ অহাৰ দৰে ঘৰৰ পৰা আহি ক'ৰবাত থাকোঁগৈ। যেতিয়া আকৌ স্কুললৈ গ'লোঁ— নগ'লে নিস্তাৰ নাই বুলিও জানিছিলোঁ— তেতিয়া ছাৰে আমাৰ ক্লাছত সোমাই চিঞাই সুধিলে, "ক'লৈ যোৱা হৈছিল মহাপুৰুষসকলৰ?" আমি ভয়তে তলমূৰকৈ থিয় হৈ থাকিলোঁ। ক্লাছটো নিস্তব্ধ। ছাৰে আকৌ সুধিলে। এইবাৰ পদ্মেশ্বৰে উত্তৰ দিলে, "হাতত বিষ উঠি আছিল। স্কুলত একো কাম কৰিব নোৱাৰিম বুলি অহা নাছিলোঁ।" সেই অৱস্থাতো আমাৰ হাঁহি উঠি যাব খুজিছিল। কথমপিহে নহঁহাকৈ থাকিলোঁ। আচৰিত কথা, ছাৰে আৰু বিশেষ একো শাস্তি নিদিলে। মাত্ৰ ক'লে,— "বিষবোৰ ভালকৈ ভাল কৰি লোৱাহঁক। আকৌ বিযোৱাব লাগিব। আজি স্কুল ছুটীৰ পিছত এঘণ্টা থাকি কেউজনে ট্ৰেন্সলেচনৰ কাম কৰিব লাগিব।" উল্লেখযোগ্য যে ডিটেইন হৈ থকা সময়খিনি কোনো শাস্তিৰ পৰিৱৰ্তে ছাৰে পৰম আন্তৰিকতাৰেই আমাক ট্ৰেন্সলেচন শিকাইছিল।

আন এবাৰ বছৰেকীয়া পৰীক্ষাত পদ্মেশ্বৰে হলৰ ভিতৰতে বিকট শব্দ কৰা ফটকা এটা ফুটাই দি হুলস্থূলৰ সৃষ্টি কৰে। পৰীক্ষা পিছুৱাই দিবলৈ সকলো ল'ৰাই হেড্মাষ্টৰক ধৰিছিল। ছাৰে বেত লৈ আমাক আটাইকে গৰু খেদা দিলে। পৰীক্ষা পিছুওৱা আন্দোলনৰ নেতা আছিল পদ্মেশ্বৰ। কিন্তু আচলতে ফটকাটো কোনে ফুটুৱালে কোনেও ঠিক ধৰিব নোৱাৰিলে। শব্দ উঠাৰ লগে লগে সকলোটি ফৰিং ছিটিকা দিলে। প্ৰশ্ন বিলোৱা হৈছিলেই। সেইবাবে এবেলাৰ পৰীক্ষা বাতিল হৈ গ'ল। সকলোৰে চকু গ'ল পদ্মেশ্বৰলৈ। বহুতে তাৰ নামো ক'লে। কিন্তু ছাৰে একো প্ৰমাণ উলিয়াব নোৱাৰিলে। সিও সৈ নেকাঢ়িলে। ফলত সি শাস্তি পাব লগা নহ'ল।

এনেকুৱা উদাহৰণ বহুত দিব পাৰি। ছাৰে ডিচিপ্লিন ৰক্ষা কৰিবলৈ যিমানেই কঠোৰ ব্যৱস্থা অৱলম্বন কৰে সিমানেই পদ্মেশ্বৰে চেষ্টা কৰে সেইবোৰ ভংগ কৰিবলৈ। কতবাৰ ছাৰে তাক স্কুলৰ পৰা বাহিৰ কৰি দিম বুলি কৈছে, কিন্তু ছাৰৰ নিচিনা খঙাল মানুহজনেও সিমান ডাঙৰ শাস্তি শেষত দিব নোৱাৰিছিল। কাৰণ দুষ্টালিৰ লগে লগে পদ্মেশ্বৰৰ বহুত গুণো আছিল। সি আছিল স্কুল টিমৰ বেষ্ট ফুটবলাৰ, টুৰ্ণামেণ্টতো দুই-এটা পুৰস্কাৰ সি বছৰি আনিবই। এবাৰ এজন নতুন অভিভাৱকে পুতেকক বেতোৱা বাবে ছাৰক বৰ অপমান কৰিলে; ছাৰে মানুহজনক বাহিৰ কৰি দিলে; কিন্তু 'আমাৰ ছাৰক এনেকুৱা কৰে' বুলি পদ্মেশ্বৰে ভদ্ৰলোকৰ জীৱন এনেধৰণে দুৰ্ব্বহ কৰি তুলিলে যে শেহত ছাৰেই গৈ তাক বিৰত কৰিব লগা হ'লগৈ। আনহাতে পাছ কৰিব পৰাকৈ যথেষ্ট বুদ্ধি-বৃত্তি থকা বাবেও পদ্মেশ্বৰক শিক্ষকসকলে মৰম কৰিছিল।



জলপান খোৱাৰ পিছত আমি ছাৰক ভিতৰলৈ লৈ গ'লোঁ। তেখেতে নিজেও কইনা চাব খুজিলে। পদ্মেশ্বৰে ক'লে, 'হয় ছাৰ, মিনুক আপুনি আশীৰ্বাদ কৰি যাবই লাগিব।'

তেতিয়া ভিতৰ পিনে মানুহৰ বেছ সমাগম হৈছিল। কাৰণ ৰাতিও হৈ আহিছিল। আমি চাৰিওপিনে চকু দিব লগা হৈছিল। তথাপি এটায়ো আমি ছাৰৰ লগ নেৰিলোঁ। ছাৰক ভিতৰপিনে বাৰাণ্ডাত বহুৱাই দিলোঁ। পদ্মেশ্বৰে পাট কাপোৰ পিন্ধা কইনা মিনুক ভিতৰৰ পৰা লৈ আহিলগৈ। দেখিবলৈ তাই ইমান যে ধুনীয়া হৈছিলহু ছাৰ থিয় হ'ল। পদ্মেশ্বৰে জীয়েকক ক'লে, "মা ছাৰক সেৱা কৰ।" তাই আঁঠু কাঢ়ি ছাৰক সেৱা কৰিলে। ছাৰে তাইক তুলি ধৰিলে।

পদ্মেশ্বৰে ক'লে, "তাই একো নেজানে ছাৰ। নিচেই সৰু হৈ আছে।"

ছাৰে হঠাৎ জেপৰ পৰা নতুন সোণৰ আঙঠি এটা উলিয়াই মিনুক পিন্ধাই পিন্ধাই ক'লে, "মাক-বাপেকৰ মানত ল'ৰা-ছোৱালী সদায়েই সৰু হৈ থাকে অ'। মই জানো তহঁতক তাহানিখনৰ দৰেই দেখি থকা নাই?"

আমি বাকীকিটাই মুগ্ধ হৈ চাই থাকিলোঁ; পদ্মেশ্বৰৰ বাহিৰে আমাৰ কাৰো ডাঙৰ ছোৱালী নাই। সেইবাবে তাৰ কেনে লাগিছিল কেৱল অনুমানহে কৰিব পাৰিছিলোঁ।

মনত আনন্দ লাগিছিল যদিও পদ্মেশ্বৰে বিনয় দেখুৱাই ক'লে, "সেইটো নোহোৱা হ'লেও হ'লহেঁতেন ছাৰ। আপোনাৰ আশীৰ্বাদেই যথেষ্ট।"

ছাৰে উত্তৰ দিলে, "নহয় অ', যোৰহাটত বিয়া এখন খাবলৈ যোৱাৰ কথা আছিল সম্পৰ্কীয় নাতি ছোৱালী এজনীৰ। ঘৰতে সোণ আছিল— বাইদেৱেৰে মাকৰ ঘৰৰ পৰা অনা— ঘৰততো আৰু ছোৱালী নাই— চাৰিওজনীকে উলিয়াই দিলোঁ— হঠাৎ তোৰ ছোৱালীৰ বিয়াৰ কথা শুনিলোঁ। লৰালৰিকৈ সেই সোণকে লৈ ফাইন আৰ্ট জুৱেলাৰীলৈ গ'লোঁ— তই তাতেই অলংকাৰ কৰাইছ নহয়— জোখটোও পাই গ'লোঁ। এই আৰুহু ৰ' মা"—

ছাৰে ইতিমধ্যে আমাক আকৌ অবাক কৰি দি জেপৰ পৰা কাগজেৰে নুৰিওৱা সৰু টোপোলা এটা উলিয়াই আনিলে। সেইটো মিনুৰ হাতত দি ক'লে, "ইয়াত তিনিগজ আদ্দি আছে মা— প্ৰফেছাৰক দিবি— ক'বি ছাৰৰ আশীৰ্বাদ।" তাই হাত পাতি লৈ লাজতে তলমূৰ কৰিলে। পদ্মেশ্বৰৰ জোঁৱায়েক কলেজৰ লেকচাৰাৰ।

চলচলীয়া চকুৰে পদ্মেশ্বৰে জীয়েকক লাহে লাহে ধৰি ভিতৰলৈ লৈ গ'ল। আমি ছাৰক আকৌ বহিবলৈ দিলোঁ। হেমন্তই প্ৰস্তাৱ দিলে, 'ছাৰে একেবাৰে বিয়া চাই যাব।" পদ্মেশ্বৰ ওলাই আহিছিল। সি ক'লে, "হয় ছাৰ, বিয়াখন চায়েই যাওক।"

ছাৰে ক'লে, "অ'ময়ো ভাবিছোঁ, ইমান পৰে তহঁতে মোক থাকিবলৈ কোৱা নাই কিয়? কিমান দেৰি হ'ব?" আমি বেছ বুজিলোঁ যে ছাৰ ইমান পৰে বিয়াৰ ফূৰ্তিৰ মাজত সোমাই পৰিছে।

পদ্মেশ্বৰে ক'লে, "খুব সোনকালেই হ'ব ছাৰ। আৰু এঘণ্টামানতে দৰা অহাৰ কথা। আমি বাৰ বজাৰ ভিতৰতে চব শেষ কৰি পেলাব খুজিছোঁ।"

ছাৰে ক'লে, "বাৰু হ'ব। নগেন, মোৰ চাইকেলখন চাই আহগৈচোন।"

নগেন দৌৰি ওলাই গ'ল। কিন্তু খন্তেকৰ ভিতৰতে ফোঁপাই-জোপাই আহি সি ক'লে, "ছাৰ, ছাৰ চাইকেলখন দেখোন থোৱা ঠাইত নাই। কোনোবাই নিলেই নেকি?"

"কি ক'লি?" বুলি ৰুদ্ৰমূৰ্তি ধৰি ছাৰ বহাৰ পৰা উঠিল। মই জোৰ কৰি ছাৰক বহুৱাই দি ক'লোঁ যে চাইকেল হেৰাব নোৱাৰে, আমি বিচাৰি দিম। হেমন্তই ক'লে, "আপুনি ভয় নকৰিব ছাৰ। চোৰে নিছে যদি তাৰ জান বাহিৰ কৰি দিম। পদ্মেশ্বৰে তাৰ আগৰ মূৰ্তি ধৰিব দৰকাৰ হ'লে।"

"অ'ইহু" ছাৰে পোন্দোৱাকৈ হেমন্তৰ ফালে চাই ক'লে, "সেইবোৰ কৰিবিতো তহঁতক মই— মই ঠিক কৰি দিম। আজিৰ দিনত ইয়াত এটা কেলেঙ্কাৰী কৰিলে মই শুদাই নেৰোঁ কিন্তু।"

মই বৰকৈ ভয় খোৱা যেন দেখুৱালোঁ। নগেনে ক'লে, "হয় ছাৰ, তেনেকুৱা কৰিলে বিয়া ঘৰত অমঙ্গল কৰাহে হ'ব।"

কিন্তু ছাৰৰ খোজ কাঢ়ি ফুৰাৰ বা আমাৰ ইমান চিন্তা কৰাৰ কোনো কাৰণ নাছিল। অলপ পিছতে হাজৰা ক'ৰবাৰ পৰা ওলালহি। সি যে নোহোৱা হৈছিল আমি লক্ষ্যই কৰা নাছিলোঁ। অৱশ্যে গোটেই দিনটো আমি বিয়াখনত লাগি থাকিব লগা হোৱাত কোন কেতিয়া ঘৰৰ পৰা আহিলগৈ কোনেও মন কৰা নাছিলোঁ। হাজৰাই আহি সমস্যাটো বুজি লৈ হাঁহি মাৰি ক'লে, "ছাৰ মই আপোনাক নোকোৱাকৈয়ে চাইকেলখন নি আপোনাৰ ঘৰত থৈ আহিলোঁগৈ। ভাবিলোঁ, বিয়াঘৰৰ যি কোনো এখন গাড়ীৰেই আপোনাক ঘৰত থৈ আহিমগৈ। ৰাতিখন কিয় আপুনি কষ্ট কৰিব লাগিছে? ঘৰতো বাইদেউক খবৰটো দি আহিলোঁ।"

ছাৰে মন্তব্য কৰিলে, "ভাল হ'ল দে, নাজানি উপকাৰেই কৰিলি। মই বিয়া চাইহে যাম, বহুত ৰাতি হ'ব। পিছে মোৰ ভুল হোৱা নাই— তোৰ কিছু কাণ্ডজ্ঞান আছে। নে কি ক'ৰ তহঁতে?"

আমি হাঁহিলোঁ। নগেনে মূৰ খজুৱাই যোগ দিলে, "হয় ছাৰ, হাজৰাই কোনোদিন আমাৰ দৰে কাণ্ড কৰি নেপালে— আমাৰ ফাইলটোৰ ভিতৰত সিয়েই আটাইতকৈ ভয়াতুৰ আছিল— সেইবাবে তাৰ কিছু জ্ঞানেই হ'ল।"



ছাৰে ক'লে, "বাৰু হৈছে যা। এতিয়া কামত লাগগৈ। মোৰ ওচৰত বটা এটা থৈ যাবলৈ ক।"

বিয়াৰ কাম লাহে লাহে আগুৱাবলৈ ধৰিলে। আমি একোটাই ছাৰৰ খবৰ কৰি থাকিলোঁ। পদ্মেশ্বৰৰ ঘৈণীয়েকে নানান কামৰ মাজতো মাজে মাজে আহি 'একাপ চাহ খাব নেকি' সুধি গ'ল। কিন্তু তামোলৰ বাহিৰে ছাৰে একোকে নেখালে। মানুহৰ খুব ভিৰ হৈছিল; প্ৰায় এঘণ্টামান আমাৰ তৰণি নাছিল। সিও সময়ত কমি আহিল। কিন্তু স্বস্তিৰ নিশ্বাস পেলাওঁতেই দৰা আহি পালে। আকৌ হৈ চৈ লৰা-ধপৰা আৰম্ভ হৈ গ'ল। এইবাৰ ছাৰে উঠি গৈ নিজৰ অজ্ঞাতেই কাম পৰিচালনা কৰিবলৈ ধৰিলে। চেমনীয়া ল'ৰাহঁতক ডবিয়াই ক'লে, "অ'ইহু চকুত চাউল নেমাৰিবি, গাত মাৰ।" আমাক ক'লে, "ভিতৰৰ ৰভাত মানুহ বহাৰ দিহা কৰগৈ।" পানী তুলিবলৈ যোৱা আইসকলক মানুহ ঠেলি ঠেলি নিজে বাট উলিয়াই দিলে। নগেন আৰু হাজৰাক পঠিয়াই দিলে দৰাঘৰীয়া মানুহৰ ভাত-পানী ৰন্ধাৰ তদাৰক কৰিবলৈ।

বিয়াৰ আনুষ্ঠানিক কাম আৰম্ভ হ'ল। পদ্মেশ্বৰে হোমৰ গুৰিলৈ যোৱাৰ আগতে ছাৰক আকৌ এবাৰ সেৱা কৰি তাৰ ওচৰতে বহিবলৈ অনুৰোধ কৰিলে। তাৰ পাছফালে গৈ ছাৰ বহিল। কিন্তু তাৰ পৰাও আমালৈ আঙুলি, চকুৰ ঠাঁৰ আদিৰে ইংগিত কৰি কৰি দৰাঘৰীয়াসকলক জলপান খুৱাবলৈ নিৰ্দেশ দি থাকিল। আনকি জলপান খাই আহি কোনে তামোল পোৱা নাই তাৰ প্ৰতিও ছাৰৰ চকু নোযোৱাকৈ নেথাকিল। এই কঠোৰ নিয়মানুৱৰ্তী শিক্ষকজনৰ নিৰ্ভুল, নিখুঁত তদাৰকতা দেখি আমি অবাক। ছাৰ নথকা হ'লে আমাৰ বহুত দোষ ৰৈ গ'লহেঁতেন নেকি ভাবিবলৈ ধৰিলোঁ।

এসময়ত বিয়াৰ কাম শেষ হ'ল। কইনাক আকৌ ভিতৰলৈ নিয়া হ'ল। সকলোৱে মুগ্ধ হৈ বিয়া চাই আছিল। কিন্তু হোমৰ গুৰিৰ পৰা উঠি আহোঁতে হঠাৎ পদ্মেশ্বৰৰ চকুত পানী দেখি আমাৰ মনবোৰো সেমেকি উঠিল। কান্দোন লুকুৱাবলৈ অলপো চেষ্টা নকৰি পাটৰ চাদৰখনেৰে চকু দুটা ঢাকি ধৰি ফেকুৰি উঠি সি ক'লে, "ছাৰহু"

ছাৰে তাক গাত ধৰি ভিতৰলৈ লৈ গ'ল। আমি কেউটাও গ'লোঁ। একেবাৰে ভিতৰলৈ নগৈ কাষৰে কোঠালিটোত ৰৈ পদ্মেশ্বৰে হুকহুকাই কান্দিবলৈ ধৰিলে। ছাৰে দুহাতেৰে তাক ধৰি ধমকৰ সুৰত ক'বলৈ ধৰিলে, "অ'ই পদ্মেশ্বৰহু তোৰ হৈছে কি? তই কেলৈ কান্দিছ?"

পদ্মেশ্বৰে উভতি ছাৰক সাবটি ধৰিলে। ছাৰেও তাক পৰম বান্ধৱৰ দৰে গবা মাৰি ধৰিলে। সি উচুপি উচুপি ক'বলৈ ধৰিলে, "তাই বৰ সৰু ছোৱালী ছাৰ। তাই

একোকে নেজানে। আৰু... আৰু... এজাউৰী সশব্দ কান্দোন ওলাই আহিল। ছাৰেও ওঁঠ দুটা কামুৰি ধৰিলে। পদ্মেশ্বৰৰ পিঠিত মৰমেৰে হাত বুলাই বুলাই ছাৰে থোকাথুকি মাতেৰে ক'লে, "মই এজনী এজনীকৈ চাৰিজনী ছোৱালী উলিয়াই দিছোঁ পদ্মেশ্বৰহু এবাৰ মোৰ কথা ভাবি চা। তোৰ মিনু আজিৰ পৰা ডাঙৰ হ'ল।"

আমাৰ চকুবোৰো ভৰি আহিছিল। কিন্তু আমি একো নকৈ মাত্ৰ সেই অপূৰ্ব দৃশ্যটো চাই থাকিলোঁ।

**যোগেশ দাস ঃ** ডুমডুমাৰ হাঁহচৰা বাগিচাত ১৯২৮ চনত যোগেশ দাসৰ জন্ম হয়। চাহ বাগিছাৰ বিদ্যালয়ত তেওঁৰ প্ৰাথমিক শিক্ষা আৰম্ভ হয়। ১৯৫৯ চনত তেওঁ এম এ ডিগ্ৰী লাভ কৰে।

ডুমডুমা হাইস্কুলত শিক্ষকতা কৰি যোগেশ দাসে চাকৰি জীৱনৰ পাতনি মেলে। তাৰ পিছত ১৯৫৩ চনত তেওঁ গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়ত অসমীয়া বিষয়ৰ অধ্যাপক হিচাপে নিযুক্ত হয় আৰু সেই বিভাগৰে মুৰব্বী অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰে। অধ্যাপনা কৰাৰ উপৰি তেওঁ 'নতুন অসমীয়া' কাকতৰ উপ-সম্পাদক, 'দৈনিক অসম'ৰ সহকাৰী প্ৰধান সম্পাদক, 'প্ৰহৰী' আৰু 'অধিনায়ক' আলোচনীৰ সম্পাদক আছিল। অসম সাহিত্য সভাৰ এক-পঞ্চাশতম অধিৱেশনত যোগেশ দাসে সভাপতিত্ব কৰিছিল। সাহিত্য চৰ্চাৰ স্বীকৃতি হিচাপে তেওঁ বহুতো বঁটাৰে সন্মানিত হৈছিল।

যোগেশ দাসে বহুতো উপন্যাস আৰু গল্প ৰচনা কৰি থৈ গৈছে। 'ডাৱৰ আৰু নাই' দ্বিতীয় মহাসমৰৰ পটভূমিত ৰচনা কৰা এখন উল্লেখযোগ্য উপন্যাস। 'পৃথিৱীৰ অসুখ' গল্প সংকলনখনৰ বাবে তেওঁ ১৯৮০ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে। তেওঁৰ গল্পত গাঁও আৰু নগৰৰ সাধাৰণ মানুহৰ দুখ-সংকট, সুখ-স্বাচ্ছন্দ্য, সমস্যা, মানৱপ্ৰীতি ইত্যাদিৰ সৰল আৰু বাস্তৱধৰ্মী কাহিনীৰ প্ৰকাশ ঘটিছে। নিজৰ বাস্তৱ অভিজ্ঞতা, পুথি পঢ়ি, ছবি চাই লাভ কৰা অনুভূতিয়ে তেওঁৰ গল্প-উপন্যাস ৰচনাৰ মূল প্ৰেৰণা। ১৯৯৪ চনত তেওঁ অসম উপত্যকা সাহিত্য বঁটা লাভ কৰে।

১৯৯৯ চনত যোগেশ দাসে ইহলীলা সম্বৰণ কৰে।

**প্ৰশ্নাৱলী ঃ**

১। 'আমাৰ ছাৰ' গল্পটোত ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্কটো লেখকে কেনেদৰে দাঙি ধৰিছে লিখা।

২। 'আমাৰ ছাৰ'ৰ প্ৰকৃত নাম কি? তেওঁৰ চৰিত্ৰ বিশ্লেষণ কৰি দেখুওৱা।

---

# হাতী

## হোমেন বৰগোহাঞি

আহাৰ মাহৰ গধূলি পৰত বলোৰাম বুঢ়াই খালী গাৰে গধূলিৰ জুৰ বতাহ লৈ পিৰালিতে জুপুকা মাৰি বহি আছিল। বুঢ়াৰ বয়স চাৰি-কুৰি পাৰ হৈ গৈছে, চকু-কাণৰ শক্তি কমি আহিছে। কিবা এষাৰ কথা ক'ব লগা হ'লে কাণৰ কাষত চিঞৰি ক'লেহে তেওঁ শুনে। সেই কাৰণে নিতান্ত দৰকাৰ নহ'লে কোনেও তেওঁৰ লগত কথা নেপাতে। বুঢ়াই সেই কাৰণে মনে মনে নিজকে অৱহেলিত যেন অনুভৱ কৰে। তেওঁৰ মুখত সকলো সময়তে এটা অভিমানৰ ভাব লাগিয়েই থাকে। গধূলিৰ এন্ধাৰত গছৰ মূঢ়া এটাৰ দৰে নিথৰ হৈ বুঢ়াক বহি থকা দেখি ডাঙৰজনী বোৱাৰীয়েকৰ বোধ হয় অলপ বেয়া লাগিল; ওচৰলৈ আহি তাই মাত লগালে, "দেউতা, ৰাতি হ'ল, ভিতৰলৈনো সোমাই নাহে কিয়?" বোৱাৰীয়েকে কি কৈছে বুঢ়াই ভালকৈ তৰ্কিবই নোৱাৰিলে; তেওঁ ভেকাহি মাৰি চিঞৰি, উঠিল— "কিনো কাণৰ কাষত চিঞৰি চিঞৰি কথা ক'ব অ'? মোক কলা বুলি ভাবিছ নেকি?"

তেওঁ যে সিমান কলা নহয় হাতে হাতেই তাৰ প্ৰমাণ ওলাল। হঠাৎ তেওঁ মাত লগাই উঠিল,— "কোন অ' সেইটো? ৰাতিয়া নেকি?"

গধূলিৰ এন্ধাৰত বোৱাৰীয়েকেই ৰাতিয়াক ভালকৈ মনিব পৰা নাছিল কিন্তু বুঢ়াই তাৰ খোজৰ শব্দতেই তাক চিনি পাইছে। কাণৰ কাষত ঢোল বজাই থাকিলেও নুশুনা বুঢ়াই ৰাতিয়াৰ ভৰিৰ খোজটোৰে কেনেকৈ গম পায়, সেই কথা ঘৰ-ঘৰোৱাহৰ কাৰণেই এটা পৰম বিস্ময়।

বুঢ়াৰ কোনো প্ৰশ্নৰে উত্তৰ দিয়া ৰাতিয়াৰ স্বভাৱ নহয়। তেওঁৰ গাৰ কাষেদিয়ে সি গম গমকৈ ভিতৰলৈ সুমুৱাই গ'ল।

ৰাতিয়াৰ হৈ বুঢ়াৰ প্ৰশ্নৰ উত্তৰ দিলে বাপধনে নিজে। শুঁৰডাল মেলি সি বুঢ়াৰ কপালখন স্পৰ্শ কৰিলে। বাপধনৰ সেই চিৰ-পৰিচিত স্নেহ-স্পৰ্শত বুঢ়াৰ কংকালসাৰ দেহটো ভৰিৰ পৰা মূৰলৈকে এটা অদ্ভুত আৱেগত শিহৰিত হৈ উঠিল। হেৰোৱা মাণিক বিচাৰি পোৱাৰ দৰে খপ কৰে বাপধনৰ শুঁৰডালত ধৰি তেওঁ পৰম আৱেগেৰে হাত বুলাবলৈ ধৰিলে, যেন বহু দিনৰ মূৰত ঘৰলৈ ঘূৰি অহা পুতেক এটাকহে তেওঁ

আদৰ কৰিছে। বোৱাৰীয়েকে বুজিলে যে বুঢ়াৰ আৰু সোনকালে ভিতৰলৈ সোমাই যোৱাৰ আশা নাই, কাৰণ এতিয়া তেওঁ আৰম্ভ কৰিব বাপধনৰ লগত নানা সুখ-দুখৰ কথা-বাৰ্তা। কৌতুকৰ হাঁহি এটা মাৰি তাই ভিতৰলৈ সোমাই গ'ল। বুঢ়াই বাপধনৰ শুঁৰত হাত বুলাই বুলাই ক'বলৈ ধৰিলে, "ইস, তোৰ গাত এইবোৰ ঘা লাগিল কেনেকৈ? ৰাতিয়াটো কম পাষণ্ড নহয়। সি নিশ্চয় তোক ক'ৰবাৰ কাঁইটীয়া জংঘলত সুমুৱাই দিছিলগৈ। তাক মই ইমানকৈ কৈছোঁ, বাপধনৰ গাটো বৰ ভাল নহয়, এইকেইদিন তাক জংঘললৈ নিব নেলাগে। নাই মোৰ কথাক কথা বুলিয়েই কাণ নকৰে। ইহঁত গোটেইমখাৰে একে ষড়যন্ত্ৰ। এনেকুৱা নিমখ-হাৰামী মানুহ আৰু মই দেখা নাই।... বাবু, বাবু, অ' মোৰ বাপধন...হুঁ"

বুঢ়াৰ মুখৰ কথা বন্ধ হৈ আহিল, কিন্তু হাতৰ স্পৰ্শৰ বাণীহীন ভাষাৰে আৰু বহুত সময় ধৰি বাপধনৰ লগত তেওঁৰ কথা-বাৰ্তা চলি থাকিবলৈ ধৰিলে।

অলপ পিছতে হেড্‌লাইটৰ তীব্ৰ পোহৰত গোটেই চোতালখন আলোকিত কৰি বিশাল মটৰ-গাড়ী এখন ঘৰৰ দুৱাৰ মুখত আহি থিয় হ'ল। এন্ধাৰত নিবিড় মিলন-সম্ভাষণত মগ্ন অৱস্থাত হাতে হাতে ধৰা পৰি যোৱা প্ৰণয়ী যুগলৰ দৰে বুঢ়া আৰু বাপধন দুয়ো অতি সংকুচিত দৃষ্টিৰে মটৰখনলৈ ঘূৰি চালে, তাৰ পিছত যেন কিংকৰ্তব্যবিমূঢ় হৈ দুয়ো আড়ষ্ট হৈ ৰ'ল। মটৰৰ হেড্‌লাইট্ নুমাই গ'ল। গাড়ীৰ পৰা নামি আহিল বৰমইনা, অৰ্থাৎ বুঢ়াৰ ডাঙৰটো পুতেক। চোতালত থিয় দিয়েই তেওঁ ড্ৰাইভাৰক হুকুম দিলে, "হৰিচৰণ, গাড়ীখন চাফা নকৰাকৈ তই পলাই নেযাবি কিন্তু। বহুত বোকা লাগি আহিছে। উঃ কি জঘন্য ৰাস্তাহুঁ এনে বুলি জনা হ'লে কেতিয়াও গাড়ীখন নিনিলোঁহেঁতেন।" ড্ৰাইভাৰৰ উদ্দেশ্যে কথাখিনি কৈ বৰমইনা পিৰালিলৈ উঠি আহি বাপেকৰ কাষত খন্তেক থিয় হ'ল। এন্ধাৰত বুঢ়াই পুতেকৰ মুখখন নেদেখিলে, দেখা হ'লে বৰমইনাৰ মুখৰ কঠিন বিদ্ৰূপৰ হাঁহিটো দেখি তেওঁৰ তেজ গৰম হৈ গ'লেহেঁতেন। তেতিয়াও বাপধনৰ শুঁৰডাল হাতেৰে ধৰি আছিল। হঠাৎ তেওঁ অনুভৱ কৰিলে, বৰমইনাৰ উপস্থিতিত বাপধনৰ গোটেই শৰীৰ যেন সংকুচিত হৈ উঠিছে। তাৰ প্ৰতি ব্যথা আৰু সহানুভূতিত বুঢ়াৰ হৃদয় বিগলিত হৈ পৰিল। বাপধনক যে বৰমইনাহঁতে কিমান তাচ্ছিল্য আৰু অনুকম্পাৰ চকুৰে চায়, সেই কথা সিও যেন লাহে লাহে বুজি পোৱা হৈছে। অন্তৰৰ সমস্ত আৱেগ আৰু মমতা ঢালি দি তেওঁ পুনৰ বাপধনৰ শুঁৰত হাত বুলাবলৈ ধৰিলে।

বৰমইনাই বাপেক আৰু বাপধনৰ প্ৰণয়-লীলা উপভোগ কৰি কিছু সময় নীৰৱ হৈ ৰ'ল। তাৰ পিছত সি হঠাৎ মাত লগালে, "পিতা, সংসাৰত বহুত ধৰণৰ পাগল



আছে। কিন্তু এটা জানোৱাৰৰ কাৰণে যে মানুহ কিমান পাগল হ'ব পাৰে, তোমাক নেদেখিলে সেই কথা কোনেও বিশ্বাসেই নকৰিব। তোমাক আৰু এসপ্তাহ সময় দিলোঁ; এই কেইদিনতে যিমান পাৰা বাপধনক মৰম কৰি লোৱা। তাৰ পিছত আৰু কিন্তু—।"

বৰমইনাই মুখৰ কথাষাৰ শেষ কৰিবলৈ নেপালেই, প্ৰচণ্ড খঙত বুঢ়া গৰ্জি উঠিল, "তাৰ পিছত, তাৰ পিছত কি হ'ব? নক'ৱ কিয় তাৰ পিছত কি হ'ব?"

চকুৰে নেদেখিলেও বৰমইনাই স্পষ্ট অনুভৱ কৰিলে যে খঙত বাপেকৰ গোটেই গাটো ঠকঠককৈ কঁপিব লাগিছে। তেওঁৰ আৰু খং তোলা উচিত হ'ব নে নহয় মনে মনে সেই কথা তেওঁ অলপ সময় চিন্তা কৰিলে। তাৰ পিছত তেওঁ আগতকৈ ধীৰভাৱে মাত লগালে, "আৰু এসপ্তাহৰ পিছত হয় হাতীটো বিক্ৰী কৰিব লাগিব, নহয় তাক কাম কৰিবলৈ শদিয়ালৈ পঠাব লাগিব। এই দুটাৰ ভিতৰত তোমাৰ যিটোকে পছন্দ হয় তাকে কৰিম। মই সকলো বন্দৱস্ত শেষ কৰিছোঁ।"

কথাষাৰ কৈয়েই বুঢ়াৰ উত্তৰলৈ বাট নেচাই বৰমইনা ভিতৰলৈ সোমাই গ'ল।

এক মুহূৰ্তমান সময় বুঢ়া স্তব্ধ হৈ বহি ৰ'ল। তাৰ পিছত গোটেই ঘৰখন থৰহৰি কম্পমান কৰি তেওঁ গৰ্জি উঠিল, "কি ক'লি? কি ক'লি পাষণ্ড? বাপধনক তই বিক্ৰী কৰিবি, নহ'লে শদিয়াত কাঠ টানিবলৈ পঠাবি? মই মৰিলোঁ বুলি ভাবিছ নেকি? হে ভগৱানহুঁ এই নৰাধমকেইটাৰ গাত কি ভূত লম্ভিছে এনেকৈ? গাঁৱে গাঁৱে পকা ৰাস্তা হৈ মটৰ দৌৰাবলৈ পাই তহঁতৰ চকুত বাপধনৰ একো মূল্য নাইকিয়া হ'ল? ৰাজ্যৰ মানুহে জানে, বাপধনেই মেধিৰ ঘৰৰ লক্ষ্মী, বাপধন আহি ঘৰ সোমোৱাৰ দিনাৰ পৰাই মেধিৰ ঘৰৰ কপাল ফুলিছে, আজি সেই বাপধন তহঁতৰ চকুত ভতুৱা কুকুৰতকৈও হীন হ'ল? সি ঘৰলৈ আহিলে মই তাক অলপ মৰম কৰোঁ, তাকে দেখি সিহঁতৰ কিমান ঠাট্টা-মস্কৰাহুঁ তয়ো দেখোন ঘৰলৈ আহি প্ৰথমে তোৰ মটৰ গাড়ীখনৰ হাত-ভৰি ধোৱাৰহে খবৰ ল'ৱ? জীৱ লগা বস্তু এটাতকৈ সেই কলকজ্জাবোৰেই তহঁতৰ মানত দেৱতা হ'ল? ডেকা তেজৰ কোবত ওভত-গোৰ নাচি তহঁতে আজি বাপধনক মূল্য দিব নোখোজ? নেলাগে দিব। কিন্তু সেই বুলি তাক বেচিবলৈ বা কুলী কামত লগাবলৈ তহঁতৰ কি এক্তিয়াৰ আছে? সাৱধান, মই নমৰালৈকে সেই কথা নহ'ব।"

আৰু বহুত সময় ধৰি বুঢ়াই পুতেকহঁতৰ উদ্দেশ্যে নানা সাৱধানবাণী শুনাই থাকিবলৈ ধৰিলে।

বাপধনক কেন্দ্ৰ কৰি বাপেক-পুতেকৰ এই কাজিয়া আজি কিছুদিনৰ পৰা বলোৱাম

বুঢ়াৰ ঘৰত নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। কাজিয়াৰ কাৰণটো ক'বলৈ গ'লে অতি সামান্য। বলোৰাম বুঢ়াৰ ডেকা বয়সত, অৰ্থাৎ আজিৰ পৰা প্ৰায় তিনি কুৰি বছৰত আগতে, আজিকালিৰ দৰে আলি-পদূলিও নাছিল, মটৰ গাড়ীও নাছিল। একমাত্ৰ হাতী-ঘোঁৰাই সেই সময়ত গাঁৱে-ভূঞে অভিজাত বাহন বুলি বিবেচিত হৈছিল। বলোৰাম মেধি যেতিয়া পঁচিছ বছৰীয়া চফল ডেকা, সেই সময়তে তেওঁ হঠাৎ এদিন আৱিষ্কাৰ কৰিলে যে ধনে-ধানে মাটিয়ে-বাৰীয়ে তেওঁৰ ঘৰৰ অৱস্থা মৌজাখনৰ ভিতৰতে জাকত জিলিকা হৈ পৰিছে; এই সময়তে ঘৰৰ পদূলিমুখত দঁতাল হাতী এটা বান্ধিব পাৰিলেই তেওঁৰ অভিজাত্যৰ গৰিমা যোলকলা পূৰ্ণ হয়। কথাষাৰ মনত উদয় হোৱাৰ লগে লগেই চাৰি কুঠলীয়া ভঁৰাল এটা বিক্ৰী কৰি তেওঁ হাতী এটা কিনি আনিলে আৰু আদৰতে তাৰ নাম থ'লে বাপধন। সেইদিন ধৰি বাপধনে তেওঁৰ হৃদয়ত বৰপুত্ৰৰ দৰেই এখন আসন পাই আহিছে। কাৰণ সিতো কেৱল এটা হাতী নহয়, কেৱল এটা অভিজাত বাহনো নহয়, সি যে তেওঁৰ জীৱনৰ সাফল্যৰ প্ৰতীকহে। বাপধনক তেওঁ কোনোদিন ভাৰবাহী পশু হিচাপে ব্যৱহাৰ কৰা নাই, তেওঁৰ কাৰণে সি সংসাৰৰ এটা মহামূল্য অলংকাৰ। এবাৰ জিলাৰ ইংৰাজ বৰচাহাব মৌজালৈ আহিব লগা হোৱাত তেওঁক আদৰি আনিবলৈ এটা দেখনিয়াৰ হাতীৰ দৰকাৰ হ'ল। মৌজাখনৰ পাঁচটা হাতীৰ ভিতৰত বাছি বাছি বাপধনকে ঠিক কৰা হ'ল। বৰচাহাবে বাপধনত উঠি মৌজা এৰি যাবৰ সময়ত বলোৰাম মেধিৰ আগত বাপধনৰ কি প্ৰশংসা কৰি গৈছিল, সেই কথা মনত পৰিলে বুঢ়াৰ হৃদয় আজিও ৰোমাঞ্চিত হৈ উঠে। শতুৰুৰ মুখত ছাই দি বাপধনে সেইদিনা তেওঁৰ ঘৰলৈ আনি দিছিল অভাৱনীয় প্ৰতিপত্তি আৰু সন্মান, কাৰণ এই কথা সকলোৱেই জানে— ৰজাই ভাল দেখে যাক, ভেটি-ভাৰো নেলাগে তাক। লাহে লাহে বলোৰাম মেধিৰ ঘৰৰ অৱস্থা দোপত দোপে আৰু উন্নত হ'বলৈ ধৰিলে, সাতোটা পুত্ৰ-সন্তান আৰু তিনিজনী কন্যাৰে ঘৰ ভৰি পৰিল, জিলাৰ ডা-ডাঙৰীয়া আৰু হাকিম-বিষয়া আহিলে বুঢ়াৰ ঘৰতে আলহী থকা হ'ল— এইবোৰ দেখি-শুনি মানুহে ক'বলৈ ধৰিলে আৰু বলোৰামৰো বিশ্বাস হ'বলৈ ধৰিলে যে বাপধনৰ যহতেই এই সকলোবোৰ হৈছে, বাপধন বলোৰাম মেধিৰ ঘৰৰ লক্ষ্মী। বাপধনক তেওঁ নয়নৰ মণি যেন জ্ঞান কৰিবলৈ ধৰিলে। নিজে সদায় আগত থাকি তেওঁ তাৰ গা ধুৱাই দিয়ে, যত্ন কৰি আহাৰ খুৱায়, গধূলি সি ঘৰ সোমোৱাৰ লগে লগে তেওঁ এনেকৈ তাৰ গা-মূৰ পিটিকি আদৰ কৰি কথা পাতে যে মানুহে শুনিলে ভাবিব, বহুত দিন ধৰি হেৰুওৱা পুতেক এটাকহে যেন তেওঁ ঘূৰাই পাইছে।



আচলতে এটা পুতেকতকৈ বাপধনৰ মূল্য তেওঁৰ চকুত কোনো গুণে কম নহয়। কাৰণ সিটো কেৱল এটা হাতী নহয়, কেৱল এটা অভিজাত বাহনো নহয়, সি যে তেওঁৰ জীৱনৰ সাফল্যৰ প্ৰতীকহে।

ধনী মহাজন আৰু খেতিয়কৰ ঘৰৰ ল'ৰা বৰমইনাহঁত ডাঙৰ হৈ হ'ল আৰু বেছি ধনী ঠিকাদাৰ আৰু ব্যৱসায়ী। হঠাৎ এদিন সিহঁতে আৱিষ্কাৰ কৰিলে যে ব্যৱসায়-বাণিজ্য, ক্ষমতা-প্ৰতিপত্তি সকলো বিষয়তে সিহঁতে চাৰিটা মৌজাৰ ভিতৰতে জাকত জিলিকা মানুহ হৈ উঠিছে; এতিয়া পদূলিমুখৰ গেৰেজত মটৰ এখন থিয় কৰিব পাৰিলেই সিহঁতৰ আভিজাত্যৰ গৰিমা যোলকলা পূৰ্ণ হয়। আজিকালিৰ দিনত মানুহৰ হেজাৰ টকা-পইচা নেথাকক, মটৰ গাড়ী এখন নহ'লে কোনেও কাকো আচল ধনী বুলি গণ্য নকৰে। মটৰ কিনিবৰ জোখাৰে বেংকত সিহঁতৰ যথেষ্ট টকা-পইচা আছে; কিন্তু নতুন যুগৰ দীক্ষা হিচাপ-পটুতাৰে সিহঁতে ভাবি পালে যে হাতীটো বিক্ৰী কৰিতো কেইহেজাৰমান টকা উলিয়াব পাৰি; আজিৰ এই মটৰ-গাড়ীৰ যুগত তাৰতো কোনো ব্যৱহাৰিক প্ৰয়োজন নায়েই, আভিজাত্যৰ প্ৰতীক হিচাপেও সি পুৰণিকলীয়া আৰু মূল্যহীন। আটাইকেইটা ভাই-ককায়ে এই কথা আলচ কৰি খুব সহজভাৱে বাপেকৰ আগত কথাষাৰ উলিয়ালে। কথাষাৰ কাণত পৰা মাত্ৰে পুতেকহঁতক হতবাক কৰি দি বুঢ়াই ভীষণ উত্তেজিত হৈ চিঞৰি উঠিল, "কি ক'লি? বাপধনক বেছি মটৰ কিনিব খোজ? কি ক'লি আৰু এবাৰ ক'চোনহে"

আজিকালিৰ যুগত খাপ নোখোৱা, বহি বহি ঘৰৰ অন্ন ধ্বংস কৰা সামান্য হাতী এটা বেচাৰ কথাত বাপেকৰ ইমান উত্তেজিত হ'বৰ কাৰণ কি, সেই কথা ভাবি ডেকা পুতেককেইটা একেবাৰে বিমূঢ় হৈ পৰিল। কিন্তু ক্ৰোধত ৰক্তবৰ্ণ বাপেকৰ মুখখন দেখি সিহঁতৰ আৰু বেছি কথা ক'বলৈ সাহস নহ'ল। তাৰ পিছদিনাই বেংকৰ টকা উলিয়াই সিহঁতে কিনি আনিলে এখন সুদৃশ্য এম্বেছেডৰ গাড়ী। ভূমিকম্পত হঠাৎ এডোখৰ ভূখণ্ড ওপৰলৈ উঠি আহি পাহাৰ কাটি টিলা সৃষ্টি হোৱাৰ দৰে এম্বেছেডৰ স্পৰ্ধিত ধ্বনি-উদ্‌গীৰণত মেধিৰ ঘৰ হঠাৎ ওপৰলৈ উঠি আহি পৰিণত হ'ল সমাজৰ নতুন শিৰ-ফুটা অভিজাত উচ্চ বংশত।

মটৰ-গাড়ী হোৱাত বলোৰাম বুঢ়া অসন্তুষ্ট হ'ল সেই কথা নহয়। বৰং ঘৰৰ আন সকলোৰে লগতে তেৰোঁ বেছ সুখীয়েই হ'ল। নিজৰ সন্তানৰ উন্নতি দেখিলে কাৰ ভাল নেলাগে? তাতে মটৰ গাড়ীখন বেছ কামৰ বস্তু। এদিনৰ বাট এঘণ্টাত যাব পাৰি। কিন্তু হেজাৰ হওক, বুঢ়াৰ চকুত মটৰ গাড়ী এটা প্ৰয়োজনৰ আহিলা মাত্ৰ। কিন্তু বাপধন? সি যে তেওঁৰ জীৱনৰ সঙ্গী। সি তেওঁৰ সুদীৰ্ঘ অতীতৰ স্মৃতি-

বিজড়িত এটা প্ৰতীক। সি মেধিৰ ঘৰৰ লক্ষ্মী। এশখন মটৰ গাড়ীৰ তুলনা অসম্ভৱ। এইখন ঘৰত তাৰ আসনেই সুকীয়া।

বুঢ়াই কিন্তু এই কথাও অনুভৱ নকৰাকৈ নেথাকিলে যে বাপধনৰ বিষয়ে তেওঁ নিজে যিয়েই নেভাবক, ঘৰখনৰ বাকী মানুহৰ চকুত বাপধনৰ আগৰ মূল্য আৰু নাই। আনকি, বাহিৰা মানুহেও আগৰ দৰে ডা-ডাঙৰীয়া বা হাকিম-বিষয়াক আদৰি আনিবলৈ বাপধনৰ খবৰ নকৰে, বৰমইনাৰ মটৰখনেহে সকলো কথাতে আগ ঠাই পায়। বাপধনৰ খবৰ কৰে কেৱল কাঠৰ ঠিকাদাৰে। এইবোৰ দেখি-শুনি বাপধনৰ প্ৰতি বুঢ়াৰ মমতা বাঢ়ি যায়। তেওঁ অনুভৱ কৰে, এইখন ঘৰত তেওঁ যেনেকৈ লাহে লাহে অৱহেলিত হৈ আহিছে, বাপধনো ঠিক সমানেই অৱহেলিত। সগৰ্বে মূৰ তুলি ৰাজোচিত মহিমাৰে ঘূৰি ফুৰা বাপধনৰ মুখত তেওঁ আজিকালি দেখা পায় এটা সংকোচ-পীড়িত লজ্জা আৰু অভিমানৰ ছায়া। তাকে দেখি তেওঁৰ মনটোৰে কিবা এটা অবুজ বেদনাত হাহাকাৰ কৰি উঠে। কিন্তু সেই বেদনাৰ কথা শুনাবলৈকো বুঢ়াই ঘৰে-পৰে এটা মানুহ বিচাৰি নেপায়। নতুন পৃথিৱীখন বুঢ়া আৰু বাপধনৰ কাৰণে ইমানেই অপৰিচিত আৰু অনাত্মীয়।

বুঢ়াই যিমানেই বাপধনক আকুলভাৱে সাবটি ধৰিলে, সিমানেই তাৰ প্ৰতি বৰমইনাহঁতৰ আক্ৰোশ বাঢ়ি গ'ল। যি বাপধনক এদিন বলোৰাম মেধিয়ে ঘৰখনৰ গৰ্বৰ ধন হিচাপে গণ্য কৰিছিল, সেই বাপধনক লৈ গৰ্ব কৰা দূৰৰ কথা, আনকি সি পদূলিত থিয় হৈ থকাটোকো বৰমইনাহঁতে লাজৰ কথা বুলিহে ভাবিবলৈ ধৰিলে। তাক কেনেকৈ ঘৰৰ পৰা দূৰ কৰা যায়, সেই কথা চিন্তা কৰি সিহঁতে এদিন গম পালে যে কাঠৰ ঠিকাদাৰক হাতীটো ভাড়ালৈ দিলে মাহে মাহে কেইবাশকৈ টকাও পোৱা যাব আৰু হাতীটোকো কামত খটাই দূৰত ৰাখিব পৰা যাব। সিহঁতৰ অতি হিচাপী দৃষ্টিত প্ৰকাণ্ড হাতী এটা বহি বহি থকাৰ দৃশ্য একেবাৰে অসহ্য হৈ পৰিছিল। সিহঁতে ভাবিলে যে হাতীটো বিক্ৰী কৰাতহে বাপেকৰ আপত্তি, ঠিকাদাৰক ভাড়ালৈ দিয়াত নিশ্চয় আপত্তিৰ কোনো কাৰণ নেথাকিব।

বুঢ়াৰ কাণত কথাষাৰ পৰিল কি নপৰিল, ঘৰখনত তেওঁ এটা প্ৰলয় কাণ্ডৰ সৃষ্টি কৰি পেলালে। "বাপধনে কাঠ-টনা কুলীৰ কাম কৰিব? হে হৰিহু কি কথাবোৰ শুনিবলৈ মই ইমান দিন জীয়াই থাকিলোঁহু হেৰ', তহঁতৰ হৈছে কি? বাপধনে তহঁতৰ কাৰ মূৰত উঠি খাইছে যে তহঁতে তাৰ পাছত ইমানকৈ লাগিছ? আজিৰ পৰা যদি মই পুনৰ এনে কথা শুনো, ঠিক কৈছোঁ, মই ঘৰত জুই লগাই দিম, মই... মই... মই কিবা কৰি পেলাম।"



বৰমইনাহঁত এইবাৰ আচলতেই বিৰক্ত হ'ল। তাতোকৈ বহুগুণে বেছি হ'ল বিস্মিত। বুঢ়াই কি বুলি ভাবে সেই জানোৱাৰটোক? সি পশু, পশুৰ কাম কৰিব। তাতে বুঢ়াৰ ইমান আপত্তি কিয়? সিহঁতৰ বিচাৰ-বুদ্ধিৰে, সিহঁতৰ দৃষ্টিভংগীৰে এই প্ৰশ্নৰ একো উত্তৰেই সিহঁতে ভাবি উলিয়াব নোৱাৰিলে। ফলত এইবাৰ সিহঁতৰো জিদ বাঢ়ি গ'ল। প্ৰত্যেক দিনেই একোবাৰকৈ সিহঁতে বাপেকৰ আগত কথাষাৰ উলিয়াবলৈ ধৰিলে।

বাপধনক কেন্দ্ৰ কৰি বাপেক-পুতেকৰ এই কাজিয়া বলোৰাম মেধিৰ ঘৰত এটা নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হ'ল।

এই কাজিয়া হয়তো বুঢ়া নমৰালৈকে চলিয়েই থাকিলেহেঁতেন। কিন্তু তাৰ আগতেই এটা ঘটনাৰ ফলত অতি অপ্ৰত্যাশিতভাৱে কাজিয়াখনৰ সমাপ্তি ঘটিল;

ঘটনাটো ঘটিল বুঢ়াৰ সৰু পুতেকৰ বিয়া উপলক্ষে।

গাঁৱৰ বিয়া-বাৰুত সম্ভ্ৰান্ত মানুহৰ ঘৰত দৰাই কন্যা-ঘৰলৈ হাতীত উঠি যোৱাটোৱেই প্ৰচলিত নিয়ম। অপেক্ষাকৃত দুখীয়া মানুহবোৰেও বিয়াৰ শোভাযাত্ৰাত হাতী এটা নিব পৰাটো গৌৰৱৰ কথা বুলি ভাবে। বলোৰাম বুঢ়াৰ ঘৰত বহুত বিয়া হৈ গৈছে। সেই সকলো বিয়াতে হাতী এটা মাত্ৰ নহয়— দহ-বাৰটা হাতীৰ সমদল চলে, আৰু সেই সমদলৰ নেতৃত্ব কৰে বাপধনে।

কণমইনাৰ বিয়াৰ কাৰণে এমাহৰ আগৰ পৰাই ঘৰত বিপুল আয়োজন চলিছে। বুঢ়াৰ কৰিবলৈ একো কাম নাই, বিয়াৰ আড়ম্বৰখিনি যাতে নিখুঁত হয় তেওঁ কেৱল তাতেই চকু ৰাখিছে। তেওঁৰ জীৱন-কালত ঘৰখনত এইখনেই শেষ বিয়া। এই বিয়াখন অতি সুকলমে আৰু আড়ম্বৰেৰে শেষ কৰিব পাৰিলেই তেওঁৰ মনৰ সকলো কামনা পূৰ্ণ হয়। বিয়াৰ এসপ্তাহৰ আগতে তেওঁ বৰমইনাক ওচৰলৈ মাতি সুধিলে বিয়াৰ কাৰণে হাতীবোৰ বন্দৱস্ত কৰা হ'ল জানো?

বৰমইনাই আচৰিত হৈ ঘূৰাই প্ৰশ্ন কৰিলে, "হাতী? হাতী কিয় লাগে?"

বৰমইনাতকৈ হেজাৰগুণ বেছি আচৰিত হৈ বুঢ়াই পুনৰ প্ৰশ্ন কৰিলে, "কি ক'লি? হাতী কিয় লাগে, তই নাজান? পগলা নেকি তই?"

বৰমইনাৰ গাত দোষ নাই। পৃথিৱীখন ইমান দ্ৰুত গতিৰে সলনি হৈ গৈছে যে কালি যিটো কথা আছিল অতি স্বাভাৱিক আৰু জীৱনৰ কাৰণে অপৰিহাৰ্য, আজি সিয়েই হয়তো কেৱল উপহাস আৰু কৌতূহলৰ বস্তু। বুঢ়াৰ দ্বিতীয়বাৰৰ প্ৰশ্নত বৰমইনাই আচল কথাষাৰ বুজি পালে আৰু হাঁহি উত্তৰ দিলে— "হাতী কিয় লাগে পিতা? এইবাৰতো আমি দহ-বাৰখন মটৰ গাড়ী বন্দৱস্ত কৰিছোঁ। দৰা যাব ঘৰৰ ফাৰ্ষ্টক্লাছখনত।"

বুঢ়াই পুতেকৰ কথাষাৰ বুজিবলৈ অলপ সময় ল'লে। তাৰ পিছত মূৰ জোঁকাৰি পুনৰ তেওঁ মাত লগালে, "গাড়ী বন্দৱস্ত কৰিছ কৰ বাৰু। কিন্তু দৰা যাব লাগিব বাপধনত উঠি। বাপধন নোহোৱাকৈ এইখন ঘৰৰ এখনো বিয়া হোৱা নাই, এই শেষ বিয়াখনো সি নোহোৱাকৈ হ'ব নোৱাৰে। ইয়াৰ পিছত তহঁতে যি কৰ কৰি থাকিবি।"

বুঢ়াৰ কথাৰ উত্তৰত বৰমইনাই হাঁহি কিবা এটা ক'লে, কিন্তু কি ক'লে বুঢ়াৰ কাণত নপৰিল। হঠাৎ অতীতৰ স্মৃতিৰহ এজাক বতাহ আহি তেওঁৰ মনটো খন্তেকৰ কাৰণে উন্মনা কৰি তুলিলে।

যথাসময়ত বিয়াৰ দিন আহি পালে। সকলো মানুহ দিহা-দিহি নিজৰ কামত ব্যস্ত। বুঢ়াই ৰাতিপুৱাই ৰাতিয়াক লগত লৈ নৈৰ ঘাটত বাপধনক গা ধুৱাবলৈ গ'ল। নিজে আগত থিয় হৈ থাকি প্ৰায় দুঘণ্টা সময় তেওঁ ৰাতিয়াৰ হতুৱাই বাপধনৰ গাটো ধুৱালে; তাৰ পিছত ঘৰলৈ আহি বাৰমান বজাৰ পৰা বাপধনক সজাবলৈ আৰম্ভ কৰিলে। শিল্পীসুলভ আৱেগেৰে তেওঁ নিজ হাতে তাৰ কপালত কল্কা আঁকি দিলে, শৰীৰৰ অন্যান্য যথাস্থানত বিচিত্ৰ চিত্ৰ-শোভাৰ সৃষ্টি কৰিলে, ভৰিত জুনুকা পিন্ধাই দিলে, তাৰ পিছত ৰাতিয়াৰ লগত পৰামৰ্শ কৰি দৰাৰ কাৰণে গাদীখন সজাবলৈ ধৰিলে।

বিয়াৰ উখল-মাখলত কোনে ক'ত কি কৰিছিল, কাৰো খবৰ নাছিল, হঠাৎ এবাৰ বৰমইনাৰ বুঢ়াৰ কাণ্ড-কাৰখানাত চকু পৰিল। ব্যস্তভাৱে বাপেকৰ ওচৰলৈ আহি তেওঁ মাত লগালে, "পিতা, তুমি এইবোৰ কি কৰিছা?"

বুঢ়াই বিৰক্তিৰে উত্তৰ দিলে, "তহঁতৰ নিজৰতো একো খবৰ নায়েই লোকে কাম কৰিলেও সুধিবলৈহে আহ, কি কৰিছা বুলি। চাৰি বজাত বিয়াৰ যাত্ৰাৰ সময়, এতিয়াই যদি হাতীটোকে ঠিক কৰি থোৱা নহয়..."

"কিন্তু তোমাক দেখোন কৈছিলোঁৱেই পিতা, দৰা গাড়ীতহে যাব বুলি। তুমি মিছা-মিছিকৈ হাতীটো সজাই মৰিছা কিয়?"

পৰম অবিশ্বাসৰ দৃষ্টিতে বুঢ়াই পুতেকৰ ফালে চাই মাত লগালে, "তই ক'লেই হ'ব নেকি, দৰা গাড়ীতহে যাব বুলি? কণমইনা হাতীতেই যাব। তই মনে মনে থাক।"

বিৰক্ত হৈ একো নেমাতি বৰমইনা গুচি গ'ল। যথা সময়ত যাত্ৰাৰ লগ্ন আহি পালে। চাৰিযোৰা ঢোল-গায়ন আৰু বেণ্ড-পাৰ্টীৰ কালিয়াৰ শব্দত চৌদিশ মুখৰিত হৈ উঠিল। অজস্ৰ বৰযাত্ৰী আৰু আয়তী-পৰিবৃত হৈ দৰা পদূলিমুখৰ ফালে আগবাঢ়ি আহিল। তোৰণৰ কাষতে সু-সজ্জিত হৈ থিয় হৈ আছিল বৰমইনাৰ এম্বেছেডৰ, ওচৰতে আৰু দহ-বাৰখন বাছ, লৰি ইত্যাদি। এম্বেছেডৰৰ ঠিক বিপৰীত ফালে থিয় হৈ আছিল বিচিত্ৰ চিত্ৰশোভিত সু-সজ্জিত বাপধন— তাৰ উদ্ধত মুখভঙ্গীত উৎসৱৰ নায়কোচিত আত্ম-প্ৰসাদৰ ভাব। বাপধনৰ কাষতে চকী এখনত বহি বুঢ়াই অপেক্ষা কৰি আছিল দৰাৰ আগমনলৈ। দৰা যে হাতীতেই যাব, সেই বিষয়ে আৰু প্ৰশ্ন হ'ব পাৰে নেকি— তেওঁৰ মুখত এনে এটা ভাব। মাজে মাজে সপ্ৰশংস দৃষ্টিৰে তেওঁ বাপধনলৈ চায় আৰু মুখত এটা পৰম তৃপ্তিৰ ভাব ফুটি উঠে। এনেতে দৰা আহি তোৰণ পাৰ হৈ বাটত থিয় দিলেহি আৰু বুঢ়াই সসব্যস্ত হৈ থিয় হৈ ৰাতিয়াক হুকুম দিলে,— "ৰাতিয়া হাতী বৈঠ কৰ।" ঢোল-গায়নৰ শব্দত তেওঁৰ মাতষাৰ সম্পূৰ্ণ তল পৰি গ'ল আৰু ঠিক সেই মুহূৰ্ততে দৰাই এম্বেছেডৰৰ ফালে মুখ কৰি এখোজ আগবাঢ়ি গ'ল। বুঢ়াই সেই দৃশ্য দেখি আত্মহাৰা হৈ আৰ্তনাদ কৰি উঠিল, "কণমইনাহুঁ" সিমান পৰে মটৰ গাড়ীৰ দুৱাৰ খোল খাই গৈছে আৰু দৰা তাত সোমাবলৈ উপক্ৰম কৰিছে। বুঢ়াই পগলাৰ দৰে হৈ বহাৰ পৰা কঁপি কঁপি উঠি আকৌ চিঞৰি উঠিল, "কণমইনা, তই মটৰৰ পৰা নামি আহ, নামি আহ, তই হাতীতে যাব লাগিব।" বুঢ়াৰ লম্ফ-জম্ফ আৰু চিঞৰ-বাখৰ দেখি ভিৰৰ মাজতে কোনোবাই ঠাট্টা-মস্কৰা কৰি খিকিন্দালি কৰি উঠিল আৰু পিছ মুহূৰ্ততে দৰাৰ মটৰ ষ্টাৰ্ট দিলে। লগে লগে বাকী বৰযাত্ৰীবোৰেও ওচৰতে ৰৈ থকা বাছ, লৰি, যিহকে পাই তাতে উঠি পৰিল— আৰু মুহূৰ্তৰ ভিতৰতে বাকী গাড়ীবোৰেও দৰাৰ গাড়ী অনুসৰণ কৰিবলৈ ধৰিলে।



শূন্য বিয়াঘৰৰ পদূলিমুখত স্তব্ধ স্তম্ভিত হৈ থিয় হৈ ৰ'ল কেৱল বলোৰাম বুঢ়া আৰু বাপধন।

নতুনৰ শোভাযাত্ৰাত ঠাই নোপোৱা, প্ৰাচীন হৈ যাব ধৰা পৃথিৱীৰ দুটা অথৰ্ব প্ৰতিনিধি।

কেইমুহূৰ্তমান পিছত বাপধনৰ শুঁৰৰ স্পৰ্শত বুঢ়াৰ মূৰ্চ্ছা ভাগিল। যন্ত্ৰণা-কাতৰ দৃষ্টিৰে তেওঁ বাপধনৰ মুখলৈ চাই পঠালে— বিব্ৰতভাৱে কাণ দুখন লৰাই সি যেন তাৰ অপমান গোপন কৰিবলৈ আৰু বুঢ়াক সান্ত্বনা দিবলৈ চেষ্টা কৰিছে। কম্পিত খোজেৰে বুঢ়া তাৰ ওচৰলৈ আগবাঢ়ি গ'ল আৰু তাৰ দেহৰ সমস্ত ভৰ দি মুখখন গুজি মাত লগাই উঠিল, "বাপধন, বাপধনহুঁ"

হঠাৎ কি এটা কথা তেওঁৰ মনত পৰি গ'ল, মূৰটো পোন কৰি তেওঁ থিয় হ'ল। তাৰ পিছত তেওঁ ৰাতিয়ালৈ চাই মাত লগালে, "ৰাতিয়া, এইখন ঘৰত আৰু এক মুহূৰ্তও বাপধনৰ থকা নচলিব। বাপধনক মই তোৰ হাতত দান কৰি দিলোঁ, আজিৰ

পৰা তই বাপধনৰ মাউত নহয়, গৰাকী। যা, যা, সিহঁত ঘূৰি অহাৰ আগতেই তই বাপধনক লৈ তোৰ নিজৰ ঘৰলৈ গুচি যা। শুনিছনে নাই, ৰাতিয়া?”

**হোমেন বৰগোহাঞিঃ** ১৯৩২ চনত হোমেন বৰগোহাঞিৰ জন্ম হয়। কবি, গল্পকাৰ, ঔপন্যাসিক, তত্ত্বানুসন্ধিৎসু কথাশিল্পী বৰগোহাঞিয়ে পিছলৈ সুদক্ষ সাংবাদিক হিচাপে প্ৰতিষ্ঠা লাভ কৰে। ৰামধেনু যুগৰ অন্যতম লেখক বৰগোহাঞিৰ হাততেই অসমীয়া গল্প আৰু উপন্যাসত আধুনিকতাবাদে সাৰ্থক ৰূপ লাভ কৰে।

তেওঁৰ অন্যতম উপন্যাসসমূহ হ'ল 'সুবালা', 'তান্ত্রিক', 'কুশীলৱ', 'হালধীয়া চৰায়ে বাওধান খায়', 'পিতাপুত্ৰ', 'তিমিৰ তীৰ্থ', 'অস্তৰাগ', 'সাউদৰ পুতেকে নাও মেলি যায়' আৰু 'মৎস্যগন্ধা'। তেওঁৰ উল্লেখযোগ্য গল্প সংকলন কেইখন হ'ল 'বিভিন্ন কোৰাছ', 'প্ৰেম আৰু মৃত্যুৰ কাৰণে', 'গল্প আৰু নক্সা', 'অস্তিত্বৰ জ্যোতিৰ্ময় চেতনা' ইত্যাদি। 'হৈমন্তী' তেওঁৰ একমাত্ৰ কাব্য সংকলন। 'আত্মানুসন্ধান', 'মোৰ সাংবাদিক জীৱন' ইত্যাদি আত্মজীৱনীমূলক গ্ৰন্থ। তেওঁৰ সম্পাদিত গ্ৰন্থসমূহৰ ভিতৰত 'বিংশ শতিকাৰ অসমীয়া সাহিত্য', 'অসমীয়া সাহিত্যৰ বুৰঞ্জী-ষষ্ঠ খণ্ড' আৰু 'গদ্যৰ সাধনা' বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ বাহিৰেও বিভিন্ন প্ৰবন্ধ আৰু অনুপম ৰচনাৰ ভালেমান সংকলনে তেওঁৰ চিন্তা-চেতনাৰ পৰিচয় দিছে।

অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ এছ ডি চি হিচাপে কৰ্মজীৱন আৰম্ভ কৰা বৰগোহাঞিয়ে পিছত সাংবাদিকতাত একান্তভাৱে আত্মনিয়োগ কৰে। তেওঁ ১৯৭৬ চনত 'পিতাপুত্ৰ' উপন্যাসৰ বাবে অসম প্ৰকাশন পৰিষদ বঁটা আৰু ১৯৭৮ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে। ১৯৯২ চনত সাহিত্য সেৱাৰ স্বীকৃতি স্বৰূপে তেওঁলৈ অসম উপত্যকা সাহিত্য বঁটা আগবঢ়োৱা হয়। ২০০১ চনত তেওঁ অসম সাহিত্য সভাৰ সভাপতিৰ আসনো অলংকৃত কৰে।

## প্ৰশ্নাৱলী ঃ

১। 'হাতী' গল্পত মূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰ কেনেদৰে অঙ্কিত হৈছে, তাৰ এটি আভাস দিয়া।

২। প্ৰজন্মৰ ব্যৱধানে (Generation Gap) মূল্যবোধৰ অৱক্ষয়ত কেনেধৰণৰ অৰিহণা যোগাইছে, 'হাতী' গল্পৰ আধাৰত বিশ্লেষণ কৰা।

৩। 'এন্ধাৰত নিবিড় মিলন সম্ভাষণত মগ্ন অৱস্থাত হাতে হাতে ধৰা পৰি যোৱা প্ৰণয়ী যুগলৰ দৰে বুঢ়া আৰু বাপধন দুয়ো অতি সংকুচিত দৃষ্টিৰে ... দুয়ো আড়ষ্ট হৈ ৰ'ল।'



— ইয়াত 'বুঢ়া' বুলি কাৰ কথা কোৱা হৈছে? বাপধন কোন? এই সম্পৰ্কত দৃশ্যমান হোৱা পৰিস্থিতিটো বৰ্ণনা কৰা।

৪। বাপধনক কেন্দ্ৰ কৰি বাপেক-পুতেকৰ মাজত কেনেধৰণৰ কাজিয়াৰ সূত্ৰপাত হৈছিল, লিখা।

৫। বলোৰাম মেধি কোন? তেওঁ কিয় হাতী কিনিছিল? হাতীটো পিছত কি হ'ল?

৬। 'সিতো কেৱল এটা হাতী নহয়, কেৱল এটা অভিজাত বাহনো নহয়, সি যে তেওঁৰ জীৱনৰ সাফল্যৰ প্ৰতীক।'

— ইয়াত হাতীৰ বিষয়ে কোৱা কথাখিনি কাৰ জীৱনৰ প্ৰসংগত কোৱা হৈছে? কথাখিনিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

৭। 'শূন্য বিয়া ঘৰৰ পদূলিমুখত স্তব্ধ স্তম্ভিত হৈ ৰ'ল কেৱল বলোৰাম বুঢ়া আৰু বাপধন।' বিয়াঘৰৰ পদূলিমুখত বুঢ়া আৰু বাপধন অথৰ্ব হৈ ৰোৱাৰ কাৰণ কি? দুয়ো কিয় বৰযাত্ৰী নহ'ল?

———————

## GUARANTEE CERTIFICATE FROM THE PUBLISHER

Certified that this book is produced as per specification of the Memorandum of Agreement (For publication of Text Books), Clause No. 6 Which states, interalia, that

| | | |
|---|---|---|
| Paper | = | 58 GSM |
| Size | = | 1/16 Double Demy |
| Type | = | 12 pt. DTP |
| Binding | = | Limp Sewn |
| Line per page | = | 30 lines per page |
| Cover page | = | Bi-colour, Laminated, Maplitho paper of 130 GSM |

If any of the specification mentioned above, is violated than "otherwise the work order will be cancelled and the security money will be forfeited."

Name of the Publisher

**Jyoti Prakashan**
Jasowanta Road, Panbazar
Guwahati-781 001